অমাৰস্যাত মিছ ইণ্ডিয়া

আৰু অন্যান্য...

ডঃ অৰ্চনা পূজাৰী

জ্যোতি প্ৰকাশন

জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

AMAVASHYAT MISS INDIA ARU ANYANYA : A trilogy of Assamese novel written by Dr. Archana Pujari and published by Nagen Sarmah on behalf of M/s Jyoti Prakashan, Panbazar, Guwahati -1
First Edition : December, 2009 Price : Rs. 75.00 only

প্ৰকাশক ঃ
শ্ৰীনগেন শৰ্মা
জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

প্ৰথম সংস্কৰণ ঃ ডিচেম্বৰ, ২০০৯
মূল্য ঃ ৭৫.০০ টকা
বেটুপাত ঃ মনজিৎ ৰাজখোৱা
ডি.টি.পি. ঃ
ময়ূৰ ডেস্কটপ, ডেনিছ ৰোড
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১
মুদ্ৰক ঃ
আঙ্গিক প্ৰেছ
গোপীনাথ বৰদলৈ পথ
আমবাৰী, গুৱাহাটী-১

অমাৰস্যাত মিছ্ ইণ্ডিয়া

আৰু অন্যান্য...

মোৰ ক'ব লগা

বিভিন্ন সময়ত আলোচনীৰ পাতত প্ৰকাশ হোৱা তিনিখন চুটি উপন্যাস 'সাগৰ, চুনামি আৰু আমি', 'সময় দুঃসময়' আৰু 'অমাৱস্যাত মিছ ইণ্ডিয়া' একত্রে উলিওৱাৰ কথা চিন্তা কৰি প্ৰথমখন উপন্যাসৰ নামেৰেই নামকৰণ কৰিলো 'সাগৰ, চুনামি আৰু আমি'।

জ্যোতি প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীযুত নগেন শৰ্মাৰ আগ্ৰহৰ বাবে মোৰ উপন্যাসক গ্ৰন্থাকাৰে পাঠকৰ সমুখলৈ আগবঢ়াই দিয়াৰ সুযোগ পালো। তেখেতলৈ এই সুযোগতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। পাঠকৰ সঁহাৰিয়েই আমাৰ পাথেয়—

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী—১৬
জুলাই, ২০০৯

অৰ্চনা পূজাৰী

সূচীপত্ৰ

- সাগৰ, চুনামি আৰু আমি
- সময় দুঃসময়
- অমাৱস্যাত মিছ ইণ্ডিয়া

সাগৰ, চুনামি আৰু আমি

সাগৰ, চুনামি আৰু আমি

এক

সুন্দৰ এক মসৃণ জীৱনৰ কিদৰে অন্ত পৰে কোনো আগজাননী নোহোৱাকৈ? কিয় শেষ হৈ যায় প্ৰেম? কিয়? কি দোষ কৰিছিলো আমি? ঈশ্বৰ বৰ নিষ্ঠুৰ নেকি? যদি তেওঁ নিষ্ঠুৰেই নহয়— তেনে, তেনেহ'লে কিয় এই অবিচাৰ? প্ৰকৃতিৰ নিষ্ঠুৰতম ৰূপটো দেখা পোৱাজনে কিদৰে মানি ল'ব প্ৰকৃতি দয়াশীলা বুলি? প্ৰকৃতি আই বুলি? আমিতো জানো প্ৰকৃতিয়ে দিয়ে, কেৱল দিয়ে, নিঃশেষকৈ দিয়ে। কিন্তু আমাৰ হৃদয় শূন্য কৰি লৈ গ'ল সকলো।

ৰে'লখনে দীঘলীয়াকৈ উকিয়াইছে। এই উকিৰ খুন্দা লাগি তিনিখন নাৰী হৃদয় থনথনকৈ ভাগি পৰিছে। এই শব্দত ৰে'লখন কঁপি উঠিছে আৰু সেয়ে বুকুত বেদনা লৈয়ে দ্ৰুতৰ পৰা দ্ৰুততৰ হৈছে। ৰে'লখনেও যেন ভাবিছে দয়াময়, এই যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ দিয়া। পৰিত্ৰাণ দিয়া।

ৰে'লৰ খিৰিকীত মূৰ থৈ সুদূৰৰ উকা পথাৰবোৰলৈ দৃষ্টি নি কি ভাবি আছে তাই, তাই নিজেই ঠিক ধৰিব পৰা নাই। নিজকে তাই প্ৰশ্ন কৰিছে— কি ভাবি আছে তাই? খালী হৃদয়, খালী দৃষ্টি। শূন্যৰ পৰাই আৰম্ভ হৈ এনেদৰেই শূন্য হৈ পৰে নেকি সকলো?

তাই ভাবিব নোৱৰা হ'ল। মূৰৰ ভিতৰত সাগৰৰ ঢৌবোৰে উঠা-নমা কৰিছে। কি হৈছে বাৰু? যুক্তিৰে তাই নিজকে প্ৰত্যয় নিয়াব পৰা নাই কিয়? সকলোৰে মুখবোৰ অনিকেতৰ দৰে লাগিছে কিয়? চকুৰ আগত ৰাক্ষসী সাগৰে গৰ্জি উঠিছে— অনিকেত, অনিকেত, অনিকেত। কম্পাৰ্টমেণ্টত ঠাহ খাই থকা মানুহবোৰৰ সহস্ৰ চকু লাইলিৰ ওপৰত নিবদ্ধ হ'ল। লাইলিয়ে চিএৰ মাৰি সংজ্ঞা হেৰুৱাই পেলালে। সীমান্তিকাই লাইলিক অলপ শোৱাই দিবৰ বাবে মানুহবোৰৰ মাজত ঠাই বিচাৰিলে। হাতযোৰ কৰি ক'লে— আপোনালোকে আমাক অলপ দয়া কৰক। মোৰ বান্ধৱীজনী অসুস্থ হৈ পৰিছে। অলপ ঠাই উলিয়াই তাইক শোৱাবলৈ ব্যৱস্থা কৰি দিওঁ।

সকলোৱে চকুত প্ৰশ্ন লৈ কিছু ঠাই উলিয়াই দিলে। হাওৰা ষ্টেচনৰ পৰাই সকলোৰে চকু লাইলিৰ ওপৰত আছিল। নাথাকিব কিয়? ইমান সুন্দৰী নাৰী সততকাই দেখা পোৱা নাযায়। সঁচাই তিলোত্তমা তাই। চালে চাই থাকিবৰ মন যোৱা সৌন্দৰ্য তাইৰ। লাইলিক

শোবলৈ ঠাই দি মানুহবোৰ সীমান্তিকাৰ ওচৰ চাপি আহিল। সকলোৱে প্ৰশ্ন কৰিবলৈ ধৰিলে তাইক। কোনোবা এজনে সুধিলে— হেৰি, কি হৈছেনো এখেতৰ? সীমান্তিকাই চমুকৈ ক'লে। সীমান্তিকাৰ কথাত হয়ভৰ দি আন এগৰাকীয়ে মাত লগালে— আয়ে দেহি। মই প্ৰথমৰ পৰাই বিমৰিষিত মুখখন চাই চাই ভাবি আছিলো এনে কিবা বেদনাৰেই ভাৰাক্ৰান্ত হ'ব। ইমান সুন্দৰী অথচ ভিতৰখন কিমান দুখী। সীমান্তিকাই ভাবিলে, তোমালোকেতো নুবুজিবা। মোৰ ভিতৰতো বেদনাৰ পাহাৰ হৈছে। লাইলিয়ে তাইৰ প্ৰেমিকক, তাইৰ স্বামীক হেৰুৱাইছে আৰু মই, মই যে মোৰ শৈশৱৰ সঁচা বন্ধুক হেৰুৱালো। নাই নাই, নুবুজিবা তোমালোকে।

কাষৰ কম্পাৰ্টমেণ্টৰ নয়নাই বাথৰুমলৈ বুলি যাওঁতে লাইলিক বেঢ়ি মানুহবোৰ বহি থকা দেখা পাই থমকি ৰ'ল। নোসোধোঁ বুলি কিয় জানো সুধিলে— কি হৈছে এখেতৰ? এগৰাকী অসমীয়া যাত্ৰীয়ে টপৰাই মাত দিলে— নক'ব বুইছে। এখেতৰ গিৰীয়েক ঢুকাইছে।

কথাষাৰ শুনি নয়না উচপ খাই উঠিল। তাই আৰু কথা বঢ়াবলৈ টান পালে। লাইলিৰ মুখলৈ চালে তাই— ইমান কৰুণ এইখন মুখ। তাই মনে মনে ভাবিলে, উস ভগৱান, এই গাভৰুজনীকো তুমি এনে দুখী কৰিলা! নয়নাৰ চকু ভৰি আহিল। তাই মানুহৰ ভিৰ ঠেলি নিজৰ মুখ লুকুৱাবলৈ চেষ্টা কৰিলে। পাৰ হৈ যাওঁতে তাই শুনিবলৈ পালে— চুনামিত উটি গ'ল লাইলিৰ গিৰীয়েক। নয়নাৰ একমাত্ৰ জীয়েককো সাগৰে কাঢ়ি নিলে। তাই মনে মনে উচ্চাৰিলে— নীহাৰিকা, নীহাৰিকা। হঠাৎ তাই বাথৰুমৰ নিচেই কাষৰ কম্পাৰ্টমেণ্টত ছীট এটা পাই বহি দিলে। মূৰটো ঘূৰোৱা যেন লাগিছে। বহাৰ পাছতহে নয়নাই মন কৰিলে, ল'ৰা এটাই মাকৰ মূৰটো কোলাত লৈ সৰু সৰুকৈ বুজাই আছে। মাকে ইচাট্-বিচাট্‌কৈ কান্দি কান্দি বাউলী হৈ পৰিছে।

নয়নাই নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। কি ক'ব, কি সুধিব, কি বুলি সান্ত্বনা দিব? কান্দি থকা বুঢ়ীগৰাকী হ'ল যোৰহাটৰ। নাম সুজাতা দেৱী। সপৰিয়ালে গৈছিল তিৰুপতি দৰ্শনৰ বাবে। লগতে দক্ষিণ ভাৰতৰ ঠাই কিছু ফুৰি আহিব। জীৱনত কোনো দিনেই নিজৰ ওপজা ঠাইখনৰ ইঘৰ-সিঘৰ মিতিৰ ফুৰাৰ বাহিৰে সুজাতা দেৱীয়ে ফুৰা-চকা কৰা নাছিল। গিৰীয়েকৰ পুৱাৰ পৰা গধূলিলৈকে চাহ বাগিচাৰ চাকৰি। তেনে এক চক্ৰবেহুৰ মাজত কেৱল অফিচ-ঘৰ, ঘৰ আৰু অফিচ কৰি চাকৰিৰ শেষ বছৰটোত অৰ্থাৎ অৱসৰ ল'বলৈ কিছুদিন থাকোঁতে এল. টি. চি. মুকলি কৰি দিয়ে ফুৰি-চাকি আহিবলৈ। এই বয়সত আৰু কি ফুৰা বুলি ক'ব— তীৰ্থ কৰিবলৈ যোৱা বুলিবই পাৰি। পিচে কি হ'ব ভাবিলে— 'ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি।' সুজাতা দেৱীয়েও জীৱনত ফুৰাৰ সুখ নাপালে। সুখ-দুখৰ লগৰী বৃদ্ধ স্বামীকো হেৰুৱাব লগা হ'ল সাগৰৰ বুকুত।

উস! কি হৃদয় বিদাৰক। উস! নোৱাৰি, ভাবিব নোৱাৰি সাগৰৰ কাল সংহাৰী সেই ৰূপ পাহৰিবও নোৱাৰি।

দুই

অসমৰ তিনিখন নগৰৰ পৰা অহা তিনিগৰাকী নাৰীয়ে সাগৰ দেখি, সাগৰৰ বিশালতা দেখি বিস্ময় মানিছিল। ৰাশি-ৰাশি ঢৌৰ খলকনিৰে পাৰাপাৰহীন কি বিশাল সাগৰ। নীলা সাগৰ। পাৰৰ চকুৰে নমনালৈকে ধূসৰ বালি আৰু বালি, কেৱল বালি। এই সাগৰ পাৰত বহি বহি অনিকেতৰ মুখৰ পৰা ঢল বাগৰি আহিছিল কবিগুৰুৰ কবিতা। লাইলিয়ে সাগৰত চকু থৈ যেন সেই উদাত্ত কণ্ঠৰ কবিতাটি উপভোগ কৰিছিল। আজিও কাণত বাজি আছে তাইৰ—

"ৰাশি ৰাশি শুভ্ৰহাস্যে, অশ্ৰুজলে, স্নেহগৰ্ব সুখে
আৰ্দ্ৰ কৰি দিয়ে যাও ধৰিত্ৰী নিৰ্মল ললাট
আশীৰ্বাদে। নিত্য বিগলিত তব অন্তৰ বিৰাট
আদি-অন্ত স্নেহৰাশি আদি-অন্ত তাহাৰ
কোথাৰে। কোথা তাৰ তল, কোথা কূল।
বলো কে বুজিতে পাৰে তাহাৰ অগাধ শান্তি
তাহাৰ অপাৰ ব্যাকুলতা, তাৰ সুগম্ভীৰ
মৌন, তাৰ সমুচ্ছল কল কথা, তাৰ হাস্য,
তাৰ অশ্ৰুৰাশি..."

কিন্তু কবিগুৰুৰ কবিতাই সাগৰ দৰ্শন আৰু মধুময় কৰিতোলোঁতেই থানবান হৈ গ'ল হৃদয়। শুভ্ৰহাস্যৰ শান্তি পলাই ফাঁট মাৰিল, থৈ গ'ল কেৱল অভিশাপ। ঘৃণাত যেন সকলোৰে নাক কুঞ্চিত হৈছে।

ক'ত সেই উদাৰতা। দিলে জানো ঘূৰাই চাহি-মুহি লৈ গ'ল যি। নাই নিদিলে। সকলোৰে হৃদয় শুদা কৰি কাঢ়ি নিলে আপোনজনক। সাগৰ, সাগৰ তই বলিয়া হৈছ! সকলোৰে যেন অভিশাপ দিছে তোৰ বিশালতাৰ অহংকাৰ খৰ্ব হওক। তই সংকুচিত হৈ পৰ। তোৰ পানী শুহি লওক মাটিয়ে।

এদিন-দুদিনকৈ সাগৰ অশান্ত হৈ পৰিল। কিন্তু লাখে লাখে মৃত শৰীৰৰ গেলা-পচা দুৰ্গন্ধই বিষাক্ত কৰি তুলিলে সাগৰৰ পাৰ। হৃদয় বিদাৰক কান্দোনৰ ৰাউচিয়ে আকাশ ফালি ছিৰাছিৰ কৰিলে।

মাত্ৰ দুমাহৰ আগেয়ে বিয়া হৈছিল লাইলি আৰু অনিকেতৰ। মাত্ৰ দুমাহ সময়। লাইলিৰ গাৰ মাহ-হালধিৰ গোন্ধ মাৰ যোৱাই নাই। তাইতো তাৰ ছাঁৰ দৰেই আছিল।

তেনে কেনেকৈ হেৰুৱাব লগা হ'ল। আকাশ-বতাহ সকলোৱে যেন বিচাৰি ফুৰিছে— অনিকেত, অনিকেত।

নাই, অনিকেতৰ সঁহাৰি নাই। অনিকেতক সাগৰে লৈ গ'ল। লাইলিৰ হৃদয় ছেৰছেৰকৈ দুফাল হ'ল। কেৱল শূন্যৰে ভৰি থাকিল হৃদয়। ই সঁচাই ভয়ংকৰ ! নিয়তিৰ পৰিহাস সঁচাই ভয়ংকৰ।

চিলমিল টোপনিত তাই সপোন দেখে। সাগৰ দেৱতাই চুৰি কৰি লৈ গৈছে এক সুদৰ্শন ৰাজকুমাৰক। পিছে পিছে যাঠী-জোং লৈ হাজাৰ হাজাৰ সৈনিকে খেদি গৈছে। নাই, পৰা নাই। কোনোৱেই সমুদ্ৰ দেৱতাক পৰাজিত কৰিব পৰা নাই। সুদৰ্শন ৰাজকুমাৰজনক পানীৰ বিছনাত শোৱাই দিছে আৰু সমুদ্ৰ দেৱতা কাষতে থিয় হৈ আছে। সৈনিকবোৰ গৰ্জি উঠিছে। সমুদ্ৰ দেৱতাই তেওঁলোককো যাদুকৰীৰে শোৱাই দিছে। লাইলিয়ে পিত্‌পিতাই চাই ফুৰিছে— হয়, ৰাজকুমাৰৰ মুখাৱয়ব ক'ৰবাত দেখা দেখা যেন লাগিছে। হঠাৎ তাই ভাবিলে অনিকেত নহয়তো?

তাই বাৰে বাৰে ৰাজকুমাৰৰ কাষলৈ যোৱাৰ চেষ্টা কৰিলে। নাই, নিদিয়ে। বহু অনুনয়-বিনয়ৰ শেষত তাইক এবাৰলৈ, মাত্ৰ এবাৰলৈ ৰাজকুমাৰৰ মুখখন দেখুৱালে। আচৰিত, এইয়াচোন আন কোনো নহয়, তাইৰ অনি, অনিকেত। হঠাৎ তাই সাৰ পাই উঠিল। ৰে'লখনে ঝক্‌ঝকাই গৈয়ে থাকিল। বুকুৰ ভিতৰতো কিবা এক গুম্‌গুমনি বাঢ়ি গৈ গৈ চকুপানী হৈ টোপ টোপকৈ বাগৰি আহিল।

তিনি

কিমান স্বপ্ন বুকুত বান্ধি মধুযামিনীৰ বাবে আহিছিল সিহঁত। হয়, বহুদিনৰ স্বপ্ন আছিল অনিকেতৰ। তায়ো ভাল পাই সাগৰ। বিশাল, উদাৰ, পাৰাপাৰহীন। বহুবাৰ উৰিছে তাই সাগৰৰ ওপৰেৰে। তথাপিচোন হেঁপাহ নপলায়। অনিকেত পাহাৰত ডাঙৰ-দীঘল হোৱা ল'ৰা। ডিফুত ঘৰ। সেয়ে সি পাহাৰৰ গৰ্বী উন্নত ৰূপটো ভাল পায়। নিজেও সদায় মূৰ তুলি থাকিব খোজে। কিন্তু সাগৰ, সাগৰ সঁচাকৈয়ে ৰহস্যময়! সেয়ে তাৰ ভাল লাগে। বৰ ভাল লাগে। লাইকিল বহু দিনৰ পৰা একেটা কথাই কৈ আছিল সি। বিয়াৰ পিছত সিতো বুক কৰিয়েই পেলালে সাগৰ পাৰৰ বিলাসী কটেজ এটা। মধুযামিনীৰ একান্ত সময়খিনি কিমান মধুময় হ'ব সাগৰৰ পাৰ।

লাইলি, মোৰ সোণজনী, এবাৰ ভাবাচোন, জোনাক নিশাৰ সাগৰৰ পাৰৰ মায়াময় ৰূপ। আঃ কেনে সুন্দৰ হৈ পৰিব। সমুখত সাগৰে গৰ্জি থাকিব আৰু আমি শুকুলা বালিত বহি জোনাকৰ কবিতা পঢ়িম। তুমি এই ৰহস্যৰ মাজেৰে যেন সৰগৰ পৰী হৈ নামি আহিবা মোৰ মাজলৈ।

ঃ অঃ ষ্টপ ইট। ষ্টপ ইট অনি।

ঃ তোমাৰ ভাল লগা নাই ডাৰ্লিং?

লাইলিয়ে কৃত্ৰিম খঙেৰে ক'লে— নাই লগা। ইমান বেছি কৰা কিয় তুমি?

ঃ অ' ডাৰ্লিং, অলপো বেছি কৰা নাই মই, তেনে এটা পৰিবেশত কেৱল তুমি আৰু মই। মই পাগল হৈ যাম লি। পাগল হৈ যাম।

লাইলিয়ে জানে এই ল'ৰাটো পগলা প্ৰেমিক। আবেগত অধীৰ হৈ পৰিলে সি লাইলিক আদৰেৰে 'লি' বুলি মাতে। তাক বুজাই লাভ নাই। তথাপি লাইলিৰ জোকাবৰ মন গল।

ঃ এই অনি, সাগৰক ভাল পাওঁতে পাওঁতে মোক পাহৰি নোযোৱাতো?

ঃ তোমাক। তুমিচোন মোৰ শ্বাস-প্ৰশ্বাস।

ঃ বাঃ বৰ কাব্যিক হৈছা। পিছে দেখিলেহে লেখিম।

লাইলিয়ে আকৌ এবাৰ খোঁচ মাৰি চালে।

ঃ মোৰ হ'লে জানা অনি, কাশ্মীৰ চাবৰহে মন আছিল। পৃথিবীৰ ভূস্বৰ্গ বোলে। কাশ্মীৰৰ লানি নিছিগা পানীৰ সৰোবৰ, বৰফাবৃত পাহাৰৰ শৃংগ। তাতে আকৌ কাশ্মিৰী সুন্দৰীৰ আপ্যায়ন। মজাই বেলেগ।

ঃ এহ, তোমাৰ দৰে সুন্দৰী এগৰাকী কাষত থাকোঁতে কাশ্মিৰী সুন্দৰীৰ কাষলৈ যায় কোন? তুমি সাগৰলৈ ব'লা, সাগৰ ৰহস্যময়, সাগৰ বিশাল, সাগৰ অতিকৈ গভীৰ, নামটো উচ্চাৰিলেই কি এক শিহৰণ জাগে মনত। নাজাগেনে, নাজাগেনে লি?

ঃ মইতো সাত সাগৰ তেৰ নদী পাৰ হৈ কতবাৰ গৈছোঁ।

লাইলিৰ কথাৰ প্ৰতিবাদ কৰি অনিকেতে সিদিনা গভীৰভাৱে কৈছিল—

ঃ ময়োতো সাত সাগৰ তেৰ নদী পাৰ হৈ কতবাৰ গৈছোঁ।— লাইলিৰ কথাৰ প্ৰতিবাদ কৰি অনিকেতে সিদিনা গভীৰভাৱে কৈছিল— নহয় লাইলি, তুমি তেনেকৈ নক'বা। তুমি আকাশৰ পৰাহে সাগৰ দেখিছা। কাষলৈ যাওঁ ব'লা। তোমাৰ ধাৰণা সলনি হৈ যাব।

ঃ হ'ব হ'ব হ'ব। — লাইলিয়ে অনিকেতৰ কথা কাঢ়ি নি কৈছিল— তোমাৰে জয় হওক, অনি। তোমাৰ মতেই বাৰু হনিমুনৰ ঠাই ঠিক কৰা। কথা শুনি অনিকেতে আবেগেৰে লাইলিক সাবটি ধৰি উপৰ্যুপৰি চুম্বন কৰিছিল। বাৰে বাৰে কৈছিল— মই জানো তুমি মোৰ কথা মানিবাই। লাইলিয়ে অনিকেতৰ বাহু বন্ধনৰ পৰা ওলাই আহি কৈছিল— এই অনি, প্ৰথম প্ৰস্তাৱটো বাৰু মানিছোঁ। পিছলৈ তোমাৰ দাদাগিৰি নচলিব।

ঃ অ' কে বাবা। অ' কে। পিছলৈ বাৰু তোমাৰ দাদাগিৰি চলিব।

ঃ প্ৰমিজ।

ঃ গড প্ৰমিজ। — এইবুলি সৰু ল'ৰা এটাৰ দৰে সি কাণত ধৰিলে। লাইলিৰ

হাঁহিও উঠিল— কিবা এক অপত্য স্নেহ জাগিল। তাইৰ গোলাপী ওঁঠ দুখন ক'ব নোৱৰাকৈয়ে তাৰ ওঁঠত গুজি দিলে।

লাইলিয়ে ভাবিলে, তাইৰ কি হৈছে? নাভাবোঁ বোলা কথাবোৰ জল্‌জল্-পট্‌পট্‌কৈ চেলুলয়ডৰ ছবিৰ দৰে আহি আছে মনলৈ। তাইৰ বুকুখন বিষাই উঠিল। ডাক্তৰে ভাবিবলৈ মানা কৰিছে। তাই কি কৰিব? কি কৰিব তাই? ইমানবোৰ দুখ তাই কিদৰে কঢ়িয়াই ফুৰিব বাৰু? অনিকেত নাই, এই কথা চুনামিৰ দুৰ্ঘটনাৰ এমাহৰ পিছতো তাইৰ মনে কিয় মানি ল'ব পৰা নাই? কিয়? সাগৰ প্ৰেমী অনিকেতক সাগৰে কাঢ়ি নিলে. তাইৰ চকুৰ সমুখতে।

তাই বাহিৰলৈ চালে। একো নেদেখি। সঁচাই একো নেদেখি। কেৱল এন্ধাৰ। মুঠি মুঠি এন্ধাৰ। আন্ধাৰত সকলো একে। কেৱল ক'লা, কদাকাৰ। বাহিৰৰ আন্ধাৰবোৰ চাই চাই তাই ভাবিলে, তাইৰ জীৱনটোও এনেকুৱাই নহয়নে? আন্ধাৰ হাহাকাৰ। এনেতে সমীৰণ সোমাই আহিল। হাতত দুকাপ চাহ। সমীৰণৰ হাতৰ পৰা মাটিৰ পাত্ৰৰ চাহ দুকাপ লৈ সীমান্তিকাই একাপ লাইলিৰ ফালে আগবঢ়াই দিলে— এই লাইলি, চাহ খাওঁ, এইকাপ লোৱা।

লাইলিয়ে চাহকাপ হাত পাতি ল'লে। বিনা প্ৰতিবাদে তাই চাহকাপত শোহা মাৰিলে।

চাবি

সীমান্তিকা আৰু সমীৰণৰ ব্যস্ততাৰ অন্ত নাই। নহ'বইবা কিয়? দুয়োজনেই খুউব ভাল ডাক্তৰ। দুয়োজনেই চেন্নাইত চাকৰি কৰে। অনিকেত আৰু লাইলিৰ বন্ধু হোৱাৰ বাবে সিহঁত চেন্নাইত থকা সময়খিনিত দহোৱন কাটি কৰি দুয়ো আহি অনিকেতহঁতক লগ দিছিল। পিছলৈ ঘটনাই এনে মোৰ ল'লে যে সিহঁতে সকলো দায়িত্ব একাষৰীয়াকৈ থৈ কেৱল লাইলিৰ লগতে কটাব লগা হ'ল। সীমান্তিকাই ভাবিলে, এনে এক প্ৰাকৃতিক দুৰ্যোগে তাইৰ প্ৰিয়তম বন্ধুক ক'লৈ যে লৈ গ'ল। কথাই কথাই ধেমেলীয়া অনিকেত, শৈশৱৰ ল'ৰা-ধেমালিৰ লগৰী অনিকেত, কলেজীয়া দিনৰ সহায়ৰ হাত আগবঢ়োৱা অনিকেত ক'লৈ যে গুচি গ'ল, কিয় ইমান নিষ্ঠুৰ আঘাত পাব লগা হ'ল বাৰু তাই? কিমান সপোন দেখিছিল সি। এটি সন্তানৰ পিতৃ হোৱাৰ কিমান হেঁপাহ আছিল তাৰ। কথাবোৰৰ মাজত বুৰ গৈ তাইৰ জীৱনটো কিবা অৰ্থহীন যেন লাগিল।

এয়া সিহঁত আহি আছে মাদ্ৰাজৰ পৰা। একোটা বেদনাৰ পাহাৰ বৈ বৈ আহিছে। মাদ্ৰাজৰ পৰা কলকাতা, কলকাতাৰ পৰা অসম। কলকাতাৰ পৰা অসমলৈ কানেক্টিং ফ্লাইট নোপোৱাত সিহঁত বৈ গ'ল হাওৰাত। কোনো মতে ৰে'লৰ দ্বিতীয় শ্ৰেণীৰ ছীটকেইটা যোগাৰ কৰি এয়া আহি আছে অসম অভিমুখে। নাযায়-নুগুৱায় সময়।

লাইলিৰ অৱস্থাৰো দিনক দিনে অৱনতি ঘটিছে। বেদনাই কোঙা কৰা তিনিটা মানুহ— কোনে কাক সান্ত্বনা দিব? কি বুলি বুজনি দিব?

হঠাৎ কি জানো হৈ গ'ল, লাইলি চক খোৱা নিচিনা হৈ বাগৰি পৰিল। সমুখৰ ছীটত বহা বাঙালী ভদ্ৰলোকজনে থাপ মাৰি নধৰা হ'লে তাই ট্ৰেইনৰ ফ্ল'ৰত পৰি গ'লহেঁতেন। সীমান্তিকাই তাইৰ চকুৰে-মুখে পানী ছটিয়াই দিলে। নাই, সাৰ-সুৰ নাই। প্ৰেছাৰ চালে, পালছ চালে, হাত-ভৰিবোৰ চেঁচা হৈ থকাত অলপ মেছেজ কৰি দিলে। সমীৰণৰ লগত আলোচনা কৰি ঠিক কৰিলে যে তাইৰ এটা ভাল ট্ৰিটমেণ্টৰ প্ৰয়োজন। গুৱাহাটীলৈ গৈয়ে প্ৰথমে তাইক হাস্পতালাইজ কৰিবগৈ লাগিব। কিছু সময়ৰ পিছত লাইলি সুস্থ হৈ উঠিল। ছোৱালীজনী একেবাৰে শেঁতা হৈ পৰিছে। চেন্নাইত যোৱা এমাহে বহুতৰ দুখৰ মাজত তাই নিজৰ দুখৰ যেন ভাগ-বটোৱাৰাহে কৰিছিল। কিন্তু এতিয়া চেন্নাইৰ পৰা যিমানে আঁতৰি আহিছে সিমানে তাই অনিকেতৰ অনুপস্থিতি অধিক উপলব্ধি কৰিবলৈ ধৰিছে।

ঃ বৰ ভাগৰ লাহিছে। — সীমান্তিকাৰ ভাগৰুৱা মুখখন দেখা পাই সমীৰণে তাইৰ বাবেও অলপ ঠাই উলিয়াই দিলে— তুমিও অলপ ৰেষ্ট লোৱা সীমা।

ঃ তোমাৰোতো কম কষ্ট হোৱা নাই। — হয় হয়, তাইৰো বৰ কষ্ট হৈছে। মানসিক কষ্টৰ লগতে শাৰীৰিক কষ্ট। যোৱা এমাহে চুনামিপীড়িত মানুহখিনিৰ বাবে সিহঁতে যিমান পাৰে সহায় আগবঢ়াইছে।

সীমান্তিকা শুইছে। শোৱক বেচেৰী। কেতিয়াও নিজৰ কথা নভবা এইজনী ছোৱালীয়ে কেৱল চিনি পায় কাম। দুৰ্গতজনৰ সেৱা কৰাই তাইৰ জীৱনৰ ব্ৰত। সমীৰণৰ মাজে মাজে অতিষ্ঠ লাগি যায়। সিওতো ডাক্তৰ। ডাক্তৰ হ'ল বুলি সিহঁতৰ ব্যক্তিগত সুখ-দুখ নাথাকিবই নেকি? কেৱল যন্ত্ৰৰ দৰে কাম কৰি যাব? মানৱ সেৱা তাৰো ধৰ্ম, কিন্তু নিজৰ জীৱন দি নহয়।

নোৱাৰি, সীমাক নোৱাৰি। তাই নিজৰ জীৱন দি হ'লেও আনৰ প্ৰাণ বচাব। খং কৰিলে তাই হাঁহি দিব। সিদিনা দুগুণ খৰখেদাকৈ তাক সহায় কৰি নিজৰ কামত ওলাই যাব। সমীৰণ শান্ত হৈ যায়। লাইলি শুইছে। সীমা বাগৰিছে যদিও সাৰে আছে।

ঃ সীমা।

ঃ হুঁ?

ঃ মই ভাত-পানী কি পাওঁ খবৰ কৰোঁগৈ। তুমি লাইলিক মন কৰিবা। সীমান্তিকাই লাহেকৈ ক'লে— হ'ব যোৱা।

সিহঁতৰ কথা-বতৰা শুনি আৰু অৱস্থাটো হৃদয়ংগম কৰি সমুখৰ বাঙালী ভদ্ৰলোকজনৰ কিবা এক সহানুভূতি জাগিল। তেখেতে উপযাচিয়েই ক'লে— আপুনি বহক, অলপ জিৰণি লওক। ময়ে ভাতৰ খবৰ লওঁ বাৰু। এইবোৰ ট্ৰেইনত কেটাৰিং

বা কেনে। কওকচোন কি কি খাব? অ', আপোনালোকৰ পেচেণ্টজনে খাবনে নাই?

সমীৰণে প্ৰস্তাৱটো বেয়া নাপালে। কাৰণ সি কাষত থাকিলে সীমাও অলপ শোব পাৰিব। সেয়ে সি ভদ্ৰলোকক ধন্যবাদসূচক চাৱনিৰে ক'লে— প্ৰথমতে আপুনি কেটাৰিঙৰ খবৰ কৰক। কেটাৰিং নাই যদি পিছৰ ষ্টেচনত ক'ত কি পোৱা যায় চাব লাগিব।

ঃ ঠিক আছে। — ভদ্ৰলোক উঠি গ'ল। ডবাটোৰ ভিতৰত থকা আনবোৰ যাত্ৰীয়ে নিজৰ বেগৰ পৰা খোৱা বস্তু উলিয়াই ৰাতিৰ সাঁজৰ ব্যৱস্থা কৰিছে। লাইলিৰ বাবে কৰ্ণফ্লেক্স আছে। তাই সাৰ পালে খাবলৈ দিব। তাৰ ভোক ভোক লাগিছে। ঘড়ীলৈ চালে, নিশা আঠ বাজো বাজো। সি বটলৰ পৰা পানী অলপ খালে। হাওৰাত ৰে'লৰ টিকটৰ বাবে হায়ৰাণ হওঁতে কিবা কিবি খোৱা বস্তু কিনাৰ কথা মনলৈ নাহিলেই। তথাপি সি বেগবোৰ চালে। চাৰিটা আপেল আছে। তাৰ মনটো ভাল লাগি গ'ল। বাঙালী ভদ্ৰলোকলৈও তাৰ মনত পৰিল। হ'ব তেৰোঁ খাব পাৰিব এটা আপেল। সি সেয়ে এটা আপেল খালে। হঠাৎ তাৰ শুই থকা সীমান্তিকাক মৰম কৰি দিবৰ মন গ'ল। সি আলফুলে তাইৰ মুখত হাত বুলাই দিলে। তাই তাৰ স্পৰ্শ পাই চকু মেলি চালে। তাৰ পিছত বাগৰ সলাই শুই পৰিল। সীমান্তিকা বৰ ভাগৰুৱা হৈ পৰিছে।

সমীৰণৰ অনিকেতলৈ মনত পৰিল। এনেবোৰ অকলশৰীয়া ক্ষণত প্ৰিয় বন্ধুৰ বিয়োগৰ বেদনাই তাক ভাৰাক্ৰান্ত কৰে। সি কান্দিব নোৱাৰে। কিন্তু সীমান্তিকা আৰু লাইলিৰ বুকু ভগা কান্দোনে তাকো স্থিৰেৰে থাকিবলৈ নিদিলে। কথাবোৰ তাৰ সপোন সপোন যেন লাগি যায়। সৌ সিদিনালৈ অনিকেতৰ লগতে উঠা-বহা কৰিছিল। কিন্তু আজি কেৱল শূন্যতা, বিৰাট শূন্যতা। সি কি মৃত্যু দেখা নাই! দেখিছে, দেখিছে। কত ৰোগীৰ মৃত্যুকালৰ যন্ত্ৰণা সি দেখা পাইছে। কতজন আত্মীয়ৰ হিয়া ভগা ৰাউচি সি শুনা পাইছে। কিন্তু ক'তো সিতো এবাৰলৈও বিচলিত হোৱা নাই। অথচ আজি নিজকে যেন সম্বৰণ কৰিব পৰা নাই।

ঃ এইজনী সীমান্তিকা। সমীৰণ, এবাৰ কথা পাতি চোৱাচোন। কেনে লাগে ক'বা। — ঠিক এনেদৰেই এদিন অনিকেতে সমীৰণক চিনাকি কৰাই দিছিল সীমান্তিকাৰ লগত। সীমান্তিকাই অনিকেতলৈ পোন্দোৱাকৈ চাইছিল।

ঃ ঐ অনি, এনেদৰে মানুহক চিনাকি কৰে?

ঃ কি মিছা কৈছোঁনো? একে টেষ্টৰ নহ'লে কথা পাতি ভাল লাগে জানো? তইঁত দুটা ডাক্তৰ সেয়ে ভাবিছোঁ টেষ্টবোৰ মিলিব।

ঃ ৰহ তোক মই মজা দিম।

সীমান্তিকা অনিকেতৰ সৰুকালৰ বান্ধৱী। সুন্দৰী নহ'লেও সমীৰণৰ সিদিনা কিবা এটা ভাল লাগি গ'ল তাইক। দুয়ো একে ক্লাছৰে অথচ সিদিনাৰ আগলৈ দুয়োজনৰ

চিনাকিয়েই নাছিল। তাৰপিছত কেতিয়াবা লাইব্ৰেৰীত, কেতিয়াবা প্ৰেক্‌টিকেল ক্লাছত, কেতিয়াবা কেণ্টিনত, কেতিয়াবা অনিকেত-লাইলিৰ আড্ডাত সিহঁতৰ সঘনাই দেখা-দেখি হ'ব ধৰিলে। কিন্তু সাধাৰণ কথা-বতৰা, সাধাৰণ বন্ধুত্বৰ বাহিৰে সিহঁতৰ সম্পৰ্ক বিশেষ আগ নাবাঢ়িল। কিন্তু এম. ডি. কৰিবলৈ আহি দুয়ো যেতিয়া মেডিচিন বিভাগত সোমালহি তেতিয়াহে সিহঁতৰ বন্ধুত্ব গাঢ় হ'বলৈ ধৰিলে। এদিন সেই বন্ধুত্ব গৈ প্ৰেমত পৰিণত হ'লগৈ। এজনে আনজনক ভালদৰে বুজি পোৱা হ'ল। এদিন সীমান্তিকাই অনিকেতলৈ ফোন কৰিলে। অনিকেত তেতিয়া নুমলীগড় ৰিফাইনেৰীত।

ঃ অনি, আহি যা এবাৰ। বিশেষ কথা আছে। আমাৰ ঘৰত সোমাই মাকো লৈ আহিবি অহা দেওবাৰে।

ফোন কাটি গ'ল। অনিকেতে সীমান্তিকাৰ মাকৰ লগত কথা পাতিহে সকলো গম পালে। সীমান্তিকা আৰু সমীৰণৰ ৰেজিষ্ট্ৰেচন হ'ব। মাকৰ আপত্তি নাই। পিচে সমীৰণৰ ঘৰত কিছু আপত্তি আছে। সেয়া সিহঁতে বৰ্তমান ৰেজিষ্ট্ৰেচন কৰি থ'ব। কিন্তু এম. ডি. কমপ্লিট নোহোৱালৈকে সিহঁতে বিবাহিত জীৱন নকটায়। বান্ধ খাই গ'ল দুটা মন। এনেদৰেই।

পাঁচ

লাইলি এতিয়া গভীৰ নিদ্ৰাত। ইন্‌জেক্‌চন্‌টোৱে কামত দিছে। সমীৰণৰ এটা চিগাৰেট খাবৰ মন গ'ল। সীমা আৰু লাইলি দুয়োজনীকে টোপনিত এনেদৰে এৰি থৈ আঁতৰি যাবৰ মন যোৱা নাই। ইফালে বাঙালী ভদ্ৰলোকৰো দেখা-দেখি নাই। সমীৰণৰ মনটো আকৌ এবাৰ অতীতলৈ উৰা মাৰিলে। কলেজীয়া দিনবোৰৰ ৰঙীণ ছবিখন ভাহি আহিল এটা এটাকৈ। কিমান ঘূৰিছিল, কিমান ফুৰিছিল। ক'ত যে কি নাখাইছিল তাৰ হিচাপ নাছিল। নতুনকৈ আৰম্ভ হোৱা কোনো ধাবা, ৰেষ্টোৰাঁ সিহঁতৰ পৰা বাদ পৰা নাছিল। জালুকবাৰী আৰু ভঙাগড়, ভঙাগড় আৰু জালুকবাৰী অহা-যোৱাৰ শেষ নাছিল। অৱশ্যে জালুকবাৰীৰ পৰা মহানগৰীলৈ যিহেতু আহিবই লাগে, সেয়ে লাইলি আৰু অনিকেতহে ভঙাগড়লৈ বেছিকৈ আহিছিল। ভঙাগড়ৰ হোষ্টেলৰ সমুখত লাইলি থিয় হোৱাৰ লগে লগে বয়জ হোষ্টেলবোৰৰ সমুখত সুহুৰি হাঁহি-খিকিন্দালিৰশেষ নোহোৱা হয়। কোনোবাটোৱে লগাই দিব গান— কি নাম দি মাতিম, মাতিম তোমাক? আন এটাই ছোৱালীৰ মাত উলিয়াই গাব— যি নাম দি মাতা, সেয়ে মিঠা। কোনোৱে বিনাই বিনাই ৰবীন্দ্ৰ সংগীত জুৰিব—

"যদি প্ৰেম দিলে না প্ৰাণে
কেন ভোৰেৰ আকাশ ভৰে দিলে এমন গানে গানে?

কেন তাৰাৰ মালা গাঁথা
কেন ফুলেৰ শয়ন পাতা
কেন দক্ষিণ হাওয়া গোপন কথা জানায় কাণে কাণে?”

এইবোৰ শুনি অনিকেতৰ কি খং ! সি যেন লাইলিক আৰৰি পেলাব কোনেও নেদেখাকৈ। গাৰ্লছ হোষ্টেলৰ ফালৰ পৰা সীমান্তিকা ওলাই আহি লাইলিক লৈ গ'লেহে ল'ৰাবোৰৰ বিননি কমে। ইফালে অনিকেতে সমীৰণৰ হোষ্টেলত সোমাই তৰ্জন-গৰ্জন কৰিব— ঐ, দোঘোচামান সোধাই থৈ আহোঁগৈ নেকি? দুদিনৰ পিছত ডাক্তৰ হৈ ভব্য-গব্য হৈ ওলাব, সিহঁতৰ আকৌ ফাজলামি চা।

ঃ হ'ব হ'ব দে। মুখৰ খজুৰতিহে মাৰিছে সিহঁতে। তোৰ লাইলিক লৈ যোৱা নাই নহয়।

ঃ কি নিয়াৰ কথা ক'ৱ ঐ? সিহঁতক লাইলিৰ ওচৰ চাপিবলৈ কচোন মই জান শেষ কৰি দিম।

সমীৰণে অনিকেতৰ উষ্মা নাইকিয়া কৰিবলৈ ক'ব— ঐ অনি, 'অপ্সৰা'ত বৰ মজাৰ চিনেমা দিছে, ব'ল, চাবলৈ যাওঁ।

সি শান্ত হৈ ক'ব— ৰ'ল তেনে আজি বাহিৰতে খাই চিনেমাকে চাওঁগৈ।

ইতিমধ্যে লাইলি আৰু সীমান্তিকাও আহি সিহঁতৰ কথাত যোগ দিবহি। কিমান যে ভাল লগা দিনবোৰ আছিল। সমীৰণৰ চকু দুটা ভৰি উঠিছে পানীৰে। তাৰ মচিবৰ মন যোৱা নাই। যাওক, বৈ যাওক এই চকুপানী। দেখুৱাই সি শান্ত, সৌম্য হৈ থাকিলেও অনিকেতৰ দৰে বন্ধু হেৰুৱাই সি যে ভিতৰি ভিতৰি ভাগি পৰিছে। ইমান স্ফূৰ্তিবাজ, ইমান সপ্ৰতিভ, ইমান বিশ্বাসী বন্ধু সি আৰু দ্বিতীয় এজন পাবনে? পাবনে এই পৃথিৱীত?

ছয়

নৰেন বৰুৱা একান্ত মনে খিৰিকীৰ কাষত বহি আছে। কাষতে উদাস মনে নয়না বৰুৱাও বহি আছে। দুয়োজন স্বামী-স্ত্ৰীৰ মনৰ অৱস্থা অত্যন্ত বেয়া। নৰেন বৰুৱাই মানসিক স্থিৰতা হেৰুওৱা যেন লাগে। এনে হোৱাটো একো আচৰিত কথা নহয়। কেতিয়াবা ঘৈণীয়েকক কৈছে— হেৰা, চোৱাচোন বাহিৰত কোনোবাই মাতিছে।

ঘৈণীয়েকে কথাটো আওকাণ কৰি কৈ আছে— আপুনি অলপ শোলে ভাল পাব।

ঃ নহয়হে, তাই অহা যেন লাগিছে।

বেদনা চেপি নয়নাই থোকাথুকি মাতেৰে কৈছে— আপুনি শোলে আৰাম পাব। অলপ শোৱক। শোৱাৰ আগতে কিবা এটা খাই লওক।

নৰেন বৰুৱাই জক্‌জকাই উঠিছে— তুমি কি মাক হে? ছোৱালীজনীৰ কথা এবাৰো নাভাবা।

নয়নাই আঁচলেৰে মুখ ঢাকি আনফালে মুখ ঘূৰাই দিয়ে। ছোৱালীজনীতো গ'লেই, এতিয়া মানুহটো কিদৰে ঠিক হয় সেয়াহে চিন্তা।

নৰেন বৰুৱা আৰু নয়না বৰুৱাৰ একমাত্ৰ জীয়ৰী নীহাৰিকা। দুয়োজনেই ৰে'লৰ চাকৰিয়াল। সেয়ে দুবছৰ মূৰে মূৰে দুয়ো জীয়েকক লৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাই ফুৰিছেগৈ। ফ্ৰী পাছত প্ৰথম শ্ৰেণীত ফুৰিবলৈ পাই যিহেতু তেওঁলোকৰ বিশেষ খৰচ নহয়। সেয়ে য'লৈকে নাযাওক কিয়, সিহঁতে জীয়েকৰ সকলো ধৰণৰ লাগতিয়াল বস্তু কিনি আনে। কিন্তু নীহাৰিকাৰ কিছুদিনৰ পৰা আপত্তি, তাই আৰু ৰে'লত নুফুৰে। লগৰ লগৰীয়াবোৰে কোনে কিমানবাৰ প্লেনত উঠিলে, কিমান মজা পালে, প্লেনৰ পৰা পৃথিৱীখন কেনে সুন্দৰ দেখি আদি নানা ধৰণৰ নতুন কথা কৈ থাকে। সেয়ে তাই এইবাৰ ৰে'লেৰে নুফুৰেগৈ। জীয়েকে কুতুৰি আছে— দেউতা ব'লানা, এবাৰ প্লেনেৰে ফুৰোঁ। দেউতাক নৰেন বৰুৱাই বুজায়— নহয় অ' মাজনী। ইমান সুবিধা থাকোঁতে অযথা টকাসোপা খৰচ কৰাৰ কি মানে আছে। মানুহ মিতব্যয়ী হ'ব লাগে, বুজিছা।

'তোমাক আৰু নোবাৰি' বুলি মুখ ওফন্দাই এইবাৰ তাই মাকৰ ওচৰ চাপিল।

ঃ মা, অ' মা, তুমিয়ে দেউতাক বুজোৱানা। ট্ৰেইনত গৈ গৈ আমনি লাগিছে। আমাৰ লগৰ সকলোৱেই এবাৰ হ'লেও প্লেনত উঠিছে, মোৰহে ভাগ্যত নাই।

মাক নয়নাৰ মনটো পমি যায়। আই ঐ দেহি। আগলৈও নাই পিছলৈও নাই একেজনী মাত্ৰ ছোৱালী। তাইৰো ইচ্ছাটো পূৰণ কৰিব নোৱাৰিমনে? পাৰিম পাৰিম।

নৰেন বৰুৱা, নয়না বৰুৱা চেণ্ট্ৰেল গভৰ্নমেণ্টৰ চাকৰিয়াল। যাওঁ বুলিলে প্লেনেৰে ফুৰিব পৰা সামৰ্থ্য তেওঁলোকৰ আছে। কিন্তু ৰে'লৰ সুবিধা থাকোঁতে কিয় অযথা খৰচ কৰিব লাগে। নয়নাৰ বায়েক-ভিনিয়েকহঁতলৈ চালেই হ'ল, দুয়োজনৰেই চাকৰি কৰিও পাঁচ বছৰমানৰ মূৰত এবাৰ ফুৰিবলৈ যায়, তাকো ছেকেণ্ড ক্লাছত। মাকৰ মুখলৈ চাই নীহাৰিকাই সিদিনা কৈয়ে পেলালে— মা, তুমি চাগৈ জেঠাইহঁতৰ কথা ভাবিছা নহয়। জেঠাইহঁতৰ কথা নক'বা। কাৰণ তেওঁলোকৰ ল'ৰা-ছোৱালী কেইবাটাও। আমাৰতো আৰু মোৰ বাহিৰে কোনো নাই। সেয়ে কৈছোঁ, ব'লা মা, ব'লা। জীয়েকৰ আবদাৰ শুনি শুনি এদিন নয়নাৰো মন কুমলিল। তেওঁ গিৰীয়েকক ক'লে— হেৰা, নীহাৰিকাই বৰকৈ লাগি আছে, এইবাৰ প্লেনেৰে ফুৰি আহোঁ নহ'লে।

ঃ ক'লৈ যাম বুলি ভাবিছা?

ঃ তিনিচুকীয়াৰ পৰা দিল্লীলৈ ট্ৰেইনেৰে যাম। তাৰ পৰা কাশ্মীৰৰ লেহলৈ প্লেনেৰে উৰিম।

নীহাৰিকাই কথাষাৰ শুনি চিঞৰি উঠিল— নহ'ব, নহ'ব দেই। লেহতগৈ সেই

বৌদ্ধ মন্দিৰবোৰ চাই ফুৰিবগৈ নোৱাৰোঁ।

ঃ কিয়, কাশ্মীৰৰ সৌন্দৰ্য নোচোৱা?

ঃ পাহাৰ, বৰফ চাই চাই মোৰ আমনি লাগিছে।

ঃ তেনে ক'লৈ যাবানো? ক'লে যাম বুলি ভাবিছা?— মাকে মৰমেৰে সুধিলে।

ঃ আন্দামানলৈ মা। আন্দামানলৈ যাওঁ ব'লা দেউতা। সাগৰৰ মাজৰ অকলশৰীয়া দ্বীপ, চৌপাশে কেৱল পানী, পানী আৰু পানী। আঃ কেনে ভাল লাগিব মা, কেনে ভাল লাগিব এবাৰ ভাবাচোন। — এই বুলি তাই মাকক ধৰি এপাক ঘূৰিয়েই দিলে।

ঃ যাঃ এইজনী। দেউতাৰক ক।

নৰেন বৰুৱা একাউণ্ট ডিপাৰ্টমেণ্টৰ মানুহ। তেওঁ মনে মনে হিচাব-নিকাচ এটা কৰি চালে। আন্দামান-নিকোবৰেই ভাল হ'ব। যাওঁতে প্লেনেৰে যাব আৰু আহোঁতে জাহাজেৰে কলকতালৈ আহি তাৰ পৰা ট্ৰেইনেৰে তিনিচুকীয়ালৈ উভতিব।

দেউতাকৰ প্লেনটো শুনি নীহাৰিকাই সিদিনা পাৰে মানে হাঁহিলে। হাঁহিলে দুই গালত টোল পৰে ছোৱালীজনীৰ। গালৰ টোল দুটাই তাইক তুলি ধৰে। সিদিনা তাই দেউতাকক কৈছিল— দেউতা, তোমাক কিন্তু মানিছোঁ দেই। তুমি আৰু ট্ৰেইন এৰিব নোৱাৰা। তথাপি তোমাক বহুত ধন্যবাদ। অন্ততঃ মোৰ বান্ধৱীহঁতৰ আগত প্লে'নত উঠাৰ খবৰ দিব পাৰিম।

নৰেন বৰুৱাই জীয়েকৰ কথাত মিচিকিয়াই হাঁহিলে। বৰুৱাৰ সৰুকালৰ দুখৰ দিনবোৰলৈ মনত পৰিল। নৰেন বৰুৱাই শৈশৱ, কৈশোৰ যিখন গাঁৱত কটাইছিল, তালৈ গৰুগাড়ীৰ বাহিৰে যোগাযোগৰ অন্য উপায়ে নাছিল। বাৰিষাকালত ৰাস্তাত বোকাৰ কোবত খোজকঢ়াই টান হৈ পৰে। কি যে দুৰৱস্থা। বোকাত পাৰি দিয়া তামোল গছ, কলগছৰ ওপৰেৰে কি কষ্টেৰে পাৰ হৈ যায় স্কুল, কলেজলৈ বুলি। আজিৰ ল'ৰা-ছোৱালীয়ে তাৰ কল্পনাই কৰিব নোৱাৰে। সিহঁতৰ বাবে সপোনৰো অগোচৰ সেই পৰিস্থিতি। আজিৰ ল'ৰা-ছোৱালীয়ে কিমান নিৰাপদ জীৱন এটা পাইছে।

ঃ দেউতা, কি ভাবি আছা?

ঃ আমাৰ সৰুকালৰ কথাবোৰ মনত পৰিছে অ'।

ঃ বাদ দিয়ানা সেইবোৰ। আগতে কোৱা জাৰ্নিটো কনফাৰ্ম কৰিছাতো? মই আকৌ লগৰবোৰক কৈ দিম, পিছত তুমি কেনচেল কৰিলে বৰ লাজ পাম।

ঃ যাম যাম, আইজনী। এইবাৰ তোৰ মতেই সকলো হ'ব। প্লেনেৰেই ফুৰি আহিম গোটেইকেইটাই।

নীহাৰিকা জঁপিয়াই উঠিছিল। এজনী সৰু ছোৱালীৰ দৰে দেউতাকৰ ডিঙিত মেৰিয়াই ধৰি টপ্ টপ্‌কৈ গালত চুমা খাইছিল। তাইৰ মনৰ স্ফূৰ্তি দেখি দেউতাকৰো বৰ আনন্দ লাগিছিল? নয়নাৰো মনটো ভৰি পৰিছিল।

দেউতাকে জানে, নীহাৰিকাৰ বান্ধৱী মানালিহঁত সঘনাই উৰাজাহাজেৰে ফুৰি-চাকি থাকে। অলপতে মানালিহঁতৰ পৰিয়াল ইন্দোনেছিয়াৰ পাট্টায়াৰ পৰা আহিলগৈ। মানালিৰ দেউতাক চাহ বাগিচাৰ মালিক। টকা-পইছাৰ অভাৱ নাই। সেয়ে নৰেন বৰুৱায়ো ঠিক কৰিলে— একেজনী মাথোঁ ছোৱালী। তাইকনো দুখী কৰে কিদৰে?

বৰুৱাৰ মাজে-সময়ে জীয়েকক লৈ গৰ্বও নোহোৱা নহয়। এই অঞ্চলত তাইৰ নিচিনা বিহুৱতী কেইজনী আছে? সদৌ অসম ভিত্তিত তাই কেইবাবাৰো বিহুকুঁৱৰী হৈছে। বৰুৱাৰ ড্ৰয়িং ৰুম তাইৰ কৃতিত্বৰ নিদৰ্শনেৰে ঠাহ খাই আছে। যোৱা বছৰ জেঠায়েকে মাতি নি লতাশিলত বিহু নচুৱালেগৈ, তাতো তাই বিহু সম্ৰাজ্ঞী হ'ল। এইবোৰ কথা বৰুৱাৰ বাবে কম গৌৰৱৰ কথানে?

তিনিচুকীয়াৰ বিহুৱা দল এটাই সাংস্কৃতিক সঞ্চালকালয়ৰ লগত যোগাযোগ কৰি বিদেশলৈ যোৱাৰ সকলো যা-যোগাৰ কৰিছিল। সেইটো দলত নীহাৰিকাও আছিল। তায়ো কমখন আশা কৰিছিলনে, উৰা জাহাজত উঠিব। বিদেশত ফুৰি আহিব। পিচে সেই বছৰেই নৰেন বৰুৱাৰ দেউতাক ঢুকাল। মৰমৰ ককাকৰ মৃত্যুত তাই বৰ দুখ পালে। তাই সকলো প্লেন-প্ৰগ্ৰেম কেনচেল কৰিলে। সকলোৱে তাইক সেই সুযোগ নেৰিবৰ বাবে বৰকৈ বুজালে। তাই নাচোৰবান্দা, নাযায়। ককাকৰ শ্ৰাদ্ধত তাই ইয়াতে থাকিব। কান্দি-কাটি বাউল গোটেইজনী। শেষত সকলোৱে ক'লে— হ'ব হ'ব। নালাগে যাব। তাইক এৰি লগৰ সকলো গ'ল। তাইহে নগ'ল। তাইৰ ঠাইত আন এজনী ছোৱালী গ'ল। নহ'লেতো তাই কোনোবা দিনাই ইণ্ডোনেছিয়া চাই আহিব পাৰিলেহেঁতেন। উৰাজাহাজতো উঠিব পাৰিলেহেঁতেন।

বৰুৱাৰ পৰিয়ালটোৰ সাগৰ চোৱাৰ ইচ্ছা জীয়েকৰ কথা-বতৰাত আৰু বাঢ়ি গ'ল। চাই আহিব এইবাৰ আন্দামানৰ সাগৰ। অৱশ্যে তেওঁলোকে সাগৰ দেখিছে। গোৱাৰ সাগৰ, চেন্নাইৰ সাগৰ, কন্যাকুমাৰীৰ সাগৰ। মুম্বাইৰ সাগৰ, উৰিষ্যাৰ সাগৰ, দীঘাৰ সাগৰ। কিন্তু চৌপাশে সাগৰ, আন্দামানৰ চৌপাশে সাগৰ, সঁচাই মনোমোহা দৃশ্য হ'ব নিশ্চয়। নৰেন বৰুৱাৰ মনটো পাতল পাতল লাগিছে। ক'ৰবালৈ যোৱাৰ প্ৰস্তুতি আৰম্ভ হ'লে তেওঁৰ তেনে লাগে। অৱশ্যে অফিচৰ সময়ত তেওঁ বৰ ছিৰিয়েছ মানুহ। কিন্তু যেতিয়া ছুটীত ফুৰিবলৈ ওলাব, গোটেই সময়খিনি তেওঁ বেছ মজাকৈ উপভোগ কৰিব। মাজে মাজে তেওঁ ঘৈণীয়েকক কয়, এই যে আমি দুবছৰৰ পিছত ফুৰিবলৈ যাওঁ, ই মোৰ বাবে সঞ্জীৱনী সুধা বুজিছা। সঁচাই সঞ্জীৱনী সুধা। প্ৰতিটো ভ্ৰমণৰ অন্তত মানুহজন বেছ সপ্ৰতিভ হৈ পৰে। বৰুৱাৰ ঘৈণীয়েকক জোকাবৰ মন গ'ল। সেয়ে দেৱকান্তৰ কবিতা আওৰালে— "সাগৰ দেখিছা দেখা নাই কেতিয়াও

নীলিম সলিল ৰাশি বাধাহীন

উৰ্মিমালা আছে দূৰ দিগন্ত বিয়পি।"

নয়নাই গিৰীয়েকৰ উৎসাহ দেখি ক'লে— বাঃ, বৰ কাব্যৰসিক হৈ পৰিছাচোন? সাগৰতো আগতেও দেখিছা, এইবাৰৰ দৰেতো উৎসাহিত হোৱা নাছিলা?

ঃ এহ্, এইবাৰ যে আকাশৰ পৰা চাম তলৰ সাগৰ।

ঃ বাঃ ! বুঢ়া বয়সত ৰস চৰিছে। গোটেই জীৱন নিৰস তৰুৰ হৈ থাকোঁতেই গ'ল, এতিয়য়া ৰসৰ ফোৱাৰা ফুটিছে। কথা কি?

এনেবোৰ মুখচুপতিত নীহাৰিকা সদায় দেউতাকৰফলীয়া হয়। তাই সেয়ে টপৰাই মাত লগালে— তেনেকৈ নক'বা মা। তুমি সদায় খং কৰি কৰিয়ে দেউতাটোক নিৰস কৰি পেলালা। হয়নে দেউতা?

নৰেন বৰুৱাই এইবাৰ দুগুণ উৎসাহেৰে ক'ব ধৰিলে— একেবাৰে হাণ্ড্ৰেড পাৰ্চেণ্ট সঁচা। মাৰে এদিনো মৰমেৰে নামাতিলে বুজিছ। চিনেমাৰ কায়দাত 'আই লাভ ইউ' বুলি নক'লে। কেৱল ওৰেটো জীৱন খংহে কৰিলে।

ঃ সঁচা মা। মোৰ দেউতাক তুমি এদিনো মৰমকৈ নামাতিলা। তাৰ পিছত দেউতাকৰ ফালে চাই ক'লে— দেউতা, তুমি চিন্তা নকৰিবা। মই তোমাক মৰম কৰিম আৰু আগলৈ চাকৰি কৰিলে মই য'তে থাকোঁ তোমাক তালৈকো লৈ যাম দেই। — কথাখিনি কৈ নীহাৰিকাই মুখ টিপি হাঁহিবলৈ ধৰিলে। নয়নাৰ কথাবোৰ মনত পৰি টপ্ টপ্কৈ চকুলো বাগৰি আহিল।

সাত

আন্দামান-নিকোবৰত উপস্থিত হৈয়ে নীহাৰিকা এক উন্মুক্ত পক্ষীৰ দৰে হৈ পৰিল। বিশাল সাগৰ, চকুৰে নমনালৈকে বালিময় উপকূল, গোটেই দ্বীপপুঞ্জত সেউজীয়া অৰণ্যানি শাৰী শাৰী নাৰিকলৰ বাগিচা, তাইৰ কেমেৰাই সকলো ধৰি ৰাখিবৰ বাবে চৌপাশে দৌৰাদৌৰি কৰি ফুৰিল। প্ৰতিদিনে পুৱা সূৰ্যোদয়ৰ পিছতে দেউতাক-জীয়েক সাগৰলৈ ওলাই যায়। কিমান সময় যে সাগৰত সাঁতুৰি-নাদুৰি পাৰ কৰে তাৰ ঠিকনাই নাই। নয়নাৰ পানীলৈ বৰ ভয়। তাই নাযায়। ঘূৰি-পকি টাউনখনকে চাই ফুৰে। নীহাৰিকা কিন্তু বেলেগ ধাতুৰে গঢ়া ছোৱালী। তাইক সৰুৰে পৰা দেউতাকে গাঁৱৰ ঘৰৰ বৰ পুখুৰীত সাঁতুৰিবলৈ শিকাইছিল। নয়নাৰ ভাবি আচৰিত লাগে, ইমান পাকৈত ছোৱালীজনী পানীতে হেৰাই গ'ল। এনেদৰে ভাবিলে তাইৰ বুকুৰে বিষ এটা উজাই আহে।

ঃ উস্, ভগৱান, মোকে লৈ নগ'লা কিয়? কি দোষৰ বাবে এনে অবিচাৰ কৰিলা? আমাৰ বুকু সুদা কৰি কি ৰং চালা?

ৰে'লৰ বাহিৰলৈ ভুমুকিয়াই নয়নাই কথাবোৰ পাহৰিবৰ চেষ্টা কৰিলে। নাই বাহিৰত

এতিয়া আন্ধাৰৰ কোলাহল। আন্ধাৰবোৰে আৰু অধিক বেদনাহে দিব ধৰিলে তাইৰ মনত। দূৰত টিপ চাকি যেন পোহৰ অকণ জিলিকিছে যদিও সি আন্ধাৰ নাশিবলৈ যথেষ্ট নহয়। সেয়ে যেন ৰে'লখনেও উকিয়াই উকিয়াই কান্দি কান্দিহে গৈ আছে। বুকুৰ মাজত বেদনাৰ স্তূপীকৃত পাহাৰ লৈ। আশাহত এজাক মানুহ সেই গতিৰ লগত তাল মিলাই গৈ আছে গৈয়ে আছে অন্ধকাৰ এক ভৱিষ্যৎ অভিমুখে।

আঠ

ৰে'লখনৰ উকিটোৱে সকলোৰে হৃদয় বিদাৰিছে। কিমান বেদনা যে কঢ়িয়াই আনিছে সুদূৰ চেন্নাইৰ পৰা। বেদনাত ক'লা পৰি উঠিছে সেয়ে ৰে'লৰ মুখ। নয়নাইতো আহিছে, আহিছে লাইলি, সীমান্তিকা, সমীৰণ আৰু বেদনা সামৰিব নোৱৰা সুজাতা দেৱীৰ পৰিয়াল, সুজাতা দেৱী আৰু সুবীৰ। কোনেও কাকো সমবেদনাও জনাব পৰা নাই, সুধিবও পৰা নাই, কেৱল চকুৰ ভাষা পঢ়ি সকলোৱেই ব্যথিত হৃদয়বোৰৰ খবৰ লৈছে। সুজাতা দেৱীৰ স্বামী কোমেশ্বৰ শৰ্মায়ো ৰিটায়াৰমেণ্টৰ আগে আগে অসমৰ বাহিৰলৈ ফুৰিবলৈ গৈছিল। ফুৰিবলৈ মানে তীৰ্থ দৰ্শনেই বুলিব পাৰি। সেয়ে একে সময়তে হেল্‌থ চেকআপ আৰু তীৰ্থ দৰ্শনেই সুবিধা কৰি চেন্নাইলৈকে ওলাইছিল কোমেশ্বৰ শৰ্মাৰ পৰিয়াল। চাবলৈ গ'লে শৰ্মা স্বাস্থ্যবান মানুহ। অসুখ-বিসুখ তেনেকৈ নাই বুলিবই পাৰি। নিজৰ ল'ৰা-ছোৱালী নথকাত সম্পৰ্কীয় ল'ৰা এটা তুলি লৈছে। ল'ৰাও ডাঙৰেই হৈছে। যোৰহাটৰ জে. বি. কলেজৰ পৰা যোৱাবাৰ বি.এ. পাছ কৰি বৰ্তমান সৰু-সুৰা ব্যৱসায় আৰম্ভ কৰিছে। গিৰীয়েকক হেৰুৱাই মানুহজনীয়ে সেই ল'ৰাটোকে ভৰসা কৰি উভতি আহিছে এখন ভগ্ন হৃদয় লৈ। ভয়ংকৰ, ভয়ংকৰ সেই সাগৰৰ ৰূপ, সাগৰৰ শান্ত-সমাহিত ৰূপ চাই বিভোৰ হৈ থকা মানুহৰ বাবে সেয়া সঁচাই ভয়ংকৰ। নিজ চকুৰে দেখিছে সুজাতা দেৱীয়ে। তেওঁ লুইতৰ প্ৰলয়ংকৰী বানো দেখিছে, মুহূৰ্ততে হাজাৰ হাজাৰ মানুহৰ ঘৰ-দুৱাৰ পানীৰ বুকুত জাহ যোৱা দৃশ্যও দেখিছে। ভৰা ঘৰ-বাৰী নিশ্চিহ্ন হৈ যোৱাও দেখিছে, বানৰ কবলত লাওলোৱা হোৱা ভায়েকৰ দুৰৱস্থাও দেখিছে; কিন্তু সাগৰ, এই পাৰাপাৰহীন সাগৰৰ সংহাৰী ৰূপ— প্ৰথমবাৰৰ বাবে দেখিলে এই বৃদ্ধাই।

কিহে পাইছিল মানুহটোক? পুতেক-মাকে সাগৰৰ ইমান কাষতে থকা হোটেলখনৰ দৈনিক ভাড়াৰ কথা শুনি চকু কপালত উঠাই বাৰে বাৰে আন এখন কম ৰেটৰ হোটেলৰ প্ৰস্তাৱ দিছিল। নাই। তেওঁৰ কথা হ'ল খিৰিকীৰে সাগৰখন দেখা পাই থকা হ'ব লাগিব। পুতেকে অলপ আঁতৰৰ আন এখনৰ খবৰ আনিলে।

ঃ দেউতা, অলপ আঁতৰত আন এখন হোটেল আছে, তালৈকে যাওঁ ব'লা।

ঃ নালাগে ঐ বোপাই। এইখনতে থাকোঁ দে।

ঃ এইখন যে বৰ দামী হোটেল। খৰচচোন বহুত হ'ব।

ঃ হওক দে। গোটেই জীৱন গাধা খাটনি কৰি মালিকৰ সেৱা কৰোঁতেই গ'ল। এতিয়া শেষ বয়সত দুই-চাৰি দিনলৈ বাহিৰলৈ ওলাই আহিছোঁ, আৰামতে থাকোঁ দে।

বুঢ়াৰ একান্ত ইচ্ছা দেখি পুতেক আৰু ঘৈণীয়েকে বিশেষ মাত নামাতিলে। জীৱনত তেওঁলোকে এই প্ৰথম এনে বিলাসী হোটেলত থাকিবলৈ আহিছে। ইমান ধুনীয়া বগলী পাখি যেন বগা বিছনা, গৰম পানী, চেঁচা পানী, চাবোন, টাৱেল সকলো যতনাই থোৱা বাথৰুম। টিভি, ছোফা, বহিব পৰা সুন্দৰ বেলকনি। বুঢ়ীয়ে প্ৰথমে সকলোবোৰ এফালৰ পৰা চাই ল'লে।

জীৱনত বিশেষ সা-সম্পত্তি কৰিব নোৱাৰিলেও শৰ্মা কিন্তু খোৱা-বোৱাত বেছ চৌখিন আছিল। ঘৰত সদায় মাছ বা মাংস কিবা এটা থাকিবই লাগিব। তেখেত আছিল আমিষ ভোজী। কোনো আপত্তি নোহোৱাকৈ আধা কেজি খাহীৰ মাংস খাব পৰা শক্তি এতিয়ালৈ অটুট আছিল কোষেশ্বৰ শৰ্মাৰ। নিমাতীৰ ফালে কেতিয়াবা গ'লে কত ধৰণৰ মাছ যে নানিব। উস, ভাবিলেই কিবা লাগে। যিদিনা ঘৰত একো মাছ-পুঠি নাথাকে, সিদিনা বুঢ়াই নিজেই পাকঘৰত সোমাই কণী বিলাহীকে ভাজিব, যাতে জুতি লগাই খাব পাৰে। পুতেকৰো সেই একে স্বভাৱ গঢ় লৈছে। হোটেলৰ ইমানবোৰ সুস্বাদ খাদ্য খায়ো তাৰ মন নভৰে। সাগৰ পাৰলৈ পুৱাই গৈ জীয়া মাছ আনি ৰাস্তাৰ কাষৰ হোটেলত ভাজি খাইছে। বুঢ়ী বৰ চিক্‌চাক্। সেয়ে তেওঁ নাখায়। বাপেক-পুতেকে যি কৰে তাতো অৱশ্যে কোনো বাধা নিদিয়ে। বুঢ়ালৈ বেয়াও লাগে। ইমান স্ফূৰ্তিবাজ মানুহটো, কিন্তু ল'ৰা-ছোৱালী নোহোৱাৰ দুখ তেওঁ সামৰি থ'বৰ চেষ্টা কৰিলেও ওচৰ-চুবুৰীয়া, মিতিৰ-কুটুম, ইষ্ট-বন্ধুৱে নিদিয়ে। অৱশেষত যেনিবা সেই অভাৱ পূৰণ হ'ল।

সুজাতা দেৱীৰ দূৰ সম্পৰ্কীয় ভায়েক এজন নিমাতী ঘাটৰ ফালে থাকে। তেওঁৰ এজাক ল'ৰা-ছোৱালী! ন টা ল'ৰা-ছোৱালীক এজাক বুলিয়েই ক'ব লাগিব। আজিকালি ফেমিলি প্লেনিঙৰ দিনত নটা ল'ৰা-ছোৱালী। ইফালে প্ৰতি বছৰে বানপানীয়ে টাঁহি-মুহি নিওঁতে নিওঁতে সিহঁতৰ পানীত হাঁহ নচৰা বিলৈ হ'ল। খবৰ পাই সুজাতা ভায়েকৰ ওচৰলৈ গৈ এটা ল'ৰা বা ছোৱালী বিচাৰিলে। ভায়েকে ভালেই পালে। এটা খাবৰীয়া কমিলেও তাৰ বহুত সকাহ। তাতে সুবীৰ সৰুৰে পৰা পঢ়া-শুনাৰ প্ৰতি আগ্ৰহী। থকা-মেলাতো পৰিপাটি। ভায়েকে ভাবিলে, জেঠায়েকৰ তাত সি অন্ততঃ পঢ়া-শুনা কৰিবলৈ সুবিধা পাব। সেয়ে তেওঁ ক'লে— বাইদেউ তোক যদি লাগে তেনে তই সুবীৰক নে।

সুজাতাৰ কোনো আপত্তি নাই। সেয়ে তেওঁ ক'লে— যিটোৱেই যায় তাকে দে। মোৰ কোনো আপত্তি নাই। সুবীৰৰ বাহিৰে বাকীকেইটাই জেঠায়েকৰ লগত যাবলৈ

আপত্তি কৰিলে। সুবীৰে টপৰাই মাত লগালে— জেঠাই, আপোনাৰ লগত মই যাম। মোক কিন্তু স্কুলত পঢ়ুৱাব লাগিব।

সুজাতাৰ ল'ৰাটোলৈ মৰম লাগি গ'ল। তাক কাষলৈ মাতি আনি সুজাতা দেৱীয়ে গালে-মুখে হাত ফুৰাই দিলে— পঢ়ুৱাম, পঢ়ুৱাম যিমান পঢ়া সিমান পঢ়ুৱাম। কথা শোনি সি তাৰ কাপোৰ-কানি বান্ধিবলৈ ওলাল। জেঠায়েকে তাক সেইবোৰ নিব নালাগে বুলি ক'লে। আহিবৰ সময়ত ভাই বোৱাৰীয়েকে তাক ভালদৰে চোৱা-চিতা কৰিবলৈ ক'লে। সুজাতাই হয়ভৰ দিলে— হ'ব হ'ব, তুমি চিন্তাই নকৰিবা। সুবীৰক মই যিমান পাৰোঁ সুখত ৰাখিম। সুবীৰৰ বয়স হৈছিল ন কি দহ বছৰ। সেয়ে সি জেঠায়েক-জেঠপেহাকক মা-দেউতা বুলিবলৈ কিছু সময় লাগিছিল। কিন্তু লাহে লাহে সেই দূৰত্ব কমি আহিল। সুবীৰ কোযেশ্বৰ শৰ্মা আৰু সুজাতা দেৱীৰ বুকুৰ মাজত সোমাই পৰিল। ঘৰখন ভৰি পৰিল। আগতে সন্ধিয়া সময়ছোৱা ক্লাবত তাচ খেলি কটোৱা কোযেশ্বৰ শৰ্মা সোনকালে ঘৰলৈ অহা হ'ল। সুজাতা দেৱীয়েও সি ভাল পোৱা বস্তুবোৰ ৰান্ধি-বাঢ়ি মনৰ আনন্দত গুণগুণাই কিবা কিবি গাই সময় পাৰ কৰা হ'ল। ঘৰখনলৈ কিবা যেন সজীৱ পৰিবেশ এটা ঘূৰি আহিল। বছৰত এবাৰ সুজাতাই সুবীৰক লৈ নিমাতীঘাটৰ বায়েকৰ ঘৰলৈ যায়। তাক যদি দুদিনমান থাকি যা বুলি সুজাতাই কৈ চায়। নাই নাথাকে। সুবীৰ থাকিব নোখোজে। সি উভতি আহে। সুজাতা দেৱীৰ মন ভৰি উঠে। সুবীৰক লৈ তেওঁ উভতি আহে। সিদিনা অফিচৰ পৰা আহি কোযেশ্বৰ শৰ্মা ৰাস্তাত আহি বৈ থাকিব। তেওঁলোক উভতি অহা দেখিলেই আগবাঢ়ি গৈ ক'ব— মই আকৌ ভাবিছিলো, ই দুদিনমান থাকেই নেকি? এই বুলি সুবীৰক ৰিক্সাৰ পৰা নমাই আনেগৈ। সুজাতা দেৱীয়ে কোযেশ্বৰ শৰ্মাৰ মনৰ ভাব বুজি পায়। সুবীৰ নোহোৱাকৈ এটা দিনো থাকিব নোৱাৰে। সেয়ে কয়— মই কৈছিলো থকাৰ কথা। পিছে সিহে আপোনাক এৰি নাথাকে। কোযেশ্বৰ শৰ্মাই হাঁহি পেলায়। — হেৰা, চাহ একাপ খাই মই বজাৰৰ ফালে যাওঁ। মাছ-পুঠি কিবা পাওঁৱেই নেকি !

ঃ দেউতা, ময়ো যাম।

ঃ ব'ল যাব যদি। তোৰ ভাগৰ লগা নাই জানো?

ঃ নাই। — সুবীৰে টপৰাই ক'ব। — মই নগ'লে তুমিয়ে ৰামপাৰ নানিবা।

ঃ অ' সেইটো কথা। ব'ল তেনেহ'লে, আজি তোৰে মোৰে ঢেঁকীশালত জবৰদস্ত খানা হ'ব। মাৰকো মাতিবি বুজিছ। সুজাতাই কুকুৰা নাখায়। সুবীৰেও জানে। সেয়ে সি মিচিক-মাচাক হাঁহি থাকিব।

গম নোপোৱাকৈয়ে এদিন সুবীৰ ডেকা হৈ আহিল। বাপেক-পুতেকৰ বন্ধুত্ব আৰু অধিক গাঢ় হৈ পৰিল। সেই সুবীৰেই দেউতাকক হেৰুৱাই দিশহাৰা হৈ পৰিছে। সকলো ভয়ংকৰ পৰিস্থিতি অতিক্ৰম সি দেউতাকক বিচাৰি চলাথ কৰিলে। যোৱা এটা

মাহে কিমান আশ্রয় শিবিৰত গৈ বিচাৰিলে, কিন্তু ক'তো কোযেশ্বৰ শৰ্মাৰ চিন-মোকাম নাপালে। সি নিজকে বুজাব পৰা নাই। তথাপি মাকক বুজাবৰ বহু চেষ্টা কৰিছে। নাই নোৱাৰি। মানুহগৰাকী কোনো বুজনিতে স্থিৰ হ'ব পৰা নাই। সুবীৰ ভাগৰি পৰিছে। চকু মুদি জিৰণি ল'বলৈও তাৰ যেন ভয় লাগে। কেৱল ঢৌ, ঢৌ আৰু ঢৌ। অক্টোপাছৰ দৰে বগা ঢৌবোৰে তাক চৌপাশে আবৰি ধৰিছে। অক্টোপছৰ দীঘল হাতোৰাই চকুৰ পচাৰতে দেউতাকক মেৰিয়াই ধৰিছে আৰু মুহূৰ্ততে মানুহজনৰ অস্তিত্ব নাইকিয়া কৰি পেলাইছে। নাই, সি শোব নোৱাৰে। দেউতাকক ৰক্ষা কৰিব নোৱৰা অপৰাধত সি নিজৰ চকুতে অক্ষমণীয় অপৰাধ কৰা যেন লাগিছে। নিজৰ চকুত নিজেই সৰু হৈ গৈছে। কাক ক'ব, কাক ক'ব? কোনে শুনিব? কোনে বুজিব তাৰ মনৰ বেদনা? মাকৰ মুখলৈ চাবলৈ তাৰ ভয় লাগিছে। কি বুলি সান্ত্বনা দিব এই বৃদ্ধাক যিয়ে জীৱন দিয়ো তাক বচোৱাৰ বাবে কুণ্ঠাবোধ নকৰে, যিজন দেউতাকে বোকাৰ পৰা বুটলি আনি শিৰত তুলি ক'লে, তাক অভাৱৰ মুখ নেদেখাকৈ আতোলতোলকৈ ডাঙৰ কৰিলে, সেই হেন মানুহটোক সি ৰক্ষা কৰিব নোৱাৰিলে। হায়!

ন

দেউতাক কোযেশ্বৰ শৰ্মাই সুবীৰৰ লগত বেছ আনন্দ কৰিছে। পুৱাই দুয়ো সাগৰলৈ ওলাই যায়। কিছুদিনৰ পৰা শৰ্মাৰ ছালৰ এবিধ অসুখ হৈছে। বহুতে কৈছে সাগৰৰ লুণীয়া পানীয়ে তেওঁৰ ছালৰ বেমাৰ ভাল কৰিব। সেয়ে তেওঁ বহু সময় সাঁতুৰি-নাদুৰি সাগৰত কটাইছে। পুতেক সুবীৰৰ ভালেই লাগিছে। সি জন্মৰ পৰা নদীৰ লগত সম্পৰ্কিত। পানী তাৰ ভাল লাগে। সিও দেউতাকৰ লগত প্ৰতিদিনে সাঁতুৰিছে। কিন্তু দুদিনমানৰ পৰা বতৰ বেয়া হৈ থকাত মাকে সাগৰলৈ যাবলৈ বাধা দিছে। সিদিনাও আকাশে ধুমুহা-গাজনিৰে বৰষুণৰ আগজাননী দিছিল। প্ৰতিদিনৰ দৰে শৰ্মা আৰু পুতেক সাঁতুৰি-নাদুৰি আগবাঢ়ি যাওঁতে হঠাৎ যেন দূৰৈৰ পৰা বগা ঢৌবোৰ ক্ৰমে ক্ৰমে প্ৰকাণ্ড হৈ অহা দেখা পালে। কিন্তু কিছু সময়ৰ ভিতৰতে সকলোৱে বুজি পালে যে সেয়া সাধাৰণ জোৱাৰভাটা নহয়। সুবীৰে দেউতাকক চিএঞৰি চিএঞৰি মাতিলে— দেউতা, দেউতা, ব'লক উভতি যাওঁ। কেনে প্ৰকাণ্ড ঢৌ দেখিছানে?

ঃ সাগৰত জোৱাৰ আহিব। গৈ আছোঁ।

ঃ তই পাৰলৈ ব'লচোন।

ঃ মাছমৰীয়া নাওবোৰো উভতিছে। সকলোৱে চোন চিএঞৰা যেন লাগিল। — তামিল ভাষা নুবুজিলেও আতুৰৰ চিএঞৰ যেন, সুবীৰে সেয়ে উভতি চাই চিএঞৰিছে— দেউতা, দেউতা। নাই উত্তৰ নাই।

নাওবোৰচোন মাজ সাগৰলৈ ঢৌৱে চোঁচাৰাই নিছে। পাৰলৈ বুলি উভতি অহা সুবীৰকো ঢৌৱে বহু দূৰলৈ টানি লৈ গ'ল। পাৰত খেলি থকা ল'ৰা-ছোৱালীবোৰ পানীৰ মাজত ছিটিকি উফৰি গৈছে। আতুৰৰ ক্ৰন্দনে আকাশ-বতাহ তালফাল লগাইছে। সাগৰৰ জঁক উঠিছে— সমুদ্ৰ দেৱতা অসন্তুষ্ট হৈছে। মাছমৰীয়াবোৰে বিৰবিৰাই প্ৰাৰ্থনা কৰিছে— হে দেৱতা, শান্ত হোৱা। আমি পোৱা ডাঙৰ মাছটো তোমাক ওভতাই দিম।

মাছমৰীয়াবোৰৰ পত্নীবোৰেও সমুদ্ৰ দেৱতাক শান্ত হ'বলৈ প্ৰাৰ্থনা কৰিছে। টুলুঙা নাও লৈ মাছ মাৰিবলৈ সাগৰলৈ সাগৰলৈ যোৱা গিৰীয়েকহঁতৰ কোনো ক্ষতি নকৰাকৈ সাগৰে ওভতাই দিয়ক।

পিছে কোনে শুনিব? সাগৰ গৰ্জি উঠিছে। কাৰো প্ৰাৰ্থনাই সাগৰৰ মন গলাব নোৱাৰে। এটাৰ পিছত এটাকৈ প্ৰকাণ্ড ঢৌ আহি আছে। পাৰৰ নাৰিকল গছৰ পাতলৈকে প্ৰকাণ্ড ঢৌবোৰ উঠি আহিছে। তাৰ পিছত সুবীৰৰ একো মনত নপৰে।

দহ

টক্ টক্ টক্। কোনোবাই সুজাতা দেৱীৰ হোটেলৰ দুৱাৰখন টুকুৰিয়াইছে। সুবীৰহঁত বুলি বুঢ়ীয়ে দুৱাৰ খুলিবলৈ আগবাঢ়ি যাওঁতেই আকৌ টক্ টক্ টক্কৈ শব্দ হ'ল। কোনোবা যেন উধাতু খাই আহিছে। বৃদ্ধাই দৌৰা-দৌৰিকৈ দুৱাৰ খুলিলেগৈ। হোটেলৰ বয়। আজিলৈকে তেওঁ কাৰো লগত ভাব বিনিময় কৰিব লগা হোৱা নাই। বাপেক-পুতেকে য'ত যি কৰিব লাগে কৰি, য'ত যি দিব লাগে দি তেওঁক লৈ ফুৰিছে। চাহ বাগিচাতে জীৱন পাত কৰা মানুহগৰাকীয়ে বনুৱাৰ ভাষাটো কিছু বুজে। সেইটো ভাষাও বিশুদ্ধ হিন্দী নহয়, উড়ীয়া, অসমীয়া, হিন্দীৰ এটি সানমিহলি ভাষা। তথাপি তাৰে গাতে ভেঁজা দি হিন্দী অলপ কয়। কিন্তু এই দক্ষিণলৈ আহি মানুহৰ উচ্চাৰণৰ বিশেষত্বৰ বাবে বুঢ়ীয়ে যেন একো ধৰিব পৰা নাই। ইংৰাজীতো তেওঁৰ সাধ্যৰ বাহিৰত। হোটেল বয়টোৱে তেওঁক হাত বাউল দি চিঞৰিছে— মেডাম, কাম টু দা আপষ্টেয়াৰ। বাৰে বাৰে কোৱাৰ পিছতো বুঢ়ীৰ বুজি নোপোৱা চেহেৰাটোলৈ চাই ল'ৰাটোৱে আয়িয়ে, আয়িয়ে বুলি প্ৰায় হাতত ধৰিয়েই হোটেলৰ একেবাৰে ওপৰ মহলালৈ টানি নিলে। সুজাতাই হিন্দী অসমীয়া মিহলিকৈ ল'ৰাটোক কৈ গ'ল— হোটেলৰ কমত তলা মৰা নহ'ল। গিৰীয়েক আৰু ল'ৰাটো ওলাই গ'ল। এতিয়াও উভতি অহা নাই। অলপ আগতে কনফাৰ্ম হোৱা ৰে'লৰ টিকটকেইটা টেবুলৰ ওপৰতে থাকিল। কিন্তু কাৰ মাত কোনে শুনিব। মানুহবোৰৰ হঁচ হেৰাইছে। গোটেই হোটেলৰ মানুহবোৰ ছিৰি বগাই ওপৰলৈ উঠি যাওঁতে সকলোৰে চিঞৰ-বাখৰত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। বুঢ়ীয়ে কি হৈছে তৰ্কিবই পৰা নাই। ঠিক ওপৰৰ ছাদত গৈ

উপস্থিত হৈছেগৈ তেনেতে এক ভয়ংকৰ শব্দৰে এছাটি পানী আহি সকলোকে বুৰাই পেলালেহি। মানুহবোৰৰ মাজত চিঞৰ-বাখৰ, কন্দা-কটাৰ হাহাকাৰ অৱস্থা। সকলোৱে দেখিছে সাগৰ কাষ চাপি আহিছে। সাগৰৰ এই ভয়ংকৰ মূৰ্তি দেখি সকলো ত্ৰাসত থৰথৰকৈ কঁপিছে। দিনৰ ৰ'দত 'ছানবাথ' কৰি থকা বহু বিদেশী পৰ্যটকে মাজ সাগৰত হাবাথুৰি খাই তল-ওপৰ হৈ আছে। বুঢ়ীয়ে নিজ চকুকে বিশ্বাস কৰিব পৰা নাই। যাকে-তাকে সুবীৰৰ কথা সুধিছে— কোনে বুজে তেওঁৰ ভাষা। সুজাতা দেৱীয়ে পাৰেমানে চিঞৰিছে। হোটেলৰ তলৰ মহলাৰ বয়-বস্তু, ৰান্ধনিশাল, ডাইনিং হলৰ বয়-বস্তু সাগৰে উটুৱাই লৈ গৈছে। সাগৰ গৰ্জি উঠিছে। আকাশলৈ যেন সাগৰ ওফন্দি উঠিছে। তাৰ মাজতো দুঃসাহসিক দুই-এক বিদেশী পৰ্যটকে সৰু নাও লৈয়ে উদ্ধাৰৰ বাবে ওলাইছে। বুঢ়ীয়ে নিজ চকুৰে দেখিছে নাৰিকল গছবোৰ পানীত ডুব যাওঁ, ডুব যাওঁ হৈছে। তেনেবোৰ গছকে শেষ আশ্ৰয় কৰি বহুতো মানুহ ওলমি আছে। কাষেদি যোৱা নাওবোৰত তামোল পৰা দি জঁপিয়াই পৰিছে। বুঢ়ীৰ যেন ভৰিৰ পৰা মূৰলৈ জ্বৰ জ্বৰ উঠি আহিছে। মূৰটো আচন্দ্ৰাই কৰিছে। চিঞৰি চিঞৰি মাত ফাটি গৈছে। সুবীৰ ঐ, সুবীৰ, দেউতাৰক চা। সন্ধিয়ালৈ মিলিটেৰীৰ সহায়ত উভতি অহা দুই-এখন নাৱত বহুতো মানুহ আহিল। প্ৰত্যেকৰে অৱস্থা অতি সংকটজনক। তাৰ মাজতে অচেতন অৱস্থাত সুবীৰক দেখি বুঢ়ীয়ে বাউলী হৈ চিঞৰিব ধৰিলে— অ' সুবীৰ, কি হ'ল ঐ, ক'লৈ আহিলো ঐ, দেউতাৰ ক'লৈ গ'ল?

নাই, সুবীৰৰ চেতনা নাই। সকলোকে হাস্পতালত ভৰ্তি কৰাইছে। সুবীৰকো হাস্পতালত ভৰ্তি কৰালেগৈ। দুদিনৰ পিছত সাগৰৰ শান্ত হোৱাতহে খবৰ ওলাল হাজাৰ হাজাৰ মানুহ সাগৰত জাহ গ'ল। বুঢ়ীৰ অৱস্থাও ভাল নহয়। সুবীৰ সুস্থ হৈ উভতি অহাত বুঢ়ীয়ে খেৰকুটা এডাল পোৱাৰ দৰে হ'ল। এতিয়া কেৱল গিৰীয়েকৰ চিন্তাত কন্দা-কটা। সুবীৰেও বহুত বিচাৰিলে। কিন্তু ক'তো এক শুংসূত্ৰ নাপালে। তাৰ মনটো বিষাদে ভৰি পৰিল!

বহু দূৰৰ পৰাই সাগৰে যেন চিঞৰিছিল। দৈত্যৰ দৰে খেদি আহিছিল। বগা ঢৌৰ গৰ্জনে তালফাল লগাই পানী আকাশলৈ উঠি যাওঁতেহে সকলোৰে চকু পৰিল। নহয় নহয়, এয়া সাধাৰণ জোৱাৰৰ ভাটা নহয়। কিন্তু তেতিয়া আৰু ভাবিবলৈ সময় নাই। এটাৰ পিছত আন এটাই পকাই পেলালে, মুচৰি পেলালে সকলোকে। বাপেক-পুতেক সকলো দিশহাৰা হৈ পৰিল। চকুৰ সমুখতেই বাপেক-পুতেক হেৰাই গ'ল দুফালে।

ঃ দেউতা, দেউতা, দেউতা। — নাই কোনো উত্তৰ নাই। কিমান চিঞৰ এনেদৰে শূন্যত বিলীন হৈ গ'ল, তাৰ ঠিকনা নোহোৱা হ'ল। ঢৌৰ মাজত হেৰাই যাওঁতে হঠাৎ এজোপা গছ দেখা পাই বহু সময় সি ওলমি থাকিল তাৰ ডালত। তাৰ সমুখতে পকনীয়াত দেউতাক নিঃশ্চিহ্ন হৈ গ'ল। যিজন মানুহে তাৰ দৰে ল'ৰা এটাক ইমান

আতোলতোলকৈ ডাঙৰ-দীঘল কৰিলে, অথচ সি সেই দেউতাকক বচাবলৈ একোকে কৰিব নোৱাৰিলে। তাতকৈ আৰু কি দুখৰ কথা হ'ব পাৰে।

ঃ মা, মোক মাফ কৰিবা। মই তোমাৰ পুত্ৰৰ কৰ্তব্য পালন কৰিব নোৱাৰিলো।

মানৰ মাজতে সি বাৰে বাৰে স্বীকাৰ কৰিলে কিন্তু মুখ ফুটাই কিদৰে কয় সেই কথা, মানসিক যাতনাত সি ভিতৰি ভিতৰি চিৎকাৰ কৰি উঠিল।

কিছুদিনৰ আগতে দেউতাক-মাকে ঠিৰাং কৰিছিল, সুবীৰৰ বিয়া পাতিব লাগে। কথা মতেই কাম। দেউতাকে সি পচন্দ কৰা ছোৱালীজনীকে বিয়া পাতিবলৈ অনুমতি দি ক'লে— বাবা, মাদ্ৰাজৰ পৰা উভতি আহি ছোৱালীজনীক আঙঠি পিন্ধাব লাগিব। মাকে তাকে শুনি ক'লে— হেৰি, সেইফালে বোলে মুকুতা বৰ সস্তা। তাইলৈ হাতৰ, ডিঙিৰ আৰু কাণৰ কিনি আনিম বুজিছে।

ঃ হ'ব হ'ব। তোমাৰ বোৱাৰীক তুমি যি পচন্দ কৰা পিন্ধাবা। কি ক'ব সুবীৰ? — সি একো নামাতে।

দেউতাকলৈ বাৰে বাৰে মনত পৰে। যোৱা এটা মাহে কিমান মৃতদেহৰ ওপৰেৰে চকু ফুৰালে সি। মৃত মহানগৰীৰ প্ৰতিটো মৃতদেহত চকু ফুৰাই চালে, কিজানি দেখা পায় তাৰ দেউতাৰ চিনাকি মুখ। মৃতদেহটো পালেও কিজানি মাক শান্ত হ'লহেঁতেন। নাই, নাপালে। ক'তো বিচাৰি নাপালে। সাগৰে সামৰি ল'লে হাজাৰ হাজাৰ জীৱন।

কাৰ মুখ, কাৰ হাত, কাৰ আঙুলি ছিটিকি পৰি ৰ'ল সাগৰৰ ধূসৰ বালিত। কাৰ চেনেহ থানবান হৈ গ'ল সাগৰৰ বুকুত। কিমানৰ করুণ বিননিয়ে আকাশ-বতাহ তালফাল লগালে, কলিজা ছাই কৰি পেলালে। সুবীৰৰ হঠাৎ মাদুৰাই ৰে'ল ষ্টেচনৰ ষ্টেচন মাষ্টৰলৈ মনত পৰিল। কি এক মানসিক যাতনাত ভাগি পৰিছে। কাক কোৱানাই নিজৰ দুখৰ কথা, নিজৰ ল'ৰাক মৃত্যুৰ দুৱাৰলৈ ঠেলি দিলে সি। নিয়তিৰ কি পৰিহাস। চুনামিত উটি গ'ল ৰাম্মায়াৰ গাঁও।

মাদুৰাই ৰে'ল ষ্টেচনৰ ষ্টেচন মাষ্টৰ ৰাম্মায়া আছিল সাগৰপাৰৰ মাছমৰীয়া গাঁৱৰ ল'ৰা। সেইখন গাঁৱৰ মানুহবোৰে মাছ মাৰিয়েই জীৱিকা অৰ্জন কৰে। একমাত্ৰ চাকৰিয়াল ৰাম্মায়া। ক্লাছ ফাইভত পঢ়া ৰাম্মায়াৰ ল'ৰাটো আহিছিল মাদুৰাই চাবলৈ। নগৰৰ পৰিৱেশত ল'ৰাটো ইমানেই আত্মহাৰা হৈছিল যে সি কোনোপধ্যেই নাযায় গাঁৱলৈ উভতি। বহু বুজাই-বঢ়াই ৰাম্মায়াই ল'ৰাটোক গাঁৱলৈ যোৱা ৰে'লত উঠাই দিয়াৰ সময়ত সি বাৰে বাৰে দেউতাকক কৈছিল— বাবা, মই আৰু গাঁৱত নপঢ়োঁ। ইয়াত তোৰ লগত থাকিম। টাউনত পঢ়িম।

ঃ ঠিক আছে হ'ব। খ্ৰীষ্টমাছৰ পিছত অহাবাৰ ইয়াতে তোক এডমিছন দিম। এতিয়া যা। মাৰ অকলে আছে। ককাদেউতাৰো অসুখীয়া।

ঃ সঁচানে বাবা?

ঃ সঁচা, সঁচা।

ৰাম্মায়াই ৰে'লত উঠাই গাঁৱলৈ যোৱা মানুহবোৰক ল'ৰাটোক ঘৰৰ ওচৰত নমাই দিবলৈ কৈ বিদায় দিছিল। ল'ৰাটো পঠাই ৰাম্মায়াই ঠিক কৰি পেলাইছিল অহাবাৰ গাঁৱৰ পৰা পৰিয়ালটো নগৰলৈকে লৈ আহিব। কিন্তু কোনে জানিছিল সিদিনাই আহিব কালসংহাৰী চুনামি। মাদুৰাইৰ পৰা অহা ৰে'লখনে গৈ ষ্টেচন নাপাবগৈ। ৰাম্মায়াৰ একমাত্র ল'ৰাটো গৈ গাঁও নাপাবগৈ। মাক-দেউতাক, পত্নী-পুত্র, মৰমৰ গাঁও সকলো সাগৰৰ বুকুত জাহ গ'ল। ৰাম্মায়াই ল'ৰাটোক মৃত্যুৰ মুখলৈ ঠেলি দিলে। ৰাম্মায়াক কোনেও বুজাব পৰা নাই। এনে হাজাৰটা দৃশ্যৰ মুখামুখি হৈ আহিছে সুবীৰ। মাজে মাজে এনে কিছুমান দৃশ্যৰ কথা মনত পৰিলে সি নিজকে সান্ত্বনা দিবৰ চেষ্টা কৰে। এই পৃথিৱীত সিয়েই কেৱল দুৰ্ভগীয়া নে? হাজাৰ হাজাৰ মানুহৰ একেলগে চিতাৰ জুই জ্বলি উঠিছে। মৃত্যুৰ কৰুণ ক্ৰন্দনে আকাশকো কন্দুৱাইছে, ধোঁৱা আৰু ছাঁয়ে সকলোৰে মুখ ক'লা কৰি তুলিছে। কেৱল বেদনা, বেদনা আৰু বেদনা। হৃদয় চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছে। কাল ধুমুহাই এনেদৰেই সকলো কাঢ়ি লৈ গুচি গৈছে।

ঃ আই হেভ লষ্ট এভ্ৰিথিং। আই হেভ লষ্ট মাই লাভ। —নাটালিয়াই ফেঁকুৰি উঠিছিল। ইটালীৰ ভেনিচৰ পৰা আহিছিল তাই। ভাৰতৰ আধ্যাত্মিক জীৱনটোক আঁকোৱালি লৈ হিন্দু পদ্ধতিত বিয়া হোৱাৰ আশাৰে সুদূৰ ইটালীৰ পৰা আহিছিল এই হাল প্ৰেমিক-প্ৰেমিকা। ছানবাথ কৰি আছিল সিহঁতে। মনত হাজাৰ আশাই জিল্‌মিল্ কৰিছিল। নতুন জীৱনৰ প্ৰাক-মুহূৰ্তত কিমান সপোন জাগিছিল। বালিত বাগৰি থাকোঁতেই হঠাৎ যে কি হৈ গ'ল— প্ৰকাণ্ড ঢৌৱে আহি বুৰাই পেলালে দুয়োকে। চিন্তাৰ অৱকাশ নোহোৱাকৈ এটাৰ পিছত আন এটা ঢৌ আহি পকাই পেলালে সকলোকে। তাৰ পিছত দীৰ্ঘ দুদিন পানীৰ লগত সাগৰৰ বুকুত যুঁজি যুঁজি তাই বাচি গ'ল। কিন্তু জিউচ ক'ত হেৰাই গ'ল কোনেও উৱাদিহ নাপালে।

চুনামি গুচি গ'ল। সাগৰ শান্ত হ'ল। মৰাশৰ দুৰ্গন্ধই সাগৰৰ পাৰ ছানি ধৰিলে। নাই নাই, তালৈ তাইৰ কাণসাৰেই নাই। সাগৰলৈ চাই চাই তাই কেৱল বহি ৰ'ল।

বহুতে তাইক উভতি যাবনে সুধিছিল। তাইৰ স্পষ্ট উত্তৰ— নাযায়। তাই উভতি নাযায়। মিডিয়ায়ো তাইক উপৰ্যুপৰি প্ৰশ্নৰে থকা-সৰকা কৰিলে। তাইৰ একেই উত্তৰ— জিউচক এৰি তাই ইটালীলৈ উভতি নাযায়। ইয়াতে আছে জিউচ, জিউচৰ আত্মা।

এদিন আশ্ৰয় শিবিৰ এৰি এই বিদেশিনী যাবলৈ ওলাল। লগৰ সকলোৱে সুধিলে তাইক— ক'লৈ যাব তাই?

ঃ হিমালয়লৈ। — হাজাৰ চকুৰ প্ৰশ্ন জাগিল।

ঃ কিয়, কিয়, কিয়?

ঃ *হিমালয় শান্ত, হিমালয় সৌম্য, হিমালয়ৰ প্ৰকৃতিয়ে দুখিতজনক শান্তি দিয়ে।*

তাই সেয়ে প্ৰথমতে হিমালয়লৈ যাব। মন শান্ত কৰিব। তাই আশা কৰিছে হিমালয়ত তাই মনৰ শান্তি ঘূৰাই পাব। তাৰ পিছত তাই দুৰ্গত, পীড়িত সৰ্বহাৰাজনৰ সহায়ৰ বাবে কাম কৰি যাব। নিজৰ দেশতো জিউচ আৰু নাটালিয়াই এনেদৰেই কাম কৰিছিল বিভিন্ন এন. জি. অ'ৰ যোগেদি। দুখিতজনৰ কাষত বৈ দুআষাৰ সান্ত্বনাবাণী শুনাইছিল।

এঘাৰ

'বীৰ দামোদৰ ছাৱৰকাৰ' এয়াৰপোৰ্ট। এয়াৰপোৰ্টটোৰ নাম শুনিলেই মনত পৰে স্বাধীনতা যুঁজৰ সেই নমস্য ছহিদলৈ। পোৰ্টব্লেয়াৰৰ এই এয়াৰপোৰ্টলৈ কলকাতাৰ দমদমৰ পৰা দুঘণ্টাৰ বাট। নীহাৰিকা এই দুঘণ্টা সময় আপোনপাহৰা হৈ পৰিল। নহ'বই বা কিয়? আকাশ আৰু প্ৰকৃতিৰ কি অপূৰ্ব দৃশ্য। তলত বিশাল সাগৰ, ৰাশি ৰাশি নীলা পানীৰ ঢৌ— ওপৰৰ বিমানৰ পৰা তাই যেন থাপ মাৰি ধৰি আনিব। তাই মাজে মাজে স্থান-কাল পাহৰি চিঞৰি উঠে— মা মা, চোৱানা, স্বৰ্গ দেখা যেন লাগিছে। মাকে হাঁহি সমৰ্থন দিয়া যেন কৰে। তাই শান্ত নহয়।

ঃ দেউতা, চোৱানা দেউতা, ইমান পোহৰ। ইমান মেঘ। ক'ৰবাৰ অপ্সৰাহে যেন ঘূৰি ফুৰিছে।

ঃ সঁচাই মাজনী। অতি সুন্দৰ। তোৰ বাবেই দেখা পালো এই অপৰূপ দৃশ্য।

নীহাৰিকা বৰ কল্পনাপ্ৰিয়। তাইৰ মন সকলো সময়তে ৰঙেৰে ৰঙীণ হৈ থকাটো স্বাভাৱিক। নৱেন বৰুৱাৰো ভলা লাগিছে। জীৱনত প্ৰথমবাৰৰ বাবে উৰা জাহাজেৰে ফুৰিছে। জীয়েক নীহাৰিকাই কুটুৰি থকাৰ বাবেই এইটো সম্ভৱ হ'ল । নহ'লেতো তেওঁৰ মনলৈ এনে চিন্তা অহাই নাছিল।

অন্যমনস্ক হৈ থাকোঁতে হঠাৎ নৱেন বৰুৱাৰ কাণত জীয়েকৰ মাতটো ভাহি উঠা যেন লাগে।

ঃ দেউতা, কালিলৈ আমি চেলুলাৰ জে'ল চাবলৈ যাম। ফুৰাৰ লগতে কিছুমান তথ্য সংগ্ৰহ কৰি আনিম দেই।

ঃ হ'ব মাজনী হ'ব। দুদিনমান থাকিম যেতিয়া সকলো হ'ব।

ঃ অ' পাহৰিছিলোৱেই। এনথ্ৰপলজিকেল মিউজিয়ামটোলৈ যাম কিন্তু দেই। মোৰ কোৰ্ছত লগা তথ্য অলপ পাম নেকি তাত।

নৱেন বৰুৱাই জীয়েকক মৰমেৰে কৈছিল— হ'ব আই হ'ব। আন্দামানত ভৰি দিহে ভাবিছে সঁচাই ইয়াৰ ৰূপ অতুলনীয়। চালে চকু ৰোৱা নীলা সাগৰ, মুকলি বতাহ, গছ-লতা-ফুলৰ সমাবেশ, বালিময় দ্বীপপুঞ্জ সঁচাই মন কাঢ়ি নিয়া দৃশ্য।

কিন্তু চেলুলাৰ জে'ললৈ গৈহে সকলোৰে মন সেমেকি উঠিল। নীহাৰিকা বৰ

সংবেদনশীল। তাই হুকহুকাই কান্দি পেলালে— দেউতা, স্বাধীনতা আন্দোলনৰ ছহিদসকলে ইমান যমৰ যন্ত্ৰণা ভুগি আমাক স্বাধীনতা দি থৈ গ'ল। তাৰ বিনিময়ত আমি তেওঁলোকক সোঁৱৰণ কৰিবলৈকে পাহৰি যাওঁ।

জীয়েকৰ কথাত নৰেন বৰুৱাৰো চকু সেমেকি উঠিল। স্বাধীনতা সংগ্ৰামৰ সময়ত নৰেন বৰুৱাৰ জন্ম হোৱা নাছিল। কিন্তু তেওঁৰ দেউতাকৰ মুখত ক'লীয়াপানীৰ শাস্তিৰ কথা শুনিছিল। বৃটিছসকলে বহুতো কয়দীক আন্দামান-নিকোবৰৰ এই চেলুলাৰ জে'লত নি শাস্তি দিছিল— যাক সাধাৰণ মানুহে 'ক'লীয়াপানীত মেলা' বুলি কৈছিল। নৰেন বৰুৱাৰ পৰিয়ালেও স্বাধীনতা আন্দোলনত জাঁপিয়াই পৰিছিল। বহুকেইজন সম্পৰ্কীয় মানুহক এই জে'ললৈও আনিছিল বুলি তেওঁ জানে। সেই সময়ত আন্দামানলৈ অহা সহজ-সাধ্য নাছিল। কেৱল জাহাজৰ যোগাযোগ হোৱাৰ বাবে কেইবাদিনৰ মূৰত অহা জাহাজখনেই যোগাযোগৰ সম্বল আছিল। তদুপৰি অটব্য অৰণ্য, বিষাক্ত কীট, মহ-ডাঁহৰ দংশন, বনৰীয়া জন্তু আৰু মানুহৰ আক্ৰমণ আছেই। এই সকলোবোৰ মিলি এই ভয়ংকৰ পৰিস্থিতিত কয়দীসকলে জীৱন পাৰ কৰিব লগা হৈছিল। বৰুৱাৰ দূৰ সম্পৰ্কীয় ককাক এজনে কৈছিল— বোপাই অ', কি শাৰীৰিক আৰু মানসিক যাতনা। ভাবিলে গা শিয়ঁৰি উঠে। কিমান বেতৰ কোব, কিমান কষ্টসাধ্য কাম কৰাৰ পিছতো লঘোণত কটাব লগা অৱস্থা। তহঁতক বুজাব নোৱাৰোঁ।

জে'লৰ ভিতৰত সোমাই নৰেন বৰুৱা ককাকলৈ মনত পৰিল। ককাকৰ বন্ধু এজনক তেওঁৰ সমুখতে ফাঁচী দিয়াৰ কৰুণ ছবিখন এদিন কান্দি কান্দি ককাকে কৈছিল। তেওঁ যেনিয়েই চাইছিল সেইফালে সেই কেঁকনি শুনা পাইছিল। কি যন্ত্ৰণা! কি যন্ত্ৰণা ! সিদিনা প্ৰত্যেকৰে মন দুখেৰে ভৰি পৰিছিল। সকলোৰে চকু গৈছিল বৃহৎ আঁহত গছজোপালৈ। এইজোপা শ বছৰীয়া পুৰণি গছেই সকলোৰে সাক্ষী হৈ আজিও থিয় দি আছে। এক বিমৰ্ষ মন লৈ সিদিনা বৰুৱা পৰিয়াল হোটেললৈ উভতি আহিছিল। কাৰো পেটত ভোক নাই, কাৰো চকুত টোপনি নাই। ছহিদসকলৰ নামত প্ৰত্যেকেই যেন উছৰ্গা কৰিলে এটা ৰাতিৰ টোপনি, ভোকৰ এসাঁজ ভাত। অতীতটোৱে কেঁকাই কেঁকাই, সকলোৰে চৌপাশে বৃত্তকাৰে ঘূৰি থাকিল। ঘূৰি থাকিল।

নীহাৰিকাৰ ডিজিটেল কেমেৰাটো নৰেন বৰুৱাৰ বেগত এতিয়াও আছে। এতিয়াও সংৰক্ষিত হৈ আছে তাইৰ শেষ স্মৃতি। এনথ্ৰপলজীৰ ছাত্ৰী তাই। সেয়ে আন্দামানৰ আদিম অধিবাসীসকলৰ জীৱন ধাৰণৰ তথ্য থকা মিউজিয়ামটোত বহুতো ফটো তুলিছিল তাই। গছৰ খোৰেং কৰি নাও সজা দৃশ্য, কাপোৰৰ পৰিবৰ্তে গছৰ পাত পিন্ধা মানুহৰ ছবি, চিকাৰ কৰা দৃশ্য, ছহিদৰ ফাঁচীকাঠ এই সকলোবোৰ অক্ষত অৱস্থাত স্থিৰ চিত্ৰৰূপত কেমেৰাত বন্দী হ'ল— কেৱল নীহাৰিকাহে গুচি গ'ল। এটা এটাকৈ দৃশ্যবোৰ ভাহি আহিছে আৰু মানুহজনৰ মূৰটো আচন্ত্ৰাই কৰিছে। পানীৰ পৰা নীহাৰিকা উঠি আহিছে,

চিৰ পৰিচিত হাঁহিটোৱে দেউতা বুলি বৰুৱাক মেৰিয়াই ধৰিছে। যি সপোন উভালি পৰিছে সেই সপোনৰ শিপা বিচাৰি ফুৰিছে এহাল নিঃস্ব মানুহে আৰু বাৰে বাৰে নিজকে হেৰুৱাইছে। হাজাৰ মৃতদেহৰ মাজত খুঁটিয়াই খুঁটিয়াই চাই ফুৰিছে এখন মুখ। বৈ পৰা এযোৰ চেলাউৰি, একোচা দীঘল চুলি, টনা-টনা এযুৰি চকু, লাহী কঁকালেৰে মিঠা বৰণীয়া এজনী ছোৱালী, নৰেন বৰুৱা, নয়না বৰুৱাৰ নয়নমণি।

হঠাৎ তেওঁলোকৰ বিননিয়ে কৰুণ পৰিৱেশ এটাৰ সৃষ্টি কৰিলে। দুয়োজনে নিজকে সম্বৰণ কৰিব নোৱৰা হ'ল। বাকীবোৰ মানুহে কি ক'ব, কি নক'ব ধৰিব নোৱাৰি এজনে আনজনৰ মুখলৈ চাব ধৰিলে। কোনোবা থমকি ৰৈছে— কোনোবা নামিছে, ৰে'লখনেও দুৰ্বাৰ গতিত গৈ আছে। কোনোৱে চেপা মাতেৰে কৈছে— কান্দক, কান্দক, কান্দিলে আৰাম পাব। কোনোৱে কৈছে— তেওঁলোক বুলিহে ধৈৰ্য ধৰিছে দেই। আন এজনে কৈছে— হোৱাজনেহে গম পায়, কিমান শোক কঢ়িয়াই ফুৰিছে মানুহহালে।

মানুহবোৰৰ মনটো গধুৰ-গধুৰ লাগিল। নিৰ্বাক, নিশ্চুপ এক পৰিৱেশৰ মাজতে কোনেও নজনাকৈ নিশা নামি আহিল নীৰৱে। উকিয়াই উকিয়াই ৰে'লখন গৈ থাকিল। গৈয়ে থাকিল।

বাৰ

সাগৰৰ পাৰৰ পৰা বহু দূৰলৈকে তামোল-নাৰিকলৰ শাৰী শাৰী গছৰ সুন্দৰ ছবি, সমুখত অশান্ত সাগৰৰ ঢৌ লেখি অনিকেত উদবাউল হৈ পৰিছিল। সন্ধিয়াৰ সুন্দৰ পৰিৱেশত লাইলিক 'ৱাটাৰ স্পৰ্টছ কমপ্লেক্সলৈ' প্ৰায় জোৰ কৰিয়ে লৈ গৈছিল। নৌকাবিহাৰত লাইলি আৰু অনিকেত কোনোটোৱেই পিছ পৰা নহয়। সেয়ে স্পীড বোট, চেইল বোট, ৰ' বোট, ৱাটাৰ চাইকোল আদি সকলোতে দুয়ো সমানে ভাগ লৈ আত্মহাৰা হৈ পৰিছিল।

কেতিয়াবা সাগৰ পাৰত বহি বহি হোষ্টেলৰ দিনৰ কথাবোৰ পাতিছিল। কেতিয়াবা কাষৰ হোটেলত গৈ 'টাইগাৰ প্ৰন' একোপ্লেট খাই আহিছিলগৈ। সন্ধিয়া বহু পৰলৈ সাগৰৰ বুকুত বেলি বুৰা চাই চাই সময় কেনি উৰি গৈছিল তাৰ খবৰেই পোৱা নাছিল। দূৰৰ গিৰ্জাত ন বজাৰ ঘণ্টা বাজিলতহে ইটোৱে সিটোলৈ চাই বালিৰ পৰা উঠি আহিছিল। লাইলিৰ গোটেই পৰিৱেশটো মায়াবী মায়াবী লাগিছিল। কেতিয়াবা এনে পোহৰ-আন্ধাৰৰ মাজে মাজে খোজকাঢ়ি আহি থাকোঁতে অনিকেতে সুধি পেলাইছিল— লাইলি, মাই ডাৰ্লিং, চাকৰিৰ অজুহাতত মোক এৰি নাযাবা।

ঃ কিয়, মই চাকৰি কৰাটো তুমি নিবিচাৰা নেকি?

ঃ তোমাৰ যোগ্যতা আছে, তুমি নিজকে সেয়ে বঞ্চিত কৰিব নালাগে।

ঃ কিন্তু...

ঃ কিন্তু কি অনি?

ঃ চাকৰিৰ বাবে মোক তোমাৰ সান্নিধ্যৰ পৰা বঞ্চিত নকৰিবা।

ঃ ঠিক আছে। এইবাৰ উভতি গৈ নুমলীগড়তে মোক চাকৰি এটাৰ যোগাৰ কৰি দিবা, পাৰিবাতো?

ঃ মই জি এমৰ লগত কথা পাতিছোঁৱেই।

ঃ বাঃ, তুমিতো কম নোহোৱা।

ঃ কম নোহোৱা মানে? যোৱা ছয়টা বছৰ তোমাৰ এই সৌন্দৰ্য পান কৰাৰ পৰা মোক তুমি বাৰুকৈয়ে বঞ্চিত কৰা নাইনে?

লাইলিয়ে মন কৰিলে, অনিকেত ৰোমাণ্টিক হৈ পৰিছে। তাই ধমকৰ সুৰত ক'বলৈ ধৰিলে— এই কি কৰা, কি কৰা? বাটে-পথে এইবোৰ নচলিব। নাই, অনিকেত শান্ত হ'ব নোখোজে। সি তাইৰ সান্নিধ্যৰ বাবে যেন বাউল হৈ পৰিছে। লাইলিয়ে আৰু বাধা নিদিলে। অনিকেতে শুনা-নুশুনাকৈ কৈয়ে থাকিল— এইবাৰ আৰু নোৱাৰোঁ লাইলি, এইবাৰ আৰু নোৱাৰোঁ। তুমি মোক এৰি নাযাওঁ বুলি কথা দিয়া।

ঃ আহ, তোমাৰ আজি কি হৈছে অনি?

ঃ মই ক'ব নোৱাৰোঁ। কিয় জানো মোৰ ভাব হৈছে তুমি যেন মোৰ মাজৰ পৰা হেৰাই যাবা। মই যেন আকৌ অকলশৰীয়া হৈ যাম।

লাইলিয়ে জানে অনিকেত ভীষণ ছেন্সিটিভ, সেয়ে সি নিজে নিজেই শান্ত হোৱালৈ তাই বাট চালে। অকণমানি এটা কেঁচুবাৰ দৰে সি তাইৰ বুকুত কুঁচিমুচি শুই পৰিল বহু পলমকৈ। তাই আৰু শোব নোৱাৰিলে সিদিনা। কি এক অহেতুক কাৰণত তাই সেই ৰাতি শোব নোৱাৰিলে। ওৰে ৰাতি শুনি থাকিল সাগৰৰ গৰ্জন আৰু মনৰ চুকৰে চাই থাকিল ভৱিষ্যতৰ এখন ছবি।

ঃ চায় লাগে চায়? গৰম গৰম চায়। চায়, চায়— ফেৰীৱালাটোৰ চিঞৰত সকলোৱে ধহমহাই উঠিল। কিয়নো দুই-একৰ বাদে কালি ৰাতি কোনেও বিশেষ একো খাবলৈ নাপালে। সমীৰণে এবাৰ বসাক মশাইৰ ফালে চাই হাঁহি পেলালে। বেচেৰাই যোৱা নিশা বহু চেষ্টা কৰিও খোৱাৰ যোগাৰ কৰিব নোৱাৰিলে। অৱশেষত মিনাৰেল ৱাটাৰ এবটল আৰু বিস্কুট এপেকেট কিনি আনি সমীৰণৰ লগত ভগাই খালে। এই ঠাণ্ডাখনত ঠাণ্ডা পানী খায়ো তেওঁ শান্তি পোৱা নাই, কাহ আৰু দাঁতৰ বিষ। বেচেৰা সমীৰণে কথাবোৰ ভাবি ভাবি মুখ ধুবলৈ ব্ৰাছপাট লৈ ওলাই গ'ল। ইতিমধ্যে লাইলি আৰু সীমান্তিকায়ো সাৰ পাইছে। তথাপি সমীৰণে বসাকক হেঁচুকি জগাই দিলে সিহঁতৰ বাবে চাৰি কাপ চাহ ৰাখিবলৈ। বসাকে সাৰ পাই সমীৰণক গুডমৰ্ণিং দি সমুখত মহিলা

দুৰাকীক দেখি খৰ্‌ধৰ্‌কৈ তেখেতৰ পাঞ্জাবী চাৰ্টটো পিন্ধি ল'লে আৰু সমীৰণৰ ফালে চাই ক'লে— আপ্‌নি যান। আমি চায়েৰ ব্যৱস্থা কৰব। ভীষণ ক্ষিদে পেয়েছে।

লাইলি আৰু সীমান্তিকাই ব্ৰাছ উলিয়াই বাথৰূমৰ ফালে গ'ল। বাথৰূমৰ ওচৰত ভিৰ। তাতে টেপত পানী নাই। কোনোবাই বেচিনত আধা খোৱা বিড়ি-চিগাৰেটৰ টুকুৰা দলিয়াই থৈছে। পানীৰ অভাৱত চৌপাশে দুৰ্গন্ধময়। এইটো বঙাইগাঁও ষ্টেচন। ষ্টেচনত থকা টিউবেলত সমীৰণে মুখ ধুই আছিল। সি সিহঁত দুজনীকো নামি গৈ মুখ ধুবলৈ ক'লে। ঠেলা-হেঁচাত নামোঁতে লাইলিৰ মূৰটো ঘূৰোৱা যেন লাগিল। তাই সীমা বুলি কৈ কোনপাকত বাগৰি পৰিল সীমান্তিকাই তৰ্কিবই নোৱাৰিলে। তাতে লাইলিৰ দৰে ওখ-পাখ ছোৱালী এজনীৰ ভৰ তাই ধৰি ৰাখিব নোৱাৰি দুয়ো বাগৰি পৰিল। বঙাইগাঁৱত ক্ৰছিং থকাৰ বাবে ট্ৰেইনখনৰ বহু সময় ৰ'ল। দৃশ্যটো সমীৰণৰ দৃষ্টিগোচৰ হোৱাত সি দৌৰ মাৰি আহিল। পিছে সি ধৰাৰ আগতেই দুয়োজনী পৰি গ'ল। মানুহবোৰে লগ হৈ দুয়োজনীকে ষ্টেচনত থকা বেঞ্চত বহুৱাই দিলে। লাইলিয়ে হাতত বেয়াকৈ দুখ পাইছে। সীমায়ো অ'ত-ত'ত দুই এঠাইত দুখ পাইছে, মূৰতো টেমুনা বান্ধিছে। মানুহবোৰে ডাক্তৰ ডাক্তৰ বুলি ইফালে সিফালে চাওঁতে সমীৰণে নিজৰ পৰিচয় দিলে, লগতে সীমান্তিকাও যে ডাক্তৰ সেই কথাও ক'বলৈ নাপাহৰিলে। হঠাতে সমীৰণে সিদ্ধান্ত ল'লে যে সিহঁতে টেক্সি এখন লৈয়ে গুৱাহাটীলৈ যাবগৈ। কাৰণ ট্ৰেইনৰ ছেকেণ্ড ক্লাছৰ যি দুৰৱস্থা সেয়া সহ্যৰ বাহিৰত। তাতে এতিয়া পানীও নাই। গুৱাহাটীলৈকে আৰু পানী যে পাব আশা নাই। বসাকে নামি আহি সিহঁতক মুখ ধোৱাৰ ব্যৱস্থা কৰি দিলে। গোটেইকেইজনেই বাহিৰত প্লেটফৰ্মতে বহি চাহ খালে। তাৰ পিছত বঙাইগাঁও ৰে'লৱে হাস্পতাললৈ দুয়োজনীকে নিয়াৰ বাবে অটো এখন আনি ট্ৰেইনৰ পৰা সিহঁতৰ যি দুই-এটা লাগেজ আছিল নমাই আনি বসাকে সমীৰণক সহায় কৰি দিলে। ইতিমধ্যে ট্ৰেইন ষ্টাৰ্ট হ'ব ধৰিলে। মানুহবোৰে আকৌ খৰখেদাকৈ ট্ৰেইনত উঠিলেগৈ। বসাকে সমীৰণক এনে অৱস্থাত এৰি যাবলৈ টান পালে। মানুহজন তিনিচুকীয়ালৈ যাবগৈ। সেয়ে সমীৰণে তেওঁক জোৰ কৰি ট্ৰেইনত পঠাই দিলে। যিহেতু গুৱাহাটীলৈ বেছি দূৰ নাই, সি অসুস্থ মহিলা দুগৰাকীক 'ফাৰ্ষ্ট এইড' দি অতি সোনকালেই গুৱাহাটীলৈ যাবগৈ। বসাকৰ চিন্তা দূৰ কৰিবলৈ সমীৰণে ক'লে— "বসাক মশাই, আপোনাৰ সহায়ৰ কথা মই নাপাহৰোঁ। আপুনি নিশ্চিত থাকক, বৰপেটাত মোৰ নিজা ঘৰ। দৰকাৰ হ'লে আজি তাতেই জিৰণি লৈ লাহে ধীৰে গৈ থাকিম।" বসাক উভতি গ'ল। সমীৰণৰ মনটো উকা উকা লাগিল। ৰে'লখনে দুখতে উকিয়াই উকিয়াই জন-অৰণ্যৰ পৰা দূৰলৈ গৈ থাকিল আৰু সমীৰণ-সীমান্তিকা আৰু লাইলিয়ে নিঃসংগ মন এটা লৈ নগৰ অভিমুখে গৈ থাকিল। হঠাৎ লাইলিয়ে টেক্সিৰে গৈ থাকোঁতে দূৰৰ পথাৰৰ মাজলৈ দৃষ্টি নিক্ষেপ কৰি ক'বলৈ ধৰিলে— "সীমা, মোকনো

তোমালোকে ইমান যত্ন লৈছা কিয়? জীয়াই থকাতকৈ মই মৰি গ'লেহে বেছি শান্তি পালোহেঁতেন। মোক মৰিবলৈ এৰি দিয়া, সীমা।"

ঃ তেনেকৈ নক'বা লাইলি। জীৱনৰ আন নামেইচোন সংগ্ৰাম।

ঃ এইবোৰ কিতাপী ভাষা। মই ইমান নিঃসংগতা মানি ল'ব নোৱাৰোঁ। মই অনিকেতবিহীন এই জীৱন মানি ল'ম কিদৰে কোৱাচোন। মোক মাৰি যাবলৈ দিয়া। মৰি যাবলৈ...

ঃ ধৈৰ্য ধৰা লাইলি। —সীমান্তিকাই লাইলিক সাৱটি ধৰিলে। সমীৰণে ভাবি উৱাদিহ নাপালে কি কোৱা উচিত হ'ব লাইলিক। দুখে-ভাগৰে ম্ৰিয়মাণ এই ছোৱালীজনীক কিদৰে শান্ত কৰা হ'ব। তেনেতে ৰাস্তাৰ কাষৰ হোটেল এখন দেখি সমীৰণে টেক্সিখন ৰখালে। ড্ৰাইভাৰকো কিবা খাই ল'বলৈ কিছু টকা দিলে। সিহঁতেও পাতলীয়া আহাৰ কৰিলে। পিছে লাইলিকহে একো এটা খুৱাব নোৱাৰিলে। লাইলিক এটা ইন্‌জেকচন দিয়াৰ সময় হ'ল। সিহঁতে পুনৰ যাত্ৰা আৰম্ভ কৰাৰ আগতে তাইক ইন্‌জেকচনটো দিয়ালে। লাহে লাহে লাইলিয়ে টোপনিয়াব ধৰিলে। সমীৰণে সুধিলে— সীমা, আমি আৰু বৰপেটাত সোমাম জানো?

ঃ হুঁ? — সীমান্তিকা যেন ভাব সাগৰৰ পৰাহে উঠি আহিল।

ঃ আমি আৰু বৰপেটাৰ ঘৰত নোসোমাৱাই ভাল হ'ব যেন পাওঁ।

ঃ তুমি ঠিকেই ভাবিছা সমীৰণ। ময়ো সেই কথাই ক'ম বুলি ভাবিছিলো।

ঃ বৰপেটাৰ ঘৰখনত নানাজনৰ নানা প্ৰশ্নত লাইলিয়ে আৰু কষ্ট পাব মনত।

ঃ সঁচাই। তাইক আৰু কষ্ট দিবৰ মন নাই। কিদৰে সোনকালে গুৱাহাটী পাব পাৰি সেই কথাহে ভাবিছোঁ।

ঃ লাইলিৰ মাক-দেউতাকৰ ওচৰত তাই কিছু দুখ ভাগ-বাটোৱাৰা কৰিব পাৰিব।

সমীৰণে এইবাৰ টেক্সি চালকৰ ফালে মুখ ঘূৰাই ক'লে— ব'লা, যিমান পাৰি সিমান সোনকালে আমাক গুৱাহাটী পোৱাই দিব লাগে। মানসিক আৰু শাৰীৰিকভাৱে অসুস্থ হৈ পৰা এই মানুহগৰাকী চিকিৎসা আৰু জিৰণি দুয়োটাৰে প্ৰয়োজন হৈছে।

সমীৰণৰ কথাত সীমান্তিকাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। অনিকেতৰ দৰে বন্ধু এজনক হেৰুৱাই সমীৰণ যিমান দুখিত, সীমান্তিকা তাতোকৈ হাজাৰ গুণ বেছি দুখিত। কিয়নো, অনিকেত আৰু সীমান্তিকা শৈশৱৰে পৰা একেলগে ডাঙৰ-দীঘল হোৱা আৰু দুয়োৰে বন্ধুত্ব অতি গভীৰ। তাতে লাইলিৰো অপ্ৰকৃতিস্থ ৰূপে সীমান্তিকাক আৰু দুখিত কৰিছে। সমীৰণে নিজকে সম্বৰণ কৰাৰ চেষ্টা কৰি মাথোঁ ক'লে— নাকান্দিবা সীমা, হৰা-জিকা, পোৱা-নোপোৱা, আশা-নিৰাশাৰ মাজতেইতো আমাৰ জীৱন। ❑

সময় দুঃসময়

সময় দুঃসময়

এক

প্ৰাতিৰেখাই বস্তুবোৰ সামৰোঁ সামৰোঁ বুলি বহুদিন ভাবিলে। কিন্তু ইমানদিনে এইটো ঘৰৰ লগত খাপখাই পৰা বস্তুবোৰ পুনৰ সামৰি 'পেক' কৰিবলৈ ওলাই তাই বাৰে বাৰে থমকি ৰৈছে। এইটোৱেই যেন তাইৰ ঘৰ, এই ঘৰ এৰি কিদৰে গুচি যাব তাই? এই ঘৰৰ প্ৰতিটো চুক-কোণ তাইৰ নখদৰ্পণত। পকা মজিয়াৰ প্ৰতিটো গাঁত, কোনখিনি খহটা, কোনখিনি উঠঙা, কোনখিনি মিহি সকলো তাইৰ জনা আছে। সেয়ে তাইৰ মনটো সেমেকি উঠিছে। চৰকাৰী বাসগৃহৰ বাৰী বুলি প্ৰীতিৰেখাৰ বাৰীখন দেখিলে কোনে ক'ব? পদূলিৰ পৰা ফুলনিবাৰীখন, কত ৰঙৰ কত গোন্ধৰ যেন ফুল। তগৰ-খৰিকাজাই, কপৌ-হাস্নাহানাৰ গোন্ধে আমোল-মোলোৱা তাইৰ বাৰী। ৰান্ধনি ঘৰৰ পিছফালৰ ঠাইখিনিত তাই শাক-পাচলি লগায়। তদুপৰি যোৱা পাঁচছ বছৰে আম, জামু, কঁঠাল, কৰ্দৈ, লিচু, বগৰী— এটা এটাকৈ ৰোওঁতে ৰোওঁতে মানুহজনীৰ বাৰীখন গাঁৱৰ মানুহৰ বাৰী এখনলৈ পৰিণত হ'ল। এইখন আবাসিক ক্ষেত্ৰৰ প্ৰত্যেক বাসিন্দাৰে নিজা একোখন বাৰী আছে, কিন্তু কোনেও দীৰ্ঘদিন বাস কৰাৰ পিছতো নিজৰ বুলি ল'ব পৰা নাই। নিজ হাতে এটা গছপুলি ৰোৱা নাই। আনকি সমুখৰ ল'নৰ লগত দুই-চাৰিজোপা ফুলগছ ৰোৱাৰ কথাও ভবা নাই।

প্ৰীতিৰেখাক বহুতে হাঁহে। — বাইদেউৰ যে আৰু কাম। এই কোৱাৰ্টাৰত নিজৰ ঘৰৰ দৰে যত্ন কৰি গছ-বন কৰিছে। চাকৰি বদলিলে কেনেকৈ এৰি যাব এইবোৰ?

প্ৰীতিৰেখাই লাহেকৈ কয়— দাদাৰাৰ ট্ৰেন্সফাৰ হ'লে এৰি যাম আৰু। পিচে মই নাখালেও মোৰ পিছত অহা আন কোনোবাই খাব।

প্ৰীতিৰেখায়ো নজনা নহয়, তাই ভালদৰেই জানে, যিকোনো মুহূৰ্ততে গিৰীয়েকৰ বদলিৰ খবৰ আহিব পাৰে। কিন্তু সেইবুলি পাৰিলে আৰু হাত-ভৰি সাবটি বহি থাকিবনে। নাই, তাই অন্ততঃ নোৱাৰে। বিয়াৰ পিছত গিৰীয়েকৰ লগত এই ঘৰটোতে আহি সোমাইছিল আৰু যোৱা পাঁচিছটা বছৰ তাই এনেদৰে ইয়াতেই কটালে। ইয়াতে তাইৰ প্ৰথম সন্তান বিৰিণাৰ জন্ম হ'ল। বিৰিণাৰ চাৰি-পাঁচ বছৰৰ পিছত জন্ম হ'ল সপোনৰ। চাওঁতে চাওঁতে তাইৰ দুয়োটা সন্তানেই ডাঙৰ হ'ল— গাভৰু প্ৰীতিৰেখাই লাহে লাহে চুলিত ৰূপালী ৰং লগালে— গাভৰুকালৰ ছালৰ মসৃণতাও হেৰুৱালে, হেৰুৱালে মনৰ ৰং। *কিন্তু তাইৰ নিজৰ ঘৰ নহয় বুলি এবাৰলৈয়ো ভাবিব নোৱাৰিলে।*

ঃ হেৰা, তুমি ইমানপৰে কি ভাবি আছাহে? অহা সপ্তাহত যাব লাগিব। বস্তুবোৰ সময়-সুবিধা পালে লাহে লাহে বান্ধি-চাটি সামৰিবা। নহ'লে বৰ খৰধৰ হ'ব। — কথা কৈ কৈ প্ৰীতিৰেখাৰ গিৰীয়েক কোঠাটোৰ পৰা ওলাই গ'ল। প্ৰীতিৰেখা একেঠাইতে বহি থাকিল। তায়ো ভাবিছে অতদিনে গোটোৱা বস্তু-বাহানীবোৰ সামৰি-সুতৰি তাই এইবাৰ নিজৰ ঘৰত প্ৰৱেশ কৰিবগৈ। কিন্তু এবাৰলৈয়ো আনৰ বুলি ভাবিব নোৱৰা এই ঘৰৰ মায়াই তাইক নিজৰ ঘৰলৈ যোৱাটোত বাধা দিছে। প্ৰীতিৰেখাৰ গিৰীয়েক বিপুল নেওগৰ চাকৰি আৰু কিছু বছৰ নথকা নহয়। আছে। কিন্তু এইবাৰ বিপুল নেওগৰ প্ৰমোচন-ট্ৰেন্সফাৰ হৈছে। ইতিমধ্যে গুৱাহাটী মহানগৰীত তেওঁ মাটি এডোখৰ কিনি এটা ঘৰ সাজিছে ডিপাৰ্টমেণ্টৰ ল'ন আৰু বেংকৰ ল'নেৰে। হওঁতে বিপুলৰ দেউতাকে সজা বেলতলাৰ ঘৰখন আছে। পিচে বিপুলেহে তালৈ উভতি যোৱাৰ কথা নাভাবিলে। কিয়নো চাকৰি-বাকৰি নথকা ভায়েকে মাক ঢুকুৱাৰ পিছত সেই ঘৰৰে আধা অংশ ভাড়া'দি আৰু লগতে সৰু-সুৰা ঠিকা-ঠুকলি কৰি চলি আছে। ভায়েকৰ তুলনাত বিপুলৰ সংসাৰখনতো ভালে-কুশলেই চলি আছে। এজনী ছোৱালী আৰু এটা ল'ৰাৰে সুখৰ সংসাৰ। বিপুলৰ চাকৰিকালতে ছোৱালী বিৰিণাই ইঞ্জিনীয়াৰিং পাছ কৰি বাংগালোৰত চাকৰিত সোমাইছে। ল'ৰাটোৱে অহাবাৰ হায়াৰ ছেকেণ্ডাৰী দিব। সিয়ো পঢ়া-শুনাত ভাল। বিপুলৰ ঘৰটোৰ প্ৰায় সকলো কাম কেতিয়াবাই শেষ হ'ল। কেৱল ৰঙৰ কাম বাকী আছিল। যোৱা কিছুদিন ৰঙৰ কাম কৰাই থাকোঁতেই ভাল দিন-বাৰ এটা চোৱাইছে। সিদিনাই মাংগলিক কাৰ্য এটা কৰাই ঘৰত সোমোৱাৰ কথা। কিয়নো নতুন ঘৰত প্ৰীতিৰেখা আৰু ল'ৰাটোক লৈ বিপুল যাব তেজপুৰলৈ— চাকৰিত জইন কৰিবলৈ।

সকলো ঠিকে-ঠাকেই হৈছে। কেৱল প্ৰীতিৰেখাৰ মনৰ মাজতহে সাগৰৰ জোৱাৰ উঠিছে। এই ঘৰ এই বাৰী, ইয়াৰ গছ-বন, পাত-ফুল সকলোতে প্ৰীতিৰেখাৰ হাতৰ পৰশ। তাই এৰি যাব কিদৰে? মৰমত আতোল-তোলকৈ ডাঙৰ কৰা জীয়েকক প্ৰথম জামছেদপুৰত পঢ়িবলৈ থৈ আহোঁতেও তাইৰ ইমান দুখ লগা নাছিল— যিমান লাগিছে আজি এই মুহূৰ্তত।

ঘৰটো যিহেতু আৱাসিক অঞ্চলৰ পৰা বেছি দূৰত নহয়— সেয়ে তাই ঘৰ লোৱাৰ দিনা ইয়াৰ সকলোৰে বাবে এটা ভোজৰেই আয়োজন কৰিছে। কিন্তু তাই ক'লনি এৰি যাবলৈ বুলি গম পোৱাৰ পৰা অন্তহীনভাৱে তাইলৈ নিমন্ত্ৰণ আহি আছে। প্ৰত্যেকেই মৰমেৰে নিমন্ত্ৰণ কৰিছে— নাযায় কিদৰে? প্ৰীতিৰেখা গৈছে— ইমান মৰমক তাই নেওচা দিব নোৱাৰে। কিমান দিন ধৰি তাইৰ ঘৰত চুলা জ্বলাই নাই বুলিব পাৰি। কোনোৱে ভাত খাবলৈ মাতি উপহাৰ হিচাপে নিজে কৰা আচাৰৰ বটল দিছে, কোনোৱে নতুন ঘৰত লগাবলৈ টেবুল ছেট দিছে। কোনোৱে কিতাপ উপহাৰ দিছে, কোনোৱে

মৰমৰ চিন স্বৰূপে তাই ভালপোৱা ফুলৰ পুলি দিছে— উস্ ! উপহাৰবোৰ যেন শেষেই নহ'ব। কিমান যে উপহাৰ, কিমান যে মৰম ! এই মৰমৰ এনাজৰীডাল এৰি তাই কিদৰে আঁতৰি যাব? প্ৰীতিৰেখাই যেন কান্দি পেলাব, তাইৰ অন্তৰখন উথলি উঠিছে দুখত, বেজাৰত, বেদনাত। মনে নামানে যদিও তাই দৃঢ় হ'ব লাগিব। বৈ নাথাকে, বৈ নাথাকে সময়। তাই যাবই লাগিব। গিৰীয়েকৰ ট্ৰেন্সফাৰৰ লগে লগে তাইৰ আজৰি কমি আহিছে। কেইদিনমান পিছতে তেওঁক ইয়াৰ পৰা দূৰণিবটীয়া তেজপুৰলৈ ৰিলিজ দিব। মাজত মাত্ৰ পোন্ধৰ দিন— চাকৰিত জইন কৰালৈ। এই সময়ছোৱাতে এইখন ঘৰ ভাঙি নি নতুন ঘৰখন পাতিবগৈ লাগিব। বিপুল নেওগৰ চাকৰিৰ অৱসৰলৈকে প্ৰতি বছৰে ট্ৰেন্সফাৰ হ'লেও প্ৰীতিৰেখাই আৰু বস্তু-বাহানি সামৰিব নালাগিব। সেইখন নিজৰ ঘৰ হ'ব। ঘৰ-ঘৰ বুলি, আপোন-আপোন বুলি এনেদৰে আঁকোৱালি লৈ থাকোঁতে থাকোঁতে এদিন এই সকলোবোৰ এৰি আচল ঘৰলৈ যাবগৈ লাগিব। এনেদৰেই চক্ৰৱৎ ঘূৰি থাকে সময়।

দুই

বাহী বিয়াৰ দিনা কইনা আহি ঘৰ পাওঁতে সন্ধিয়াই লাগিল। লাগিবৰে কথা— ইমান দূৰ বাট। বৰ ভাগৰ লাগিছিল প্ৰীতিৰেখাৰ। ওৰেটো বাট কান্দি কান্দি বাউলী হৈ আহোঁতে কোনপাকত তাইৰ টোপনি আহিল— তাই ক'বই নোৱাৰিলে। ডিব্ৰুগড়ৰ পৰা গুৱাহাটী, দিনটোৰ বাট। বাটত দৰাঘৰীয়া সকলোখিনিয়ে হোটেলত ভাত খালে। বিপুলৰ বায়েক-ভনীয়েকে তাইকো জোৰ কৰিছিল, তাই নাখালে। লাজতে নাখালে তাই। বহুদূৰ বাট হোৱাৰ বাবে তাইৰ লগত সৰু খুৰাক-খুৰীয়েক আৰু মাহীয়েকৰ জীয়েক মমীৰ বাহিৰে আন অহা নাছিল। মমীয়ে গাড়ী ৰখাই তাইক চাহ-তাহ খুৱাইছিল গাড়ীলৈকে আনি। দৰাঘৰৰ সকলোৱে তাইক গৰমৰ বাবে ওৰণি লৈ থাকিবলৈ মানা কৰিছিল। নগাঁৱত খুৰী-শাহুৱেকে জোৰকৈ তাইৰ ওৰণি গুচাই দিকৈছিল— "প্ৰীতি, তুমি আমাৰ ছোৱালীৰ লগৰ ছোৱালী। এই গৰমত ওৰণি ল'ব নালাগে। অ' আই ! গোটেইজনীচোন ঘামি-জামি ৰঙা পৰি উঠিছা। আচলতে মনেৰে শ্ৰদ্ধা কৰিলেই হয়।" খুৰী-শাহুৱেকৰ কথাত তাই সিদিনা 'হা', 'না' একো কোৱা নাছিল— ওৰণিও গুচুৱা নাছিল। সেই সময়ত তাই বৰ লাজ অনুভৱ কৰিছিল। আঁৰ-চকুৰে বিপুললৈ চাইছিল। তেওঁ বন্ধুৰ লগত কথা-বতৰা পাতি হাঁহি-ফূৰ্তি কৰি আহিছিল। যেন একোৱেই হোৱা নাই। প্ৰীতিৰেখাৰ ভিতৰে ভিতৰে বৰ ঈৰ্ষা হৈছিল। যতমানে ছোৱালীবোৰেই ভুগিব লাগে। নিজৰ মাক-দেউতাক, ঘৰ-দুৱাৰ, মিতিৰ-কুটুম সকলোকে এৰি এনেদৰে গুচি

আহিবলগা হয়। অচিনাকি ঠাই, অচিনাকি মানুহৰ লগত নতুনকৈ সম্পৰ্ক গঢ়ি আকৌ নতুন জীৱনৰ লগত নিজকে সাঙুৰি ল'ব লগা হয়।

দৰাৰ লগত অহা দেওৰেকৰ বন্ধুকেইটাৰ সুযোগ পালেই প্ৰতিটো ষ্টপেজত আহি তাইক হঁহুৱাবৰ চেষ্টা কৰিছিল। এটাই আহি কৈছিল— "অ' বৌ, ইমান কান্দিছা কিয়? বিপুলদাই কান্দিব লাগিলে কথা কিন্তু ডাঙৰ হ'ব। তাৰতো ওৰণি নাই— নাকৰ পানী কিদৰে মচিব?"— কথা শুনি দুখৰ মাজতে প্ৰীতিৰেখাৰো হাঁহি উঠিছিল। এইবাৰ শংকৰ বোলাটো ওচৰলৈ আহি কৈছিল— "জানে বৌ, আমাৰ লগৰ ল'ৰা এটাৰ ককায়েকে গোৱালপাৰাৰ পৰা লখিমপুৰত গৈ বিয়া পাতিছিল। তেওঁলোকৰ 'লাভ মেৰেজ' আছিল। পিচে, 'লাভ মেৰেজ' হ'ল কি হ'ল— বিয়াৰদিনা ছোৱালীয়ে কান্দেই।"

ঃ ঐ শংকৰ, ইমান পাতনি নালাগে— আচল কথা ক। — তাইৰ দেওৰেকে ক'লে।

ঃ কৈছোঁ, কৈছোঁ। নগাঁও পাইছোঁহে। আৰু বহুদূৰ আছে। কি কৈছিলো? — কোনোবা এটাই অধৈৰ্য হৈ মাত লগালে।

ঃছোৱালীয়ে কন্দাৰ কথা।

ঃ অ' অ'। কইনাই কান্দি কান্দি গোটেই ৰাস্তাটোতে সকলোকে আমনি দি আহিছে। যিহেতু দৰাৰ আগৰে চিনাকি, সেয়ে মোৰ বন্ধুৰ ককায়েক দৰাই ক'লে— "হেৰা মণি, ইমান কান্দিবলৈ কি হৈছে?" নাই নুশুনে কইনাই-- কান্দিয়ে আছে। পিচে কিমান কান্দিব, শেষত বাইহাটৰ পৰা কইনা নীৰৱ হ'ল। কথাটো কোনোবা এটাই মন কৰি দৰাক ক'লে। দৰাই তেতিয়া কি ক'লে জান?

ঃ কি ক'লে?— সকলোৱে একেমুখে সুধিলে।

ঃ মণিয়ে ঘৰ ল'লে বুইছ্। খাঙত ভৰোৱা কুকুৰাবোৰে প্ৰথমে বৰ কক্‌বকাই হুলস্থূল কৰে নহয়— তাৰ পিছত লাহে লাহে নীৰৱ হয়, ঠিক তেনে কথা বুলিব পাৰি।

শংকৰৰ কথাত গোটেইজাকে গিৰ্জনি মাৰি হাঁহিলে। প্ৰীতিৰেখাৰ কিন্তু কথাষাৰ ভাল নালাগিল। কিন্তু সেই মুহূৰ্তত তাই কিবা কোবাৰ কথাও নাভাবিলে। কিয়নো, আমাৰ সমাজত নাৰীৰ খাঙত ভৰোৱা কুকুৰাৰ দৰেই অৱস্থা। মাকেতো তাইক কত উপদেশ দিছে— এইটোহে কৰিবি— এইটোহে নকৰিবি। তদুপৰি শাস্ত্ৰয়ো জানো কম বান্ধোন দিছে! *জীয়ৰীকালত ছোৱালী পিতাৰ অধীন, বিয়াৰ পিছত স্বামীৰ অধীন, আৰু বৃদ্ধা অৱস্থাত পুত্ৰৰ অধীন।*

প্ৰীতিৰেখাই ল'ৰাকেইটাক দুষিব নুখুজিলে। সমাজখনেই তেনে এক তুলাচনীৰে নাৰীৰ জোখ-মাপ লৈছে। অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল হ'ব নোৱৰাটোও ইয়াৰ আন এক কাৰণ। কথাবোৰ ভাবি ভাবি তাইৰ বৰ পিয়াহ লাগিছিল। মামীয়েকৰ জীয়েক

মমীক কথাবাৰ কোৱাত তাই নতুন ভিনিহীয়েকক গাড়ী ৰখাবলৈ ক'লে। সেই সময়ত মিনাৰেল ৱাটাৰৰ প্ৰচলন নাছিল বুলিবই পাৰি। পঁচিছ বছৰৰ আগৰ কথা। হয়, পঁচিছ বছৰেই হ'ল। পঁচিছ বছৰ একেবাৰে কম সময় নহয়। মমীয়ে হোটেলৰ পৰা পানী এগিলাচ আনি দিলে। এইবাৰ তাই গাড়ীৰ ছীটতে টোপনি যাবৰ চেষ্টা কৰিলে। গম নোপোৱাকৈ তাইক অলপ পিছতে টোপনিয়ে হেঁচা মাৰি ধৰিলে। কিন্তু দৰাৰ ঘৰৰ উৰুলিৰ জোঁকাৰ আৰু ছোৱালীবোৰৰ খিলখিল হাঁহিত তাই যেতিয়া সাৰ পাই উঠিল— তেতিয়া সন্ধিয়া লাগিবৰ হ'ল। মাক অৰ্থাৎ শাহুআয়ে আদৰি-সাদৰি লৈ গ'ল, কোনোবা এজনীয়ে তাইক কলতলতে ভৰি ধুৱাই দিলে। সকলো ভাগৰুৱা। সেয়ে সিদিনা খৰখেদাকৈ ভাতমুঠিৰ যো-জা কৰিবলৈ আলহী-দুলহি লাগি গ'ল। প্ৰীতিৰেখাৰ খুৰীয়েকে তাইৰ মাকে দি পঠোৱা চাউল অলপ দিবলৈ মনত পেলাই দিলে। ন-কইনাই প্ৰথমতে এনে কৰা নিয়ম হেনো।

তিনি

এটা সময়ত বিপুলহঁত ডিব্ৰুগড়ৰে মানুহ আছিল। কিন্তু দেউতাকৰ চাকৰিসূত্ৰে অ'ত-ত'ত ঘূৰি ঘূৰি অৱশেষত গুৱাহাটীতে থাকি যোৱাৰ কথা চিন্তা কৰি বেলতলাৰ ফালে ঘৰ-দুৱাৰ কৰিলে। স্কুললৈকে বিপুল, প্ৰীতিৰেখাৰ চিনাকি আছিল। তাৰপিছত আৰু দীৰ্ঘদিন দেখা-দেখি নাই। বিপুলে এম. কমত এডমিছন লওঁতেই দেউতাক ঢুকাল বাবে পঢ়া সিমানতে সামৰি এ এছ ই বিৰ একাউণ্ট বিভাগত সোমাল। আনহাতে, প্ৰীতিৰেখাই ডিব্ৰুগড়ৰ ঘৰৰ ওচৰৰে বিশ্ববিদ্যালয়খন থকাত ৰাজনীতি-বিজ্ঞানত নাম লিখাই প্ৰথমতে অহা-যোৱা কৰিছিল। পিচে প্ৰিভিয়াছ পৰীক্ষাত ভাল নম্বৰ পোৱা আৰু লগতে শিক্ষকসকলৰ মনোযোগ বাঢ়ি অহাত তাই লাহে লাহে ছিৰিয়াছ হৈ এম এটো কমপ্লিট কৰি পেলালে। প্ৰীতিৰেখাৰ পিছতো কেইবাজনী ভনীয়েক থকাত তাইক দেউতাকে এম এ পাছ কৰাৰ পিছতে বিয়া দিয়াৰ যো-জা কৰিলে। তাই হয়তো বিপুলহঁতকৈ বহুত ভাল ল'ৰাই পালেহেঁতেন। পিচে মাক-দেউতাকে সেই লৈ বাট নাচালে। তদুপৰি বিপুলৰ পৰিয়ালক তেওঁলোকে ভালদৰে জনাৰ বাবে এইটো সম্পৰ্কতে হয়ভৰ দি বিয়াখন পাতিলে। বিপুলে আগৰে পৰাই চিনি পায় যদিও বিয়াৰ আগতে গৈ তাইক লগ ধৰি সুধিছিল— প্ৰীতি, এই বিয়াত তোমাৰ মত আছেনে?

তাই প্ৰথমতে একো উত্তৰ দিব পৰা নাছিল। কিন্তু বিপুলৰ বাৰে বাৰে সোধা প্ৰশ্নৰ উত্তৰত তাই কৈছিল— মই অৱশ্যে আপোনাৰ লগত বিয়াৰ কথা ভবা নাছিলো। কিয়নো, মই ভাবিছিলো চিৰ জীৱনৰ লগৰীয়াজনক বিয়াৰ বান্ধোনেৰে বান্ধ খোৱাৰ

আগতে কিছু হ'লেও জনা দৰকাৰ।

ঃ তেনেহ'লে আমি এজনে আনজনক বুজিবৰ বাবে কিছুদিন বাট চাওঁ।

ঃ নাই, নহ'ব। মোৰ দেউতাই নামানিব। কাৰণ মোৰ পিছতো কেইবাজনীও ভণ্টী আছে— সিহঁতৰো বিয়াৰ বয়স হৈছে। আটাইতকৈ ডাঙৰ কথা কি জানে, মোৰ দেউতাই ছোৱালীৰ সিদ্ধান্তক গ্ৰাহ্যই নকৰে।

সিদিনা বিপুলে আবেগেৰে কৈছিল— মই কৰিম প্ৰীতি। মই তোমাক, তোমাৰ মতামতক গুৰুত্ব সহকাৰে ল'ম।

কথাষাৰ শুনি কিয় জানো প্ৰীতিৰেখাৰ মনটো ভাল লাগি গ'ল। তাই ভাবিলে, বিপুল দেখাত সুন্দৰ নহ'ব পাৰে, কিন্তু তাৰ মনটো সঁচাই সুন্দৰ। বিপুল আহিছিল। বিয়াৰ আগৰ চুটি সময়ছোৱাতে বিপুল কেইবাবাৰো আহিছিল। তাইৰ কথা শুনিবলৈ। তাইৰ মনৰ ভাব বুজিবলৈ। প্ৰীতিৰেখায়ো কোনো লুক-ঢাক নোহোৱাকৈ সকলো কথাই কৈছিল তাক। লাহে লাহে তাইৰ ভাব হৈছিল এই মানুহটোৱে তাইৰ জীৱনটো ভৰাই তুলিব পাৰিব।

এদিন হঠাতে সি তাইক সুধিছিল— প্ৰীতি, মোৰ তোমাৰ দৰে এম এ ডিগ্ৰী নাই। দেউতা ঢুকুৱাত সেই উচ্চাকাংক্ষা সামৰি চাকৰি কৰিবলৈ বাধ্য হ'লো। ইয়ে তোমাৰ মনত জটিলতাৰ সৃষ্টি নকৰেতো?

তাই নভবাকৈয়ে কৈছিল— নাই নকৰে। কিয়নো কেৱল আনুষ্ঠানিক ডিগ্ৰীৰে মানুহৰ মানসিকতাৰ জোখ ল'ব নোৱাৰি। বহু উচ্চ ডিগ্ৰীধাৰী মানুহেও নিজৰ তৰল চিন্তা-চৰ্চাৰে সমাজ কলুষিত কৰা দেখা যায়। মই ভাবোঁ, ডিগ্ৰী বহু সময়ত এক আনুষ্ঠানিকতাৰ বাহিৰে একো নহয়।

সিদিনা বিপুলে এক উৎফুল্লিত মনেৰে উভতি গৈছিল। বিয়াখন বৰ ধুমধামেৰে নহ'লেও কিছু ভালেৰেই হৈ গ'ল। বিয়াৰ পিছত খোৱা-খুবীৰ দিনা বিপুলৰ ঘৰত এটা পাৰ্টিৰ আয়োজন হ'ল। এনেদৰে প্ৰীতিৰেখাই নতুন জীৱনত ভৰি দিলেহি।

প্ৰীতিৰেখা বৰ বেছি মুখৰা নাছিল যদিও তাই যুক্তিপূৰ্ণ চিন্তা-চৰ্চাৰে সকলো দিশ চালি-জাৰি চাই ভাল পাইছিল। শাহুৱেক, ননদ, দেওৰেকেৰে ভৰা ঘৰখনত তাই প্ৰথমৰে পৰা পৰিপূৰ্ণ সহযোগ পাইছিল। কিন্তু ঘৰটো সৰু হোৱাৰ বাবে মাকে বিপুলক চাকৰিৰ ঠাইতে কোৱাৰ্টাৰ পালে ল'বলৈ কৈ আছিল। সঁচাই এদিন বিপুলে এটা কোৱাৰ্টাৰ পালে। সিদিনা বিপুলৰ আনন্দৰ অন্ত নাছিল। ঘৰলৈ সোনকালে ঘূৰি আহি প্ৰীতিৰেখাক সাৱটি ধৰি কৈছিল— প্ৰীতি, মোৰ নামত এটা কোৱাৰ্টাৰ 'এলট' হৈছে। তোমাক মই তালৈ লৈ যাম। ইমান আহল-বহল ঘৰ-দুৱাৰৰ মাজত ডাঙৰ হোৱা ছোৱালীজনী। আমাৰ এই *ঠেক-ঠুক* ঘৰখনত কম অসুবিধা পাইছানে?

ঃ ইস্। তোমালোক থাকিব পাৰিলে মই নোৱাৰিম কিয়? মাহঁতে কি ভাবিব?

ঃ মাইঁতে একো নাভাবে। মায়েতো কৈয়ে আছে। আচলতে কি জানা প্ৰীতি— বিয়াৰ পিছৰ পৰা মোৰো বৰ অসুবিধা হৈছে।

বিপুলৰ কথা কোৱা ভংগীত তাইৰ বুজিবলৈ বাকী নাথাকিল এয়া কিহৰ ইংগিত। তথাপি তাই নজনাৰ ভাওজুৰি সুধিলে—

তোমাৰ আকৌ কি অসুবিধা?

ঃ তুমি বুজা নাই? কি অসুবিধা? বিয়াৰ পিছত একান্তভাৱে এবাৰো লগ নোপোৱা হ'লো। নিশাৰ বাহিৰে দিনৰ ভাগত মোৰ ৰূম আনৰ দখলত। মোৰ অসহ্য হৈ উঠিছে।

প্ৰীতিৰেখাই তাইৰ ননদজনীক দিনৰ ভাগত তাইৰ ৰূমতে পঢ়িবলৈ দিছে। নহ'লে বি এ ফাইনেল দিব লগা ছোৱালীজনীৰ পঢ়াৰ কোঠা নায়েই। কিন্তু তাই ৰাতি এপৰলৈকে তাইৰ ৰূমতে পঢ়া-শুনা কৰাত বিপুল জ্বলি-পকি থাকে। ঘৰলৈ আহিও সি চাহকাপ খায়েই যি ওলাই যায়, নিশা দহ বজালৈকে অহাৰ নাম নাই। প্ৰীতিৰেখাই একো মুখ ফুটাই ক'ব পৰা নাই। শাহুৱেক সিহঁতৰ অসুবিধা বুজিয়েই হয়তো বিপুলক কোৱাৰ্টাৰৰ খবৰ ল'বলৈ কৈ আছিল।

এদিন সিহঁত বয়-বস্তু ট্ৰাকত উঠাই কোৱাৰ্টাৰলৈ ওলাল। শাহুৱেকে ক'লে— নতুন ঘৰত গৈয়ে এভাগ পূজা পাতিবা।

ঃ হ'ব মা। — প্ৰীতিৰেখাই এইবুলি শাহুৱেকক সেৱা কৰি গাড়ীত উঠিল।

সকলো সুবিধা থকা বিপুলৰ কোৱাৰ্টাৰত তাই এসপ্তাহৰ ভিতৰতে বয়-বস্তু থান-থিত লগাই ল'লে। প্ৰীতিৰেখা হাতে-কামে বৰ কাজী। তাই ঘৰখন এনেদৰে সজালে যে বিপুলৰ মন ভৰি উঠিল। সিদিনা পূৰ্ণিমা আছিল। বহু নিশালৈকে বেলকনিত বহি সিহঁতে নিশাটো উপভোগ কৰিছিল। অৱশেষত বিপুলে তাইৰ গালত টোকৰ মাৰি কৈছিল— এই ব'লা। এনে এটা সুন্দৰ নিশা এনেই যাবলৈ দিব পাৰিনে?

প্ৰীতিৰেখাই সিদিনা একো আপত্তি কৰা নাছিল। দুটা প্ৰাণ, দুটা শৰীৰ জোনাক বিটৌত সেই ৰাতি এক হৈ পৰিছিল। দূৰৈত কোনোবাই মিঠাকৈ বাঁহী বজাইছিল। আৰু বিপুল, বিপুল তাইৰ মাজলৈ কুৰুকি কুৰুকি সোমাই গৈছিল।

চাৰি

প্ৰীতিৰেখাহঁত কোৱাৰ্টাৰলৈ আহোঁতে ক'লনিখনত পৰিয়াল থকা মানুহ বৰ কম আছিল। সেয়ে মাহৰ কেইবাটাও দিন প্ৰীতিৰেখাৰ ঘৰত খোৱা-বোৱাৰ আয়োজন

চলিছিল। খোৱা-বোৱা মানে চৈধ্য-পোন্ধৰটা মানুহৰ ভোজ। তাইৰ বেয়া লগা নাছিল যদিও বেছিভাগেই বিপুলৰ সমবয়সী, তথাপি তাইক সকলোৱেই 'বৌ' বুলি মাতিছিল। তাইৰো ভালেই লাগিছিল। গম নোপোৱাকৈয়ে সকলোৰে ওপৰত কৰ্তৃত্ব খটুৱাব পাৰিছিল।

প্ৰীতিৰেখাই মন কৰিছিল, ইঞ্জিনীয়াৰ্চ ক'লনিৰ ফালে থকা বেছেলৰকেইটাৰ কোৱাৰ্টাৰত বহু ৰাতিলৈ জুৱা আৰু মদৰ আড্ডা চলে। বিপুলো মাজে মাজে যায়। তেওঁ অৱশ্যে সেইবোৰৰ অনুৰাগী নহয়। সেয়ে ৰক্ষা। এদিন বিপুলে হেপাই-ফেপাই আহি ক'লেহি— "বুইছা প্ৰীতি, ইহঁতবোৰ ৰসাতলে যাবলৈ ওলাইছে।"

ঃ কোন ৰসাতলে যায় যাবলৈ দিয়া। তুমি সেইবোৰত নাযাবা।

ঃ নহয়হে, চকুৰ সম্মুখতে বন্ধুৰ এনে ধ্বংস চাই থাকিব পাৰিনে?

প্ৰীতিৰেখাই কথাটোত এইবাৰ গুৰুত্ব দি সুধিলে— কিনো এনে কাম কৰিলে? অতদিনে জুৱা খেলা, মদ খোৱাটো দেখি দেখি মই অভ্যস্ত হৈ গৈছোঁ।

ঃ নহয়হে, যোৱা কিছুদিনৰ পৰা পাহাৰৰ ফালে থকা জনজাতীয় গাঁওখনৰ পৰা কেইজনীমান ছোৱালী আনি ৰাতি ৰাখেহি বেটাহঁতে। মই আজিহে গম পালো।

ঃ চাকৰি-বাকৰি কৰিছে। বিয়া পাতি নলয় কিয়? এইবোৰ শুনিবলৈয়ো লাজ লগা কথা। তুমি বুজাবাচোন।

পিচে এনে অতপালি আৰম্ভ হওঁতেই বৰুৱা, ভট্টাচাৰ্য আৰু মালাকাৰৰ ট্ৰেন্সফাৰ অৰ্ডাৰ ওলাল। সিহঁতবোৰ গ'ল— সিমানতে জুৱা, মদৰ আড্ডাটোও কমি আহিল। তাৰ ঠাইত আহিল উজ্জ্বল পাটোৱাৰী, নীলোৎপল কাকতি আৰু অৰিন্দম শৰ্মা। প্ৰত্যেকৰে পৰিয়াল আহিল লগত। প্ৰীতিৰেখাৰ মনটো ভাল লাগি গ'ল। কথা-বতৰাৰ বাবে লগ এটা ওলাল। আগত যিকেইটা পৰিয়াল আছিল তেওঁলোক মনে-বয়সে প্ৰীতিৰেখাতকৈ ওপৰত আছিল। সেয়ে তেওঁলোকে বিশেষ মিলামিছা কৰা নাছিল। প্ৰীতিৰেখা প্ৰথমে এবাৰ গৈছিল— পিচে তেওঁলোকে বিশেষ আগ্ৰহ নেদেখুৱাত তাই আৰু পুনৰ নগ'ল। একজিকিউটিভ ইঞ্জিনীয়াৰ পৰমেশ্বৰ দাসৰ পত্নীয়ে ক'লনিৰ ৰাস্তাত ভৰি নিদিয়েই— বিভাগীয় গাড়ীৰে টাউনলৈ অহা-যোৱা কৰে। ল'ৰা দুটাক টিউছনলৈ নিয়ে— সৰু-সুৰা বজাৰ কৰে আৰু আহি প্ৰকাণ্ড চৌহদৰ কোৱাৰ্টাৰটোত সোমাই থাকেহি। কাকো নামাতে, কাৰো ফালে নাচায়। তেওঁ যেন অন্য জগতৰ প্ৰাণী।

বৰবৰা বাইদেউ সেই সময়ত ক'লনিত বয়োজ্যেষ্ঠা মহিলা। তেখেত ৰাম বৰবৰাৰ পত্নী। ৰাম বৰবৰা এই ব'ৰ্ডৰ লেবাৰ অফিচাৰ। বাইদেউক অৱশ্যে বাকী মহিলাসকলেও মানে। বৰবৰা বাইদেউ মাজুলীৰ ফালৰ মানুহ। তেখেতে অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতি অতি মনোযোগী। সেয়ে কথাই কথাই এনবোৰ প্ৰসংগ উলিয়াই একোটা দীঘলীয়া

লেকচাৰ দিয়ে। প্ৰীতিৰেখাৰ বিয়াৰ সময়ত অসম আন্দোলনৰ ভৰপক। তাই বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত কিমান দিন যে ক্লাছ নকৰি গাঁৱে গাঁৱে গৈ মানুহৰ সজাগতাৰ বাবে কাম কৰিছিলগৈ। এইবোৰ যি কৰিছিল তাইৰ মনৰ বিপৰীতে। নহ'লে লগৰবোৰে তাইক 'কমিউনিষ্ট' ষ্টাম্প মাৰিব খোজে। এদিনতো সিহঁতৰ লগৰ দেবাংগ চিৰিং বোলা এটাই কৈয়েই পেলালে— "প্ৰীতিৰেখা, এই অসম আন্দোলনৰ বিৰুদ্ধে যোবাবোৰ আচলতে দেশৰ শত্ৰু। তুমিও বদন বৰফুকন হ'ব খুজিছা নেকি?"

প্ৰীতিৰেখাই প্ৰথমতে কথাটো মন কৰা নাছিল, পিছত তাইক ইতিকিং কৰাৰ কথা উপলব্ধি কৰি গৰজি উঠিল— "কি ! কি ক'লা? আকৌ এবাৰ কোৱাচোন? ক'ত বদন বৰফুকন দেখিলা, মইতো আন্দোলনৰ বিৰোধিতা কৰা নাই। মাথোঁ কথাবোৰ যুক্তিযুক্ত হোৱা উচিত।"

মাজতে আন্দোলনৰ নেত্ৰী উৎপলা আহি "হ'ব হ'ব, কথা বঢ়াব নালাগে, কামত লাগা" বোলাত সিদিনালৈ সিমানতে শেষ হ'ল । বিয়াৰ পিছত ক'লনিত আহিও সেই পৰিস্থিতিৰ মুখামুখি হ'ব লগা হ'ল। ছুইচ ব'ৰ্ড অপাৰেটৰ বাৰীন সৰকাৰক সকলোৱে 'কমিউনিষ্ট' সজালে। বাৰীন সৰকাৰ এসময়ত পূৰ্ববংগৰ বাঙালী আছিল, তাতে তেওঁ আন্দোলনৰ প্ৰসংগত একেবাৰে নীৰৱ ব্যক্তি। আন্দোলনৰ ঢৌৱে ক'লনিখনকো ঢৌৱাই গৈছিল। বৰবৰা বাইদেৱে 'জোঁৰ লৈ প্ৰতিবাদ' কৰিবৰ বাবে সকলোকে আহ্বান জনালে। বাৰীন সৰকাৰৰ মিছেছ হাঁপানী বেমাৰী। সেয়ে বিছনাত। কোনোপধ্যেই তেওঁ এই শোভাযাত্ৰাত যোগ দিব নোৱাৰিলে। সেই লৈ বৰবৰা বাইদেৱে হুলস্থূল লগালে— "বাৰীন সৰকাৰৰ পৰিয়ালক এঘৰীয়া কৰিব লাগে।" সকলোৱে বৰবৰা বাইদেউক সমৰ্থন জনালে। প্ৰীতিৰেখাই মনে-প্ৰাণে সেই কথা মানিব নোৱাৰিলে, কিন্তু তাই মানুহখিনিৰ ছেণ্টিমেণ্ট দেখি নীৰৱে থকাটো ঠিক হ'ব বুলি ভাবিলে। তাৰ পিছত বৰবৰা বাইদেউৰ নেতৃত্বত 'স্বাৱলম্বী' হোৱাৰ কচৰৎ চলিল। বৰবৰা বাইদেউ গণেশগুৰিৰ 'ফুড প্ৰছেছিং' বিভাগৰ চাকৰিয়াল। সেয়ে তেওঁ মহিলাসকলক মাতি আনি জাম, জেলি, চৰবত তৈয়াৰ কৰাৰ নিয়ম শিকাই দিলে আৰু প্ৰত্যেকৰ ঘৰে ঘৰে উৎসৱমুখৰ পৰিৱেশ এটাৰ সৃষ্টি হ'ল। সকলোৱে জাম, জেলি তৈয়াৰ কৰিলে। এতিয়া বিক্ৰী কৰে ক'ত? বৰবৰা বাইদেৱে প্ৰস্তাৱ দিলে— "ব'লা, আমি ওচৰৰ গাঁওবোৰলৈ যাওঁ।"

নীলোৎপল কাকতিৰ মিছেছে ক'লে— "বাইদেউ, গাঁৱৰ মানুহৰ দুবেলা দুসাঁজ খোৱাৰে অসুবিধা— তাতে আকৌ এইবোৰ বস্তু কিনিবহে?"

বৰবৰা বাইদেউ জকজকাই উঠিল— "কিয় নিকিনিবহে। আমাৰ অসমীয়া মানুহৰ এইটোৱেই বৰ অসুবিধা— *পজিটিভ থিংকিঙৰ অভাৱ। কালিলৈ ওলাবা। দেখিবা,* সকলো বিক্ৰী হ'ব।"

প্ৰীতিৰেখাৰ সেই সময়ত 'এডভান্স ষ্টেজ', সেয়ে তাই ৰক্ষা পৰিল। পিছে কোনো দিনে কষ্ট নকৰা মহিলাসকলে বেগত জাম, জেলিৰ বটল ভৰাই গাঁৱে গাঁৱে বিক্ৰী কৰিবলৈ গৈ বিমুখ হৈ উভতি আহিল। গাঁৱৰ মহিলাসকলে এইবোৰ দেখি একেকোবেই নাকচ কৰিলে— "এইবোৰেৰে আমি কি কৰিম?"

ঃ কিয়, পুৱা ৰুটি-ব্ৰেডৰ লগত খাবা।— মিছেছ সিনহাই ক'লে।

কথা শুনি মানুহকেইজনীয়ে ঢেক-ঢেক্‌কৈ হাঁহিলে। সিহঁতৰ যেন হাঁহি শেষেই নহ'ব। মিছেছ সিন্‌হা ৰঙা-চিঙা পৰি উঠিল। তাকে দেখি বৰবৰা বাইদেৱে মাত লগালে— "কিয়, তোমালোকে ৰুটি-চুটি নোখোৱা নেকি?"

ঃ ক'ত পাম বাইদেউ? পুৱা জক্‌ৰা ভাত আৰু জলকীয়াই আমাৰ খাদ্য। কষ্ট কৰি ধানখেতি কৰিছোঁ— সেয়ে চাউলকেইটা পাইছোঁ। ইমান দামী বস্তু কিনিব আমি নোৱাৰোঁ।

মহিলাসকল শেনটো হৈ গৈ ফেঁচাটো হৈ উভতি আহিল। অৱশেষত নিজে তৈয়াৰ কৰা বস্তু নিজেই ঘৰতে ব্যৱহাৰ কৰি স্বাৱলম্বী হোৱাৰ বাসনা সামৰি থ'লে।

তাৰ পিছত আহিল নিৰ্বাচনৰ ধুমুহা। ছাত্ৰসকলে আন্দোলন এৰি স্থানীয় দল গঠন কৰিলে। ইফালে প্ৰীতিৰেখাৰ নমাহ সোমাওঁ সোমাওঁ। তেনেতে হঠাৎ এদিন বাথৰুমত পিছলি পৰি হস্পিটেলাইজ হ'ল। ডাক্তৰে বহু চেষ্টা কৰিও নৰমেল ডেলিভাৰী কৰাব নোৱাৰিলে। উপায়ন্তৰ হৈ চিজাৰিয়ান হ'ল। জন্ম দিলে মৰম লগা ছোৱালী এজনী। সেই সময়ত বিপুল নিৰ্বাচনৰ কামত ইমানেই ব্যস্ত যে দুদিনৰ পিছতহে ছোৱালী হোৱাৰ খবৰ পাই দৌৰি আহিল। অপাৰেচনৰ সময়ত তাইৰ দেউতাকেই অভিভাৱক হৈ চহী কৰিব লগা হ'ল। চহী কৰি উঠি দেউতাকে কান্দি পেলাইছিল। তাই অসুস্থ হৈ পৰিলেও বিপুল আহি পোৱাত সকলো দুখ নাইকিয়া হ'ল। বিপুলে আহিয়েই হুলস্থূল লগালে— "প্ৰীতি, আমাৰ ঘৰলৈ লখিমী আহিছে, বুজিছা। মোৰ মনৰ আশা ভগৱানে পূৰালে।"

বিপুলৰ কথাত তাই মিচিকিয়ালে। শাহুৱেকেহে কথাটো বৰ ভাল নাপালে। তেওঁ কৈয়ে পেলালে— "ল'ৰাই বংশ ৰক্ষা কৰিব। ছোৱালী হ'ল খৰচৰ বাহ।"

বিপুলে প্ৰতিবাদ কৰিলে— "নাই নাই, তেনেকে নক'বা মা। ছোৱালী দেউতাকৰ কিমান মৰমৰ তুমি নুবুজিবা। মই মনে-প্ৰাণে ছোৱালীহে বিচাৰিছিলো। ভগৱানে আমাৰ প্ৰাৰ্থনা শুনিলে।"

মাজতে তাইৰ দেউতাকে মাত লাগলে— "হ'ব হ'ব। হৈ যোৱাটো আৰু নোহোৱা কৰিব নোৱাৰি। নাতিনী ছোৱালীজনীৰ স্বাস্থ্য-পাতি ভালেই— এতিয়া প্ৰীতিক সুস্থ কৰি হাস্পতালৰ পৰা ঘৰলৈ নিয়াৰ দিহা কৰা।"

প্ৰীতি এসপ্তাহৰ পিছত ঘৰলৈ আহিল। ইতিমধ্যে নিৰ্বাচনত জিকি নতুন চৰকাৰ গঠন হ'ল। আন্দোলনৰ পৰা নিৰ্বাচনলৈকে লাগি-ভাগি দিয়াসকলে ঠিকা-ঠুকলি, চাকৰি-

বাকৰিৰ যোগাৰ কৰি ল'লে। কেৱল প্ৰীতিৰেখাইহে এম এ পাছ কৰিও চাকৰি এটা যোগাৰ কৰিব নোৱাৰিলে। বিপুলেও কাকো খাতিৰ-বাতিৰ কৰিব নোৱাৰে। স্থানীয় দলৰ নতুন চৰকাৰ হ'ল— পিচে অসমৰ বিশেষ একো পৰিবৰ্তন নহ'ল। দুখীয়া, দুখীয়া হৈয়ে থাকিল— ধনীবোৰ ধনী হৈ গৈ থাকিল।

প্ৰীতিৰেখাই সকলো পৰিস্থিতিতে সুখী হোৱাৰ চেষ্টা কৰি জীৱনটো মধুময় কৰিব বিচাৰে। যি পাইছে, যি খাইছে তাতে সুখী হোৱাৰ সমল বিচাৰি লৈছে। লাহে লাহে বিৰিণা নামৰ কণমানি শিশুটিৰ কল্‌কলনিয়ে প্ৰীতিৰেখা আৰু বিপুলৰ সংসাৰ ভৰাই তুলিলে। অফিচৰ পৰা বিপুল আহি নিজৰ জীয়েকক লৈয়ে ব্যস্ত হৈ থকা হ'ল। কত যে কল্পনা ! উস্ ভাবিলেই কিবা লাগি যায়। জীয়েকৰ মৰমতে বেচেৰাই সন্ধিয়াৰ আড্ডালৈয়ো নোযোৱা হ'ল। এদিনতো চৌধুৰীয়ে আহি হুলস্থুল লগালেহি—

ঃ বৌ, অ' বৌ, নেওগক কি যাদু কৰিলে— মানুহটোৱেচোন ঘৰৰ পৰা নোলোৱা হ'ল?

প্ৰীতিৰেখাই লাহেকৈ ক'লে— কিনো যাদু কৰিম? সংসাৰী হ'লে ব্যস্ততা বাঢ়েই আৰু।

ঃ হ'লেও আৰু এখেতৰ দৰে ব্যস্ততা আনৰ দেখা নাই।

বিৰিণাৰ লগত বিছনাত বাগৰি খেলি থকা বিপুল চৌধুৰীৰ মাত শুনি বাহিৰলৈ ওলাই অহাতহে চৌধুৰীৰ কথাৰ সুৰ সলনি হ'ল। তেওঁ বিৰিণাক মৰমতে একোলা ল'লে। সিদিনা ৰাতিলৈ চৌধুৰীয়ে বিপুলৰ ঘৰতে থাকিল। কোনো দিনে ঘৰৰ কথালৈ মূৰ নঘমোৱা চৌধুৰীয়ে বিপুলৰ লগত সিদিনা কেৱল ঘৰ-সংসাৰ, নিজৰ ভৱিষ্যৎ, ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ আদি কথা লৈয়ে ব্যস্ত হৈ থাকিল। প্ৰীতিৰেখাৰো মনটো ভাল লাগিল।

পাঁচ

বৰুবৰা বাইদেউৰ চোতালতে এদিন এখন মিটিঙৰ আয়োজন কৰি প্ৰীতিৰেখালৈয়ো খবৰ পঠালে। তাই বিৰিণাই দিগদাৰ দিয়ে বুলি কৈ প্ৰথমে নাযাম বুলিয়ে ভাবিছিল। পিচে অৱশেষত যোৱাটোৱেই ঠিক হ'ব বুলি ভাবি আবেলিপৰত ওলাই গ'ল। বহুদিনৰ মূৰত ওলাই আহি তাইৰো বেয়া নালাগিল। সিদিনা বৰুবৰা বাইদেউৰ চোতালতে এটি 'লেডিজ ক্লাব' শুভাৰম্ভ হ'ল। দিনৰ দিনটো ঘৰৰ ভিতৰতে বহি-শুই কটোৱা মহিলাসকলে এই সুযোগতে ওলাই আহিব পাৰিব বুলি জানি বৰ আনন্দিত হ'ল।

সেইদিনা বৰবৰা বাইদেৱে বিবিধ মিঠাই আৰু পিঠা-পনাৰে সকলোকে আপ্যায়িত কৰিলে। পৰ্চোলিনৰ নতুন পিয়লাৰ ছে'ট এটাত সকলোকে পায়স যাচিলে। মহিলাসকলে বৰবৰা বাইদেউৰ ৰন্ধা-বঢ়াৰ প্ৰশংসা কৰাৰ লগতে নতুন ডিজাইনৰ পিয়লাকেইটা ক'ত পায়, ক'ৰপৰা কিনিছে, কিমান পৰিছে— এনে নানা প্ৰশ্ন কৰিবলৈ ধৰিলে।

ক'লনিৰ আটাইতকৈ মুখৰা মহিলা নীতা বৰুৱাই এই সুযোগতে 'বেচেলৰ' কোৱাৰ্টাৰত চলা অভিসাৰৰ কথা উলিয়ালে। কথা শুনি দুই-চাৰিগৰাকীয়ে— "এ হয়নেকি? কোৱাচোন, কোৱাচোন" বুলি নীতাক বেঢ়ি ধৰিলে। সিদিনা মিটিঙৰ প্ৰছিডিং লিখি থকা বৰবৰা বাইদেউৰ ভাগিনীয়েক পম্পাও উঠি আহি কথাত ভাগ ল'ব ধৰিলে। প্ৰীতিৰেখাই এনেবোৰ কথাত ভাগ লৈ কথা বঢ়াব নোখোজে। সেয়ে তাই বৰবৰা বাইদেউৰ ফালে গৈ ক'লে— "বাইদেউ, আজিলৈ উঠোঁ। বিৰিণাই দিগদাৰ কৰিব। বহু সময় হ'ল।"

বৰবৰা বাইদেৱে পম্পাক চিঞৰিলে— "পম্পা, প্ৰছিডিং বহীখন লৈ আহ। মানুহখিনিৰ চহী ল'ব লাগে।" অনিচ্ছাসত্ত্বেও পম্পাই সেই মুখৰোচক আলোচনাৰ পৰা উঠি আহি উপস্থিত সদস্যাৰ ঠাইত প্ৰীতিৰেখাৰে চহী কৰালে।

বৰবৰা বাইদেৱে উঠি আহি প্ৰীতিৰেখাক গে'টৰ সন্মুখলৈকে আগবঢ়াই দিলে। প্ৰীতিৰেখা খৰ খোজেৰে ঘৰৰ ফালে ৰাওনা হ'ল। প্ৰীতিৰেখাৰ ঘৰৰ পৰা বৰবৰাৰ পদূলি দেখা পায়ে থাকে। সেইদিনা মহিলাসকলৰ মেল বহু ৰাতিলৈকে চলিল। তাই ঘৰৰ পৰাই তেওঁলোকৰ হাঁহি-খিকিন্দালি শুনা পালে।

প্ৰতি শনিবাৰে 'লেডিজ ক্লাব'ৰ মিটিং হ'ব বুলি প্ৰথমদিনাই কোৱা হৈছিল। তথাপি বৰবৰা বাইদেৱে তেখেতৰ কাম কৰা ছোৱালীজনীক প্ৰত্যেকৰ ঘৰে ঘৰে পঠাই আকৌ এবাৰ সোঁৱৰাই দিলে। এনেদৰে প্ৰথমমাহৰ প্ৰতিটো শনিবাৰতে বৰবৰা বাইদেৱে নানা ধৰণৰ ব্যঞ্জনেৰে সকলোকে আপ্যায়ন কৰি মহিলাসকলক লগ হোৱাৰ সুযোগ এটা কৰি দিলে।

এদিন একজিকিউটিভ ইঞ্জিনীয়াৰ পৰমেশ্বৰ দাসৰ পত্নীয়ে প্ৰস্তাৱ দিলে— "বাইদেউ, আপুনিয়েই সদায় খোৱা-বোৱাৰ যোগাৰ কৰি থাকিবনে? আমাকো এটা সুযোগ দিয়ক।" বৰবৰা বাইদেৱে হাঁহি হাঁহি ক'লে— "বৰ ভাল কথা। আপোনাৰ নিচিনা মানুহ আগবাঢ়ি আহিলে আৰু কিহৰ চিন্তা।"

তাৰ পিছত বৰবৰা বাইদেৱে উপস্থিত সকলোৰে প্ৰতি ব্যক্ত কৰিলে— "অহাবাৰৰ আমাৰ মিটিংখন পৰমেশ্বৰ দাসৰ পত্নীৰ ঘৰত হ'ব দেই। সকলো তাতে গৈ লগ হ'মগৈ।"

এসপ্তাহৰ পিছত পৰমেশ্বৰ দাসৰ ঘৰত বিৰাট আয়োজন। গোটেই বাগিচাখনতে তিনি-চাৰিটা গাৰ্ডেন আমব্ৰেলাৰ তলত টেবুল-চকী সজাই থোৱা আছে। সকলোকৈ গান

বাজি আছে মিউজিক ছিষ্টেমত। অ'ত-ত'ত দুই-এখন ষ্টেণ্ড ফেনো ৰখা হৈছে। গৰমৰ সেই আবেলি, গৈ পোৱাৰ লগে লগে মিঠা চৰবতেৰে সকলোকে আপ্যায়ন কৰিছে। তাৰ পিছত মিটিঙৰ সকলো কাম গৌণ কৰি খোৱা-বোৱাৰ বৃহৎ আয়োজন। শ্বাহী পনীৰ, আলুৰ দম, বিবিধ আচাৰ-জেলী, লুচি আৰু কেইবাবিধো মিঠাই, পায়সেৰে সৰু-সুৰা পাৰ্টি এটাই হৈ গ'ল। সকলোৱে হাঁহি-স্ফূৰ্তি কৰি খোৱা-বোৱা কৰিলে যদিও ভিতৰি ভিতৰি প্ৰত্যেকেই চিন্তাত পৰিল। কিয়নো প্ৰতি শনিবাৰে এনেদৰে আপ্যায়ন কৰাটো সকলোৰে বাবে সম্ভৱ নহয়। খোৱা-বোৱাৰ শেষত প্ৰীতিৰেখাই এটা প্ৰস্তাৱ দিলে—

ঃ বাইদেউ, 'লেডিজ ক্লাব'ৰ বাবে এটুকুৰা মাটি পালে এটা স্থায়ী ঘৰ কৰিব পৰা হ'ব।

বৰবৰা বাইদেৱে তেখেতৰ কোৱাৰ্টাৰৰ কাষতে খালী হৈ থকা মাটি টুকুৰাৰ কথা ক'লে।

ঃ তেনেহ'লে আমি সকলো লগ হৈ এদিন 'বিজুলী ভৱন'লৈ যাওঁ ব'লক। — এজনীয়ে মাত দিলে।

ঃ "বিজুলী ভৱন'লৈ কিয়?"— কোনোবা এগৰাকীয়ে মাত লগালে।

ঃ বিজুলী ভৱনত গৈ ব'ৰ্ডৰ সচিবক লগ ধৰি সৰুকৈ এটা ক্লাবঘৰ নিৰ্মাণৰ বাবে আবেদন কৰোঁগৈ। — প্ৰীতিৰেখাৰ কথাত সকলোৱে হয়ভৰ দিলে। বৰবৰানীয়েও কথাটো ভালেই বুলি শলাগিলে।

যদিও কথাটোত সকলোৱে হয়ভৰ দিলে, তথাপি কিন্তু বহুদিন পাৰ হৈ গ'ল। কোনোৱে এইক্ষেত্ৰত আগভাগ লৈ ওলাই নাহিল। ইতিমধ্যে প্ৰতি মাহে পঞ্চাছ টকাকৈ দি দি সকলোৱে মিলি এটি সৰু পুঁজি তৈয়াৰ কৰিলে। চাওঁতে চাওঁতে প্ৰীতিৰেখাই কিছু আজৰি উলিয়াব পৰা হ'ল। বিৰিণাৰ দুবছৰ হ'ল। মাজতে বহুদিন 'লেডিজ ক্লাব'ৰ মিটিঙলৈ আহিব পৰা নাছিল যদিও আজিকালি তাই বিৰিণাক লগত লৈ ওলাই আহিব পৰা হ'ল। সেয়ে প্ৰীতিৰেখাই উপযাচিয়েই মিটিং এখনৰ আয়োজন কৰি সকলোকে মাতিলে। প্ৰীতিৰেখাৰ শাহুৱেক লগত থকাত দুয়ো লগ হৈ তিল পিঠা, ঘিলা পিঠা, লাড়ু আদি কৰি মিটিঙত উপস্থিত সকলোকে পৰিৱেশন কৰিলে। এগৰাকীয়েতো কৈয়েই পেলালে—

ঃ বাহ্। প্ৰীতি, তোমাক কিন্তু মানিব লাগিব দেই। কেঁচুৱা সন্তালিও তুমি যে কিদৰে এইবোৰ তৈয়াৰ কৰিছা।

প্ৰীতিৰেখাই হাঁহি হাঁহি ক'লে— এই প্ৰশংসা কিন্তু শাহুআয়েহে পাব লাগে দেই।

প্ৰীতিৰেখাৰ শাহুৱেকেও মাত লগালে— নহয় প্ৰীতি, তুমিও প্ৰশংসা পোৱাৰ যোগ্য।

শাহু-বোৱাৰীৰ মিলা-প্ৰীতি দেখি সকলোৱে বৰ ভাল পালে। চাহ-তাহ খোৱাৰ পিছত প্ৰীতিৰেখাই খচৰা প্ৰস্তুত কৰি ৰখা আবেদনখন পাঠ কৰি শুনালে। সকলোৱে অনুমতি দিয়াত বিশেষ এটা দিনত সচিবক লগ ধৰিবলৈ যাবৰ বাবে সকলো প্ৰস্তুত হ'ল। যিহেতু বেছি খৰচৰ কাম নহয়, সেয়ে সচিবে ৰেছিডেণ্ট ইঞ্জিনীয়াৰক লগ ধৰি কামটো কৰাই ল'বলৈ পৰামৰ্শ দিলে। এতিয়া আবাসিক ক'লনিখনৰ মহিলাসকলৰ প্ৰতিদিনৰ চিন্তা-চৰ্চা বাঢ়ি গ'ল। 'লেডিজ ক্লাব'ৰ আধাৰশিলা স্থাপনৰ পৰা ঘৰটো হৈ উঠালৈকে প্ৰায় তিনিমাহ সময়ত মহিলাসকলৰ সেয়েই আলোচনা। অৱশ্যে মহিলা-পুৰুষ সকলোৱেই বহাৰ ঠাই অকণ হোৱাত কথাটোৰ গুৰুত্ব বাঢ়িল। যেতিয়া ৰং-ৰহণ সানি ঘৰটো সম্পূৰ্ণ হ'ল— মহিলাসকলে 'লেডিজ ক্লাব'ৰ দ্বাৰ উদ্‌ঘাটনৰ বাবে সচিবক মাতিবলৈ গ'ল। পিচে তেওঁ বিশেষ কামত দিল্লীলৈ যাব লগা হোৱাত মহিলাসকলে আবাসিক ক'লনিৰ বাহিৰৰ সমাজসেৱক কুমুদেশ্বৰ গোস্বামীক নিমন্ত্ৰণ কৰিলেগৈ। গোস্বামী মানুহজন ভল্‌ভলীয়া। তেখেতে একে আষাৰে মান্তি হৈ ক'লে— হ'ব হ'ব। আইসকলৰ নিমন্ত্ৰণ পেলাব পাৰিনে? সাতবন কাটিকৰি হ'লেও যাম।

প্ৰীতিৰেখাই সকলোৰে হৈ সুধিলে— গোস্বামীদা, আপোনাক নিবলৈ গাড়ী পঠাব লাগিবনে?

ঃ নাই, নাই, নালাগে। আমি সমাজসেৱক মানুহ। কিবা এটা সুবিধা কৰি যাম।

গোস্বামীৰ কথাত সকলো আশ্বস্ত হ'ল।

সময়ত কুমুদেশ্বৰ গোস্বামী আহি ওলালহি। দ্বাৰ উদ্‌ঘাটনৰ লগে লগে আইসকলৰ উৰুলি-জোঁকাৰ, শংখ-ঘণ্টাৰ ধ্বনি আৰু ধূপ-ধূনাৰ সুগন্ধিয়ে গোটেই অঞ্চলটোকেই জোঁকাৰি গ'ল। সিদিনাৰ চাহ-মিঠাইৰ যোগান ধৰিলে আবাসিক অভিযন্তাই। লগতে তেখেতৰ পত্নীয়ে লাডু-পিঠাৰো যোগান ধৰিলে।

আবাসিক ক'লনিখনত গঢ়ি উঠা লেডিজ ক্লাবটোৰ নামকৰণো হ'ল— 'পূবালী সংঘ'। নামটো কাৰ মুখৰ পৰা কেনেকৈ ওলাল জানো, সকলোৱে 'পূবালী সংঘ'টোৱেই ভাল পালে। প্ৰীতিৰেখাই ক'লে— "পূবৰ বেলিয়ে চৌদিশ মুকলি কৰাৰ দৰে আমাৰ এই সংঘই চৌদিশৰ কালিমা মচি পোহৰাই তুলিব আমাৰ মন।"

ঃ সঁচাই বৰ কাব্যিক কথা ক'লা দেই, প্ৰীতি। — বৰবৰানীয়ে ক'লে।

তাই ভাল পায় কাব্যিকতা। তাই ভাল পায় এই প্ৰকৃতি— চৰাই, ফুল, তৰা, নৈ, নিজৰা, গান, কবিতা— এইবোৰ তাইৰ অতিকে প্ৰিয় আছিল। এইবোৰেইতো মানুহৰ জীৱন সুন্দৰ কৰে। সুন্দৰ কৰে মন। লাহে লাহে 'পূবালী সংঘ'ত মিটিং আদি হ'বলৈ আৰম্ভ কৰিলে। জ্যোতি দিৱস, বিষ্ণুৰাভা দিৱস, শিশু দিৱস আদিৰ মাজেৰে পৰিৱেশটো সুসংস্কৃত হৈ পৰিল। ক'লনিৰ ল'ৰা-ছোৱালীবোৰে ভুলে-শুদ্ধই জনাই-নজনাই গীত-মাত আদি পৰিৱেশন কৰি, কবিতা গাই, নৃত্য কৰি সকলোৰে মনবোৰ পোহৰাই

তুলিলে। আজিকালি মিটিং আদি সকলো সংঘৰ স্থায়ী ঘৰতে হ'বলৈ ধৰিলে, সেয়ে খুওৱা-বুওৱাৰ প্ৰতিযোগিতা নাইকিয়া হ'ল। বিস্কুট-চাহেৰেই মিটিং সমাপ্ত হয়। অৱশ্যে মাজে মাজে পৰমেশ্বৰ দাসৰ ঘৈণীয়েকে আৰু বৰবৰানী বাইদেৱে মিঠাই, লাড়ু আদি লৈ আহে। কাৰোবাৰ জন্মদিন, কাৰোবাৰ বিবাহ-বাৰ্ষিকী আদি বুলি আনিলে কাৰো আপত্তি নহয়। বৰং সিদিনা বেছ হাঁহি-স্ফূৰ্তিহে হয়।

ছয়

ইতিমধ্যে আবাসিক ক'লনিলৈ কেইবাটাও বিয়া-বাৰু কৰোৱা পৰিয়াল আহিল। লাহে লাহে অকলশৰীয়া ডগুৱা ডেকাবোৰৰ আড্ডা কমি আহিল। বহুকেইজনে ট্ৰেন্সফাৰ ল'লে, বাকী থকা দুই-চাৰিজনেও বিশেষ আড্ডা নজমোৱা হ'ল। পিছে তেনেতে একজিকিউটিভ ইঞ্জিনীয়াৰ অফিচলৈ এগৰাকী নতুন ষ্টেন'গ্ৰাফাৰৰ আগমন ঘটিল। শিৱসাগৰৰ ছোৱালী। তেওঁৰ লগত বিধৱা মাক থাকে। এইবাৰ নতুনকৈ অহা লতিকা শইকীয়াৰ ঘৰত ডেকাহঁতৰ আড্ডা বাঢ়িবলৈ ধৰিলে। যিহেতু লতিকা শইকীয়াৰ মাক তেওঁৰ লগতে থাকে সেয়ে কাৰো আপত্তি কৰিবলগীয়া নাই। কিন্তু ক্ৰমে ক্ৰমে লতিকাৰ কোৱাৰ্টাৰৰ নিচেই কাষতে থকা বিজিত খাউণ্ডৰ লতিকাৰ ঘৰলৈ অবাধ অহা-যোৱা আৰম্ভ হ'ল। প্ৰথম অৱস্থাত কথাবোৰ মুখৰোচক হৈ আছিল। পিছে লাহে লাহে আপত্তি কৰিবলগীয়া অৱস্থা পালেগৈ। বহুদিন পুৱা লতিকাকো অধোবদনে বিজিত খাউণ্ডৰ ঘৰৰ পৰা ওলাই যোৱা দেখা পালে।

কথা বুলিলেই বতাহ। চাৰিওফালে কথাটো বিয়পি পৰাত মানুহবোৰে প্ৰথম অৱস্থাত ছিঃ ছিঃ কৰিব ধৰিলে। কিন্তু দুজনমানে এই কথাই কথা নহয় বুলি বিজিত খাউণ্ডক সুধিবলৈ ওলাওঁতে গম পালে, দুদিনমান আগৰে পৰা খাউণ্ডৰ দুৱাৰত প্ৰকাণ্ড তলা।

এইবাৰ সকলোৱে লতিকাক সুধিবলৈ ওলাল। ধনজিৎ বৰুৱা এইবোৰত আগৰণুৱা। তেৱেঁই দুজনমানৰ লগত গৈ লতিকাৰ ঘৰ পালেগৈ। লতিকা শইকীয়া কথাই-বতৰাই, দেখাই-শুনাই সকলোতে ভাল। মানুহকেইজন যোৱাত আথে-বেথে বহিবলৈ দিলে। চাহ-জলপানো খুৱালে। এনে এটা ঘৰুৱা পৰিৱেশৰ মাজত কথাষাৰনো কিদৰে উলিয়াই— ক'ৰপৰা আৰম্ভ কৰে ঠিক ধৰিব পৰা নাই। তথাপি ধনজিৎ বৰুৱা বৰ চালাক। তেখেতে বৰ বুদ্ধিকৈ উলিয়ালে— "লতিকা, মাৰাক লৈ অকলে এনেদৰে থকাতকৈ বিয়া-বাৰু পতাৰ কথা নাভাবা নেকি?"

কথাষাৰ শুনি লতিকাতকৈ আগতে মাকে মাত লগালে— "গাভৰু ছোৱালী ঘৰত অকলে, মই হ'লো বেমাৰী। বাপেক নাই। বংশ-পৰিয়ালো দূৰৈত থাকে। তথাপি ল'ৰা

ওলালে বিয়াৰ বয়স হৈছে যেতিয়া পাতিব লাগিব।”

ঃ খুড়ীদেউ, ল'ৰা আছে। আপুনি মনহে কৰা নাই। — ধনজিৎ বৰুৱাৰ কথাত বুঢ়ীয়ে মাত লগালে— আপোনালোকে চাগে খাউণ্ডৰ কথা কৈছে।

ঃ হয় হয়। বিজিত খাউণ্ড বেয়া ল'ৰা নহয়।

ঃ ময়ো কৈছোঁ বিজিতক। বোলোঁ এনেদৰে ৰাতি এপৰলৈ মোৰ ঘৰত বহি গাভৰু ছোৱালীজনীৰ লগত মেল মাৰি থাকিলে দেখিবলৈকে বেয়া দেখি। বোলোঁ বোপাই, মন খাইছে যদি বিয়া পাতি লোৱা। মোৰ আপত্তি নাই। পিচে ল'ৰাটো সাহসী নহয়। মাক-দেউতাকক সুধিবলৈ ঘৰলৈ গৈছে।

ঃ এ, হয়নেকি? বৰ ভাল কথা। বৰ ভাল কথা। — ধনজিৎ বৰুৱাই ক'লে।

এইবাৰ লতিকাই মাত লগালে— পিচে, খাউণ্ড যোৱা আজি পোন্ধৰ দিনেই হ'ল। শুনিছোঁ, ঘৰত গৈ ছুটী এক্সটেণ্ড কৰিছে।

ঃ চিন্তা নকৰিবা লতিকা, এইবাৰ দৰা সাজি-কাচি ওলাবহি। আমি বিয়া খাবলৈ সাজু হ'বৰে হ'ল, কি কয় সেন?

সেনৰ মাতটো চিঁ-চিঁয়া। সেনে ক'লে— “হওঁতে মিছা নহয়।”

পিচে এমাহৰ পিছতো বিজিত খাউণ্ডে লতিকাৰ বিয়াৰ প্ৰস্তাৱ দিবলৈ নাহিল। আহিল একেবাৰে কইনা লৈ। সিদিনা লতিকাৰ ৰণচণ্ডী মূৰ্তি দেখি সকলোৱে তবধ মানিলে। হাতত এখন ছুৰী লৈ বিজিতক খেদি আহিল। ন-কইনা ভয়তে ত্ৰস্তমান। অৱশেষত যেনিবা সকলোৱে বঢ়াই-বুজাই লতিকাক শান্ত কৰিলে। ছোৱালীজনী একেবাৰে মৰহি গ'ল। বিজিত খাউণ্ডে ইয়াত থকা সমীচীন নহ'ব বুলিয়েই এমাহৰ ভিতৰতে ট্ৰেন্সফাৰ লৈ উধাও। যাবৰ সময়ত বিজিত খাউণ্ডৰ ঘৈণীয়েক আহি লতিকাৰ ওচৰত কান্দি-কাটি ক্ষমা খুজিলে।

ঃ বাইদেউ, অভিশাপ নিদিব। বিজিত আপোনাৰ বুলি জানিলে মই কেতিয়াও এই বিয়াত মন নিদিলোহেঁতেন।

লতিকাই ছোৱালীজনীক মৰমেৰে সাৱটি ধৰিলে— নাই, মোৰ আৰু কোনো ক্ষোভ নাই। ভাগ্যত যি আছিল তাক কোনে খণ্ডাব! যোৱা, সুখী হোৱা।

লতিকাৰ বিৰুদ্ধে গল্প-গুজব কৰা মানুহবোৰো তাইলৈ পুতৌ হ'ল। বেচেৰী বাপেক নোহোৱা ছোৱালীজনীৰ এনে হ'ব লাগেনে? বহুতে লতিকালৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। পিচে নাই, লতিকা অলৰ-অচৰ। তাই বিয়া নহয়। ‘পূবালী সংঘ'ৰ মানুহবোৰে আহি তাইকো সদস্যা কৰি লৈ মাজে-সময়ে দুই-এখন মিটিঙলৈ যাবলৈ অনুৰোধ কৰিলে। প্ৰস্তাৱটো তাইৰো বেয়া নালাগিল। কলেজৰ সময়লৈকে তাই গান-বাজনা চৰ্চা কৰিছিল। এতিয়া সেইবোৰতে আকৌ লগাৰ কথা ভাবি তাই তাইৰ পুৰণি হাৰমনিয়ামটো উলিয়াই ল'লে। বহুদিনৰ পিছত তাইৰ কিবা বেসুৰা বেসুৰা লাগিল।

তথাপি তাই মনটো বহুৱাবৰ চেষ্টা কৰিলে। তাই সৰু সৰু ল'ৰা-ছোৱালীবোৰক গান শিকোৱাৰ কথা ভাবিলে— মাকবোৰে অতি উৎসাহী হৈ লতিকাৰ প্ৰস্তাৱটো মানি ল'লে। সন্ধিয়াটো ল'ৰা-ছোৱালীৰ কল্‌কলনিৰে ভৰি পৰিল। ঘৰখনত উদুলি-মুদুলি পৰিৱেশ। লতিকাৰ ভিতৰতো তেনে এটা শিশুৰ কল্‌কলনিয়েই তাই যেন শুনিবলৈ পাইছে। তাই আগতকৈ শকত হৈ পৰিছে। মাজে মাজে গাটো বেয়া লাগে। মূৰটো ঘূৰোৱা যেন লাগে। বমি বমি ভাব হয়। সুৰুঙা পালেই মনটো উৰা মাৰিব খোজে। বিজিতৰ সন্তান সিহঁতৰ প্ৰেমৰ সাক্ষী হৈ আজিও বৈ আছে। অথচ ইমান প্ৰতিশ্ৰুতিৰ পিছতো বিজিত কিদৰে আঁতৰি গ'ল। সেই নিশাটো তাই চিৰস্মৰণীয় কৰি তুলিব। তাই মাককো কোৱা নাই। তাই বান্ধৱী শৰ্মিষ্ঠাকো কোৱা নাই। তাই জানে, তাই যি কাম কৰিবলৈ ওলাইছে তাক কোনেও সহজভাৱে গ্ৰহণ নকৰে। কিন্তু তাইৰ সন্তানটোৰ কি দোষ? তাক জীয়াই ৰাখিব লতিকাই। দেউতাক নোহোৱাকৈয়ে তাই তাৰ পৰিচয় এটা দিব। বিজিতক দেখুৱাই দিব তাৰ সন্তান তাইৰ ওচৰত চিৰদিন সাক্ষী হৈ ৰ'ব।

লতিকাই কথাটো প্ৰথমে বৰবৰানী বাইদেউকে কওঁ বুলি ভাবিলে। এদিন তেখেতৰ ঘৰলৈ গ'ল। পিছে তাত গৈ ঠিক কৰিলে কথাষাৰ নোকোৱাটোৱেই সমীচীন হ'ব। বিপুল তাইৰ একে অফিচৰে চাকৰিয়াল। যদিও বিপুলৰ ঘৈণীয়েকৰ লগত বিশেষ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি উঠা নাই। এদিন বিপুলৰ অনুৰোধতে প্ৰীতিৰেখাৰ লগত লতিকা আহি চিনাকি হ'লহি। প্ৰথম দিনাৰ কথা-বতৰাতে সিহঁত দুয়োজনীয়ে ক'ৰবাত মনৰ মিল যেন অনুভৱ কৰিলে। লতিকাই সকলো কথা ভাঙি-পাতি ক'বলৈ প্ৰীতিৰেখাৰে কাষ চাপিল। এদিন সেয়ে বিপুল-বিৰিণাহঁত অফিচ-স্কুল বুলি ওলাই যোৱাৰ পিছত লতিকা প্ৰীতিৰেখাৰ ওচৰলৈ আহিল।

ঃ প্ৰীতি বাইদেউ, মই এক চৰম সিদ্ধান্তৰ আগমুহূৰ্তত আপোনাৰ ওচৰলৈ আহিছোঁ। মোৰ জীৱনৰ ওপৰেৰে এক ধুমুহা পাৰ হৈ গৈছে— সেই কথা আৰু পুনৰাই কোৱাৰ দৰকাৰ নহ'ব বোধহয়। — লতিকাই কোনো ভূমিকা নকৰাকৈয়ে কথাখিনি ক'লে।

ঃ সেইবোৰ আৰু খান্দি উলিয়াব নালাগে। জীৱনটো নতুনকৈ আৰম্ভ কৰা, লতিকা।

ঃ নহয় বাইদেউ, আপুনি জনাই নাই। অৱশ্যে এই প্ৰথম মই মোৰ গোপন কথাষাৰ আপোনাক ক'বলৈ আহিছোঁ। আন কোনেও নজনা কথা।

ঃ কি এনে গোপন কথা? কোৱাচোন শুনো। — প্ৰীতিৰেখাই কথাটো পাতলাই দিলে।

লতিকা যেন সেই নৱেম্বৰৰ ভৰ দুপৰীয়াও ঘামি উঠিল। কেনেকৈ, ক'ৰপৰা আৰম্ভ কৰিব তাই ঠিক কৰিব পৰা নাছিল।

ঃ *বাইদেউ, আপুনি ভুল নুবুজিব। মই মোৰ অতীতটোক মোৰ লগতে কঢ়িয়াই লৈ* ফুৰিছোঁ। মোৰ মাজত অতি সংগোপনে এটা জীৱন বাঢ়ি আহিছে। — কথাখিনি কৈ

লতিকা তলমূৰ হ'ল।

ঃ কি কৈছা লতিকা। এনে হ'বলৈ কিয় দিলা? যুগে যুগে নাৰীয়েই লাঞ্ছনা-গঞ্জনাৰ বলি হ'ব লগা হৈছে। আজি তুমিও আহি তাকেই শুনালা।

ঃ বিজিতে মোক কথা দিছিল, বাইদেউ। সি মোক প্ৰতিশ্ৰুতি দিছিল।

ঃ এনেদৰেই পুৰুষতান্ত্ৰিক সমাজখনত নাৰীক পুৰুষে পণ্যৰ ৰূপত ব্যৱহাৰ কৰিবলৈ সুবিধা কৰি লৈছে। আৰু তাৰে তুমি বলি হ'লা লতিকা। এগৰাকী শিক্ষিতা ছোৱালী হৈ তুমি আগ-পাছ গুণি চাব লাগিছিল। — প্ৰীতিৰেখাই একে উশাহেৰে কথাখিনি ক'লে। তাই পিছতহে অলপ থমকি ৰৈ ভাবিলে— ছোৱালীজনীক দুখতে আৰু দুখ দিলে নেকি বাৰু? সেয়ে তাই কথাৰ সুৰ সলাই ক'লে— এই লতিকা, তোমাৰ বাবে মই আজি খেজুৰৰ গুৰৰ পায়স ৰান্ধি থৈছোঁ। অলপ বহা, মই সাউৎকৈ চাহ একাপ কৰি আনো। নাৰিকলৰ লাড়ুও বনাইছোঁ জানা। অলপ বহাচোন, আজিৰ পেপাৰখনকে চোৱা— এইবুলি প্ৰীতিৰেখা লাহেকৈ আঁতৰি গ'ল। লতিকাই মৃদু প্ৰতিবাদ কৰিছিল, কিন্তু প্ৰীতিৰেখাই কথাখিনিত গুৰুত্ব নিদিলে।

লতিকাৰ বহি থাকি ভাল নালাগিল। তাই প্ৰীতিৰেখাক নোদোষে। কিয়নো, সকলোৱে এই কথা শুনিলে— বিবাহ-বিহীন সন্তান ধাৰণ কথাষাৰ প্ৰথমে সহ্য কৰিব নোৱাৰিব। হওক, তথাপি প্ৰীতিৰেখা মানুহজনী সহানুভূতিশীল। সেয়ে লতিকাই পিছৰ কথাখিনিও ক'ব। সেইবুলিয়েই ভিতৰ সোমাই গ'ল। ইতিমধ্যে প্ৰীতিৰেখাই জলপানৰ প্লেট সজাই তাইৰ ওচৰলৈ আহিবলৈ ওলাইছিলেই। "আহা তেনে, ডাইনিং টেবুলতে চাহ খাই খাই কথা পাতোঁ।" লতিকায়ো বেয়া নাপালে। এই সময়ত প্ৰীতিৰেখাৰ ঘৰত কোনো নাই।

ঃ বাইদেউ, যি হ'ল তাক আৰু মই লুকুৱাব নোখোজোঁ। মোৰ মাজত অংকুৰিত হোৱা এই সন্তানক মই মানুহ কৰিম বাইদেউ— সঁচা, সাহসী মানুহ।

ঃ পিতৃ পৰিচয় নহ'লে তুমি পদে পদে উজুটি খাবা, লতিকা। তুমি জানো বিচাৰিবা এই সন্তানক কোনোবাই জাৰজ বোলক?

প্ৰীতিৰেখাৰ কথাত লতিকাই উচুপি উঠিল— নাই বাইদেউ, তেনেকৈ নক'ব। তেনেকৈ নক'ব বাইদেউ। মই তাক মোৰ পৰিচয়েৰে জীয়াই ৰাখিম। আজি সেয়েহে মই আপোনাৰ ওচৰলৈ আহিছোঁ। আপুনি মোক সাহস দিবনে বাইদেউ?

ঃ নাকান্দিবা লতিকা। তুমি মোক এক গভীৰ সংকটত পেলালা। তুমি যদি জীৱনটো যুঁজিবলৈকে প্ৰস্তুত হৈছা— তেনে মইনো কি ক'ম? আমিতো সকলোৱেই দুদিনীয়া।

এনেদৰে কিমান সময় যে পাৰ হৈ গ'ল সিহঁত দুয়োজনীয়ে গমেই নাপালে। হঠাৎ পিয়ন এজন আহি বে'ল টিপাতহে সিহঁত যেন বাস্তৱলৈ ঘূৰি আহিল। সময় দুই বাজি গ'ল। লতিকা উঠিল। "বাইদেউ, আজিলৈ যাওঁগৈ। আপোনাৰ বহু সময় নষ্ট কৰিলো।

বিৰিণা-বিপুলদাহঁত পাবহিয়েই অলপ পিছুত।"

প্ৰীতিৰেখাই ক'লে— "নহয় ভালেই লাগিল। নহ'লে মোৰ দুপৰীয়াবোৰ নাযায়-নুপুৱায়। মই এই সময়তসেয়ে আচাৰ বনাওঁ, পেপাৰো পঢ়োঁ আৰু মনত কিবা এটাই উক দিলে লিখিবলৈয়ো বহোঁ।"

ঃ এ হয়নেকি? আপুনি তেনে লিখেও বাইদেউ। — লতিকাই হাঁহি পেলালে।

ঃ এ মাজে মাজে লিখোঁ কিবাকিবি। — প্ৰীতিৰেখাই কথাটো এৰাব খুজিলে।

ঃ নহয় বাইদেউ। আপুনি লিখকচোন মই প্ৰকাশৰ ব্যৱস্থা কৰিম।

ঃ বাদ দিয়া, বাদ দিয়া, মই লিখাবোৰ প্ৰকাশৰ উপযোগী নহয় বুইছা।

ঃ পেপাৰ এখনৰ সাংবাদিক এজন মোৰ চিনাকি, তাক ক'ম আপোনাৰ ওচৰলৈ আহিবলৈ।

ঃ সেইবোৰ পিছে-পৰে হ'ব। আগে বাকীবোৰ ঠিক-ঠাক হওক।

এনেতে প্ৰীতিৰেখাৰ ঘৰৰ ফোন বাজি উঠিল। প্ৰীতিৰেখাই তাতে লতিকাক বিদায় দি ফোনটো ধৰিবলৈ দৌৰি যোৱাদি ভিতৰলৈ গ'ল।

লতিকাই আজি মনটো পাতল অনুভৱ কৰিছে। সঁচাই, প্ৰীতি বাইদেউ বৰ ভাল মানুহ। ইমান আপোন আপোন ভাব অনুভৱ হৈছে। তাই যেন মনত সাহস অনুভৱ কৰিছে। কথাবোৰ ভাবি ভাবি লতিকা কেতিয়ানো আহি নিজৰ কোৱাৰ্টাৰৰ ওচৰ পালেহি তাই গমেই নাপালে। তাই ঠিক কৰিলে যে তাই মাককো তাইৰ সিদ্ধান্তৰ কথা ক'ব। মাকক হয়তো প্ৰথমে গালি-শপনি পাৰিব, খং কৰিব। কিন্তু তাই মাকক বুজাব।

সাত

হঠাৎ নিশা এদিন পুলিচৰ খেদাখেদিত প্ৰতিঘৰ মানুহৰ ৰাতিৰ টোপনি হেৰাল। সকলোৰে ঘৰত গুণগুণনি উঠিল— কিন্তু কোনোৱেই মুখ ফুটাই কথাবোৰ ক'বলৈ সাহস কৰিব নোৱাৰিলে।

সংগীতৰ লগত জড়িত মানুহজনৰ ঘৰৰ পৰা পুলিচ ওলাই গ'ল। মানুহজন আন কোনো নহয়— জীৱন কেওঁট। তেখেতে বৰ সুন্দৰকৈ গোৱালপৰীয়া গীত গায়। যদিও কেওঁটৰ ঘৰ উজনিৰ ফালে তথাপি তেখেতৰ গোৱালপৰীয়া গীতৰ গায়নশৈলী আৰু উচ্চাৰণ ভংগী বৰ সুন্দৰ। ক'লনিৰ আৰু কথা তাক লগাই ফুৰি আনন্দ পোৱা বলেন দত্তৰ মিছেছ কৰবী দত্তই গুংসূত্ৰ বিচাৰি উলিয়ালে। খবৰটো পায়েই কৰবীয়ে ওচৰৰে কটকীৰ মিছেছক ক'লেহি— বুজিছে, ক'লনিখন গ'ল আৰু। যত চব সন্ত্ৰাসবাদীৰ

ঘাটি হ'ল এই ঠাই।

কটকীৰ মিছেছেও কিবাকিবি শুনিছে, পিচে সন্ত্রাসবাদীৰ ঘাটি হ'ব লগাকৈ কি হৈছেনো ধৰিব পৰা নাই। সেয়ে কৰবী দত্তক আথে-বেথে নি ঘৰৰ ভিতৰত বহুৱাই কথাৰ আঁতিগুৰি ল'লে।

ঃ মিছেছ্ দত্ত, কওকচোন ক'তনো কি শুনিছে?

কৰবী উৎসাহিত হৈ পৰিল।

ঃ এ নক'ব বুজিছে। গ'ল গ'ল আৰু ৰসাতলে গ'ল।

মিছেছ্ কটকী অধৈর্য হৈ ক'লে— কওক হেৰি, ইমান পাতনিৰ কি প্রয়োজন !

ঃ এ শুনা নাই। পুলিচে আহি জীৱন কেওঁটৰ ঘৰ লণ্ড-ভণ্ড কৰিলেহি।

ঃ পুলিচ অহা শুনিছোঁ। কিন্তু লণ্ড-ভণ্ডনো কিয় কৰিছে নাজানো।

ঃ জীৱন কেওঁটে গানৰ নামত সন্ত্রাস বিয়পাইছে। তেওঁৰ ঘৰলৈ অহা ল'ৰাবোৰৰ হাতে হাতে বন্দুক, বুজিছে। আমাৰ ল'ৰা-ছোৱালীবোৰৰ কেওঁটৰ ঘৰলৈ অহা-যোৱা বন্ধহে কৰিব লাগিব বুজিছে।

ঃ কিয়, কেওঁটেনো কি কৰিলে?

ঃ আপোনাক আৰু মই বুজাব নোৱাৰোঁ। — এইবাৰ অলপ সৰুকৈ ক'লে— কিছুদিনৰ আগে-পিছে যে কেইবাঠাইতো বোমা ফুটিছে এইবোৰ কেওঁটৰে কাম বোলে।

এইবাৰ মিছেছ্ কটকীৰ হাঁহি উঠিল। কৰবী দত্তই টোটোকে বৌটো কৰি বৰ ভাল পায়। তেওঁ এইবাৰ পোন হৈ বহিল আৰু কৰবী দত্তক ক'লে— মিছেছ্ দত্ত, মিছাই আপুনি জীৱন কেওঁটক জগৰীয়া কৰিছে! আচলতে চতুর্থ শ্রেণীৰ কর্মচাৰী এজনৰ ঘৰৰ পৰা পুলিচে সন্ত্রাসবাদীৰ ইনফৰ্মাৰ এজনক খেদি আহোঁতে ল'ৰাটো আহি জীৱন কেওঁটৰ ঘৰত সোমালহি। ফলত পুলিচে কেওঁটক মাতি ল'ৰাটোক ধৰি নিলেহি। কথা সিমানেই। আপুনি মিছাই কথাবোৰ নবঢ়াব, বুজিছে।

কৰবীয়ে বৰ লাজ পালে। তাই লাহেকৈ ক'লে— "আমাৰ বাইজনীয়েহে খবৰটো দিলেহি।"

ঃ সেয়ে কথাতে নকয় জানো, "শুনা কথাত নিদিবা কাণ; দিলেও ল'বা তিনি প্রমাণ।" বাৰু সেইবোৰ বাদ দিয়ক, মই চাহ একাপ কৰোঁ, অলপ বহক— এইবুলি মিছেছ্ কটকীয়ে চাহ বনাবলৈ উঠিল।

গোটেই দেশখনেই সন্ত্রাসে আৱৰি ধৰিছে। উঠি অহা ল'ৰাবোৰলৈ ভয়েই হৈছে। চাহ কৰি থাকোঁতে মিছেছ্ কটকীয়ে কথাটো ভাবি আছিল। ওচৰৰে পাহাৰখনত সন্ত্রাসবাদীৰ ঘাটি বুলি তেৰোঁ মাজে মাজে শুনিছে। নিজৰ ঘৰত উঠি অহা গজগজীয়া দুটা ডেকা ল'ৰা। ডাঙৰটোৱে চাকৰি-বাকৰি পোৱা নাই— বি এ পাছ কৰি এনেয়ে বহি আছে। সৰুটোৱে এইবাৰ মেট্রিক দিব। মিছেছ্ কটকীয়ে ল'ৰাটোক চকুৰ আগতে

ৰাখিব খোজে। পিচে ডেকা ল'ৰা, ইফালে-সিফালে ওলাই যাবই। তাতে ল'ৰাটো বৰ ছেণ্টিমেণ্টেল। হঠাৎ কিবা ভাবি ভুল পথ নল'লেই হয়। কথাবোৰ ভাবি থাকোঁতে চাহখিনি ওফন্দি উঠাতহে মানুহগৰাকীৰ সম্বিৎ আহিল। চাহকাপ বাকি তেওঁ গাৰ কাপোৰ কানি ঠিক-ঠাক কৰি কৰবী দত্তৰ ওচৰলৈ ওলাই আহিল। কৰবী দত্তৰ মুখলৈ চাই দেখা পালে তেওঁৰ মুখত অলপ আগৰ মিছা কথা কৈ পোৱা লাজ ভাব নাই। মানুহজনীয়ে হয়তো পাহৰিয়েই পেলালে অলপ আগৰ সকলো কথা।

চাহ খাই খাই কৰবী দত্তই মিছেছ কটকীক আন এটা খবৰ দিলে— "বাইদেউ, লতিকা আৰু বিজিত খাউণ্ডৰ প্ৰেম-লীলাৰ খবৰ পালেনে?"

ঃ কথাটো নুশুনা নহয়। কিন্তু বিজিত খাউণ্ডে বিয়া পাতি ইয়াৰ পৰা ট্ৰেন্সফাৰ লৈ গুচি গ'লচোন।

ঃ পিচে ট্ৰেন্সফাৰ হ'লে কি হ'ব? লতিকাই নেৰিছে নহয়।

ঃ নেৰিছে মানে? — মিছেছ কটকী আচৰিত হ'ল।

ঃ লতিকাৰ পেটত বিজিতৰ সন্তান ডাঙৰ হ'ব ধৰিছে।

ঃ এ হয় নেকি? ছোৱালীজনীলৈ দুখেই লাগে। জাত-পাতৰ নামত তাই কেনেদৰে বলি হ'ব লগা হ'ল।

ঃ কিন্তু বিবাহ নোহোৱাকৈ তাই সন্তান ধাৰণ কৰিব— এইবোৰ ওভতগোৰে নচাৰ কথা শুনিবও নাপায়, তেনে মানুহক চাবও নাপায়। তেনে সন্তানৰ কি পৰিচয় হ'ব, কওকচোন বাইদেউ?

ঃ যিয়েই নহওক, সেইটো তেওঁৰ কথা। নিজৰ ভ্ৰূণ হত্যা কৰিব কিদৰে এগৰাকী নাৰীয়ে। এটা ভুলৰ প্ৰায়শ্চিত্তৰ নামৰ এটা পাপ কৰা উচিত বুলি ময়ো নাভাবোঁ। কিন্তু আমাৰ সমাজেও এনেবোৰ কথা সহজে নল'ব। বাদ দিয়া কৰবী, আনৰ প্ৰসংগক লৈ চৰ্চা কৰা ঠিক কথা নহয়, এনেয়ে ছোৱালীজনী দুখী হৈ আছে, আৰু দুখ দিওঁনো কিয়? তাই যিভাৱে জীৱনটো তুলি ধৰিব খুজিছে, দিয়াচোন তাইক সেই সুযোগ। পুৰুষে সদায় পদানত কৰি ৰখা নাৰীৰ হাওলি পৰা ৰূপ আৰু কিমান চাম? মূৰ দাঙি উঠক তাই।

কথাবোৰ কৰবীৰ কেনেবা কেনেবা লাগিল। কি কয় এই মানুহজনীয়ে? কৰবী দত্তই যেন নিজকে বিশ্বাস কৰিব পৰা নাই। কৰবী দত্তই জানে গিৰীয়েকৰ কথা আখৰে আখৰে পালন কৰাটোৱেই এগৰাকী নাৰীৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য।

কৰবী দত্তৰ দৰে মুখৰা তিৰোতা এগৰাকী আজি নিৰুত্তৰ হৈছে। তাকো মিছেছ কটকী নামৰ নিচেই সাধাৰণ সাজ-পাৰ পিন্ধা, সাধাৰণ জীৱন-যাপন কৰা মানুহ এগৰাকীৰ ওচৰত। কৰবীয়ে যেন মিঠা চাহকাপতো মিঠা বিচাৰি পোৱা নাই। তাই ক'ব খোজা এটা কথাও কিয় তাই প্ৰতিষ্ঠা কৰিব পৰা নাই আজি। তাইতো সঁচাক মিছা কৰি, মিছাক সঁচা কৰি ছলাহী কথা কোৱাত পাকৈত আছিল।

গে'ট খোলাৰ শব্দ হ'ল। কথা পতাৰ মাজতে কৰবী আৰু মিছেছ্ কটকীয়ে দেখা পালে প্ৰীতিৰেখা আহিছে। এইখন ক'লনিত প্ৰীতিৰেখাক বেয়া পোৱা মানুহ বৰ কম। যি দুই-এগৰাকী আছে তাৰে ভিতৰত এগৰাকী কৰবী দত্ত। আজিও কৰবী দত্তই প্ৰীতিৰেখাক দেখা পায়েই যাবলৈ উঠিল— বাইদেউ, আমি যোৱাই ভাল।

ঃ কিয়? বহা বহা। প্ৰীতিৰেখাও আহিছে।

ঃ আপোনালোকে পাতক দেশ-দস্তুৰৰ কথা। মইনো সেইবোৰৰ কি ভাগ পাম?

কটকীৰ মিছেছে কথাটো অৱশ্যে বেয়া নাপালে। সেয়ে "বেলেগ এদিন আহিবাদেই কৰবী" বুলি কৰবী দত্তক একপ্ৰকাৰ বিদায় দিলে তেওঁ।

"আহা আহা প্ৰীতি, ক'ৰ পৰানো আহিলা" বুলি উষ্ণ সম্ভাষণ জনালে। প্ৰীতিৰেখায়ো হাঁহি হাঁহি কৰবী দত্তৰ বিদায় মুহূৰ্তটো উপভোগ কৰিলে। তথাপি তাই ক'লে— কৰবী বাইদেউ গ'লেই যে?

কৰবীয়ে মনৰ ভাব লুকুৱাই ক'লে— "বহুত সময় হ'ল। আজি আৰু নবহোঁ। আহিবাচোন আমাৰ ফালেও কেতিয়াবা।"

প্ৰীতিৰেখাই লাহেকৈ ক'লে— "হ'ব বাৰু।"

প্ৰীতিৰেখা আহিছে মিছেছ্ কটকীৰ ওচৰলৈ বিশেষ কাৰণ এটাত। কটকী বাইদেৱে বৰ সুন্দৰ পুতলা তৈয়াৰ কৰে। বৰবৰা বাইদেউৰ লগত কথা পাতি এটা কথা ঠিক কৰিলে যে অহা এটা মাহত অন্ততঃ দহদিনমান সময় উলিয়াই ক্লাবৰ মহিলাসকলক হাতৰ কামৰ প্ৰশিক্ষণ দিয়াৰ। বৰবৰা বাইদেৱে খবৰ দিলে যে মিছেছ্ কটকীয়ে এটা সময়ত পুতলা সাজি বিক্ৰী কৰিছিল। আজিকালি 'ফাৰ' পৰা হোৱা এলাৰ্জিৰ বাবে সেই কাম এৰি পেলাইছে। তথাপি প্ৰীতিৰেখাই আশা এৰা নাই। কথাষাৰ জনাৰ পিছৰ পৰাই তাই 'আহোঁ আহোঁ' বুলি ভাবিয়েই আছে। আজি সুযোগ উলিয়াব পাৰি দৌৰি আহিছে। মহিলা ক্লাবত যদি কোনো সৃষ্টিমূলক কাম-কাজ সংযোগ কৰা হয়, তেনেহ'লে পৰচৰ্চা, পৰনিন্দাৰ বাহিৰে কৰিবলৈ একো নাথিকব। সেয়ে আহিছে তাই। বহু আশা কৰি আহিছে। কটকী বাইদেউৰ উষ্ণ সম্ভাষণত প্ৰীতিৰেখাৰ মনটো ভাল লাগি গ'ল। সেয়ে ভাল-বেয়া দুই-এষাৰ কথা পতাৰ পিছতে তাই আৰম্ভ কৰিলে— বাইদেউ, আপোনাৰ ড্ৰয়িংৰুমৰ পুতলাবোৰৰ কথা সিদিনা বৰবৰানী বাইদেউৰ মুখত শুনিলো। এইবোৰ বোলে আপুনি নিজহাতে তৈয়াৰ কৰা, হয়নে?

মিছেছ্ কটকীয়ে হাঁহি মাৰি ক'লে— "প্ৰীতি, এটা সময়ত মই পুতলা সাজি সৰু-সুৰা ব্যৱসায় এটাই গঢ়ি তুলিছিলো। পিচে অসুখে সকলো শেষ কৰি দিলে। আগৰে পৰা অলপ-অচৰপ এজমা ট্ৰাবল আছিল। পিছলৈ পুতলাত ব্যৱহাৰ কৰা 'ফাৰ'বোৰৰ পৰা এলাৰ্জি হৈ মোৰ মৰিবলগীয়া অৱস্থা হ'ল। সেয়ে একেবাৰে এৰি পেলোৱাৰ দৰেই হ'ল।"

ঃ আপোনাৰ কথা শুনি মই মোৰ উদ্দেশ্য ব্যক্ত কৰিবলৈকে সংকুচিত হৈছোঁ।

ঃ কিয়? কোৱাচোন, শুনো। সংকোচ কৰিব নালাগে বাৰু।

প্ৰীতিৰেখাই লাহেকৈ ক'লে— আচলতে আমাৰ ক্লাবৰ যোগেদি মহিলাসকলক কিছুমান বিষয়াৰ প্ৰশিক্ষণ দিয়াৰ কথা ভাবিছোঁ। তেনেদৰে কিছু পৰিকল্পনাও কৰা হৈছে। প্ৰথমে ভাবিলো আপোনাৰ দ্বাৰাই আৰম্ভ কৰোঁ।

ঃ অ' পুতলা সজাৰ কথা ভাবিছা?

ঃ হয়।

ঃ হ'ব হ'ব প্ৰীতি। তুমি চিন্তা নকৰিবা। সেই ক্ষেত্ৰত মই সহায় কৰিমেই।

ঃ আপোনাৰ অসুখ আৰু বাঢ়ে যদি বাইদেউ?

ঃ সেইটো চিন্তা নকৰিবা। মই মোৰ লগত সহায় কৰিবৰ বাবে কেইজনীমান ছোৱালী ৰাখিছিলো সেই সময়ত। সিহঁতকেইজনীক মাতি পঠালেই হ'ব। তোমালোকে অৱশ্যে প্ৰথমে বিভিন্ন 'চেপ'ৰ কিছুমান পুতলাৰ মুখ ফাঁচীবজাৰৰ পৰা কিনি আনিব লাগিব। লগতে কপাহ আৰু 'ফাৰ', চকু আদি আনিব লাগিব।

ঃ সকলো ব্যৱস্থা কৰিম। আপুনি মাথোঁ তাৰিখ এটা দিয়ক।

ঃ এইটো মাহ শেষেই হ'ল। অহা মাহৰ প্ৰথম সপ্তাহটো কেনে হয়?

অন্যান্য কথা-বতৰাৰ মাজেৰে প্ৰীতিৰেখাই এটা সময় বিদায় ল'লে। তাই ইমান সহজতে কামটো আৰম্ভ কৰিব পাৰি বুলি ভবাই নাছিল। এনেয়ে বহি-শুই সময় কটোৱা মহিলাসকলক টেলিভিছনৰ গ্ৰাসৰ পৰা মুক্ত কৰিব পৰা যাব যদিহে হাতৰ বিদ্যাৰে তেওঁলোকলে অৰ্থনৈতিক স্বাবলম্বন আনিব পাৰি।

এদিন তেনে এটা দিন আহিল। প্ৰীতিৰেখাই বাকী মহিলাসকলৰ সহযোগত ক্লাবত এক আত্মসহায়ক গোট গঢ়ি তুলিলে। মহিলাসকলে প্ৰয়োজনীয় সা-সামগ্ৰীখিনি আনি কটকী বাইদেউলৈ বাট চালে। কটকী বাইদেৱে সৰু-সুৰা লেকচাৰ এটাই দিলে। লগতে এইটোও ক'লে যে যদি কোনোবাই ব্যৱসায় কৰিব বিচাৰে তেনেহ'লে তেখেতে পুতলা বিক্ৰীৰ বাবে 'হোলছেল' মাৰ্কেটত যোগাযোগ কৰিব। কিন্তু পুতলাসমূহ আঁৰ নলগা নিখুঁত হ'ব লাগিব।

আচৰিত কথা, সাত দিনৰ ভিতৰতে এশতকৈয়ো বেছি পুতলা তৈয়াৰ হ'ল। বৰবৰা বাইদেউ আৰু প্ৰীতিৰেখাৰ মনটো বৰ ভাল লাগিল। তাৰে মাজৰ কেইগৰাকীমান মহিলাই পুতলা সজা কামটো ব্যৱসায় হিচাপে ল'বলৈ আগবাঢ়ি আহিল।

এইটো কামৰ মাজতে প্ৰীতিৰেখাই ল' কলেজত নাম লগাই ল'লে। ৰিৰিণাই মেট্ৰিক পাছ কৰিছে, সপোনো ডাঙৰ হৈছে। সেয়ে তাইৰ অফুৰন্ত আজৰি। তথাপি বিপুলে কিছু চিন্তা নকৰা নহয়। ঘৰ-সংসাৰ, ল'ৰা-ছোৱালী আৰু ক্লাবৰ ইমানবোৰ কামত ব্যস্ত থকাৰ পিছতো তাই ল'ৰ ক্লাছ কৰিব পাৰিবনে !

ঃ তুমি চিন্তা নকৰিবা। মই সকলো চম্ভালিব পাৰিম। আইনৰ মেৰপেঁচবোৰ নাজানিলে সমাজখনত দুৰ্ঘটনাবোৰ ঘটিয়েই থাকিব। চকুৰ আগতে কিমান যে ঘটনা ঘটি গ'ল। আইন-কানুন নজনাৰ বাবে কিমান অসুবিধাত পৰিছে মানুহবোৰ।

ঃ কথাটো নোহোৱা নহয়। পিচে তুমি নিশ্চয় এইবোৰৰ লগতে উকিলনী হোৱাৰ কথাও ভাবিছা।

ঃ নিশ্চয় ভাবিছোঁ। তুমি বেয়া পাবা নেকি?

ঃ বেয়া আকৌ কিয় পাম? ইমানবোৰ পঢ়া-শুনা কৰিও তুমি ঘৰ সংসাৰ, ল'ৰা-ছোৱালীৰ নামতে সকলো জলাঞ্জলি দিয়া দেখি মই ভিতৰি ভিতৰি এক অপৰাধবোধত ভোগোঁ। কি কৰোঁ, কেনেদৰে সহায় কৰোঁ— এই কথা মই বহুদিন ভাবিছোঁ। এতিয়া তুমিয়ে এটা পথৰ সন্ধান পাইছা— যোৱা কিছু মুক্ত হোৱা।

ঃ তেনেকৈ নক'বা বিপুল। মই অতদিনে বন্দী হৈ আছোঁ বুলি কোনোদিনেই ভবা নাই। বৰঞ্চ মোৰ চিন্তা-চৰ্চাক সম্মান জনাই মোৰ লগত আলোচনা-বিলোচনাৰ মাজেৰে সকলো সিদ্ধান্ত লৈছা— তাতকৈ আৰু কি বিচাৰিম মই? আৰু চোৱাচোন, সেই সময়ত চাকৰি নকৰি মৰম-সাদৰেৰে ল'ৰা-ছোৱালী দুটাক ডাঙৰ-দীঘল কৰাত সিহঁত সকলোফালে কেনে উপযুক্ত হ'ল।

বিপুলে প্ৰীতিৰেখাৰ কথাবোৰত হয়ভৰ নিদি নোৱাৰিলে। বিপুলৰ প্ৰমোচন হৈছে— এতিয়া সি একাউণ্টছ মেনেজাৰ হ'ল। তাৰ দায়িত্ব বহুত বাঢ়িল। তথাপি সি মাজে মাজে প্ৰীতিৰেখাক ল'ৰ ক্লাছত থৈ আহেগৈ। সন্ধিয়া পৰাপক্ষত ল'ৰা-ছোৱালী দুটাৰ লগত সময় কটাবলৈ পাৰ্যমানে চেষ্টা কৰে। তাচৰ আড্ডা আগতকৈ কমাই দিছে। ঘৰুৱা কাম-বনতো কিছু সহায় কৰে। প্ৰীতিৰেখাক ছাৰপ্ৰাইজ দি মাজে মাজে মাছ বা মাংসৰ আঞ্জা ৰন্ধাৰ চেষ্টা কৰে। প্ৰীতিৰেখাৰ হাঁহি উঠে। কেতিয়াবা মাছৰ টেঙা আঞ্জাখনত টেঙাই বেছি হয়— কেতিয়াবা মাংসত মছলাই বেছি হয়— তথাপি চেষ্টা কৰে।

ইতিমধ্যে বিৰিণাই ইঞ্জিনীয়াৰিঙত নাম লগালেগৈ। প্ৰীতিৰেখাৰো ল' কমপ্লিট হ'ল। তাই এতিয়া সন্ধিয়া ছিনিয়ৰ ল'য়াৰৰ লগত প্ৰেকটিছৰ বাবে বহিব লগা হ'ল। কিন্তু ঘৰৰ কামৰ ক্ষেত্ৰত ক'তো ত্ৰুটি-বিচ্যুতি নঘটিল। এইবোৰ দেখি-শুনি বৰবৰানী বাইদেৱে মাজে মাজে কয়— 'প্ৰীতি, তোমাক কিন্তু মানিছোঁ দেই। কেনেকৈ যে সকলো চম্ভালিব পাৰা? সকলো মানুহ যদি তোমাৰ দৰে হ'লহেঁতেন।

প্ৰীতিৰেখাই কেৱল মিচিকিয়াই হাঁহে।

আঠ

বহুদিন ক'লনিখত বিয়া-বাৰু নাছিল বুলিবই পাৰি। হঠাৎ এদিন সোণাৰাম কলিতাৰ ঘৰত বিয়াৰ হুলস্থুল। একো উম-ঘাম নোহোৱাকৈ ঘপহ কৰে বিয়া। ক'লনিৰ সা-সুবিধালৈ চাই কেইবাজনো ভিতৰুৱা অঞ্চলৰ ল'ৰাই ক'লনিৰ পৰাই বিয়া-বাৰু পাতিছে। কিন্তু বহুদিনৰ পৰাই সকলোৱে হৈ-হাল্লা কৰি বিয়াৰ আয়োজনত লাগি যায়। কিন্তু সোণাৰাম কলিতা মানুহজন অলপ অকলশৰীয়াকৈ থাকি ভালপোৱা মানুহ। সেয়ে হয়তো সকলো কাম অকলে অকলেই কৰিছে।

তথাপি প্ৰীতিৰেখা, বৰবৰানী, নাৰ্ছ, কুসুম বৰদলৈৰ মিছেছ— এইবোৰ ক'লনিৰ একেবাৰে পুৰণি মানুহ। সেয়ে তেওঁলোক কেইগৰাকী লগ হৈ এদিন বিয়াৰ খবৰ কৰিবলৈ গ'ল। কলিতাৰ মাক-বাপেক নাই। গাঁৱৰ পৰা ককায়েক-বৌৱেক আহিছে। কথা-বতৰাৰ পৰা গম পালে— বৌৱেকহঁতেও বিশেষ নাজানে। ছোৱালী এইখন টাউনৰে— দেউতাকৰ মাটি -সম্পত্তি দেধাৰ। তাতে আকৌ মেৰাইন ইঞ্জিনীয়াৰ হৈ অলপতে ৰিটায়াৰ্ড হৈছে।

ঃ আমি আৰু সেইবোৰ ঘৰৰ মানুহক ক'ত ঢুকি পামগৈ ! আমি গাঁৱলীয়া মানুহ। নগৰীয়া আদব-কায়দা নাজানো। তাতে বোলে সোণাৰামে ৰেজিষ্ট্ৰি বিয়া কৰালেই।

প্ৰীতিৰেখাই মাত লগালে— বৌ, কলিতাই বিয়াখন ৰেজিষ্ট্ৰি কৰাটো বেয়া হোৱা নাই। আজিকালি হোম পুৰি বিয়া হ'লেও ৰেজিষ্ট্ৰেচন কৰাবই লাগে। যিহে দিনকাল পৰিছে।

ঃ হ'লেও দিয়ক। বিয়াৰ দিনাই ৰেজিষ্ট্ৰেচন হওক ক'বলৈ নাই— আপত্তি কৰিবলৈ নাই।

পিছতহে সকলোৱে গম পালে বৌৱেকৰ আপত্তি আন এটা কাৰণতহে। ছোৱালীজনী মানসিকভাৱে ডিষ্টাৰ্বড্। সেয়ে মাক-দেউতাকে পেপাৰত বিজ্ঞাপন দিয়াত ইঞ্জিনীয়াৰ সোণাৰাম কলিতাই কাকো নজনোৱাকৈ ৰেজিষ্ট্ৰেচন কৰালেগৈ। কইনাৰ ঘৰে বিয়াৰ সকলো খা-খৰচ দিয়াৰ উপৰি গাড়ী এখন দিছে যৌতুকত। অন্যান্য যৌতুক আছেই, লগতে নগদ এক লাখ টকা।

দুদিনতে ধনী হৈ গ'ল সোণাৰাম কলিতা। কথাই-বতৰাই, সাজে-পাৰে একেবাৰে আধুনিক ফেশ্বনৰ হৈ পৰিল। পিছে বিয়াহে হ'ল— কইনা নাহিল। ক'লনিৰ সকলোৱে কইনাৰ লগত চিনাকি হ'বলৈ বহুদিন আহি বিমুখ হৈ উভতি আহিব লগা হ'ল। সোণাৰাম কলিতাই শহুৰৰ ঘৰলৈ তাঁত-বাটি কাঢ়ি থাকিল।

বন্ধুবোৰে এদিন ধৰিলে— এই কথাই কথা নহ'ব। সোণাৰামে কইনাক দেখুৱাবই লাগিব। কিন্তু কইনা চাবলৈ গৈ সকলো অবাক। সাজ-পাৰত অসংযত, কথা-বতৰাও

অসংযত, আচাৰ-ব্যৱহাৰত অসংযত, দিকভ্ৰান্ত এজনী ছোৱালী। সকলোৰে বৰ দুখ লাগিল। ইমান সুদৰ্শন মানুহটো— এনেদৰে ঠগ খাবলৈ কিহে পাইছিল। কোনোবাই ক'লে— "টকাৰ মোহ বৰ বেলেগ বুজিছে। টকাৰ বাবে মানুহে কি কৰিব নোৱাৰে।"

মাজে মাজে কইনা আহে। চাকৰ-নাকৰে বেঢ়ি আনি থৈ যায়— সেই দুদিন কাজিয়া-পেঁচাল, হুলস্থূল হয় আৰু তাৰ পিছত সকলো নীৰৱ। সোণাৰাম কলিতা মানুহটো দিনে দিনে শুকাই-খীণাই অৱস্থা নোহোৱা হ'ল। দুমাহমান যোৱাৰ পিছত এদিন কলিতাই সকলোকে মানে বন্ধুমহলত জনালে যে আজিলৈকে তেওঁ বিবাহিত জীৱন যাপন কৰাই নাই।

অডিটৰ দাসে কথাষাৰ শুনি হাঁহি হাঁহি ক'বলৈ ধৰিলে— "এহ্ কলিতা, আপুনি আৰু কিহৰ মতা মানুহহে? তিৰোতা এজনীক টলাব নোৱাৰিলে। কিছুমানক দেখা নাই, বিয়াৰ আগতেই সকলো সোৱাদ লৈয়ে পেলালে।" — কথাষাৰ কৈ দাসে এনেদৰে সোৱাদ পোৱাৰ ভংগী কৰিলে যে কাৰো বুজি পোৱাত অসুবিধা নহ'ল— এই কথা লতিকাক উদ্দেশ্যিয়েই কৈছে। সোণাৰাম কলিতাই মানুহবোৰৰ এনে কথা-বতৰাবোৰ শুনি নিজকে বৰ অপদাৰ্থ যেন বোধ কৰিলে। তেওঁ ছোৱালীজনীক বহু চেষ্টা কৰিও সৈমান কৰাব নোৱাৰে। কোনোপধ্যেই তাই নিজকে সমৰ্পণ কৰিব নোখোজে। মৰম-সাদৰত সৈমান নোহোৱাত উপায়ন্তৰ হৈ কলিতাই জোৰ কৰিব ধৰিলে, নাই কাম নহ'ল— বেছি জোৰ-জবৰদস্তিত তাই ছেল্‌লেছ্ হৈ পৰে। কি কৰে, কি কৰে— একো উৱাদিহ নাপায়। একেখন বিছনাত, ইমান কাষত সকলো অধিকাৰ দাবী কৰিব পৰা বিবাহিতা স্ত্ৰী নিশ্চল কাঠৰ দৰে পৰি থাকে— অথচ প্ৰেম পাগল সি একো কৰিব নোৱাৰে। একো পাবলৈ আশা কৰিব নোৱাৰে! এনেদৰে বহু উজাগৰী ৰাতি পাৰ কৰি দিব লগা হয় সি। কেতিয়াবা একো নাই হৈ খঙত তাইক পিটে। নাই, এনেদৰে নহ'ব।

সি এদিন নিমিষাক চোৱা-চিতা কৰিবৰ বাবে অহা, যৌতুকত অহা বুলিয়েই ক'ব পাৰি, মালতীৰ ওচৰ পালেগৈ। মালতীয়ে যেনে তেনে এটা দিনলৈকে বাট চাই আছিল। তাই সোণাৰাম কলিতাক আৱৰি পেলালে। বিয়াৰ পিছৰে পৰাই তাই সকলো দেখিছে— সোণাৰাম কলিতাৰ ভগ্ন মনৰ খবৰ সকলো পাইছে—কিন্তু কোনোদিনে সমব্যথী হোৱাৰ সাহস গোটাব পৰা নাছিল। তাই এই ঘৰৰ যে দাসী সেই কথা কোনোদিনেই পাহৰি যোৱা নাছিল। কলিতায়ো যোৱা ছমাহে মালতীক এবাৰো ভালদৰে চোৱা নাই। নিমিষাৰ ৰূপৰ ওচৰত ছাই বৰণীয়া মালতীৰ কি মূল্য থাকিব পাৰে?

পাৰে পাৰে, ছাই বৰণীয়া হ'লেও মালতীৰ মূল্য আজি সোমাৰাম কলিতাৰ ওচৰত বহুত বেছি। মালতী দেৱী, মালতীক তাৰ পূজা কৰিবৰ মন যায়। প্ৰতিটো ৰাতিৰ বাবে উন্মাদ হৈ সি বাট চাই থাকে। তাইৰ কি নাই— দেহাৰ ভাঁজে ভাঁজে যৌৱন, সেই যৌৱন সাগৰত অৱগাহন কৰি সি বুজিব পাৰিছে পৃথিৱীখন কিমান সুন্দৰ, সি নমৰে।

সি জীয়াই থাকিব। বহুদিন আত্মহত্যা কৰিবলৈ মনস্থ কৰা, নিজৰ ভুল সিদ্ধান্তৰ বাবে ধিক্কাৰ দিয়া সোণাৰাম কলিতা আকৌ জীয়াই থাকিব। সেই নিশাবোৰৰ স্মৃতিয়ে তাক আকুল কৰি তোলে। সি ঠিক কৰিলে— কোনে কি কয় কওক। নিমিষাক ডিৰ্ভোচ দি সি মালতীৰ লগত সংসাৰ কৰিব। মালতীয়ে উন্মুক্ত আহ্বান নকৰা হ'লে— সি সেই সুন্দৰ পৃথিবীখনৰ খবৰেই নাপালেহেঁতেন। তাইক সি সন্মান দিব, প্ৰেম দিব, সিহঁতৰ এখন সংসাৰ হ'ব।

এদিন প্ৰীতিৰেখাৰ চেম্বাৰত সোণাৰাম কলিতা ওলালগৈ। প্ৰীতিৰেখাই সৌজন্যৰ খাতিৰত দুই-এষাৰ কথা পাতি অহাৰ উদ্দেশ্য সুধিলে।

ঃ মই এটা বিশেষ কামত আহিছোঁ, বৌদেউ। আপোনাৰ ছিনিয়ৰ উকিল ভৱপ্ৰসাদ সাউদক লগ পাব লাগে।

ঃ ছাৰ কিবা এটা বিশেষ কামত ব্যস্ত আছে। আপুনি বেয়া নাপায় যদি মোকে ক'ব পাৰে।

ঃ আচলতে মই নিমিষাৰ লগত চেপাৰেশ্যনৰ বাবে আহিছোঁ।

ঃ এইক্ষেত্ৰত নিমিষাৰ কি মত?— প্ৰীতিৰেখাই ল'য়াৰৰ মেজাজেৰে আৰম্ভ কৰিলে।

ঃ নিমিষাৰ আৰু কি মত থাকিব? এগৰাকী পাগল মানুহৰ লগত যোৱা দুটা বছৰ মই কেনেদৰে পাৰ কৰিলো সেয়া ভগৱানেহে জানে? আৰু নোৱাৰোঁ, মই একেবাৰে হাৰি গৈছোঁ।

ঃ ঠিক আছে। নিমিষা যে মানসিকভাৱে ভাৰসাম্য নথকা মহিলা তাৰ প্ৰমাণ দিব পৰাকৈ নথি-পত্ৰ আপোনাৰ নিশ্চয় আছে?

ঃ সেইবোৰ মই সকলো সংগ্ৰহ কৰিছোঁ। বৌদেউ, কিবাকৈ এই গলগ্ৰহটোৰ পৰা মই মুক্ত হ'ব পাৰিলেই ৰক্ষা।

ঃ ঠিক আছে। মই কাগজ-পত্ৰ তৈয়াৰ কৰোঁ, বাকী কাম ছাৰ আহিলে হৈ যাব।

কিছুদিনৰ ভিতৰতে নিমিষাৰ লগত ডিৰ্ভোচ হৈ গ'ল সোণাৰাম কলিতাৰ। যৌতুকৰ আ-অলংকাৰ, গাড়ী, টকা সকলো ঘূৰাই দিলে কলিতাই। সকলো ঘূৰি যোৱাৰ পিছতো থাকি গ'ল মালতী। মালতী আৰু নিমিষাৰ দৰেলৈ নগ'ল। এদিন সৰু-সুৰা পাৰ্টি এটা দি সোণাৰাম কলিতাই মালতীৰ শিৰত সেন্দুৰ পিন্ধালে। সকলোৱে সেইটোৱেই বিচাৰিছিল। কিয়নো মালতীহঁতৰ সম্পৰ্ক ইমিতধ্যেই চৌপাশে বিয়পি পৰিছিল।

মালতীৰ দুটা ল'ৰা হ'ল। যঁজা। সোণাৰাম কলিতাৰ স্ফূৰ্তিৰ অন্ত নাই। ল'ৰাৰ নামকৰণৰ নামত ডাঙৰ ভোজ-ভাতৰ আয়োজন হ'ল। এইবাৰহে সকলোৱে বেছ আনন্দ কৰিলে।

ইমান বছৰ ক'লনিত থাকি, মানুহবোৰ বৰ আপোন হৈ পৰিল। ৰবৰবাৰী বাইদেউ

যোৱাৰ পিছত প্ৰীতিৰেখা একেবাৰে পুৰণি মানুহ হিচাবে ক'লনিত থাকি গ'ল। আজিকালি সকলোৱে প্ৰীতিৰেখা বাইদেউক বিচাৰে। তাতে ওকালতি আৰম্ভ কৰাৰ পৰা তাইৰ চা-চিনাকি আৰু বাঢ়িল। কতই যে কত সমস্যা লৈ আহি ওলাবহি। বিপুলে মাজে মাজে অভিমান কৰে— হেৰা, সকলোৰে বাবে চিন্তা কৰোঁতে কৰোঁতে মোলৈ নাপাহৰিবা দেই।

ঃ তুমি যে আৰু !

ঃ ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ পিছততো মোৰ ফালে এনেয়ে আধ্যায় পৰিল। তাতে তুমি যিমানহে ৰাজহুৱা হৈ পৰিছা, মোৰ চিন্তাই হয়।

প্ৰীতিৰেখাই নীৰৱে উপভোগ কৰে বিপুলৰ অভিমান। মানুহটোৱে ল'ৰালি নেৰে আৰু। সেয়ে তাই লাহেকৈ কয়— আজিৰ দিনটো কেৱল তোমাৰ বাবে। তোমাৰ বাবে মই স্পেছিয়েল ডিছ বনাম আজি।

ঃ কাৱৈ মাছ আৰু ফুলকবিৰ মছলা দিয়া আঞ্জা। আৰু পালেং শাকৰ বৰ।

প্ৰীতিৰেখা ৰান্ধনি ঘৰত সোমালগৈ। বিপুলো পিছে পিছে গ'ল। আজি দেওবাৰ। সেয়ে ঘৰতে আছে। বিৰিণা হোষ্টেললৈ যোৱাৰ পিছত সপোনো দেওবাৰে দেওবাৰে আইতাক বা পেহীয়েকৰ ঘৰলৈ যায়। ল'ৰা-ছোৱালী ঘৰত নাথাকিলে প্ৰীতিয়ে বিশেষ আয়োজন কৰিব নোখোঁজে। কিন্তু পাকঘৰত গৈ বিপুল আচৰিত— গেছত এফালে পায়স বহাইছে। আৰু কাষতে প্ৰীতিয়ে নাৰিকলৰ লাডু বনাই আছে।

ঃ হেৰা, কি কথাহে? কাৰোবাক নিমন্ত্ৰণ কৰিছা নেকি?

ঃ কিয়?

ঃ বহুত দিনৰ মূৰত ইমান আয়োজন কৰিছাতো। সেয়ে অলপ সন্দেহ হৈছে।

প্ৰীতিৰেখাই ৰহস্য কৰিবৰ মনেৰে ক'লে— মাতোঁতে অৱশ্যে কাকো মতা নাই। লতিকা আৰু তাইৰ ছোৱালীজনী নিজেই আহিম বুলিছে।

ঃ এ হয় নেকি? তেনেহ'লে মাংস অলপো আনো— কিকোৱা?

ঃ তাৰো ব্যৱস্থা কৰিছোঁ। মোৰ মক্কেল এজন আহিছিল— তাৰ হতুৱাই অনালো।

ঃ আও, ইমান চুপে-চাপে সকলো আয়োজন?

দুপৰীয়া নিৰ্দিষ্ট সময়ত লতিকা আৰু ছোৱালীজনী ওলালহি। আহিয়েই তাই হুলস্থূল লগাই দিলে— "মেনি হেপী ৰিটাৰ্নছ্ অব দা ডে দা বৌ। — এইবুলি সম্ভাষণ জনাই তাই এথোপা ৰঙা গোলাপ আৰু এযোৰ সুন্দৰ কাপোৰ প্ৰীতিৰেখাক দিলে— বিপুলকো এখন সুন্দৰ কাশ্মিৰী শ্বল দিলে— আপোনালোকৰ অনাগত দিনবোৰ ৰঙা গোলাপৰ পাপৰিৰ দৰে ৰঙেৰে উপচি পৰক।

এতিয়াহে বিপুলৰ মনত পৰিল আজি সিহঁতৰ মেৰেজ ডে। তাৰ মনটো বেয়া লাগিল এই কাৰণেই যে আজি অতবছৰে সিয়েই প্ৰথম ছেলিব্ৰেট কৰা দিনটো কামৰ

হেঁচাত একেবাৰে পাহৰি গ'ল। প্ৰীতিয়ে হাঁহি হাঁহি ক'লে— মোৰ ছাৰপ্ৰাইজটো কেনে পালা?

ঃ ব্ৰেভ'। লগতে অলপ পানীয় হ'লে আৰু ভাল হ'লহেঁতেন।

ঃ ওঁহো, নচলিব, সেইবোৰ নচলিব।

সকলোৱে হাঁহি উঠিল। সিদিনা দুপৰীয়াটো বৰ সুন্দৰকৈ পাৰ হৈ গ'ল। প্ৰীতিৰেখাৰ ৰন্ধনক ভূয়সী প্ৰশংসা কৰিলে লতিকাই। আৰু তুলিকা— লতিকাৰ দুবছৰীয়া ছোৱালী তুলিকাই তাইৰ থুনুক-থানাক কথাবোৰেৰে সকলোৰে মন জয় কৰি পেলালে। যাবৰ সময়ত মাকে শিকাই দিয়া মতে বিপুলহঁতক উদ্দেশ্যি ক'লে— মামা, মামী আমা.. ঘৰলৈ আহিবা।

প্ৰীতিৰেখাই একোলা লৈ ক'লে— যাম মাজনী, যাম। তোমাৰ জন্মদিন পালেহিয়েই নহয়। তেতিয়া যাম।

ঃ ঠিক আছে। মোলৈ প্ৰেজেণ্ট লৈ যাবা দেই।

লতিকাই তেনেকৈ ক'ব নাপায় বুলি বাধা দিলে। প্ৰীতিৰেখাই হাঁহি হাঁহি ক'লে— তোমাক কি লাগিব— মোক কৈ থৈ যোৱা আকৌ।

ঃ টেডি বিয়েৰ এটা লাগিব।

ঃ হ'ব হ'ব। চিন্তাই নকৰিবা। মই ডাঙৰ টেডি এটা তোমাৰ বাবে কিনি আনিম বজাৰৰ পৰা।

ন

চিনু বৰদলৈ বাইদেউ প্ৰীতিহঁতৰ ডিব্ৰুগড়ৰ। কুমাৰণীছিগাৰ প্ৰীতিৰ মাহীয়েকৰ ঘৰৰ ওচৰতে আছিল চিনু বৰদলৈহঁতৰ ঘৰ। সেই সূত্ৰে প্ৰীতিৰ লগত সদ্ভাব। ঘৰুৱা সম্পৰ্ক হৈ পৰিল। প্ৰীতিৰ বিয়াৰ পিছত চিনু বৰদলৈ আৰু অনিমেষৰ পৰিয়াল এই আৱাসিক ক'লনিলৈ আহিল।

এইখন ক'লনিৰ পৰাই ডাঙৰ জীয়েকৰ বিয়া অলপতে হৈ গ'ল। প্ৰীতিয়ে সকলো কাম এফলীয়া কৰি থৈ সেই বিয়াত যিমান পাৰে লাগি দিলে। সেইখন বিয়া আধুনিক ফেশ্বনৰ বিয়াতকৈ অলপ বেলেগকৈ পাতিছিল চিনু বাইদেৱে। ডিব্ৰুগড়ৰ পৰা তেওঁৰ পৰিয়াল-পৰিজন উঠি আহিছিল বিয়ালৈ। অনিমেষৰ ঘৰৰ পৰাও সকলো আহিছিল। জাঁত জাঁত বিয়ানামেৰে বিয়াঘৰ উদুলি-মুদুলি; সুৱাগুৰি তোলা, দৈয়ন দিয়া, পানী তোলা, কইনা নোওৱা সকলো ঠাইতে বিয়ানামেৰে ৰজনজনাই উঠিছিল।

আজিকালিৰ দৰে মাছে-মঙহে কেৱল খোৱাৰ আয়োজন কৰা 'বুফে' ছিষ্টেমৰ বিয়া

নাছিল এইখন। লখিমপুৰৰ কোমল চাউল, চিৰা; যোৰহাটৰ মালৌ পথাৰৰ এঠা দৈ; দেৰগাঁৱৰ গুৰ আৰু লাডু-পিঠাৰ উভৈনদী কাৰবাৰ। তাতে ব'হাগ মাহৰ অলপ গৰম পৰিব ধৰা সময়ৰ বিয়া— সকলোৱে লুচি-ভাজিৰ সলনি চিৰা-দৈৰেহে জুতি লৈ ভাল পালে।

বাংগালোৰত চাকৰিত জইন কৰি দুদিনমান ঘৰত থাকি যাবলৈ আহিছিল বিৰিণা। সিহঁতে এনে বিয়া দেখাই নাছিল। বৰ ভাল পালে তাই। প্ৰীতিৰেখাই ক'লে— অসমীয়া বিয়াৰ আৱেগেই বেলেগ। ই এক পবিত্ৰ অনুষ্ঠান। বিয়াৰ দিনা সকলোৱে দৰা-কইনাক ৰাম-সীতাৰ ৰূপত চায়, শ্ৰদ্ধা কৰে। তোমাকো মই এনেকে বিয়া দিব পাৰিলেহে ভাল পাম।

বিৰিণাই হাঁহিলে— মা, তোমাৰো যে কথা আৰু। আগতে এষ্টাব্লিছ্ হ'ব দিয়াচোন। পিছে-পৰে হ'ব কিবা এটা।

সেই চিনু বাইদেউ ওলালহি কাতি বিহুৰ আগদিনা এসোপামান পিঠা-লাডু লৈ। প্ৰীতিৰেখাই সেইবোৰ দেখিয়েই চিঞৰি উঠিল— বাইদেউ, তুমি আৰু সলনি নহ'লা! সদায় সদায় এইবোৰ কিয় আনিব লাগে?

ঃ সদায়নো ক'ত আনিছোঁ? তোমাৰ চৰফালে ইমান দৌৰা-দৌৰি, পিঠা-পনা বনাবলৈ সময় পাবা ক'ত? সেয়ে বোলো অলপ লৈ যাওঁ।

ঃ কাতি বিহুৰ আন নাম কঙালী— সেই কথা পাহৰিলা হ'ব পায় !

ঃ নাই পাহৰা, সেয়েহে কৰিছোঁ— কিয়নো যিমান কাঙাল নহ'লেও অসমীয়াই পাহৰিব নোৱাৰে বিহু। তুলসী তলত মাহ-প্ৰসাদ দিলেও— আকাশবন্তি জ্বলালেও, আমি সৰুৰে পৰা পাই আহিছোঁ অলপ হ'লেও পিঠা-পনাৰ আয়োজন হয়। সেইবোৰ এৰিব পৰা নাই জানা। আৰু ভিনিহিয়েৰাৰ কথা জানাই— তেওঁ দি-থৈ, খুৱাই-বুৱাই বৰ ভাল পায়।

প্ৰীতিৰেখাই পিঠাৰ টোপোলাটো লৈ চিনু বাইদেউক বহুৱালে। তাই পায়স ৰান্ধিছিল। বাইদেউক চাহৰ লগত খাবলৈ দিলে।

ঃ চিনু বাইদেউ, কথা এটা ভাবিছোঁ। তুমি যে ইমান সুন্দৰ পিঠা-লাডু বনাব জানা— এইবোৰৰ আমি এখন প্ৰদৰ্শনী পাতিলে কেনে হয়?

ঃ এহ্ থোৱাহে। এইবোৰৰ আৰু প্ৰদৰ্শনী পাতিব পাৰিনে?

ঃ কিয়, কিয় নোৱাৰি? তোমাৰ নিচিনা ইমান সুন্দৰ পিঠা পুৰিব জনা মানুহ মই পোৱাই নাই। আমি ক্লাবৰ তৰফৰ পৰা এনে এখন প্ৰদৰ্শনীৰ কথা ভাবিয়ে আছোঁ। কিন্তু সঠিক মানুহৰ অভাৱত হৈ উঠাগৈ নাই। এইবাৰ দেখিছোঁ হ'ব।

ঃ জানো পায় ! তুমি ভাবিছা— কিবা কৰি দিব লাগিলে আগতীয়াকৈ খবৰ দিবা। দেখিছাই নহয়, মোৰ ঘৰত আলহীৰ ধুম।

ঃ হ'ব বাৰু। তুমি মাথোঁ সাজু থাকিবা।

চিনু বাইদেউ গ'ল। প্ৰীতিৰেখাৰ মূৰৰ পৰাহে চিন্তাটো নগ'ল। তাই বাকী সদস্যসকলৰ লগ হৈ 'ৰন্ধন প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী' আয়োজনত লাগি গ'ল। সকলো মহিলাৰে ই এক প্ৰিয় বিষয়। চিনু বাইদেৱে নানান ধৰণৰ পিঠা প্ৰদৰ্শন কৰিলে— তিল পিঠা, ঘিলা পিঠা, ফেনী পিঠা, সুতুলি পিঠা, নাৰিকলৰ লাডু, তিলৰ লাডু, মুৰীৰ লাডু, গমৰ লাডু ইত্যাদি। প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা তিনি দিন চলিল। ওচৰৰ আন কেইবাটাও মহিলা সংগঠনেও যোগ দিলে। বিচাৰক আছিল অতুল লহকৰ, এলি ওমৰ আৰু সুজাতা গগৈ। এই তিনিওগৰাকী ফুড এক্সপাৰ্ট আৰু তেওঁলোকৰ নিজা নিজা ৰেষ্টুৰেণ্ট আছে। য'ত বিবিধ দেশী-বিদেশী খাদ্য পোৱা যায়।

এদিন অসমীয়া খাদ্যৰ প্ৰতিযোগিতা হ'ল— কচুৰ ঠোৰৰ আঞ্জা, বিবিধ পাতত দিয়া সামগ্ৰী, খাৰৰ আঞ্জা, টেঙাৰ আঞ্জা, পাৰ মাংস, কলডিল ভজা, লাও-বিলাহী মাছ। কত যে ৰেচিপি— কত জুতি, আনন্দত সকলোৰে উঠি-পৰি লাগিল, প্ৰায়বোৰৰ ঘৰৰ সকলোৰে আহি বিভিন্ন ব্যঞ্জনৰ সোৱাদ লৈ গ'লহি।

আন এদিন হ'ল কন্‌টিনেণ্টাল আৰু চাইনিজ। সিদিনাৰ গ্ৰাহক আৰু বেছি হ'ল। প্ৰদৰ্শনীৰ বস্তু কাৰো উভতি নগ'ল। চিনু বাইদেউৰতো এনে অৱস্থা— তেওঁৰ ঘৰত দুজনী মানহে চাউল খুন্দিছে, কেক ফেটিছে, নাৰিকল ৰুকিছে। বাইদেৱেক স্পিটিচন সামৰি ঘৰলৈ গৈ নিশা এপৰলৈকে পিঠা ভাজিছে, লাডু বনাইছে, কেক্ বনাইছে— কিমান যে কেক্— ফ্ৰুট কেক্, ডেজাৰ্ট, পেষ্ট্ৰি, কণী নোহোৱা কেক্। অতুল লহকৰে চিনু বাইদেউক প্ৰস্তাৱেই দিলে— তেওঁৰ পিঠা বনোৱা কামটো ব্যৱসায়িক ভিত্তিত ল'ব লাগে। বাইদেউৰো মনটো এইকেইদিনৰ বিক্ৰী দেখি বৰ ভাল লাগি আছিল। সেয়ে তেওঁ লহকৰৰ প্ৰস্তাৱটোত মান্তি হ'ল। লহকৰে বিক্ৰীৰ দায়িত্ব ল'লে, বাইদেৱে বনোৱাৰ দায়িত্ব।

বহুদিনৰ পিছত চিনু বাইদেৱে এসাজ বোৱা কাপোৰ প্ৰীতিৰেখাক দিলেহি। প্ৰীতিৰেখাতো আচৰিত।

ঃ কথা কি বাইদেউ? এইযোৰ ইমান সুন্দৰ। ক'ত পালা?

ঃ নক'বা আৰু। অতুলৰ লগত নেড্‌ফি হাটত ব্যৱসায়ৰ কামত যাওঁতে দেখি পচন্দ হ'ল— তাতে তুমি এনে আনকমন বস্তু ভালপোৱা বুলি জানো— সেয়ে তোমালৈ মোৰ উপহাৰ বুলি আনিলো।

ঃ উপহাৰ বুলিছা যেতিয়া আপত্তি নকৰোঁ। কিন্তু—

ঃ কিন্তু একো নাই। মোৰ ব্যৱসায় এতিয়া বেছ ভাল হৈছে। অতুল লহকৰ ব্যৱসায়ত পাকৈত মানুহ— তেওঁ এইবাৰ অসমৰ বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিছে। এই সকলোৰে গুৰিতে তুমি, প্ৰীতি— তোমাৰ উৎসাহ-উদ্দীপনা নহ'লে মই ঘৰতে বন্দী হৈ থকা মানুহজনীয়ে বাহিৰ পৃথিৱীখনৰ খবৰেই নাপালোহেঁতেন। ভিনিহিয়েৰাই

আজিকালি আপতি নকৰে। মোৰ ঘৰত এতিয়া চাৰিজনী মানুহে অহৰহ কাম কৰি থাকে।

ঃ বাঃ বঢ়িয়া কথা। দেখিলা চিনু বাইদেউ, মন কৰিলেই চন।

ঃ সঁচাই, এই কথা মই উপলব্ধি কৰিছোঁ। মই নিজে অৰ্থনৈতিক নিৰাপত্তা পোৱাৰ লগতে চাৰিজনী মানুহৰো ভাত-কাপোৰৰ ব্যৱস্থা কৰিব পাৰিছোঁ। এই লৈ ভিনিহিয়েৰাইতো সদায় জোকায়, বোলে তুমি যেতিয়া আনকো সংস্থাপন দিব পৰা হ'লা— ৰিটায়াৰমেণ্টৰ পিছত মোলৈয়ো কিবা এটা ৰাখিবা।

ঃ হয়নেকি? কথাটো অৱশ্যে ধেমালিকৈ ক'লেও— বাৰু কোৱাচোন, ভিনদেউৰ ৰিটায়াৰমেণ্টৰ সময় কেতিয়া?

ঃ আৰু দুবছৰ আছে। তেনে— প্ৰীতিৰ মুখৰ কথা কাঢ়ি নি চিনু বাইদেৱে ক'লে— মই আচাৰ বনোৱাৰ প্ৰশিক্ষণ লৈছিলো। সেয়ে এইবাৰ আচাৰৰ ব্যৱসায়ত ভিনিহিয়েৰাকে লগাম বুলিছোঁ। কেনে দেখা?

ঃ ভাল হ'ব বাইদেউ। ৰিটায়াৰমেণ্টৰ পিছত বহুত মানুহে নিজকে ব্যস্ত ৰখাৰ পথ নাপায়— হা-হুমুনিয়াহ কাঢ়ি কটায়। তুমি ভাল কথাই চিন্তা কৰিছা।

ঃ এইবোৰ চব তোমাক দেখিয়েই হৈছে, জানা প্ৰীতি। তুমি মানুহক নতুন নতুন চিন্তাৰ খোৰাক যোগোৱাত ভাল। তাতে তুমি নিজেই এক উদাহৰণ। ঘৰ-সংসাৰ, ল'ৰা-ছোৱালী, স্বামী সকলো চম্ভালিও তুমি ল' পাছ কৰিছা— ওকালতি কৰিছা— এইবোৰতো কোনোপধ্যেই কম বা সৰু কাম নহয়।

ঃ মোক বেছি প্ৰশংসা নকৰিবা। আচলতে মানুহে কামৰ মাজেৰেই নিজৰ জীৱনটো সুন্দৰ কৰি তুলিব পাৰে। কাম নোহোৱা জীৱনবোৰ নাযায়-নুপুৱায়। সমাজৰ কাৰণে, মানৱৰ কাৰণে আমি নানা ধৰণেৰে, নানা উপায়েৰে কাম কৰিব পাৰোঁ— সেৱা কৰিব পাৰোঁ।

ঃ বাইদেউ, মোৰ ছিনিয়ৰৰ ওচৰলৈ যাব লগা আছে। আৰু কিছুদিনৰ ভিতৰতে মই নিজাকৈ ওকালতি আৰম্ভ কৰিম হাইক'ৰ্টত।

ঃ ময়ো উঠো। তোমাৰ কথাবোৰ ইমান ৰসাল যে সময় কিদৰে উৰি যায়, ক'বই নোৱাৰি। বাৰু উঠোহে আজিলৈ।

দহ

বি এ পৰীক্ষা দিবলৈ গৈ ৰঞ্জী চৌধুৰী ঘৰলৈ অহা নাই। প্ৰথমে কথাটো ক'ৰবাত ট্ৰেফিক জাম, নহ'লে লগৰ কোনোবাৰ ঘৰলৈ গ'ল আদি নানা কথা ভাবিবলৈ ধৰিলে

মাক এলিচা চৌধুৰীয়ে। কিন্তু তেওঁৰ মনটোৱে আন কিছুমান চিন্তাও কৰিবলৈ ধৰিলে। কিন্তু তথাপি নিজে নিজক সান্ত্বনা দি লাহেকৈ গিৰীয়েকলৈ ফোন কৰিলে। গিৰীয়েক এলবাৰ্ট চৌধুৰী কিবা এখন মিটিঙত ব্যস্ত আছিল— এ আহিবহে ! মোক এতিয়া ডিষ্টাৰ্ব নকৰিবা। অলপ পিছতে মিটিং শেষ হ'ব— গৈ আছোঁ। নাই, এলিচাই মনক বুজাব পৰা নাই। ৰ'জী বৰ চঞ্চল ছোৱালী, তাতে তাইৰ বন্ধু-বান্ধৱীৰ সংখ্যা অতি বেছি। পঢ়াতকৈ ঘূৰা-ফুৰা, চিনেমা চোৱা, ৰেষ্টোৰাঁলৈ যোৱা কতযে কাম। গে'টলৈ বাৰে বাৰে আহিও এলিচা চৌধুৰীয়ে কাকো দেখা নাই।

ইতিমধ্যে এলবাৰ্ট আহি পালে। তেওঁ জীয়েকক অতি মৰম কৰে যদিও আজিৰ কথাটো ভাল নাপালে। কলেজৰ তাইৰ লগৰ দুই-একৰ ঘৰলৈ ফোন কৰিলে— নাই কোনেও নাজানে। কথাটো লাহে লাহে কাণ বাগৰি বিয়পি পৰিলে। যেয়ে যেনেকৈ পাৰে খবৰ গোটাবলৈ লাগিল। সঠিক খবৰ কোনেও নাপালে। বহু ৰাতিলৈ একো খবৰ নাপাই অৱশেষত এলবাৰ্ট চৌধুৰীয়ে পুলিচত এখন এফ আই আৰ দিলেগৈ। পিছদিনাই পুৱাই ডিব্ৰুগড়ৰ পৰা এলিচাৰ ভনীয়েক বিলকিছে ফোন কৰিলে— বাইদেউ, আজি পুৱা ৰ'জী ল'ৰা এটাৰ লগত আমাৰ ঘৰ ওলাইছেহি। তাই তোলৈ ফোন কৰিবলৈ মানা কৰিছে। সিহঁতে হেনো কালি ৰেজিষ্ট্ৰেচন কৰিছে। হেল্ল', হেল্ল' বাইদেউ শুনিছনে তই?

এলিচাৰ মূৰটো ঘূৰোৱা যেন লাগিল? তাই লাহেকৈ ফোনটো ক্ৰেডেলত থ'লে। কি কৰে এতিয়া, এলবাৰ্ট খঙাল মানুহ। কোনে ভাবিছিল ছোৱালীয়ে এইখন কৰিব বুলি। নাক-কাণ গ'ল। ৰ'জীয়ে মাক-বাপেকৰ মৰমৰ মূল্য এনেদৰে দিব সেই কথা তাই সপোনতো ভবা নাছিল। এলবাৰ্টে পুৱাৰ চাহকাপ হাতত লৈ পেপাৰ পঢ়ি আছিল। তাৰ পৰাই মূৰ দাঙি সুধিলে—

ঃ কাৰ ফোন এলি?

ঃ ... ... ।

ঃ নামাতা কিয় কাৰ ফোন?

ঃ বিলকিছৰ।

ঃ বিলকিছৰ আকৌ কি হ'ল? তাইক কিবা ক'লা নেকি?

এইবাৰ এলিচাই মনত জোৰ পালে।

ঃ ক'বলৈ আৰু কিটো আছে। তাইহে আচল খবৰটো দিলে।

ঃ কি আচল খবৰ? — এই বুলি এলবাৰ্ট উঠি আহিল।

ঃ ৰ'জী তাইৰ ঘৰ পালেগৈ। লগত এটা ল'ৰা।

ঃ কি ! — এলবাৰ্ট গৰজি উঠিল আৰু বিলকিছলৈ ফোন দাঙিলে— তুমি সিহঁতক একো খবৰ নিদিবা, মই গৈ আছোঁ।

এলবাৰ্ট চৌধুৰীয়ে কাপোৰ সলাই ওলালেই। এলিচাই 'ময়ো যাম' বুলি কাপোৰ-কানি দুটামান বান্ধি ল'লে। সৰু দুজনীক নগাঁৱৰ মোমায়েকৰ ঘৰত থৈ যাবলৈ। নগাঁৱলৈকে গাড়ীৰ স্পীড্ ঠিকেই আছে। নগাঁৱৰ পৰা আৰু চাবলৈ নাই— এলিচাই নেদেখাজনলৈ মূৰ দোঁৱাইছে। এটা বিপদৰে পাৰ পোৱা নাই— আকৌ বিপদ নামাতিবা। গিৰীয়েকে উন্মাদৰ দৰে গাড়ী চলাইছে। ক'তো বৈ এখন্তেক জিৰাওঁ, চাহ একাপ খাওঁ— নাই নহ'ব। তামোল খাই ভালপোৱা মানুহটোৱে কালিৰ পৰা তামোল খাবলৈয়ে পাহৰিলে। ক'ৰবাত কিবা এটা হ'ব— এই এটা ভাব হোৱাত এলিচাই চিঞৰি-চিঞৰি গাড়ী ৰখাবলৈ ক'লে— ৰখোৱা ৰখোৱা। ভোকত মোৰ প্ৰাণ যায়।

ভোক এলাবাৰ্টৰো লাগিছিল। কিন্তু মূৰত হাজাৰটা চিন্তাত সকলো পাহৰি গ'ল। মৰাণহাটত গাড়ী ৰখালে। তাতো সিহঁতে ৰুটি-তৰকাৰী কিবা কিবি খাই ল'লে। তাৰ পিছত আৰু ডিব্ৰুগড় পাবলৈ বেচি সময় নালাগিল। এলাবাৰ্টে প্ৰথমে ডিব্ৰুগড় পুলিচ থানালৈ গ'ল আৰু লগত পুলিচ লৈ বিলকিছৰ— তেওঁৰ খুলশালীয়েকৰ ঘৰত উপস্থিত হ'লগৈ। বিলকিছে তৰ্কিবই নোৱাৰিলে। ভিনিহিয়েক ভিতৰলৈ সোমাই গৈ কোঠাৰ দুৱাৰ বন্ধ কৰি ল'ৰাটোক উৰাই-ঘূৰাই মাৰিলে— গুৰিয়ালে, লঠিয়ালে। দুৱাৰৰ বাহিৰৰ পৰা পুলিচ এছ্ আইজনে চিঞৰি থাকিলে— চৌধুৰী, আমাক গতাই দিয়ক। কি কৰিব লাগে আমি কৰিম।

ৰ'জীয়েও স্থান-কাল পাহৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাই কলপাত কঁপাদি কঁপি উঠিল— আব্বা, তাৰ গাত একো দোষ নাই। মই নিজ ইচ্ছাৰে আহিছোঁ। তাক এৰি দিয়ক আব্বা, মই আপোনাক কাকুতি কৰিছোঁ।

তাইৰ কথা কোনে শুনে? কোনে শুনে তাইৰ বিননি? ওচৰ-চুবুৰীয়াৰে ঘৰ ভৰি পৰিল। ৰ'জীয়ে মাহীয়েক বিলকিছৰ ডিঙিত ধৰি কত অনুনয়-বিনয় কৰিলে— মাহী, তুমি কিয় এনে কৰিলা? ৰাজাকৰ কিবা হ'লে তুমি দায়ী হ'বা। মাহী, তাৰ গাত একো দোষ নাই।

অৱশেষত পুলিচ এছ্ আইজনে চৌধুৰীক ধমক দি উঠিল— চৌধুৰী, আপুনি যদি এনেদৰে আমাক আগত ৰাখি ল'ৰাটোক অত্যাচাৰ কৰে— আমি আপোনাকো বাধ্য হৈ থানালৈ নিব লাগিব।

বোধহয় চৌধুৰীৰো ভাগৰ লাগিল, নহ'লে এছ্ আইৰ কথাষাৰে কাম দিলে। দুৱাৰ খোল খালে আৰু মাটিত বাগৰি পৰি ৰাজাকে কেঁকাই থকা সকলোৱে দেখা পালে। ৰ'জী দৌৰি গৈ তাৰ গাৰ ওপৰতে উবুৰি খাই পৰিলগৈ— চকু মেলা ৰাজাক। চকু মেলা। ৰাজাক-ৰাজাক-ৰাজাক।

বিলকিছৰ সহ্য নহ'ল। তাই ৰ'জীক সাৱটি ধৰি বেলেগ কোঠালৈ লৈ গ'ল। তাই কান্দিয়েই থাকিল— নদীৰ পাৰ ভাঙি বান অহাৰ দৰে তাইৰ চকুৰ পানীয়ে উপস্থিত

সকলোকে দুঃখিত কৰিলে। এলিচা শিল পৰা কপৌৰ দৰে বহাতে বহি থাকিল। তাই ছোৱালীজনীৰ দুখ দেখিও এষাৰো মাতিব পৰা নাই। এলবাৰ্টে ছোৱালীজনীক প্ৰথমৰ পৰাই ল'ৰাৰ দৰে মুকলিমূৰীয়াকৈ ডাঙৰ হ'বলৈ দিছিল— ল'ৰা নোহোৱা ঘৰখনত তাই ল'ৰা হৈ পৰিছিল। তেনেদৰে মুক্তভাৱে ল'ৰা বন্ধুবোৰ আহিছিল, গৈছিল— তাইৰ স্কুটাৰত উঠি কোনোবা ল'ৰা গ'লেও দেউতাকে কোনো আপত্তি কৰা নাছিল। কিন্তু ইমানবোৰ বন্ধুৰ মাজত ৰাজাক নামৰ কোনো ল'ৰাতো কোনোদিনে অহা নাছিল। কোন সেই ৰাজাক?কোন? কাৰ ল'ৰা? কেতিয়াৰ পৰা সিহঁতৰ সম্পৰ্ক?

কিমান বিশ্বাসত তাই এনেদৰে ঘৰ এৰি পলাই আহিব পৰা হ'ল?

সকলো যোৱাৰ পিছত এলিচাই ভিতৰলৈ উঠি গৈ দেখিলেগৈ ৰ'জী কান্দি কান্দি শুই পৰিছে। ৰ'জীৰ টোপনি যোৱা মুখখনত হাত বুলাই তাই কান্দি পেলালে।

ইতিমধ্যে বিলকিছৰ গিৰীয়েক ক'ৰ্টৰ পৰা আহি পাইছিল। তেওঁ অহাত এলিচা কিছু প্ৰকৃতিস্থ হ'ল। চাহৰ টেবুলত তাই উলিয়ালে— তুমিয়েই উপায় এটা দিয়া বদৰ— আমি এতিয়া কি কৰা উচিত?

ডিব্ৰুগড়ৰ প্ৰসিদ্ধ উকিল বদৰুদ্দিন আহমেদ। বায়েকক মিছা সান্ত্বনা দিওতো লাভ নহ'ব। সেয়ে ক'লে— সঁচা কথা ক'বলৈ গ'লে বাইদেউ, ৰাজাক আৰু ৰ'জীক নিকাহ কৰাই দিয়াই ভাল হ'ব।

ইতিমধ্যে ঘৰ আহি পোৱা এলবাৰ্টে গৰজি উঠিল— কি কয় আহমেদ? তেনে এটা পিতৃ পৰিচয়হীন ল'ৰাক মই মোৰ ছোৱালীৰ সৈতে নিকাহ কৰাই দিম ! নাই নাই নহ'ব।

ঃ ওঠৰ বছৰ ওপৰৰ ল'ৰা-ছোৱালীৰ বিবাহ আইনেও বৈধ বুলি ক'ব। তাতে সিহঁতৰ ৰেজিষ্ট্ৰী বিয়া হৈয়ে গৈছে।

ঃ তাক মই জে'লত পঠাম। মই এই কাৰ্য হ'ব নিদিওঁ।

ঃ কিমান দিন বাধা দিব ভিনদেউ? ছমাহ— বছৰেক— তাৰপিছত, তাৰপিছত সি আহি যদি তাৰ বিবাহিতা পত্নীক দাবী কৰেহি, তেতিয়াতো আপুনি বাধ্য হ'ব ৰ'জীক বিয়া দিবলৈ।

ঃ মই ৰ'জীক আনৰ লগত নিকাহ কৰাম। এমেৰিকাত থকা মোৰ বন্ধুৰ ল'ৰা ইফ্‌টিকাৰ আহিছে। সিহঁতৰ ৰ'জীক বৰ পচন্দ হৈছে। মই ভাবিলো তাইৰ পৰীক্ষাটো শেষ হওক। পিচে সেইটোৱেই মোৰ ভুল হ'ল। ডাঙৰ ভুল হ'ল।

এলবাৰ্ট নামৰ খঙাল মানুহটোৱে কান্দি পেলালে। বিলকিছে গিৰীয়েকৰ ফালে মনে মনে থাকিবলৈ ইংগিত কৰি চাহ একাপ আনি ক'লে— খাওক ভিনদেউ, খাওক। আপুনি ইমান ভাগি নপৰিবচোন। কিবা এটা উপায় ওলাব।

উপায় কি ওলাব সকলোৱে জানে। কিন্তু এলবাৰ্টৰ এবাৰ যুঁজিবৰ মন। ইমান

আতোলতোলকৈ ডাঙৰ কৰা ছোৱালীজনী কেনেকৈ দি দিয়ে পিতৃ পৰিচয়হীন এটা ল'ৰাক। এলিচা অলপ ভাবুক প্ৰকৃতিৰ। বিপদত তাই মৌন হৈ পৰা স্বভাৱ। তাইৰ ভিতৰখন উকমুকাই উঠিছে— কিন্তু তাই একো ক'ব পৰা নাই। তাইৰ মনে কাকো সমৰ্থন কৰিব পৰা নাই। নাই জীয়েক ৰ'জীক, নাই এলবাৰ্টক। ৰাজাক, ৰাজাককো তাই সমৰ্থন কৰিব পৰা নাই। দুখুনী মাকৰ একেটি সন্তান— কিদৰে আনৰ মাৰ খাব লগা হৈছে— জে'লত বা আৰু তাৰ কি দুৰৱস্থা হৈছেগৈ। তাইৰ ছোৱালীজনীক ভালপোৱাৰ বাবেই এনে শাস্তি। উস্ আল্লা ! মই কি কৰা উচিত? মোক কিবা এটা পথৰ সন্ধান দিয়া। তাইৰ মনটো ৰাজাক নামৰ আজিলৈকে অচিনাকি ল'ৰাটোৰ ওচৰলৈ উৰা মাৰিলে। তাইৰ তাক মৰম কৰিবৰ মন গৈছে। তাই অস্ফুট স্বৰেৰে স্বগতোক্তি কৰিছে— নাকান্দিবা বাছা, নাকন্দিবা। আল্লাৰ ইচ্ছা থাকিলে তই ৰ'জীক পাবি।

বিলকিছৰ পৰাহে তাই গম পালে ল'ৰাটোৰ এখন কম্পিউটাৰ ট্ৰেইনিং চেণ্টাৰ আছে। তাতে ৰ'জীৰ লগত চিনাকি। হায়াৰ ছেকেণ্ডাৰী পাছ কৰি ঘৰত এনেয়ে শুই-বহি কটাওঁতে লগত প্ৰিয়ংকাহঁতৰ লগত তাই কম্পিউটাৰ শিকিছিল কিছুদিন। দেউতাকেই উৎসাহ দিছিল সেইবোৰ কৰিবলৈ। অৱশ্যে ৰ'জী ৰন্ধা-বঢ়াতো পাকৈত। কি সুন্দৰ পোলাও, চিকেন বিৰিয়ানি ৰান্ধে, ঈদত বঢ়িয়াকৈ কেশৰ আদি দি চেৱৈ ৰান্ধে— সকলোৱে প্ৰশংসা কৰে। ৰ'জীতকৈ বহুত সৰু যঁজা ভনীয়েক দুজনীৰ বাবে মাকে ৰ'জীৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হৈছে। অৱশ্যে সিহঁত দুজনী ডাঙৰ হৈ অহাত ৰ'জীয়ে পঢ়া-শুনাত মনোযোগ দিবলৈ সুযোগ পালে। ছোৱালীজনী সুন্দৰী হোৱাৰ লগতে বৰ মিঠামুখীয়া। সকলোৱে তাইক ভাল পায় এই কাৰণেই। এলিচাৰ চকুত ৰাজাকো সুদৰ্শন। দীৰ্ঘদেহী সুন্দৰ স্বাস্থ্যৰ। আটাইতকৈ ডাঙৰ গুণটো তাৰ সি নীৰৱে সকলো সহ্য কৰিব পাৰে। ৰাতি সিদিনা এলিচা আৰু বিলকিছ একেলগে শোলে। ৰ'জীৰ টোপনি যোৱাত বিলকিছে মাতিলে— বাই।

ঃ হুঁ।

ঃ ল'ৰাটো আমাৰ ৰ'জীৰ লগত বৰ মিলিব।

ঃ কোন?

ঃ ৰাজাক।

ঃ জানো আল্লাইহে জানে। ভিনিহিয়েৰৰ যিহে খং মোৰ নাম উচ্চাৰণ কৰিবলৈকে বয় লাগিছে।

ঃ তাক মই আজি দিনটোহে লগ পাইছোঁ। কিন্তু তাৰ প্ৰকৃতিটো বৰ শান্ত। ইমান শান্ত-শিষ্ট ল'ৰা এটা পোৱাটোও ভাগ্যহে বুইছ। আজি বছৰে ক'টলৈ যোৱাৰ পিছত কি কৈছে সি জানে?

ঃ কি কৈছে?

ঃ মাহী, মই ৰ'জীক নাপালে মৰি যাম। আপুনি কিবা এটা কৰক। মোৰ সাধ্যৰে মই ৰ'জীক সুখ দিবৰ চেষ্টা কৰিম। আপুনি আমাক সহায় কৰক, মাহী। তাৰ কথা শুনি মোৰ বৰ অপৰাধবোধ হৈছিল। কিয়নো যাক সিহঁতে আশ্রয় বুলি ভাবিছিল, সেইজনী ময়েই সিহঁতে গম নোপোৱাকৈ বিপদক আহ্বান কৰিছিলো— তহঁতক খবৰ দিছিলো, উস্ !

ঃ শুই থাক। কালিলৈ পুৱাই আকৌ গুৱাহাটীলৈ যাবগৈ লাগিব।

ঃ তই ভিনদেউক বুজাবি বাই। সিহঁতক নিকাহ কৰি দিবি।

মোৰ সাধ্যৰ বাহিৰত সেইবোৰ। মই এক বন্দী পক্ষী। আকাশলৈ চাই ছট্‌ফটোৱাৰ বাহিৰে মোৰ আৰু উপায় নাই— কথা পাতি পাতি দুই বায়েক ভনীয়েকৰ কেতিয়াযে টোপনি গ'ল ক'বই নোৱাৰিলে।

মেঘৰ মাজৰ পৰা শুকুলা ঘোঁৰাত সি আহিছে। শুকুলা কাপোৰেৰে ৰাজাককো তাইৰ কোনোবা অচিন দেশৰ ৰাজকুমাৰ যেন লাগিছে।

ঃ ৰ'জী, ৰ'জী উঠা।

কোনে মাতিছে সেই মাত ! ইমান চিনাকি ৰ'জীয়ে ধৰিব পৰা নাই— মাতটো ক'ৰ পৰা আহিছে?

ঃ কোন তুমি?

ঃ ৰাজাক।

ঃ তুমি আহিছা ৰাজাক? মোক বন্দীশালৰ পৰা মুক্তি দিব পাৰিবা ৰাজাক?

ঃ পাৰিম, এয়া চোৱা মোৰ হাতত থকা যাদুৰ কাঠীৰে মই তোমাক মুক্ত কৰি দিলো।

ৰ'জী সাৰ পাই উঠিল। ইতিমধ্যে পুৱাৰ আজান ভাহি আহিছে। তাই বাস্তৱলৈ উভতি আহিহে গম পালে— তাই সেয়া সপোনহে দেখিছিল। তাই যেকুৰি উঠিল।

এঘাৰ

গুৱাহাটীলৈ আহিয়েই এলবাৰ্টে সপৰিয়ালে উৰা মাৰিলে গোৱা আৰু উটিলৈ বুলি। প্ৰায় পোন্ধৰ দিন প্ৰকৃতিৰ সেই ৰম্যভূমিত সিহঁতে অনেক স্ফূৰ্তিৰেই পাৰ কৰিলে। ৰ'জীৰ ভনীয়েক ফাৰহানা আৰু চাজিদাই সাগৰৰ পানীত দেউতাকৰ লগত বেছ আনন্দত কটালে। এলিচাৰ পানীলৈ ভয়— তাই পাৰত বহি চাই থাকিল সেই অপূৰ্ব দৃশ্য। কিন্তু ৰ'জী ছোৱালীজনী— সকলোৰে মাজত থাকিও বৰ অকলশৰীয়া হৈ

গ'ল। মাক-দেউতাকৰ অলক্ষিতে তাই বহুবাৰ চেষ্টা কৰিও ৰাজাকৰ লগত কথা পাতিব পৰা নাই। মাথোঁ এটা খবৰ পালে বিলকিছ মাহীয়েকৰ পৰা যে ৰাজাকক তাৰ মোমায়েকে বেইলত লৈ ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ লৈ গ'ল। তাই গুৱাহাটীলৈ যোৱাৰ দিন গণিলে। গুৱাহাটীলৈ গ'লেই কিবা এটা কৰিব লাগিব। তাই এইবাৰ কাৰো সহায় নোলোৱাকৈয়ে ৰাজাকক নিজৰ কৰি ল'ব।

সিহঁত এইবাৰ ৰে'লেৰে ঘূৰিল। ঘৰলৈ অহাৰ পিছত মাকে তাইক বন্দী কৰি ৰখাৰ দৰে ৰাখিলে। তাইক এৰি থৈ বাথৰুমলৈও নাযায়। প্ৰীতিৰেখাহঁত এদিন গৈছিল। এলিচাই দুখতে কান্দি পেলালে।

ঃ কি কৰিবা প্ৰীতি, আমাৰ ভাগ্যই বেয়া। ইমান নাক-কাণ যোৱা কাম এটা ৰ'জীয়ে কৰিব বুলি আমিতো ভবাই নাছিলো।

প্ৰীতিয়ে কথাটো সলাই সুধিলে— এতিয়া কি কৰিম বুলি ভাবিছে?

ঃ ইফ্‌টিকাৰ অহালৈ বাট চাই আছোঁ।

ঃ কোন ইফ্‌টিকাৰ?

ঃ এওঁৰ বন্ধুৰ ল'ৰা। আমেৰিকাত থাকে। ছফ্‌ট্‌বেৰৰ বিৰাট ব্যৱসায়। নিজে এজন ইঞ্জিনীয়াৰো।

ঃ ৰ'জীয়ে কি কয়? তাইৰচোন পঢ়া-শুনা বন্ধ কৰি দিলে !

ঃ নালাগে আৰু পঢ়িব। কিবাকৈ নিকাহ কৰি আমেৰিকালৈ পঠাই দিব পাৰিলেই মই বাচোঁ, বুজিছা।

ঃ সেইটো বাৰু বুজিলোঁ। পিচে ৰ'জীয়ে যদি সকলো কথা ল'ৰাজনক কৈ দিয়ে? তাতে তাই হেনো ৰেজিষ্ট্ৰেচন বিবাহ কৰাইছে ইতিমধ্যে।

ঃ মই একো চিন্তাই কৰিব পৰা নাই। এলবাৰ্টে কি ভাবিছে— কি কৰিবলৈ ওলাইছে মই নাজানো।

ঃ বাইদেউ, মইনো কি ক'ম? তথাপি কওঁ এজনৰ লগত বিয়া হোৱাৰ পিছত আকৌ আন এজনৰ লগত— এইটো আইনমতে দোষণীয়।

ঃ আইনৰ কথাটো পিছত। তাইকে সৈমান কৰাব পৰা নাই। মই আৰু হাৰি গৈছোঁ প্ৰীতি, মই নোৱৰা হৈছোঁ চিন্তা কৰিব।

হঠাৎ এদিন ৰ'জী নাইকিয়া হ'ল। মাক-দেউতাকৰ বাবে চিঠি এখন এৰি থৈ গ'ল— "মোক আৰু নিবিচাৰিবা। মই ৰাজাকক ঠগিব নোৱাৰোঁ। সেয়ে মই আহিলোঁ। পাৰা যদি ক্ষমা কৰি দিবা।"— ৰ'জী।

এইবাৰ এলবাৰ্টে আৰু কোনো বিচাৰ-খোঁচাৰ নকৰিলে। 'য'ত মৰে মৰক' এনে এক ভাবেৰে কথাটো আঁতৰাই থ'লে। কিন্তু এলবাৰ্টে মৰমৰ জীয়েকৰ বাবে ভিতৰি ভিতৰি ভাগি পৰিল। আগৰ দৰে কাম-কাজৰ প্ৰতি মনোযোগ নাইকিয়া হ'ল—

মানুহটোৰ যেন বহু বছৰ বয়স আগুৱাই গুচি গ'ল। আগতে ক্লাবত গৈ হৈ-হাল্লা কৰি তাচ আদি খেলিছিল— আজিকালি সৰু দুজনীক লৈ ঘৰতে থাকে। এলবার্টে নিজকে দোষী কৰিলে— ছোৱালীজনীক সকলো সুবিধা দি সিয়েই বেপৰোৱা কৰিলে, কিন্তু তাইক উচিত-অনুচিত, ভাল-বেয়াৰ বিচাৰ কৰাবলৈ নিশিকালে, যাৰ পৰিণাম আজি ভুগিব লগা হ'ল।

বাৰ

ওচৰা-উচৰিকৈ দুটা মৃত্যুৰ খবৰে ল'ৰা-ছোৱালীবোৰৰ মনত এক ভয়ৰ সৃষ্টি কৰিছে। লতিকাৰ অকণামনি ছোৱালীজনীয়েও মাকক ভূতৰ কাহিনী ক'বলৈ ধৰিছে। লতিকাই কত বুজালে— এইবোৰ চব মিছা। তাই নামানে। সকলোৰে ঘৰে ঘৰে ল'ৰা-ছোৱালীবোৰ আজিকালি সন্ধিয়া নৌহওঁতেই ঘৰ সোমায়।

আবেলি খেল-পথাৰৰ পৰা তুলিকা আহি মাকক ক'লেহি— মা মা, দুৱাৰ মাৰি থোৱা। ভূত আহিব। লতিকাই বুজাই-বঢ়ায়ো জীয়েকক সৈমান কৰাব নোৱৰা হ'ল।

ৰণিতৰ মাক সেউতী শইকীয়ায়েও ল'ৰাক বুজাব নোৱৰা হ'ল। ঘৰৰ ভিতৰতে এখোজো ইফালৰপৰা সিফাললৈ নোযোৱা হ'ল।

ঃ মা, ইমান ভাল নচা কিশোৰ দাদা কিয় মৰি থাকিল মা, আমাৰ লগত প্ৰীতম, শান্তনুহঁতে কি কৈছে জানা— কিশোৰ দাদাই যে বিশ্বকর্মা পূজাৰ ফাংচনত নাচিব ধৰোঁতে লাইট অফ হৈ গ'ল— সেয়ে বোলে সি এতিয়া ৰাতি ৰাতি নাচি থাকে চাৰিআলিত।

ঃ মৰাৰ পিছত আৰু কোনো নাহে সোণ।

ৰণিতে নামানে— ইছ তুমি মিছা কৈছা মা। ডিঙিত ফাচ লাগি মৰা মানুহবোৰ বোলে ভূত হৈ ঘূৰি ফুৰে।

কিশোৰ সিঙে আত্মহত্যা কৰিলে। ল'ৰাটো কথাই-বতৰাই, পঢ়াই-শুনাই সকলোতে ভাল। তাতে সি আৰু ভনীয়েকে ভাল নাচেও। নটৰাজৰ নৃত্য কৰা কিশোৰৰ সেই ৰূপ ক'লনিৰ কোনোৱে পাহৰিব পৰা নাই। ল'ৰাটো বৰ অমায়িক। যদিও তাৰ দেউতাক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথাপি নাচ-গানৰ কাৰণেই সকলোৱে তাৰ ঘৰলৈ যায়। আধুনিক নৃত্যৰ বিভিন্ন মুদ্ৰা সকলোৱে শিকে। সিও সৰুবোৰক বৰ মৰমেৰে শিকায়।

কলেজত এদুপ'লজিৰ ক্লাছটো কৰাৰ পিছৰ পৰা তাৰ মন বেয়া। ক্লাছটো কৰাৰ পিছতে আহি কোনোবা এটাই ক'লেহি— ঐ কিশোৰ, বিমলিৰ বোলে বিয়া।

সি কথাটোত বিশেষ গুৰুত্ব নিদিলে। লগৰ অজয় এটা ফাকি-ফুকাকৈ ফুৰা ল'ৰা।

তাৰ কথাত সি পাত্তাই নিদিলে। কিন্তু নীলিমে আহি যেতিয়া ক'লেহি যে ৰিম্‌লিৰ ৰিং ছেৰিমনি হৈ গ'ল তেতিয়া আৰু তাৰ বুজিবলৈ বাকী নাথাকিল যে কিছু দিনৰ পৰা বিভিন্ন অজুহাতত তাক এৰাই চলা ৰিম্‌লি সঁচাই তাৰ জীৱনৰ পৰা আঁতৰি গ'ল।

বৰ ছেন্টিমেণ্টেল সি। বৰ অলপতে ভাগি পৰে সি। কথাষাৰ সি মানি ল'ব পৰা নাই। সি কান্দিছে— নীলিমৰ হাতত ধৰি হুক্‌হুকাই কান্দিব ধৰিছে। কি কৰে— কি কৰা উচিত। ৰিম্‌লিক এবাৰ লগ ধৰিব পৰা হ'লে। সি নীলিমৰ লগত ক্লাছৰ পৰা বাহিৰে বাহিৰে ৰিম্‌লিৰ ঘৰলৈ ওলাল।

বহু সময় বহিল সিহঁত। ৰিম্‌লিৰ মাক-দেউতাকৰ লগত কথা পাতিলে। ৰিম্‌লিৰ লগৰ ল'ৰা বুলি আদৰ-সাদৰকৈ চাহ-জলপানো খুৱালে। কিন্তু ৰিম্‌লিকহে লগ নাপালে। ভাবী ইঞ্জিনীয়াৰ স্বামীৰ লগত বিয়াৰ বজাৰ কৰিবলৈ গৈছে।

সিহঁত বিমুখ হৈ উভতি আহিল। কিশোৰে আন্ধাৰ দেখিলে চৌপাশ। সাধাৰণ পিয়নৰ চাকৰি কৰা দেউতাকে চাৰিটা ল'ৰা-ছোৱালী কি কষ্টেৰে পঢ়ুৱাইছে— সিহঁতৰ টনা-আঁজোৰা সংসাৰ, এইবোৰৰ কথা ৰিম্‌লিয়ে বৰ ভালকৈ জানে। জানে, তাৰ বাবে ঘৰখনে কিদৰে বাট চাই আছে।

কলেজৰ ডান্স কম্পিটিচনত প্ৰথম ৰিম্‌লিক লগ পাইছিল। একক নৃত্য প্ৰতিযোগিতাত সেইবাৰ কিশোৰ সিং প্ৰথম হৈছিল আৰু দ্বিতীয় হৈছিল ৰিম্‌লি। দুয়োজনৰ একে বিষয়ত ৰাপ— ওচৰ চাপি আহিছিল সিহঁত। বৰ ওচৰ চাপি আহিছিল। সিহঁত দুয়ো যেন অনুভৱ কৰিছিল সিহঁতৰ পথ এটাই। ৰিম্‌লিৰ উপস্থিতিয়ে তাৰ জীৱন সুন্দৰ কৰি তুলিছিল। ৰিম্‌লি— ৰিম্‌লি— ৰিম্‌লি। কলেজ কেণ্টিনত, লাইব্ৰেৰীত, বাৰাণ্ডাত, ক্লাছত সকলোতে ৰিম্‌লিয়ে এনেদৰে আবৰি ৰাখিছিল। সি ভবা নাছিল যে ৰিম্‌লি এনেদৰে গুচি যাব।

বুকুৰ ভিতৰৰ খহনীয়া সি কাকো নক'লে। কেৱল নীলিমে জানিলে। সদায় অহাৰ দৰে ঘৰলৈ আহিল। মাকক ৰন্ধা-বঢ়াত মাজে মাজে সহায় কৰি দিয়া কিশোৰে সিদিনা বৰ সুন্দৰকৈ মাংস ৰান্ধিলে— সকলোৱে হাঁহি-স্ফূৰ্তিকৈ খালে। সময়ত সকলো একেলগে বিছনাতো পৰিল। কিন্তু সকলো শোৱাৰ পিছতো শোব নোৱাৰিলে সি। শেষ ৰাতি সি কিবা এটা সিদ্ধান্ত লৈ পেলালে।

ক'লনিখনত খোজকঢ়াৰ সুবিধাৰ বাবে ওচৰ-পাজৰৰ বহু মানুহ ক'লনিত ফুৰিবলৈ আহে। সিদিনাও আহিছিল। হঠাৎ এগৰাকী মানুহে জোপোহা গছ এজোপাত বগা কিবা এটা দেখি চিঞৰি উঠিল। সাৰ পাই উঠিল সকলো। কিহৰ চিঞৰ, কি কথা— কোনো শোব নোৱাৰিলে। ধহ্মহাই সকলো উঠি আহি ৰাস্তা পালেহি। ইতিমধ্যে কোনোবা কেইজনমানে সাহস কৰি ওচৰলৈ গৈ দেখা পালে— সেইটো আন নহয়— কিশোৰ সিং। নাচ-গান ভালপোৱা কিশোৰ সিং— নটৰাজৰ নৃত্য কৰি সকলোৰে মন জয় কৰা

কিশোৰ সিং।

এই ঘটনাই ক'লনিখনত শোকৰ ছাঁ পেলালে। ল'ৰা-ছোৱালীবোৰৰ মনত ত্ৰাসৰ সৃষ্টি কৰিলে। ভূতৰ ভয়ত সিহঁতবোৰৰ মাজত নানা মুখৰোচক কাহিনী ওলাবলৈ ধৰিলে। মাকবোৰৰ মনত চিন্তা হ'ল— কিদৰে সিহঁতৰ মাজৰ পৰা ভয় আঁতৰাব পাৰি।

দিদি ফোঁপাই-জোপাই আহিছে। আহিয়েই হুলস্থূল— বাইদেউ, বাইদেউ কি যে ডাঙৰ ঘটনা। — প্ৰীতিৰেখাই পলমকৈ অহা কাম কৰা মানুহজনীক কিবা এষাৰ ক'ম বুলি মুখ মেলোঁতেই তাই হুলস্থূল লগালে।

ঃ বাইদেউ, সৌফালে চাওকচোন। দুটা মানুহ ওলমি আছে। ফাঁচ লাগি।

ঃ ক'ত অ'? কি অদ্ভুত কথাবোৰ ক'ব।

সপোন ইতিমধ্যে ক্লাছলৈ গ'ল। বিপুলেও অফিচলৈ যাবলৈ ওলাইছে। তাই প্ৰথমে কথাটো আওকাণ কৰিছিল। দিদি মানুহজনী ঘামি-জামি বহুসময় ধৰি বহি ৰ'ল। বিপুলক ভাত-পানী খুৱাই অলপ আজৰি হৈহে তাই দিদিৰ কথাটো শুনিলে। দিদিয়ে যিফালে আঙুলিয়াই দেখুৱালে। সেইফালে চাই দেখা পালে— ক'লনিৰ পৰা কিছু আঁতৰত আধা সজা কিছুমান ঘৰ আছে, তাতে দুটা মৰা শ ওলমি আছে। ওচৰত চৌপাশে মানুহে বেঢ়ি ধৰিছে।

প্ৰীতিৰেখাই ঠিক ধৰিব পৰা নাই। পুলিচো আহিছে বোধহয়। দিদিৰ ভাষ্যৰ পৰা গম পালে— ওচৰৰ কাৰ্বি গাঁওখনৰ দুঘৰৰ দুজন বিবাহিত পুৰুষ-মহিলা। পৰকীয়া প্ৰেমৰ পৰিণতিত আত্মহত্যা— নে তিৰোতাজনীক ফাঁচ লগাই কোনোবাই ওলমাই গ'ল । গিৰীয়েকেও হ'ব পাৰে। সেই ঠাইত মানুহৰ বসতি কম।

মৰাশ দুটা বতাহত দুলি আছে। পুৱা গৈ দুপৰীয়া হ'ল। প্ৰায় আবেলিপৰত মেজিষ্ট্ৰেটৰ সমুখত সিহঁতৰ ডিঙিৰ ৰছী কটা হ'ল । নাই তেতিয়ালৈ কোনেও চমজি নল'লে সিহঁতক। স্বৰ্গৰথ আহিল— ছুইপাৰ কেইটামান আহিল। এটা সময়ত সকলো নীৰৱ হৈ পৰিল। কিন্তু স্কুল-কলেজৰ পৰা ল'ৰা-ছোৱালীবোৰ ঘূৰি আহি কথাটো শুনি আকৌ ভয়ত ত্ৰস্তমান হ'ল। ডাঙৰবোৰৰো মনবোৰ কেনেবা-কেনেবা লাগিল। চৌপাশে যেন মৃত্যুৰ ছাঁই আবৰি ধৰিলে।

মানুহখিনি এদিন গোট খালে— কি কৰা যায়? ৰাজহুৱা নামঘৰত নাম এভাগৰে আয়োজন কৰিলে কেনে হয়?— সকলোৱে হয়ভৰ দিলে। প্ৰীতিৰেখাহঁতেও সেয়ে যেনেকৈ পাৰে দান-বৰঙণি তুলি বন্ধ দিন এটাত নামভাগৰ আয়োজন কৰিলে।

দুই-এক আহি সৰ্বধৰ্ম প্ৰাৰ্থনাৰ কথাও ক'লে। এদিন সেয়াও হ'ল। মৃত্যু সকলোৰে বাবে অৱশ্যম্ভাবী। সকলোৱে জানে। জন্মৰ পিছৰ পৰাই লাগি আছে মৃত্যুৰ ছায়াছবি। কিন্তু তথাপি মানুহে সুখেৰে জীয়াই থাকিব বিচাৰে— শান্তি বিচাৰে। দুদিনীয়া পৃথিৱীত

অলপ শান্তিৰ বাবেই মানুহৰ অনন্ত হাবিয়াস।

ভয় আৰু ত্ৰাসৰ পৰা ল'ৰা-ছোৱালীবোৰ মুক্ত হৈছিল। সিহঁতে আকৌ খেলিছিল, আকৌ হাঁহিছিল— পাহৰি গৈছিল সকলো বেয়া ছবি। ক'লনিখনলৈ আনন্দৰ স্ৰোত বৈছিল। মানুহবোৰৰ মিলা-প্ৰীতি, ল'ৰা-ছোৱালীবোৰৰ আপোন ভাব— সকলোবোৰ যেন এখন ঘৰৰ মানুহ। প্ৰত্যেকৰ ঘৰৰ আনন্দৰ খবৰবোৰ ভাগ কৰি লৈ সকলোৱে সেই আনন্দত ভাগ লৈছিল। লতিকাৰ কণমানিজনীয়েও আজিকালি ভূতৰ কথা নকয়। পাহৰি গৈছে— পাহৰি গৈছে সকলোৱে সেই দুখৰ সময়।

তেৰ

দোকানৰ জাপ খুলিবলৈ গৈ ৰীমা থমকি ৰ'ল। অন্য দিনা হ'লে এই সময়ত নীলু যাদব আৰু তাৰ ঘৈণীয়েকক তাই অহা দেখা পালেই আগবাঢ়ি আহি জাপ খোলাত সহায় কৰি দিয়েহি। 'কিবা কাৰণত ক'ৰবালৈ যাবও পাৰে', 'নহ'লে কিবা কামত ব্যস্ত থাকিব পাৰে'— এনে ভাবি ৰীমাই দোকানৰ জাপ অকলেই খুলিলে। সদায় কৰাৰ দৰে দোকানৰ বস্তুবোৰৰ ওপৰেৰে ব্ৰাছডাল বুলাই ধূলি-মাকতি গুচাই ল'লে। তাৰ পিছত ধূপ জ্বলালে। এতিয়াহে তাই পিছফাললৈ ওলাই যাব পৰা দুৱাৰখন খুলিলে।

দুৱাৰখন খোলাৰ লগে লগে নীলু-যাদৱৰ কোঠাৰ বন্ধ দুৱাৰত তাইৰ চকু নিবদ্ধ হ'ল। নীলু নীলু— নাই কাৰো সাৰ-সিকতি নাই। তাই লাহেকৈ দুৱাৰখন হেঁচুকি দিলে। এনেতে দোকানৰ বাহিৰত কাৰোবাৰ মাত শুনি দুৱাৰখন কানি-দুৱৰী অৱস্থাতে এৰি তাই ওলাই আহিল।

ঃ অ' বাব্‌লু। কি লাগে?

ঃ চিপ্‌চ্‌ দুপেকেট।

বাবলুৰ লগত অহা আনটো ল'ৰাই ক'লে— কেক্‌ডব্যেৰী চক্‌লেট এটা। সিহঁতবোৰ গ'লগৈ। স্কুলৰ সময়— সেয়ে খৰধৰ। ইতিমধ্যে সীমা আহি 'নীলু', 'নীলু'কৈ পিছফাল পালেগৈ। হঠাৎ তাই চিঞৰি উঠিল— বাইদেউ, ৰীমা বাইদেউ। চাহিচোন।

ঃ কি? — বুলি উধাতু খাই ৰীমা পিছফাল পালেগৈ। নীলু, যাদৱ আৰু ঘৈণীয়েক বিছনাত শুই আছে আৰু তেজৰ ডোঙা এটা বৈ আহিছে। দুয়োজনী ছোৱালী হতচকিত হৈ চিঞৰি উঠিল। ওচৰে-পাঁজৰে থকা মানুহখিনি চিঞৰ-বাখৰত ওচৰ-চাপি আহিল। কোনোবাই পুলিচলৈ খবৰ দিলে। ইতিমধ্যে খবৰ পাই, ভিনিহিয়েকো গৈ পালে।

পুলিচে নানা ধৰণৰ সোধা-পোছা কৰাৰ পিছত ভিনিহিয়েকক আৰু কেইটামান

কথা সুধিবলৈ আছে বুলি থানালৈ লৈ গ'ল। ৰীমা আৰু সীমাই য'ৰ দোকান ত'তে এৰি থানা পালেগৈ। কোনেও ঘটনাৰ আকস্মিকতাত উবাদিহ বিচাৰি পোৱা নাই। মাটিৰ মালিক আৰু দোকানৰ মালিক ত্ৰিদিব গগৈলৈ খবৰ পঠালে। তেওঁ এতিয়া যোৰহাটত। এসপ্তাহৰ আগতে ৰীমাৰ বিয়া খায়েই তেখেত যোৰহাটলৈ গ'ল।

পুলিচে সোধা-পোছা কৰাৰ বাবে নি ৰীমা আৰু সীমাৰ ভিনিহিয়েককে লকআপত ৰাখি থ'লে। বায়েক লীমাই খবৰেই পোৱা নাই।

ৰীমাৰ মনটো কেনেবা লাগিছে। ভিনিহিয়েকক মিছাই অভিযুক্ত কৰিছে। তাই সীমাক লীমাৰ ওচৰলৈ পঠাই নিজে তাই গিৰীয়েকক লগ ধৰিবলৈ আহিল। ঘৰত গিৰীয়েক নাই— বিজিনেছৰ কামত নলবাৰীলৈ গ'ল। তাই শাহুৰেকক কথাটো নোকোৱাই ভাল হ'ব বুলি ঠিক কৰিলে আৰু "লীমা বাইদেউৰ ঘৰৰ পৰা আহোঁ" বুলি লীমাৰ কোৱাৰ্টাৰলৈ আহিল। এইখন কলেজলৈ ভিনিহিয়েক দীপক দুৱৰা থাকিবলৈ অহাৰ পৰা লীমায়ে গাঁৱত থকা ভনীয়েক ৰীমা আৰু সীমাক লগত ৰাখিবলৈ লৈ আহিল। প্ৰত্যেকজনীয়েই পঢ়া-শুনাত ভাল আছিল— দেখাই-শুনায়ো ভাল। পিচে চাকৰি-বাকৰিহে হোৱা নাই।

হঠাৎ এদিন বান্ধৱী এজনীৰ ঘৰত ৰীমাৰ ত্ৰিদিব গগৈ নামৰ মানুহজনৰ লগত চিনাকি হ'ল। মানুহজন উজনিৰ। আদহীয়া মানুহ। প্ৰথমে তাই কথা-বতৰাত মুগ্ধ হ'ল আৰু ধনী ত্ৰিদিব গগৈৰ হাতখোলা, খৰচী স্বভাৱে সকলোকে আকৰ্ষণ কৰাৰ দৰে তাইকো কৰিলে। সদায় নতুন নতুন গাড়ী আহি দীপক দুৱৰাৰ ঘৰৰ সন্মুখত থিয় হৈ থকা হ'ল। লাহে লাহে ক'লনিত ই মুখৰোচক কথা হৈ পৰিল। কিন্তু প্ৰকৃতাৰ্থতে মানুহে ভবাৰ দৰে ৰীমাৰ একো হোৱা নাছিল। ত্ৰিদিব গগৈ ব্যৱসায়ী, চাহ বাগিচা, পেট্ৰ'ল পাম্প আৰু বহুত কিবা-কিবি আছে। ইমান টকা-পইছা থকাৰ পিছতো ল'ৰা-ছোৱালী নাই। ঘৈণীয়েক অসুখীয়া। ৰীমাক তেওঁ নিজৰ জীয়েকৰ দৰে মৰম কৰে। এসপ্তাহৰ আগতে হৈ যোৱা ৰীমাক বিয়াৰ পাৰ্টিতো গগৈয়ে এৰেঞ্জ কৰি দিয়া বুলিবই পাৰি।

গগৈৰ মাটি-সম্পত্তিও বহুত। বশিষ্ঠৰ হাইৱে'ৰ কাষতে থকা এই মাটিখিনিৰ ৰখীয়া কৰি নীলু যাদৱ আৰু ঘৈণীয়েকক তেৱেঁই ৰাখিছিল। হাইৱে'ৰ কাষৰ দোকান-পোহাৰবোৰ হোৱা দেখি ৰীমায়ে এদিন গগৈক দোকান এখনৰ প্ৰস্তাৱ দিলে। দোকানখনৰ ঘৰটো সাজি দিলে তাই দোকানখন পতাৰ বাবে গাঁৱৰ ঘৰৰ পৰা দেউতাকক কৈ কিছু টকা-পইছা আনি। কিন্তু ত্ৰিদিব গগৈয়ে প্ৰায় পঞ্চাছ হাজাৰমান টকাৰ বস্তু-পাতি দি দোকান পাতিয়ে দিলে।

: হ'ব ৰীমা, তুমি মোক লাভৰ পৰা মূলখিনি লাহে লাহে দি থাকিবা।

ঃ হ'ব। — তাই বিশেষ ভাবিব নুখুজিলে। তাই লাভ-লোকচানৰ কথা ভবা নাই। এটা এন্‌গেজ্‌মেণ্ট— তাতকৈ তাই ভবা নাই। চাকৰি এটা তাইক নলগা নহয়। কিন্তু ব্যৱসায় তাইৰ দ্বাৰা নহ'ব।

এনেদৰেই এম এ পাছ কৰি বহি থকা ৰীমা ব্যৱসায়ী হৈ পৰিছিল। বায়েক লীমাৰ ছোৱালীজনীও ওচৰৰ স্কুলখনতে পঢ়ে। তাকে ছুটীত আনিবলৈও সুবিধা হৈছে। সীমায়ে তাইক সহায় কৰে। দুয়োজনীয়ে দোকানত বহি হয় হাতৰ কাম বা শীতত উণৰ কাম কৰি নানা কথা-বতৰা পাতি কটায়। সীমাৰ কিতাপ পঢ়াৰ আগ্ৰহ— তাই অৱশ্যে বেছিভাগ সময় কিতাপ পঢ়ি কটায়। নীলু যাদৱৰ ঘৈণীয়েকে সিহঁতক কেতিয়াবা টাহ যাচে।

দীপক দুবৰা এৰেষ্ট হ'ল। পিছদিনাৰ দৈনিক বাতৰি কাকতত হত্যাকাণ্ডৰ আঁৰত নায়কৰ ৰূপত সজালে দুবৰাক। লীমা মৰা যেন হ'ল। তাইতো বেচেৰীয়ে একো উবা-দিহেই পোৱা নাই। বহুতে বহুত কথা সুধিছে— বহু ধৰণৰ প্ৰশ্ন কৰিছে। কিন্তু তাই একো কথা ক'ব পৰা নাই। তাই নীলু যাদৱৰ নামহে শুনিছে, দেখাও নাই। আৰু দীপক— তাইৰ গিৰীয়েক যোৱা এসপ্তাহ ঘৰতে আছে বুলিয়ে ক'ব পাৰি। ৰীমাৰ বিয়াৰ পিছত সিহঁতৰ ঘৰখনত এটা নহয় এটা অসুখ লাগিয়েই আছে।

আবেলি তাই সীমা আৰু ৰীমাৰ লগত থানালৈ ওলাল। দীপকক ল'কআপত দেখি তাই হুৰাও-ৰাৱে কান্দিব ধৰিলে।

ঃ এইবোৰ কি হ'ল? কি হ'ল দীপক? কোনে মাৰিলে নীলুক? আমাৰ কি হ'ব? কি হ'ব আমাৰ?

কোনেও বুজাব পৰা নাই। তাই কান্দিয়েই আছে। কান্দি কান্দি ভাগৰি পৰিছে। দীপকেও যেন জিনক প্ৰকৃতিস্থ কৰি লৈছে।

ঃ সীমা, বায়েৰাক ঘৰলৈ লৈ যোৱা।? ৰীমাও নিজৰ ঘৰলৈ যাওকচোন।

ঃ তোমাক এনেকৈ এৰি থৈ মই ঘৰলৈ নাযাওঁ দীপক।— লীমাই আকৌ কান্দিবলৈ আৰম্ভ কৰিলে।

ঃ তুমি যোৱা। ছোৱালীজনীক কাৰ ঘৰত থৈ আহিছা?

ঃ সেউতী শইকীয়াৰ ঘৰত।

ঃ তাইক এইবোৰ নজনাবা। সোধা-পোছাৰ নামত কিমান দিন বা লগায়। তেনেতে ৰীমাৰ গিৰীয়েক আহি পালেহি নলবাৰীৰ পৰা।

ঃ কি হ'ল ভিনদেউ? এইবোৰ কি হ'ল? ৰ'ব, মই পুলিচ এছ আইৰ লগত কথা পাতি আহোঁ।

কিন্তু যি উৎসাহেৰে তেওঁ গৈছিল তাৰ দুগুণে বেজাৰেৰে উভতি আহিল। তেওঁ

খৰখেদাকৈ লীমাহঁতক অ'টো এখন ধৰি দিলে। "মই আছোঁ নহয়, বাইদেউ চিন্তা নকৰিব।" লীমা আৰু সীমা গ'লগৈ। দীপক দুৱৰাই জানিলে" ঘটনাৰ তদন্ত নোহোৱালৈকে তেওঁ পুলিচ ল'ক্‌আপতে থাকিব লাগিব। ৰীমাৰো কথাটো শুনি বৰ দুখ লাগিল। তাইৰ দুগালেদি টোপ টোপ চকুলো সৰি আহিল।

তদন্ত চলোতে চলোতে তিনিমাহ পাৰ হৈ গ'ল। দেউতাকৰ কথা সুধি সুধি তাই লীমাক বৰকৈ আমনি কৰিবলৈ ধৰিছে। কি ক'ব তাই? কিমান ফাকি দিব? সীমাই তাইক মৰমেৰে কোলাত লৈ সাধু কয়। জোনৰ কথা, তৰাৰ কথা— তাই সেইবোৰ শুনি শুনি টোপনি যায়। টিক্‌লিজনী স্কুলত থাকোঁতেই সিহঁত দুজনী দীপকৰ ওচৰলৈ যায়। ৰীমাৰ গিৰীয়েকে কেইবাজনো উকিলৰ লগতো কথা পাতিছে।

নীলু যাদৱৰ মৃত্যু নহ'লে এটা ডাঙৰ চক্ৰ পুলিচৰ হাতত ধৰা পৰিলহেঁতেন। সেয়ে তাক পৰিকল্পিতভাৱে হত্যা কৰা হ'ল। কথাবোৰ লাহে লাহে পোহৰলৈ আহিছে। ত্ৰিদিব গগৈ মানুহজন পোনপটীয়াভাৱে জড়িত নহয় যদিও তেৰোঁ এই দুষ্ট চক্ৰটোৰ অংশীদাৰ যে সেই কথা প্ৰতীয়মান হৈ পৰিল। কিন্তু দীপক দুৱৰা— নিৰীহ দীপক দুৱৰা মিছাই বলিৰ পঠা হ'ব লগা হ'ল। সেই সময়ত তাত উপস্থিত হোৱাটোৱেই তেওঁৰ দোষ হ'ল।

তিনি মাহৰ মূৰত সকলো তথ্য পোহৰলৈ আহিল— ত্ৰিদিব গগৈৰ ভতিজা সপোন গগৈয়ে ব্যৱসায়ত টকা খুটাবলৈ গগৈৰ পৰা এক লাখ টকা ধাৰে লৈছিল— সেই এক লাখ টকা লৈ সি খুড়াকৰ মাটিত থকা নীলুকে সাৰথি কৰি ড্ৰাগছ্ ব্যৱসায়ত নামি পৰিল। নীলুৱে প্ৰথমে প্ৰতিবাদ কৰি উঠিছিল— চাহাব, এইটো ঠিক হোৱা নাই।

কিন্তু পিছলৈ টকাৰে তাৰ মুখ বন্ধ কৰিলে আৰু নিশাৰ আন্ধাৰত সপোন গগৈৰ ৰম্‌ৰমীয়া ব্যৱসায় চলি থাকিল। ৰীমাৰ ভিনিহিয়েকৰ দোকানবুলি ওচৰ-চুবুৰীয়াই কৈ ফুৰাৰ বাবে তাতে ৰীমাৰ ভিনিহিয়েকৰ লগত থকাৰ বাবে গোটেই দোষ দীপক দুৱৰাৰ ওপৰত পৰিল। সন্ধিয়া ৰীমাহঁতক আগবঢ়াই আনিবলৈ প্ৰায়ে ভিনিহিয়েক যায়। কিন্তু সিহঁতৰ দোকান বন্ধ হোৱাৰ পিছতে দোকানৰ কাষেদি আন কিছুমান মানুহৰ নীলু যাদৱৰ ঘৰলৈ আগমন ঘটে। বহুতে নিশা তাত ট্ৰাক আনলড্‌ হোৱাও দেখিছে। অৱশ্যে পুৱালৈ সকলো চাফা। সেয়ে ৰীমা, সীমা, দীপক অথবা মাটিৰ মালিক ত্ৰিদিব গগৈয়েও একো কথা ঘুণাক্ষৰেও নাজানিছিল।

যোৱা তিনিটা মাহত সীমাই টকা-পইচা, বস্তু-বাহানিৰ একোৰে অভাব অনুভৱ কৰিব লগা হোৱা নাই। ক'লনিৰ প্ৰত্যেক মানুহেই আহি তাইক সমবেদনা জনাইছেহি— সহায় কৰিছে। আনকি তাৰমাজতে সীমাৰ ছোৱালী টিকলিৰ জন্মদিনো প্ৰীতিৰেখাহঁতে লগ হৈ পাতিলে। সকলো অভিভাৱকে অতি সাৱধানতাৰে নিজৰ ল'ৰা-ছোৱালীৰ পৰাও দীপক দুৱৰাৰ খবৰটো আঁতৰাই ৰাখিছে, যাতে 'টিক্‌লি'ৰ কাণত নপৰেগৈ।

তাইতো তাইৰ দেউতাক গাঁৱত আছে বুলিয়েই জানে।

তিনিমাহৰ পিছত দীপক দুৱৰা ঘৰলৈ ঘূৰি আহিল। পুলিচী কোনো ধৰণৰ অভিযোগ নথকাত চাকৰিতো বিশেষ বাধা নহ'ল। কিন্তু মানুহটো ভিতৰি ভিতৰি ভাগি পৰিল। অকাৰণত অপমান পাব লগা হ'ল— এই কথাটোৱে খুলি খুলি খাবলৈ ধৰিলে। টিক্‌লিৰ প্ৰতিও মৰম-সাদৰ নাইকিয়া হ'ল। চাকৰিলৈ গৈয়ো মন বহুৱাব নোৱৰা হ'ল। লীমাকো তাৰ কিবা অচিনাকি অচিনাকি লগা হ'ল।

সকলোৱে বুজাইছে— সামান্য কথা, সেইবোৰ পাহৰি যাওক। কিন্তু দীপক দুৱৰাই মনাব পৰা নাই নিজক। দিনে দিনে স্বাস্থ্যৰ অৱনতি দেখি লীমাই এদিন ডাক্টৰৰ ওচৰলৈ গ'ল। কিন্তু ডাক্টৰে অপ্ৰকৃতিস্থ দুৱৰাক কিছুদিন হস্পিটেলাইজ কৰিবলৈ পৰামৰ্শ দিলে। লীমা কান্দি-কাটি বিয়াকুল হৈ পৰিল। ক'লনিৰ সকলোৱে তাইক বুজালে। চিন্তা নকৰিবা, তেখেতৰ কিছুদিন জিৰণিৰ প্ৰয়োজন। থাকক দিয়া কিছুদিন হস্পিটেলত। লীমাই কান্দি কান্দি প্ৰীতিৰেখাক ক'লে— বাইদেউ, হস্পিটেলত থকাত মোৰ আপত্তি নাই। কিন্তু মানুহটোৰ স্মৃতি বিভ্ৰম দেখিহে মই অতিশয় চিন্তিত হৈ পৰিছোঁ।

ঃ স্মৃতি বিভ্ৰম! — প্ৰীতিৰেখা যেন ক'ৰবাত উজুটি খাই গ'ল। — লীমা, তোমাৰ লগত দুৱৰাৰ ব্যৱহাৰ কেনেকুৱা?

ঃ নক'ব বাইদেউ, কাষত থাকিও মানুহটো যেন বহু দূৰলৈ আঁতৰি গৈছে। আনকি টিক্‌লিকো কেতিয়াবা অচিনাকিৰ দৰে ব্যৱহাৰ কৰে।

ঃ ডাক্তৰে কৈছে কি?

ঃ ডাক্টৰৰ মতে তেওঁক বাস্তৱলৈ ঘূৰাই আনিবৰ বাবে শ্বক্ দিবও লাগিব লাগিব পাৰে। তাতো যদি কাম নিদিয়ে...

ঃ ইমান অধৈৰ্য নহ'বা লীমা। ডাক্টৰৰ কৰণীয়খিনি কৰিবলৈ দিয়া— তাৰ পিছত দেখা যাব কি হয়।

প্ৰীতিৰেখাই লীমাক দি সান্ত্বনা দিলে তথাপি তাইৰো মনটো ভাল লগা নাই। কিবা উকণ্ডা উকণ্ডা— কিবা খালী খালী ভাব হৈছে। দীপক দুৱৰা বৰ শান্ত প্ৰকৃতিৰ মানুহ— সেয়ে ঘটনাটোৰ প্ৰতিক্ৰিয়া কি হয় ক'ব নোৱাৰি। তাইৰ আৰু ভাবিবৰ মন নগ'ল। নেদেখাজনে কি ভাবি কি কৰিছে— কোনে জানে?

এদিন লীমাৰ লগত প্ৰীতিৰেখাও গ'ল দুৱৰাৰ খবৰ কৰিবলৈ, কিন্তু মানুহজনে কাকো চিনি নাপালে। ডাক্টৰৰ লগত কথা পাতি প্ৰীতিৰেখাই বৰ ভৰসা কৰিব নোৱাৰিলে। ঘটনাবোৰ এনেদৰেই ঘটে নেকি? ঘটে ঘটে, এনেদৰেই ঘটে। কিন্তু ঘটনাবোৰ দুৰ্ঘটনা হ'ব নালাগে কোনোকালে।

চৈধ্য

সময় কেতিয়াও, কোনোদিন থমকি নৰয়। সময়ৰ সৈতে মানুহৰ জীৱন সলনি হয়, সলনি হয় জীৱনৰ স্বাদ, সলনি হয় চৌপাশ, সলনি হয় মন। সময়ে কাকো একেদৰে থাকিবলৈ নিদিয়ে। প্ৰীতিৰেখাৰ জীৱনলৈয়ো বহু পৰিৱৰ্তন আহিল— ক'লনিখনলৈ, ক'লনিৰ মানুহবোৰৰ মাজলৈ। আজিৰ পৰা পঁচিছ বছৰ আগলৈ উভতি গ'ল তাই। বিয়াৰ পিছত মাক-দেউতাকলৈ মনত পৰিলেই তাই লিখিবলৈ বহিছিল। বিপুলে জানিছিল তাইৰ মনৰ খবৰ। সেয়ে একো আমনি নকৰি তাই হেঁপাহ পলুৱাই লিখা চিঠিখন ডাকত দিবলৈ বাট চাই আছিল। বিপুলৰ মাকে কেতিয়াবা তাইক কৈছিল— ইমান মৰম কৰাৰ পিছতো দুখ কিহৰ? তাইহে জানিছিল মাক-দেউতাকক এৰি থকাৰ দুখ কিমান? বিপুল আৰু বিপুলৰ পৰিয়ালে মৰমেৰে ওপচাই দিয়াৰ পিছতো তাই যেন ক'ৰবাত কিবা এটাৰ অভাব অনুভৱ কৰে। তাৰ পিছত তাই পিয়ন অহালৈ বাট চাই ৰয়।

এসপ্তাহ, দুসপ্তাহ, তিনি সপ্তাহ পাৰ হৈ যায়। কেতিয়াবা মাহটো ঘূৰে। দেউতাকৰ চিঠি আহে, লগতে মাকেও কাউৰীঠেঙীয়া আখৰেৰে দুষাৰ লিখে। তাই দুৱাৰ বন্ধ কৰি বহু সময় বহুবাৰ পঢ়ি চায়। হঠাৎ তাইৰ তাৰিখটো চকুত পৰে— পোন্ধৰ তাৰিখ। অৰ্থাৎ তাই তেৰ তাৰিখে পোষ্ট কৰা চিঠিখন পোন্ধৰ তাৰিখতহে পালেগৈ ডিব্ৰুগড়। দেউতাকে লিখিছে— মাজনী, তোৰ চিঠি পায়েই আজি লিখিবলৈ বহিছোঁ। আৰু তাই আজিহে পাইছেহি অৰ্থাৎ প্ৰায় এমাহ হ'ল। তাই ডাক বিভাগকে গৰিহণা দিয়ে।

এটা সময় আহিল— তাই ফোন এটা ল'লে। দেউতাকৰ ঘৰতো ফোন হ'ল। তাই এছ টি ডি ফেচিলিটি ল'লে। দেউতাক অথবা মাকৰ মাতটো এতিয়া শুনিব পৰা হ'ল। পিচে কি হ'ব— চিঠিৰ সোৱাদ ফোনত নাপায়। ভাল-বেয়া সোধাৰ বাহিৰে দীঘলীয়া কথা থাকিলে— মাজে-সময়ে দেউতাকে কেতিয়াবা আৰু তাইও কেতিয়াবা চিঠি দিয়ে। পিচে যেতিয়াৰ পৰা অসমৰ ভিতৰত লোকেল ফোন কলৰ ব্যৱস্থা কৰিলে চিঠিৰ প্ৰচলন আৰু কমি আহিল।

লাহে লাহে মোবাইলৰ প্ৰচলন হ'ব ধৰিলে। প্ৰীতিৰেখাই নিজে লোৱাৰ লগতে দেউতাককো এটা কিনি দিলে। এতিয়া অতি সহজতেই কথা পতাৰ সুবিধা হ'ল। পিচে বাৰ্ধক্যই দেউতাকক এনেদৰে কোঙা কৰিলে যে দেউতাক বধিৰ হৈ গ'ল। যাৰ বাবে মোবাইল অৰ্থহীন হৈ পৰিল। মাজে মাজে তাইলৈ, দূৰত থকা নাতিনীয়েক বিৰিণালৈ এছ এম এছ পঠায়— তায়ো পঠায়। দেউতাকে জুপি জুপি পঢ়ে। তাৰ পিছত বহু সময় যুঁজি যুঁজি উত্তৰ লিখে মোবাইলতে।

দিনবোৰ কিদৰে যে সলনি হৈ গ'ল। তাইহে ইমান দূৰ বুলি ভাবে— বিৰিণাই কিন্তু দূৰত থকা বুলিয়েই নাভাবে। কাৰণ তাই মুহূৰ্তে মুহূৰ্তে খবৰ কৰি থাকিব পাৰে মাকৰ।

কেইমাহমানৰ আগৰ কথা। মিছেছ সাউদৰ হাতত এটা দামী মোবাইল ছে'ট। মিছেছ সাউদ সুন্দৰী। সাউদৰ তুলনাত বয়সো বহু কম। তাতে মানুহগৰাকী অতিকৈ চঞ্চল প্ৰকৃতিৰ, সকলোৱে কোৱা-কুই কৰে 'বৃদ্ধস্য তৰুণী ভাৰ্যা'। সাউদৰ ডাঙৰ ল'ৰাই মেট্ৰিক দিব এইবাৰ। সেয়ে ল'ৰাৰ ভালৰ বাবে সাউদে চাৰিটা বিষয়ৰ ইংৰাজী, অংক, বিজ্ঞান আৰু হিন্দীৰ বাবে চাৰিজন শিক্ষকগোটাই দিলে। সাউদে চাকৰি কৰাৰ উপৰি নানানটা ব্যৱসায়ৰ লগত জড়িত। সেয়ে ঘৰত থাকিবলৈ সময়েই নাই। মিছেছ সাউদে হাইস্কুলৰ নৱম নে দশম শ্ৰেণীতে স্কুল শেষ, অৰ্থাৎ শিক্ষা সাং কৰি সাউদৰ লগত বিয়াত বহিছিল যদিও ল'ৰাৰ পঢ়াৰ বাবে টিউচন মাষ্টৰৰ ওচৰত তাগিদা দি থাকে। অৱশ্যে ল'ৰাক পঢ়াবলৈ চাই মাষ্টৰেও মিছেছ সাউদৰ লগতহে বেছি সময় কটায়। ঘৰত চাওঁতা কোনো নাই। সাউদ আহিব নিশা এপৰত।

হঠাৎ মিছেছ সাউদৰ ইংৰাজী শিকাৰ মন হ'ল। টিউচন মাষ্টৰৰ ওচৰত বহি ল'ৰাৰ লগতে ইংৰাজী শিকাৰ বাবে কাগজ-কলম গোটাই ল'লে। কিন্তু কিছুদিনৰ ভিতৰতে মাষ্টৰে উপলব্ধি কৰিলে যে মিছেছ সাউদৰ ই এক অজুহাতহে। ঘণ্টাৰ পিছত ঘণ্টা টিউচন মাষ্টৰৰ লগত বহি লৈ মনৰ কথা কৈ থকাতেই মানুহগৰাকীৰ সুখ। তাতে সাউদৰ অনুপস্থিতিয়ে ইয়াক আৰু অধিক ৰমণীয় কৰি তুলিলে। দিনে দিনে কথাই অন্য মোৰ ল'লে আৰু এদিন মিছেছ সাউদে গিৰীয়েকৰ বেংকৰ জমা টকা উদং কৰি নতুন জীৱন আৰম্ভ কৰিবলৈ ঘৰ এৰি গুচি গ'ল। আবাসিক ক্ষেত্ৰখনত বু-বু বা-বা আৰম্ভ হ'ল। কথা বুলিলেই বতাহ। সকলোৱে গম পাই চকু কপালত থ'লে।

সাউদ নিৰ্বিকাৰ। পিচে মেট্ৰিক পৰীক্ষাৰ্থী ডাঙৰ ল'ৰাটোহে মুজুৰা মাৰিল। লগৰ ল'ৰাবোৰেও তাক লগ নিদিয়া হ'ল। ওচৰ-চুবুৰীয়াই ভাবিছিল, মানুহজনী উভতি আহিব— পিচে নাহিল।

সাউদনীৰ মোবাইল ফোনৰ প্ৰতিক্ৰিয়া বুলি সকলোৱেই বুজি পালে। কিয়নো মোবাইল ফোন হোৱাৰ পৰাই মানুহগৰাকীৰ ন ন পুৰুষ বন্ধু বৃদ্ধি পাই আহিল। তথাপি সাউদে চকু মুদি থাকিলে। বন্ধুত্ব ক্ৰমে প্ৰেমলৈ উত্তৰণ হ'ল। বহুতে সুযোগ বিচাৰি আছিল, পিচে ইংৰাজী টিউটৰহে লাভবান হ'ল।

সাউদৰ ডাঙৰ ল'ৰা বিকাশৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা নিচেই ওচৰ চাপিল। ঘৈণীয়েক যোৱাৰ পৰা সাউদ বেছি ভাগ সময় ঘৰৰ বাহিৰতে থাকিবলৈ ল'লে। শ্ৰীতিৰেখাই বিভিন্নজনৰ মুখৰ পৰা খবৰবোৰ পাই আছিল। এদিন আন দুগৰাকীমানৰ

লগত প্ৰীতিৰেখাও সাউদৰ ঘৰলৈ ওলাল। কথা-বতৰাৰ মাজতে সাউদে কান্দি পেলালে। প্ৰীতিৰেখা আৰু আন মানুহকেইগৰাকীয়ে কি ক'ব, কি নক'ব, একো উবাদিহে নোপোৱা হ'ল। অৱশেষত প্ৰীতিৰেখাই মাত লগালে— আমি আচলতে বিকাশৰ কথাহে ভাবিছোঁ। তাক নহ'লে মোমায়েকৰ ঘৰলৈকে পঠাই দিয়ক।

কথাষাৰ শুনি সাউদ খণ্ডত একো নাই হৈ অলপ উচ্চস্বৰেই কথা ক'ব ধৰিলে— সেইবোৰ মানুহৰ লগত মোৰ আৰু কোনো সম্পৰ্ক নাই। মই সকলো সম্পৰ্ক ছিঙি পেলাইছোঁ।

প্ৰীতিৰেখাই এইবাৰ মাত লগালে— আপোনাৰ পৰিয়ালৰ কোনোবা আছে নেকি?

ঃ নাই নাই, সিহঁতৰ ভাগ্যত যি আছে সেয়ে হ'ব। মই আৰু কাৰো সহায় নলওঁ।

প্ৰীতিৰেখাই ক'লে— ল'ৰাটো পৰীক্ষাৰ আগমুহূৰ্তত কিছু উৎসাহ দিবৰ বাবেই আপুনি কিবা এটা ভাবক। অন্ততঃ ৰন্ধা-বঢ়া কৰি দিয়া, সময়ত খোৱা-বোৱাৰ যোগান ধৰা মানুহ কোনোবা...?

এইবাৰ কিছু নৰম সুৰত সাউদে মাত লগালে— খবৰ নকৰা নহয়। পিচে তেনে মানুহহে পোৱা নাই।

প্ৰীতিৰেখাই উৎসাহ বাঢ়িল। এইবাৰ ক'লে— আমাৰ ক্লাবৰ কিবা-কিবি হ'লে ৰন্ধা-বঢ়া কৰি দিয়া ৰতন নামৰ মানুহটো আছে। মানুহটো শান্ত প্ৰকৃতিৰ। ৰন্ধা-বঢ়াতো ভাল।

এইবাৰ সাউদ দুগুণ উৎসাহিত হৈ ক'লে— মিছেছ্ নেওগ, আপুনি মোক ৰক্ষা কৰিলে। ইমান দিন সিহঁতক মই হোটেলৰ পৰা কিবা-কিবি আনি খুৱাই আছোঁ। সকটোৱে হোটেলৰ জ্বলা-মছলা খাব নোৱাৰে। তাক কি লাগে সুধিবচোন।

প্ৰীতিৰেখা এইবাৰ প্ৰস্তুত হৈয়ে আছিল। তাই টপৰাই ক'লে— তাক আন একো নালাগে। খোৱা-বোৱা আৰু থকা ঠাই এটুকুৰা দিলেই হ'ব। আপুনি বাৰীৰ চুকত কোঠা এটা দিব। তাৰো থকা ঠাই ওলাব আৰু আপোনাৰো পাকঘৰ চলাব পাৰিব।

এইবাৰ প্ৰীতিৰেখাইঁতে বিকাশক মাত লগাই উভতি আহিল। ল'ৰাটোৰ জলকা লগা অৱস্থা দেখি তাক আৰু বিশেষ কিবা উপদেশ দিয়াৰ মানসিকতা নহ'ল। মাকৰ দুষ্কাৰ্যত সিয়ে কিমান অপমান বোধ কৰিছে তাৰ কথাৰ পৰাই বুজিব পাৰি।

সাউদৰ ঘৰৰ পৰা ওলাই আহোঁতে সিদিনা প্ৰীতিৰেখাৰ মনটো বৰ উকমুকা লাগিছিল। বিকাশ নামৰ ল'ৰাটোৰ সেই পানীৰে ভৰি উঠা চকুহালত মাকক যেন তাই অক্ষমণীয় নাৰীৰ ৰূপত দেখিবলৈ পাইছিল।

'মা।'—

ল'ৰাটোৰ মাতত প্ৰীতিৰেখাই থতমত খোৱাৰ দৰে হ'ল। তাইৰ চিন্তাত যতি

পৰিল। তাই নিজকে চম্ভালি ক'লে— অ' তুমি আহিলা। ৰ'বা মই কিবা এটা খোৱাৰ ব্যৱস্থা কৰোঁ। — ঘড়ীটোলৈ চাইহে তাই গম পালে তাই কিমান সময় এনেদৰে বহি থাকি অতীত ৰোমন্থন কৰি আছিল। তাই লাহেকৈ উঠিল। নিজেও চাহ একাপ খোৱাৰ কথা ভাবিলে। এতিয়াও যে বহুত কাম বাকী আছে। ❑

অমাৱস্যাত মিছ্ ইণ্ডিয়া

অমাৱস্যাত মিছ্ ইণ্ডিয়া

এক

হঠাৎ অঘটনটো তৰ্কিব নোৱৰাকৈ ঘটি গ'ল। কোনেও ধৰিবই নোৱাৰিলে। পুলিচৰ কঁকালৰ পিষ্টলটো কাঢ়ি নি তাই এটা এটাকৈ দুটা বিয়াগোম মানুহ ধৰাশায়ী কৰি একেবাৰে শান্ত, সৌম্য মূৰ্তিৰে উভতি আহি পুলিচক ক'লে, "ব'লক। মোৰ দোষৰ শাস্তি যদি ফাঁচী হয়, মই হাঁহি হাঁহি বৰণ কৰিবলৈ ইচ্ছুক। যিহেতু এতিয়া মই নিজক প্ৰবোধ দিব পাৰিম যে মই দোষ কৰিছোঁ, তাৰবাবে মোৰ শাস্তি প্ৰাপ্য, কিয়নো অতদিনে মই মোৰ অপৰাধনো কি ধৰিবই পৰা নাছিলো। অপৰাধ নকৰাকৈয়ে গোটেই সমাজখনে মোক কেৱল অপৰাধীৰ চকুৰে চালে। মোৰ সৌন্দৰ্যপিপাসু মনটোক খুলি খুলি খালে। দেহাটো বখলিয়াই পেলালে নৰখাদকসকলে। আৰু সহিব নোৱৰা হ'লো মই।" এইবুলি তাই কান্দি পেলালে হুকহুকাই। মানুহবিলাকে ৰং চাবলৈ আহি নিবোকা চামোন হৈ লাহে লাহে উভতি গ'ল। কিছুমানে ক'লে— "উস্ উস্ কেনে সুন্দৰী ছোৱালীজনী, কিহৰ পাল্লাত বা পৰিলে।"

এজনে ক'লে, "যিকেইজনক মাৰিলে সিহঁতেই চাগে তাইক ধ্বংস কৰিলে, বুজিছে। নহ'লেনো এজনী ছোৱালীয়ে মাৰণাস্ত্ৰ হাতত লয়নে?"

"আই ঐ দেহি, মাক-দেউতাক বা কোন? তেওঁলোকৰ অৱস্থা বা কেনে হৈছে?"

কোনোবাজনে বাতৰি কাকতবোৰকে অভিশাপ দিলে। "এই পেপাৰবোৰতো কম নহয়, ইহঁতে বহুত লগাই লগাই সঁচাকে মিছা কৰে, মিছাকে সঁচা কৰে।"

কেতিয়া যে তাই লকআপত সোমালহি ক'বই নোৱাৰিলে। অৱশ দেহাটো আৰু অধিক অৱশ হৈ পৰিল। তাই অতীতলৈ কুৰুকি কুৰুকি সোমাই গ'ল। এই মায়াবী মহানগৰীখন নিশাৰ পোহৰত আৰু অধিক মায়াবী হৈ পৰিছিল। নিয়নৰ পোহৰে, উৰণীয়া সেতুৰ শোভাৰে পাহাৰ ঢাকি গঢ়ি উঠা নগৰীয়া জীৱনৰ উখানেৰে সঁচাই মায়াবী। এই পোহৰৰ মায়াসনা নগৰীৰ বুকুতে আছে আন এখন নিষিদ্ধ পৃথিৱী গোপনে, সংগোপনে। যিখন পৃথিৱীয়ে শুহি লয় বহুতো শুচিবায়ু। পলকতে খহি পৰে বুকুৰ কাচলি। নীতাই ধৰিবই পৰা নাছিল তাই কোনখন পৃথিৱী বিচাৰি আহি ইয়াত

উপস্থিত হৈছিল। সুদূৰ বোকাজানৰ পৰা গুৱাহাটীলৈ বুলি ঢপলিয়াই আহিছিল। গুৱাহাটী বুলি ক'লে ভুল হ'ব। তাই অতিকে উচ্চাকাংক্ষী আছিল। এবুকু আশাই পাৰ পোৱা নাছিল। মুম্বাইৰ গ্লেমাৰ জগতখনকে তাই ঢুকি পাবৰ চেষ্টা কৰি গুৱাহাটীমুখী হৈছিল।

সৰুৰে পৰা তাই অতিকে সুন্দৰী আছিল। যেয়ে দেখে সিয়ে মৰমতে একোলা লোৱাৰহেঁপাহ কৰিছিল। শিক্ষক দেউতাকে দেখুৱাই প্ৰশ্ৰয় নিদিছিল যদিও তেৰোঁ এক বিশেষ গৰ্ববোধ কৰিছিল। লাহে লাহে নীতাই গাঁৱৰ স্কুল এৰি হাইস্কুলত ভৰি দিছিল। আৰু সময়ে পাখিলাহী কাঁড় হৈ উৰা মাৰোঁতে তাই গমেই নাপালে এদিন আহি যোৰহাটৰ কলেজ এখনত নাম লগাই নগৰীয়া জীৱনটোক আঁকোৱালি ল'লেহি। কিন্তু এই কলেজত থাকোঁতেই অভিনেত্ৰী সাগৰিকাক লগ পালে নীতাই। সাগৰিকাই কলেজীয়া পঢ়া শেষ নকৰোঁতেই কেইবাখনো ছবিত অভিনয় কৰি বেছ নাম কিনিছিল। সাগৰিকাৰ দেউতাক সেইখন কলেজৰ এজন শিক্ষক আছিল। পঢ়া-শুনাতো তাই সমানেই ভাল আছিল। এইজনী সাগৰিকাকে লগ পাই সিদিনা নীতাৰ চকু তিৰ্‌বিৰাই উঠিছিল। নেদেখা এখন জগতে হাতবাউল দিছিল। সাগৰিকাই এদিন কৈয়ে পেলাইছিল— "নীতা, তোৰ নিচিনা সুন্দৰী ছোৱালী মই আগতে দেখা মনত নপৰে। তোৰ নাক, চকু, চুলি, দেহৰ গঠন সকলো নিখুঁত। ভগৱানে তোক তিল্‌তিল্‌কৈ তিলোত্তমা কৰিলে।"

'সঁচাই' বুলি কৈ নীতা সিদিনা লাজতে মুচ্‌কচ্ গৈছিল। সাগৰিকাৰ দৰে অভিনেত্ৰী এজনীৰ চকুত তাইৰ ৰূপৰ প্ৰশংসা। ই সঁচাই আশ্চৰ্য।

নীতাই সিদিনাৰ ওৰেটো নিশা ইচাট-বিচাটকৈ থাকিল। তাইৰ গাৰ ৰং গাখীৰত সেন্দূৰ মিহলি বুলি সকলোৱে কয়। কিন্তু তিলোত্তমা, আহ্ স্বৰ্গৰ অপ্সৰা। পিছদিনা সেয়ে কলেজলৈ নগৈ হোষ্টেলৰ কমত অকলে অকলে নিজৰ ৰূপ-সৌন্দৰ্য নিৰীক্ষণ কৰি তাই নিজৰে প্ৰেমত পৰিবলৈ ধৰিলে। তাই নিশ্চিত হ'ল তাই সঁচাই সুন্দৰী।

"নীতা তই তোৰ এই ৰূপ অথলে যাব নিদিবি, তোৰ এই ৰূপ কামত লগা। তই উঠ, আগুৱাই যা।" বোকাজানৰ টনা-আঁজোৰা সংসাৰৰ শিক্ষকৰ ছোৱালী নীতাই গুৱাহাটী, মুম্বাইৰ গ্লেমাৰ জগতখনৰ কথা বিভিন্নজনৰ পৰা শুনিছে। কাগজে-পত্ৰই পঢ়িছে। সুখ-স্বাচ্ছন্দ্যৰ কথা শুনিছে।

এনেতে এদিন দীপ্তি ৰেস্তোৰাঁত বহি চাহ খাই থাকোঁতে নাতিদূৰৰ পৰা লক্ষ্য কৰি থকা ল'ৰা এজন উঠি আহি মিতালীৰ কান্ধত ধৰি 'ঐ মিতু' বুলি হুলস্থুল লগালেহি। মিতালীয়েও তাইৰ সম্পৰ্কীয় জেঠায়েকৰ ল'ৰা দেৱাশীষক দেখা পাই আচৰিত হ'ল। কথা-বতৰাৰ মাজতে ল'ৰাজনে নীতাক যে লক্ষ্য কৰি আছিল তাই জানিছিল। এসময়ত

মিতালীয়ে সকলোৰে লগত চিনাকি কৰাই দিলে। নীতাৰ ফালে চাই ক'লে— এইজনী মোৰ বেষ্ট্ ফ্ৰেণ্ড নীতা।

অ' হয় নেকি, হাত আগবঢ়াই দি দেবাশীষে মই দেবাশীষ, দেবাশীষ ফুকন। দিল্লীত ফেশ্বন ডিজাইনিঙৰ ক'ৰ্ছ কৰি এই অলপতে উভতি আহিছোঁ। নীতাই ল'ৰাজনক খুটিয়াই খুটিয়াই যেন লক্ষ্য কৰিলে। তাই যেন কিহবাৰ সন্ধেদ পালে। তাই যেন অতদিনে কক্‌বকাই ফুৰি এটা বাট বিচাৰি পালে। পানীৰ পৰা পাৰলৈ উঠাৰ বাট পালে। তাতে ওৰেটো বাট মিতালীয়ে কেৱল দেবুদাৰ প্ৰশংসাত পঞ্চমুখ হৈ থাকিল। দেবুদা সৰুৰে পৰা এনেহে আছিল, দেবুদাই এইটোহে ভাল পায়, দেবুদাই সেইটোহে ভাল পায়, দেবুদা কিদৰে দিল্লী পালেগৈ। এয়েই আৰম্ভণি।

নীতাই মাক-দেউতাকে ঘৰজোঁৱাই কৰিব খোজা, ঠিক ঘৰজোঁৱাই বুলিলে ভুল হ'ব, ঘাটমাউৰা ল'ৰা মাণিকক জোঁৱাই কৰিব খোজাৰ কথা তাইক বাৰে বাৰে সোঁৱৰাই আছিল। মাণিক শান্ত, নম্ৰ, ভদ্ৰ ল'ৰা। পঢ়া-শুনা কৰি উভতি আহি মাণিকে গাঁৱৰে স্কুলত সোমাই তাতেই শিক্ষকতা কৰিবলৈ ধৰিছে। সি নাজানে নগৰীয়া জীৱনৰ জটিলতা, সি নাজানে কৃত্ৰিম জীৱনৰ আবহাৱা। পানীৰ দৰে স্বচ্ছ তাৰ হৃদয়। যোৰহাটৰ হোষ্টেলত থাকি পঢ়িবলৈ অহাৰ আগলৈকে তাইৰো মাণিকক বেয়া লগা নাছিল। অৱশ্যে সেয়া যে প্ৰেম নাছিল, ই নিশ্চিত।

আজিকালি মাণিকৰ কথাই তাইক বিৰক্তিহে দিয়ে। আজিৰ যুগতো এনে মানুহ থাকেনে? যিটো কথাই নীতাক মাণিকৰ প্ৰতি আকৰ্ষণ কৰিছিল সেয়া হ'ল মাণিকৰ কিতাপ পঢ়াৰ আগ্ৰহ। পৃথিৱীৰ এনে লেখৰ কিতাপ নাছিল যি সি পঢ়া নাছিল। কত যে ন-ন কথা মাণিকৰ নখদৰ্পণত আছিল। কিন্তু নগৰীয়া জীৱনৰ গ্লেমাৰ জগতখনৰ তাড়নাত নীতাৰ মনৰ পৰা মাণিকৰ ছবিখন ক্ৰমে নিষ্প্ৰভ হৈ পৰিল। তেনেতে ওলালহি দেবাশীষ— দেবু। আজিকালি সঘনাই হোষ্টেলত মিতালীৰ খবৰ ল'বলৈ দেবু আহে। নীতায়ো আগ্ৰহেৰে বাট চাই থাকে। কিয়নো আহে। নীতায়ো আগ্ৰহেৰে বাট চাই থাকে। কিয়নো মিতালীতকৈ নীতা-দেবুৰ কথাই অগ্ৰাধিকাৰ পাবলৈ ধৰিলে।

দুই

এদিন হঠাৎ মিতালীৰ মাক-দেউতাক ওলালহি আৰু বিশেষ কিবা কাৰণ আছে বুলি হোষ্টেল ছুপাৰৰ অনুমতি লৈ তাইক ঘৰলৈ লৈ গ'ল। মিতালী নথকাৰ সুযোগত

নীতা-দেবু আৰু ওচৰ চাপি আহিল। দেবু ক্ৰমে সঘনাই নীতাক লৈ গৈ পাৰ্ক, নদীৰ পাৰত জীৱনৰ আন এক স্বাদ বিচাৰিব ধৰিলে।

মিতালীৰ পৰা এটা অভাৱনীয় খবৰ আহিল। তাইৰ বিয়া। দেউতাকৰ সন্মান ৰক্ষা কৰিবৰ বাবে তাই একেবাৰে অচিনাকি এজন পুৰুষৰ লগত বিয়াত বহিব লগা হ'ল। দেউতাকৰ পুৰণি বন্ধু এজনক কথা দি থোৱা হৈছিল যে মিতালীৰ বায়েক সোণালীক বন্ধুপুত্ৰলৈ বিয়া দিব। কথামতেই কাম। কিন্তু কথাটো যেতিয়া সোণালীৰ কাণত পৰিল, তাই কোনোপধ্যেই মান্তি নহয়। কিয়নো তাই দেউতাকক স্পষ্টভাৱেই ক'লে যে তাই এজন ল'ৰাক ইতিমধ্যেই কথা দিছে। লগতে তাই ক'লে—

"দেউতা, তুমি এবাৰো নোসোধাকৈ এনেদৰে কথা দিয়াটো ঠিক হোৱা নাই।"

"কিয়, তহঁতৰ ওপৰত আমাৰ সেইখিনিও অধিকাৰ নাইনে? সৰুৰে পৰা অত কষ্ট কৰি ডাঙৰ-দীঘল কৰিলো। কিন্তু বুঢ়া বয়সত আজি মই এনেদৰে অপমানিত হ'ব লাগিব বুলি ভাবিবই পৰা নাছিলো।" বায়েক কিন্তু আঁকোৰগোজ হৈয়ে থাকিল। দেউতাকৰ অসুস্থতাৰ সুযোগ লৈ মাকে সোণালীৰ ঠাইত মিতালীকে সৈমান কৰালে।

"যা আই, দেউতাৰৰ সন্মান ৰক্ষা কৰ। দৰাঘৰীয়া মানুহৰ আগত ওলা।"

উপায়ন্তৰ হৈ মিতালীয়ে তাইতকৈ দহ বছৰে ডাঙৰ অচিনাকি সেই মানুহজনৰ লগত বিয়াত বহিল বিনা বাক্যব্যয়ে। বিয়ালৈ নীতাও গ'ল। যিমান পাৰে সিমান সহায় কৰিলে। দেৱাশীষো গ'ল। কিন্তু মিতালীৰ জঁইপৰা মুখখন দেখি বিশেষ স্ফূৰ্তি নহ'ল। নীতাৰ মনটোও বিষাদেৰেহে ভৰি পৰিল। নাৰী জাতি আজিও ইমান নিঃস্ব হৈ থাকিব লগা অৱস্থা সঁচাই পুতৌলগা। মিতালীৰ বিপৰীতে সোণালী বাইদেউৰ প্ৰতিবাদ তাইৰ কিন্তু ভালেই লাগিল। হওক তেওঁ, সোণালী বাইদেৱে নিজৰ ইচ্ছা-অনিচ্ছা ব্যক্ত কৰিছে। সমাজৰ কৌটিকলীয়া নিয়মৰ বিৰুদ্ধাচৰণ কৰিছে।"

নীতাই নিজৰ মন দৃঢ় কৰিলে। তায়ো উভতি নাযায়। মাণিকক তাই পচন্দ নকৰে। মাণিকৰ ধ্যান-ধাৰণাৰ সৈতে তাই খাপ খাব নোৱাৰিব। সেয়ে মনৰ সকলো কথা ব্যক্ত কৰি দেউতাকলৈ এখন দীঘলীয়া চিঠি লিখি ডাকত দিলে। আৰু দেৱাশীষৰ নৱতম ফেশ্বনৰ মডেল হোৱাৰ মানসেৰে তাই গুৱাহাটী মহানগৰীত ভৰি দিলেহি।

নতুন চহৰ, নতুন আদৱ-কায়দা। নতুন মানুহ, নীতাৰ এনে ভাব হ'ল— পৃথিবীখন সঁচাই ৰঙীণ। এই ৰং উপভোগ কৰিব নজনাজন সঁচাই দুৰ্ভগীয়া। নিতে নতুন ৰঙেৰে গুৱাহাটী গাভৰু হয়। কিমান মানুহৰ লগত যে তাইৰ এই কেইদিনতে চিনাকি হ'ল। হিচাপ ৰখাই টান। ৰাজগড়ৰ সমীপতে এটা ভাৰাঘৰ লৈ তাই নতুন ঠাইত নতুন জীৱন আৰম্ভ কৰিলে। পুৱাৰ পৰা গধূলিলৈ ব্যস্ততা। দেৱাশীষৰো আজৰি কমিছে। যেতিয়া দুয়োটাৰ আজৰি সময় ওলায়, সিহঁতে গুৱাহাটী মহানগৰীৰ বাহিৰলৈ, কোনো এক

নিৰিবিলি পৰিৱেশলৈ ওলাই যায়। কেতিয়াবা সোণাপুৰৰ ফালে, কেতিয়াবা ৰাণীৰ ফালে, কেতিয়াবা হয়তো ফেৰীৰে উত্তৰ গুৱাহাটীৰ ফালে। নানা কথা, নানা পৰিকল্পনাৰে সিহঁতে ভৱিষ্যতৰ সপোন দেখে। নিজৰ পেছাৰে শীৰ্ষত আৰোহণৰ সপোন। সঁচাই সুন্দৰ এনেবোৰ কল্পনা। কেতিয়াবা দেবাশীষে নীতাৰ গাত ধৰি জোকাৰি দিলেহে তাই বাস্তৱলৈ উভতি আহে।

"ব'লা নীতা, উভতি যোৱাৰ বাট বৰ দীঘল। তোমাক ভাৰাঘৰত থৈ মই আন এটা কামত ওলাই যাম।"

নীতাই আবদাৰৰ সুৰত কয়— "নাই নহ'ব। আজিৰ দিনটো কেৱল মোৰ, কেৱল মোৰ বাবেহে— সেই কথা নাপাহৰিবা।" লাহে লাহে নীতাই দেবাশীষৰ ওপৰত কৰ্তৃত্ব দেখুৱাব পৰা হ'ল।

"আজি এটা বিশেষ কথা আছে। ঠিক সন্ধিয়া ছয় বজাত মোক আহি লগ ধৰিবা।" দেবাশীষে তাৰ সকলো ব্যস্ততা দলিয়াই থৈ আহি সেই বিশেষ সময়ত নীতাক লগ নধৰিলে চাৰিদিনমানলৈ মাতবোল বন্ধ।

কিন্তু ইমান মান-অভিমান, ইমান খং-ৰাগ, মতা-মমতাৰ পিছতো দেবাশীষে এদিনো স্পষ্টকৈ কৈ দিব পৰা নাই— "নীতা, মই তোমাক ভালপাওঁ। ভীষণ ভালপাওঁ। তুমিবিহীন জীৱন মোৰ বাবে কল্পনাতীত। বহু দিন সুধিম বুলি ভাবোঁ— নীতা, তুমিও মোক ভাল পোৱানে?" সিহঁতৰ লগ পোৱা বহু দিনেই হ'ল, অথচ প্ৰাণৰ ভাব ওঁঠত ফুটি উঠা নাই কোনোজনৰে।

তিনি

দুই-এটা সৰু-সুৰা মডেলিং, টিভি, ৰেডিঅ'ৰ দুটা এংকৰিং, আজৰি সময়ত দুই-এটা টিউচন কৰি নীতাই কোনোমতে চলিছে। তথাপি তাই গাঁৱলৈ উভতি যোৱাৰ কথা ভবা নাই। মাকে বাৰে বাৰে এজনী ছোৱালীৰ অচিনাকি ঠাইত হ'ব পৰা সম্ভাব্য বিপদৰ কথা সোঁৱৰাই চিঠি লিখে। মাণিকেও তাইৰ মনৰ পৰিৱৰ্তন হ'ব বুলি আজিও আশা কৰি আছে। মণিকৰ কথা ভাবিলে তাইৰ আজিকালি এলাৰ্জি হয়। এবাৰ তাইৰ ভাৰাঘৰ বিচাৰি বিচাৰি উলিয়াই তাইক জীৱন সম্পৰ্কে বহু তাত্ত্বিক কথা শুনাই গ'লহি—

"নীতা জীৱন বৰ ক্ষন্তেকীয়া। এই ক্ষয়িষ্ণু সময়ৰ ভিতৰতে জীৱনটোক ভাল পাবলৈ শিকা। কৰণীয় কৰ্তব্য সময়মতে কৰাৰ চেষ্টা কৰা। মাৰা-দেউতাৰাৰ অবাধ্য নহ'বা।"

"এইকেইখন কিতাপ পঢ়িবা।" তাই দেখা পালে, তাৰে এখন হ'ল 'গীতা'। ড° মহেন্দ্ৰ বৰাই অনুবাদ কৰা।

মাণিক যোৱাৰ পিছত কিতাপকেইখন চুকলৈ দলিয়াই তাই ফোঁচ্‌কৈ উঠিল। মুখ ভেঙুচাই নিজকে ক'লে— "ইস্! গাঁৱলীয়া ভূত। আজিৰ পৃথিৱীখন কি দ্ৰুতগতিত সলনি হ'ব ধৰিছে; দেখা নাই? তাৰ লগত খোজত খোজ মিলাই আগবাঢ়ি যাব নোৱাৰিলে জীৱনৰেই বা মূল্য ক'ত? মা-দেউতাই বিচাৰি পালে তোৰ দৰে কেলেহুৱা এটাক।"

"কত মোৰ ৰূপত জাহ যাবলৈ আহিছে কেতিয়াবা মন কৰিছনে? এটা ইচাৰাতে কতজনক নচুৱাব পাৰোঁ। আৰু সি ওলাইছে মোক বিয়া কৰাবলৈ।"

"বিয়া কৰাই কি কৰিম? গাঁৱলৈ গৈ এপালমান ল'ৰা-ছোৱালীৰ মাক হৈ ঘৰবুঢ়ী হ'ম। ওঁহো, মোৰ দ্বাৰা নহ'ব।"

কথাবোৰ নিজৰ মাজতে পাগুলি পাগুলি তাই ফোপাবলৈ ধৰিলে। আজি আৰু তাইৰ কাম কৰাৰ বাসনা হেৰাল। সকলো প্ৰগ্ৰেম কেনচেল কৰি তাই বিছনাখনতে উবুৰি দি পৰি থাকিল।

"পানী, পানী, পানী।" ডিঙি শুকাই গৈছে, তাইৰ বৰ পিয়াহ লাগিছে। চকু তিৰ্‌বিৰাই উঠা জলমলীয়া পানী। কিন্তু ক'তা এচলু পানীও নাই ক'তো। তাই কেৱল উৰ্ধ্বশ্বাসেৰে দৌৰিছে। দৌৰিছে। কাষ পালে পানীবোৰ দূৰলৈ বহু দূৰলৈ আঁতৰি গৈছে। তাই কিন্তু থমকি ৰোৱা নাই। কেৱল দৌৰিছে।

খট্ খট্ খট্। দুৱাৰৰ টোকৰতহে তাইৰ টোপনি ভাগিল। সাৰ পাই তাই চুৰিদাৰৰ ওপৰতে চুন্নীখন মেৰিয়াই ল'লে। মাণিক যোৱাৰ পিছত কেতিয়া যে তাইৰ টোপনি আহিল ক'বই নোৱাৰিলে। বহুদিন দেখি অহা সপোনটো তাই আজিও দেখিলে। কিয় দেখে তাই সেই একেধৰণৰ সপোনটো। সঁচাই তায়ো মৰুভূমিত মৰিচিকা খেদাৰ দৰে কাম কৰিছে নেকি?

খট্ খট্ খট্। দুৱাৰত দ্বিতীয়বাৰৰ বাবে টোকৰ পৰিল। তাই সপোনৰ পৰা বাস্তৱলৈ উভতি আহিল।

"নীতা নীতা দুৱৰা খোলা।" হয় এয়া দেবুৰ মাত। হঠাৎ তাইৰ সকলো স্পষ্ট হৈ পৰিল। দেবুৱে আজি এজন মানুহৰ লগত চিনাকি কৰি দিয়াহি কথা আছিল।

তাই খৰ্‌ধৰ্‌কৈ দুৱাৰখন খুলি দিলে। বাহিৰত দেবাশীষৰ লগত আন এজন সুদৰ্শন

ডেকা ল'ৰা। দেৱাশীষে দুবাৰতে বৈ তাইক জন্মদিনৰ শুভেচ্ছা জনাই এথোপা ফুল আগবঢ়াই দিলে। এতিয়াহে তাইৰ মনত পৰিল। মাকে মাণিকৰ হাতত তাইৰ জন্মদিনৰ বাবেই বহুতো কিবা-কিবি দি পঠাইছিল। তাই মাণিকৰ ওপৰত উঠা খঙৰ ভমকত সকলো পাহৰি গ'ল। আনকি জন্মদিনৰ কথাটোও। দেৱাশীষে লগৰজনৰ লগত নীতাক চিনাকি কৰি দিলে।

"এওঁ নীতা। নতুনকৈ মডেলিঙৰ কামত নামিছে। ভাল বিহুও নাচে।" এইবাৰ নীতাৰ ফালে চাই ক'লে—

"এওঁ ডাঙৰ বিজ্‌নেছ্‌মেন। ৰূপেশ সিং।"

"নমস্কাৰ। আপোনাক বিভিন্ন শ্ব'ত দেখা পাইছোঁ। দূৰৰ পৰা। কিন্তু..."

"কিন্তু কি সিং?"

দেৱাশীষে মাত লগালে।

"কিন্তু ইমান সুন্দৰী বুলি আজিহে বুজি পালো।" এইবুলি কৈ সিঙৰ চকুৱে নীতাৰ সমস্ত শৰীৰ খুটিয়াই খুটিয়াই চালে। মানুহটোৰ চাৱনিত নীতাৰ আবৰণমুক্ত হৈ যোৱাৰ দৰে লাগিল। তাই বেছি পৰ তেনেদৰে থিয় দি থাকিব নোৱাৰিলে।

"আপোনালোক বহক।" এইবুলি তাই ভিতৰ সোমাই গ'ল। ৰূপেশ সিঙে দেৱাশীষৰ লগত কথা পাতিবলৈ ধৰিলে। তাৰ ব্যৱসায় ক'ত ক'ত আছে। কিমান বিশাল সাম্রাজ্যৰ অধিকাৰী হৈ পৰিছে। সেয়ে এইবাৰ চিনেমা-তিনেমাৰ কথা ভাবিছে।

"হয় নেকি? তেনে কাম হাত দিলে আমালৈ নাপাহৰিব।"

"চিঅ'ৰ, চিঅ'ৰ। আপোনাৰ বান্ধৱীও নিশ্চয় এইক্ষেত্ৰত কম্প্ৰমাইজত আহিব।"

"চাহ।" নীতাই চাহৰ ট্ৰে লৈ সোমালহি। তাই দিনতে ৰান্ধি থোৱা পায়স, মিঠাই আৰু কেক দিলে। তিনিওজনে নানা কথা-বতৰা পাতি চাহ খাব ধৰিলে। মাজতে দেৱাশীষে তাৰ ফেশ্বন শ্ব' এটাৰ বাবে মুম্বাইলৈ যোৱাৰ খবৰ দিলে। অৱশ্যে তাৰ প্ৰস্তুতিৰ বাবে যে কিছুদিন অতিকে ব্যস্ত থাকিব লাগিব, সেই কথাটোও সি নীতাক জনাই গ'ল।

"এইখন ৰাখক।" ৰূপেশে তাৰ নাম-ঠিকনা থকা কাৰ্ড এখন নীতালৈ আগবঢ়াই দিলে। লগতে ক'লে—

"দেবু বাবু নাথাকিলে কি হ'ব? আমি আছোঁ নহয়। আপুনি ব'ৰ ফিল কৰিলে আমাৰ তাত যাব। নহ'লে ফোন কৰিব। মই লৈ যামহি।

এপাক ফুৰি আহিব পাৰিব।"

নীতাই শেষৰ কথাখিনিৰ উত্তৰ দিব লাগে বুলি নাভাবিলে। হাঁহি হাঁহি তেওঁলোকক বিদায় জনালে।

চাৰি

মাজে মাজে নীতাৰ দৰে সোঁতত উটি-বুৰি ভালপোৱা ছোৱালীজনীও ভাবুক হৈ পৰে। কিহৰ পিছে পিছে যে দৌৰিছে তাই। কি বিচাৰি, ক'লৈ দৌৰিছে তাই নিজেও নাজানে। সৰুতে স্কুলত ছাৰে বুজাইছিল জীৱনটো কচুপাতৰ পানীৰ দৰে— বৰ ক্ষণস্থায়ী। কিন্তু তথাপি সেই কেইটামান মুহূৰ্তৰ বাবে পানীৰ কণাটো মুকুতাৰ দৰে জিলিকি উঠাৰ দৰে তোমালোক সকলো জিলিকি উঠা। তোমালোকৰ মাজেৰে দেশ আৰু জাতিক জিলিকাই তোলা। তাই নাজানে, দেশ আৰু জাতিৰ বাবে কিবা কৰিছেনে নাই। তাইৰ নিজৰ পৰিয়ালৰ বাবেও বা কি কৰিছে। বুঢ়া মাক-দেউতাকক বা কি দিছে? নাই, নাই তাই আৰু নাভাবে। নিজক প্ৰতিষ্ঠা কৰাৰ দুৰ্বাৰ ইচ্ছা এটাই তাইক লৈ ফুৰাইছে। তাইক মান-সন্মান, ধন-সম্পত্তি সকলো লাগে। তাই স্বৰ্গৰ পৰী হ'ব খোজে। তাই জিএৰ পাখি যেন জিলমিলীয়া পাখি লগা সাজ পিন্ধি সকলোৰে কেন্দ্ৰবিন্দু হ'ব খোজে। তাই ঐশ্বৰ্য ৰায়, সুস্মিতা সেন অথবা তেনে এজনী হ'ব খোজে। তাই মিছ্ ইণ্ডিয়া হ'ব খোজে। নহয়, নহয় তাই মিছ্ ইউনিভাৰ্ছ হ'ব খোজে। নহয় নহয় তাই স্বৰ্গৰ অপ্সৰা হ'ব খোজে।

তাইৰ ৰূপ কোনগৰাকীতকৈ কম। সৰুতে গাঁৱৰ স্কুলত এদিন ছাৰে কৈছিল— "আই, তই বোকাৰ পদুম।" ছাৰে অৱশ্যে তাই পঢ়া-শুনাত ভাল হোৱাৰ বাবে নে তাইৰ সুন্দৰ মুখখন দেখি কৈছিল তাই ধৰিব পৰা নাছিল। কিন্তু কলেজীয়া জীৱনত ভৰি দিহে তাই বুজি উঠিল তাই সঁচাই সুন্দৰী। তাইৰ চকু, তাইৰ চুলি, তাইৰ উন্নত বক্ষযুগল, তাইৰ চিয়া কঁকাল, সুগোল বাহুযুগল, তাইৰ গাৰ ৰং।

তাই সঁচাই তিলোত্তমা। ইমান চহকী দেহটো তাই কামত লগাব। এগৰাকী মিছ্ ইণ্ডিয়া বা মিছ্ ইউনিভাৰ্ছৰ প্ৰাৰ্থী কেৱল দেহেৰেই সুন্দৰী নহয়। তীক্ষ্ণ বুদ্ধিসম্পন্নাও, প্ৰত্যুৎপন্নমতি। তায়ো বুদ্ধিমতী। তায়োতো তীক্ষ্ণ অন্তৰ্দৃষ্টি থকা ছোৱালী। তেনে কিয় নোৱাৰিব তাই। পাৰিব, পাৰিবই লাগিব। এইবাৰ তাই মিছ্ নৰ্থ-ইষ্টত জইন কৰিছে যদিও তাই ৰাণাৰ্ছ আপ হ'ল। তাইৰ দুখ নই। তাইৰ কিছু শিকিবলৈ আৰু বাকী। তাই আৰু কঠোৰ শ্ৰম কৰিব লাগিব। এটা কথাত ভাল লাগিছে তাইৰ হাতলৈ সৰু হ'লেও কেইবাটাও কোম্পানীৰ অফাৰ আহিছে। পেপাৰৰ শিৰোনাম দখল কৰিছে। তাইৰ ব্যস্ততা বাঢ়িছে। টকা-পইচাও আহিছে। ইতিমধ্যে তাই সৰু ভাৰাঘৰটোৰ পৰা এটা ফ্লেট কিনি নিগাৰ্জীকৈ গুৱাহাটীত থকাৰ ব্যৱস্থা কৰিছে।

পাঁচ

চাওঁতে চাওঁতে কেইবাটাও বছৰ পাৰ হৈ গ'ল। মিতালীৰ পৰাও চিঠি-পত্ৰৰ আদান-প্ৰদান কমি আহিল। তাই এতিয়া দুটা সন্তানৰ মাতৃ হ'ল। ঘৰ-সংসাৰ, ল'ৰা-ছোৱালী, স্বামী, শহুৰ-শাহু এইবোৰৰ মাজত মিতালী এনেদৰে চক্ৰবেহুত সোমোৱাৰ দৰে সোমাই পৰিল যে তাই ওলাই অহাৰ বাট বিচাৰি নোপোৱা হ'ল। বিয়াৰ পিছতে ভাবিছিল বি এ পৰীক্ষাটো দিব। পিছে ক'ত হ'ব? বেমাৰী শহুৰ-শাহুৰ আলপৈচান ধৰি গিৰীয়েকৰ দাবীসমূহ পূৰণ কৰি কৰি মিতালী পৈণত গৃহিণী হৈ পৰিল। বাহিৰৰ পৃথিৱীখনৰ পৰা ক্ৰমে ক্ৰমে বিচ্ছিন্ন হৈ আহি আহি এটা সময়ত পৰিয়ালৰ কোনে কি খাই ভাল পায়, কাক কেতিয়া কি দিব লাগে, কাৰ ঘৰত কেতিয়া ভিজিট দিব লাগে, ঘৰৰ পূজা-পাৰ্বণ, শ্ৰাদ্ধৰ তাৰিখ কেতিয়া পৰিব, সকলোৰে সাজ -পাৰ, জোতা-মোজা, ৰুমাল, টাই ক'ত কেনেদৰে থ'ব লাগে; ঘৰৰ ড্ৰাইভাৰ, পাৰ্ট টাইমাৰ দিদিক কেতিয়া কি দেখুৱাই দিব বা মনত পেলাই দিব লাগে— এইবোৰৰ মাজতেই তাইৰ সময়বোৰ ঘূৰি থাকিব ধৰিলে। ল'ৰা-ছোৱালী দুটাৰ জন্ম আগতে দুই এখন কিতাপ পঢ়াৰ যি চখ আছিল ক্ৰমান্বয়ে সিও নাইকিয়া হৈ গ'ল। আজিকালি দৈনিক বাতৰিখন চোৱাৰো সময় নিমিলা হ'ল। সিদিনা গিৰীয়েকেহে অফিচৰ পৰা আহি বাতৰিখন দেখুৱাই মুখ ভেঙুচালে— "হেৰা, তোমাৰ বান্ধৱীৰ ছবি চোৱাহি।" ল'ৰা-ছোৱালী দুটায়ো 'কোন বান্ধৱী' বুলি হেতা-ওপৰা লগালে।

"মাৰৰ বান্ধৱী। মাৰেও মোৰ লগত বিয়াত নবহা হ'লে এনেদৰে পেপাৰত ফটো—" শ্লেষপূৰ্ণ কথাষাৰ শেষ নহওঁতেই মিতালীয়ে হাতত চাহ একাপ লৈ তাত উপস্থিত হ'লহি। তাই পেপাৰখন হাতত লৈ দেখিলে সেয়া আন কোনো নহয়, তাইৰ এসময়ৰ বান্ধৱী নীতা। তাই খৰখেদাকৈ নিউজটো পঢ়ি আঁতৰি গ'ল। গিৰীয়েকে মাজে-সময়ে সুযোগ পালেই এনেদৰে খোচ মাৰিবৰ চেষ্টা কৰে। কাৰণ তাই যে দেউতাকৰ কথা ৰাখিবৰ বাবেই এই বয়সীয়া মানুহজনৰ লগত বিয়াত বহিলে এই কথা তাইৰ গিৰীয়েকেও ভালদৰে জানে। মিতালী আৰু গিৰীয়েকৰ চিন্তা-চৰ্চা ক'তো মিল নাই। দুয়োজনৰ মাজত মানসিক দূৰত্ব ইমানেই বেছি যে কিছুমান আৱেগ-অভিমান একেবাৰে অৰ্থহীন হৈ পৰে মানুহজনৰ কাষত। মানুহজনে কেৱল চাকৰি, টকা-পইছা এই লৈয়ে চিন্তা কৰে। ক'ত টকা খটুৱালে কিমান ভাল কৰিব পাৰি, কিমান টকা ক'ত জমা আছে? কাৰ কিমান মাটি-বাৰী, সম্পত্তি, লগৰ কোনে গুৱাহাটীতো গৈ ফ্লেট কিনিছেগৈ, মাটি কিনিছেগৈ। তেৰোঁ পাৰিলে ভৱিষ্যতে

ল'ৰা-ছোৱালীৰ কামত অহাকৈ গুৱাহাটীত এটা ফ্লেট কিনিব। তাৰবাবে ক'ত কিদৰে যোগাযোগ কৰিছে— এনেবোৰ কথাৰেই সময় পাৰ কৰে। মিতালীয়ে মন কৰিলে তাইৰ জীৱনলৈ কোনোদিনেই ৰোমাঞ্চকৰ পৰিৱেশ নাহিলেই। ফুলশয্যাৰ নিশাও উত্তাপবিহীন, ৰোমাঞ্চবিহীন দুই-এষাৰ কথাতে তাইৰ অৱশ দেহাটো ভাগৰি পৰিল। সকলোৱে জোৰ কৰি সিহঁত দুটাক হনিমুনলৈ পঠালে যদিও তাইৰ দুদিনতে ঘূৰি আহিবৰ মন গ'ল। নতুন ঠাই, নতুন পৰিৱেশ, সুদৃশ্য হোটেলৰ বেলকনিৰ পৰা বৰফ দেখা পোৱা সুন্দৰ দৃশ্যশোভাৰে পাহাৰৰ শৃংগ, জোনাকে টৌৱাই থোৱা সেই উপত্যকাত থিয় হৈয়ো গিৰীয়েক এবাৰো ৰোমাণ্টিক হ'ব নাজানিলে। কেৱল বজাৰ কৰা, হোটেলে হোটেলে বিভিন্ন খাদ্যৰ জুতি লৈয়ে মানুহটোৰ সন্তুষ্টি. ৰৌতাংপাছত শুধ বগা বৰফৰ মাজত থিয় হৈ তাই আত্মহাৰা হৈ পৰিছিল, তাই যেন এজনী সৰু ছোৱালী হৈ পৰিল। বৰফেৰে 'স্ন' মেন' সজাই তাইৰ ভাগৰ নলগা হ'ল। তাই স্বৰ্গ দেখা যেন লাগিল। উকিয়াই উকিয়াই নিজৰ মাতৰ প্ৰতিধ্বনি কৰিবৰ মন গ'ল। গিৰীয়েকৰ গালৈ বৰফৰ বল এটা দলিয়াই দিওঁতেও বিশেষ প্ৰতিক্ৰিয়া নহ'ল। মাথোঁ ক'লে, "ব'লা উভতিবৰ হ'ল।" এনে সুন্দৰ মায়াময় দৃশ্য কেমেৰাৰেও ধৰি থ'ব নোৱাৰিলে তাই। যাওঁতে ননদহঁতে ডিজিটেল কেমেৰা এটা দি পঠাইছিল যদিও মানালিৰ পৰা ভাৰাগাড়ীৰে ৰৌতাঙলৈ যাবৰ পৰত হোটেলতে কেমেৰা থাকি গ'ল। তাইৰ কথাবোৰ ভাবি বেয়াই লাগিল। কি যে এক অসন্তুষ্টিৰে তাই উভতি আহিছিল হনিমুনৰ পৰা। মনৰ কথা খুলি ক'বলৈও নীতা তাইৰ কাষত নাছিল। কেৱল ভাগ্যক ধিয়াই জীৱনটো মানি ল'লে তাই। সেয়ে আজি নীতাৰ ফটোখন পেপাৰত দেখা পাই তাই অতিকৈ আনন্দিত হৈছে। যদিও তাইক বাহিৰৰ পৰা দেখা পালে ধৰিব নোৱাৰি। তথাপি তাইৰ অজানিতে পাকঘৰত ৰন্ধা-বঢ়া কৰি থাকোঁতে তাইৰ ওঁঠত এটি গীতৰ কলি গুণগুণাই উঠিল— "কথাৰে নহয় বন্ধু কামত পৰিচয়, জীৱন যুঁজত আছে সদায় জয় পৰাজয়।" তাই যি নাপালে সেয়া নীতাই পাওক। নীতা লক্ষ্যৰ সৰ্বোচ্চ শিখৰত উঠক এনে এক ইচ্ছাৰে তাই নেদেখাজনলৈ আবেদন কৰিলে। মনে মনে প্ৰাৰ্থনা কৰিলে। মূৰ দোৱালে।

ছয়

ক্ৰিং ক্ৰিং ক্ৰিং, বহুসময় বাজি বাজি কাটি গ'ল। নীতাৰ সাৰ সুৰেই নাই। কিছুদিনৰ পৰা দুই-এখন ভিডিঅ' ছবিত কাম কৰিবলৈ লোৱাৰ পৰা তাই ৰাতি পলমকৈ ঘৰ

সোমাব লগা হৈছে। দিনটো কষ্টৰ শেষত বাটতে কিবা এটা খাই ঘৰ পাই বিছনাত ঢাল খাই যি পৰিল পুৱা ৯ মান বজাত দিদিজনী আহি জগালেহে সাৰ পায়।

ক্রমে বিশাল হৈ অহা গুৱাহাটী মহানগৰীয়েও হেৰুৱাই পেলাইছে সৰু নগৰৰ চৰিত্র। ওৰে নিশা সাৰে থাকে গুৱাহাটী। দিনৰ দৰে পোহৰ হৈ থাকে, নিয়ন বাতিয়ে জ্বলাই ৰাখে ইয়াৰ আলি-পদূলি। সেয়ে 'সপোনৰ অন্ধ গলিত' কোনোজন দিকভ্রান্ত হৈ পৰিলেও কাৰো খবৰ নাই। লানি নিছিগা সোঁত বৈয়ে আছে ইয়াৰ বুকুলৈ, সকলোকে সাৱটি বুকুত ভৰাই লৈছে মৰমী মাকৰ দৰে।

নীতাই বাগৰ সলাই শোলে। এইবাৰ মিহি মাতেৰে বাজি উঠিল ম'বাইল ফোন। বাৰে বাৰে বাজি বাজি কাটি যায়। এবাৰ হঠাৎ সাৰ পাই গ'ল তাই। ম'বাইলৰ স্ক্রীনত ৰূপেশ সিঙৰ নাম্বাৰটো জিলিকি উঠিছে। তৎক্ষণাৎ তাই কথাবোৰ মনত পৰা যেন লাগিল। তাই বাস্তৱ পৃথিৱীলৈ ঘূৰি আহিল।

"ৰূপেশচোন মুম্বাইত আছিল। দেবাশীষৰ ফেশ্বন শ্ব'ৰ আয়োজনত সহায় কৰিবলৈ সিয়ো কেইদিনমানৰ আগতে উৰা মাৰিছিল।"

"হেল্লো'— নীতাৰ মাত শুনিয়েই সিফালৰ পৰা ৰূপেশৰ মাত হুনহুনাই আহিব ধৰিলে— 'নীতা মেৰে য়াৰ— গজব হো গয়া, গজব হো গয়া।"

নীতা দস্তুৰমত আচৰিত হৈ গ'ল। ৰূপেশৰ মুখত এই প্রথম হিন্দী। কিয়নো গুৱাহাটীতে ডাঙৰ-দীঘল হোৱা ৰূপেশৰ মাত-কথাত নিৰ্ভাজ অসমীয়া সুৰহে তাই শুনি আহিছে। লগতে তাৰ কান্দোন মিহলি কথা-বতৰা।

"হেল্ল', হেল্ল'। ৰূপেশ কি হ'ল— নোকোৱা কিয়?" নীতাই ভাবিলে তাৰ বিজনেছৰ ক'ৰবাত কিবা লেঠা লাগিছে। নহ'লে আৰু এনেবোৰ মানুহৰ 'গজব' হ'ব লগা কি খবৰ থাকিব পাৰে?

"হেল্ল' নীতা, দেবুৰ কাৰ এক্সিডেন্ট্ হ'ল। যোৱা দুদিন মুম্বাইৰ এখন হাস্পতালত আই চি ইউত..."

"কি? কি কোৱা? ক'ত, কেনেকৈ ভালদৰে বুজাই কোৱা?" নীতাৰ বুকুখন বিষাই উঠিল। তাইতো এবাৰো এনে বাৰ্তাৰ বাবে সাজু নাছিল।

সিফালৰ পৰা ৰূপেশে কি কৈছে তাই যেন ধৰিব পৰা নাই। তাইৰ ভিতৰখনত ভূমিকম্পৰ কঁপনি উঠিছে। ভৰিৰ তলৰ মাটি আঁতৰি গৈছে। চকুৱে ধুঁৱলী-কুঁৱলী দেখিছে। মেজৰ পৰা পানীৰ বটলটো লৈ ধক্ধক্কৈ গিলি তাই আকৌ ফোনটো কাণত দিছে। ফোনটো মাজে মাজে কাটি গৈছে, নে তাইহে ভালদৰে শুনা নাই। শুনা-নুশুনাৰ মাজতে তাই যি বুজিলে, তাৰ পৰা বুজিলে যে ৰূপেশে দেবাশীষৰ দেহটো লৈ কাইলৈ আহি পাব বৰঝাৰ। নীতা শিল পৰা কপৌৰ দৰে হ'ল। কাম কৰা দিদিজনী আহি 'নীতাদি খবৰ ভাল' বোলাৰ লগে লগে তাই ৰাউচি জুৰি বিছনাত বাগৰি পৰিল।

দিদিজনীও অবাক। বহুসময় কান্দি-কাটি নীতাই যি ক'লে দিদিয়ে বুজিলে যে তাই মাজে-সময়ে লগ পোৱা নীতাদিৰ বন্ধু দেবুদা 'মাৰা গেল'। তাই ওচৰৰ ফ্লেটৰ দুই ঘৰত কাম কৰিবলৈ গৈ কথাটো ক'লে— পিছে সকলোৱে মুখ ভেঙুচাই, ওলোটাই তাই কামত দেৰিকৈ অহাৰ বাবে গালিহে পাৰিলে।

"চাল্লা, চব স্বাৰ্থপৰ। নিজক চিনা।" দিদিয়ে মুখৰ ভিতৰতে ভোৰভোৰাই কামত ধৰিলেগৈ। কামৰ ফাঁকে ফাঁকে দিদিৰ মনটো বেজাৰ লাগি থাকিল। দেবুদা, নীতাদিৰ কি হয় তাই নাজানে। হ'ব লগা 'মৰদ' নে বন্ধু তাকো নাজানে তাই। কিন্তু এই ফ্লেটৰ সকলোকে আহিলেই মাত-বোল কৰা হাঁহিমুখীয়া গজ্‌গজীয়া ডেকাটো 'মাৰা গেছে'। "এইগিলা মানুহ না কিবা। অলপো দুখ নালাগে। অ'হ অ'হ।" দিদিৰ মনটো হাহাকাৰ কৰি উঠিল।

আন দুঘৰ মানুহত কাম শেষ কৰি তাই নীতাৰ ফ্লেটত সোমাল। নাই, একেদৰে পুৱাৰ পৰা বিছনাত পৰি আছে। ঘৰ-দুৱাৰ মচি তাই নীতাক একাপ চাহ কৰি দিয়াৰ কথা ক'লে। নাই নীতাই নাখালে। দিদি যাবলৈ ওলাল।

"দুখ নকৰিবি। এইগিলা ভাগ্যৰ দোচ, বুক্‌খান ডাঠ কৰ। নিজক চম্ভাল।" কৈ কৈ দিদি ওলাই গ'ল।

কালি নিশাও তাই সেই একেটা সপোনকে দেখিছিল। মৰুভূমিত পানী পানী বুলি তাই দৌৰিছে। জল্‌মলীয়া পানীখিনিৰ ওচৰ পাওঁতেই দূৰলৈ, বহু দূৰলৈ আঁতৰি গৈছে। তাইৰ জীৱনটোও এনে মৰুভূমিত মৰীচিকা খেদা বিধৰ হৈ গৈ আছে। দেবু, যাৰ সাহস আৰু উৎসাহত তাই গুৱাহাটীত নিজৰ এটা পৰিচয় বিচাৰি পাইছে, যাৰ উৎসাহত তাইৰ মন পচন্দৰ জগতখনত এখোজ-দুখোজকৈ খোজ পেলাইছে, সেই দেবু এই পৃথিৱীত নাই। কথাবোৰ ভাবিলে তাইৰ মূৰ আচন্দ্ৰাই কৰিব ধৰে।

দেবু তাইৰ কেৱল বন্ধুৱেই আছিলনে? কোনোদিনেই মুখ খুলি এই সম্পৰ্ক স্বীকাৰ নকৰিলেও আজি তাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে। দেবু তাইৰ প্ৰথম প্ৰেম। কিন্তু কতবাৰ তাইৰ মুখেৰে এই কথাষাৰকে শুনিবলৈ সি তাইক অনুনয়-বিনয় কৰিছিল। নাই তাই মুখ নুখুলিলে। তাইৰ নিজকে আজি বৰ স্বাৰ্থপৰ যেন লাগিছে। অহংকাৰী যেন লাগিছে। আত্মাভিমানী যেন লাগিছে। তাই কাৰ ওচৰত কিবা পৰামৰ্শ বিচাৰিব। কোনে তাইক পথ দেখুৱাব।

"দেবু, দেবু তুমি মোক মাফ কৰি দিয়া। মোৰ বৰ ডাঙৰ ভুল হৈ গ'ল দেবু। তুমি চাগৈ অভিমান কৰিয়ে গুচি গ'লা। মোৰ কথা এবাৰো নাভাবিলা। তোমাৰ, তোমাৰ নীতাই কাক লৈ থাকিব।"

যোৱা কিছুদিন নীতাৰ কেৱল এনে এক পৰিস্থিতিত পাগলামি আৰম্ভ হৈ মনক

স্থিৰ কৰিব পৰা নাই। ক'লৈ যাব, কোনে তাইৰ স্থিৰতা ঘূৰাই আনিব। দেবুৰ মৃতদেহ পোনে পোনে বৰঝাৰৰ পৰা যোৰহাটলৈ লৈ গ'ল। তাই কেৱল টিভি পৰ্দাতহে প্ৰত্যক্ষ কৰিলে। 'উদীয়মান শিল্পী দেবাশীষ...” তাই আৰু চাব নোৱাৰিলে। শ্ৰদ্ধা যাচি এপাহ ফুল দিবও নোৱাৰিলে। শেষ যাত্ৰাত ভাগ ল'ব নোৱাৰিলে। জীৱনত তাই বৰ বেয়াকৈ উজুটি খালে। সকলো সপোন থৰ্‌থৰ্‌কৈ ভাঙি পৰিল। তাই চাকি চাব নাপালে— তাই চুই চাব নাপালে, সপোন সপোন হৈয়ে থাকিল।

সাত

ফাগুনৰ ধুমুহাই কত গছ নঙঠা কৰি থৈ গ'ল। অৰণ্যৰ ক'ত গছ উভালি পৰি ৰ'ল— তথাপি বসন্তই ডালে ডালে ন-কুঁহিৰে ওপচাই গ'ল আৰু নঙঠা গছত আবুৰ কৰি কাণে কাণে কৈ গ'ল— ধুমুহাই যিদৰে ভাঙি নিয়ে প্ৰকৃতিৰ অপৰূপ ৰূপ শোভা, প্ৰেমিক বসন্তই সিদৰেই গঢ়ি তোলে জীৱনচৰ্যা।

সময়ে এনেদৰেই ধুই নিয়ে বহু স্মৃতি। কোনোটো দুখৰ, কোনোটো সুখৰ। সময়ৰ স'তে খোজ মিলাবলৈ হ'লে আমি মানি ল'ব লাগিব তাৰ আহ্বান।

চাওঁতে চাওঁতে কেইবাটাও মাহ পাৰ হৈ গ'ল। নীতাই কামৰ মাজতে নিজক ব্যস্ত ৰখাৰ প্ৰয়াস কৰিলে। কিয়নো তাইৰ বাবে ওভতাৰ বাট বন্ধ হৈ গ'ল। মাক-দেউতাক ঢুকাল, মাণিকে বিয়া-বাৰু পাতি নিজৰ সংসাৰক লৈ ব্যস্ত হৈ পৰিল। নিদাৰুণ সময়ে তাইৰ দেবুকো লৈ গ'ল। সেয়ে তাই আজিকালি কেৱল নিজৰ চিন্তাত মগ্ন হৈ থাকে। তাইৰ কৰ্ম আৰু ভাগ্যই তাইক য'লৈ লৈ যায় তাই তালৈকে যাব। কেৱল কাম, কাম আৰু কাম। কেতিয়াবা ৰূপেশ সিং আহে। আহি বহু সময়লৈ আড্ডা মাৰে। অৱশ্যে ৰূপেশৰ মূল বিষয়বস্তুৱেই হ'ল ব্যৱসায়। কিন্তু তাইৰ সমুখত মাজে-সময়ে ৰোমাণ্টিক প্ৰেমিকৰ দৰে কথা-বতৰা আৰম্ভ কৰে। অলপো সংকোচ নকৰাকৈ মুকলিকৈ তাইৰ ৰূপৰ প্ৰশংসা কৰে।

“নীতা, সাজপাৰৰ পৰিবৰ্তনে তোমাক বেছ স্মাৰ্ট দেখাইছে।”

কেতিয়াবা হয়তো ক'ব— “নীলা জীনছ আৰু স্লিভলেছ স্পৰ্টিসহ তুমি অপূৰ্ব হৈ পৰিছা।” এনে বহু প্ৰশংসাৰ স্থিৰচিত্ৰ তাৰ ডিজিটেল কেমেৰাত বন্দী হৈ ৰৈ যায়। নীতাই বিশেষ পাত্তা নিদিলে। এনে বহু স্তাবকৰ দল তাইৰ দৰে ধুনীয়া মডেলৰ পিছে পিছে থকাটো এক গ্লেমাৰ বুলিবই পাৰি।

তাইৰো আজিকালি কিবা বেপৰোৱা স্বভাৱ হৈ পৰিছে। কেপ্রি, স্পেগেটি পিন্ধিও মুকলিকৈ গুৱাহাটীৰ অলি-গলি ঘূৰি ফুৰিব পাৰে। দেবু থকালৈকে তাইতো এনে হোৱা নাছিল। বেছ আবুৰেৰে সাজ-পাৰ পিন্ধিছিল। কি ছোৱালী কি হৈ গ'ল। বেছি ভাবিবৰ মন নাযায়। যুগৰ লগত খোজ মিলাব নোৱাৰিলে তাই আৰু মডেল হোৱা অনুচিত। বিভিন্ন পাৰ্টীত কেতিয়াবা ক'ল্ড ড্ৰিংক্‌ছৰ ঠাইত হট ড্ৰিংক্‌ছ ল'বলৈও বাধ্য হৈছে তাই।

বন্ধ ঘৰৰ নৈশব্দতা আৰু নিৰ্জনতা মানি ল'ব নোৱাৰিলে কেতিয়াবা ডিস্ক' পাৰ্টীলৈও গৈছে তাই। সামান্য বন্ধুত্বৰে এজনে আনজনৰ কঁকালত হাত দি নাচিছে। পাৰ্টীৰ শেষত বহুতে উপযাচিয়ে তাইক ঘৰত থোৱাৰ, বহুতে লিফ্‌ট্ দিয়াৰ কত যে প্ৰতিশ্ৰুতি দিয়ে। তাই জানে নিচা থকালৈকেহে এইবোৰ। নিচা গ'লে সকলো শেষ। ঘৰত ল'ৰা-ছোৱালী এৰি আহিছে। তাইৰ লগত কেৱল মুখৰ খজুৱতি মাৰিছে। সামান্য স্পৰ্শৰে সিহঁতবোৰে দেহক শান্ত কৰিছে।

কিন্তু ৰূপেশ সিং— তাৰ ব্যৱহাৰত ক'ৰবাত যেন পৰিবৰ্তন হৈছে। মানুহটো তাই ধৰিব পৰা নাই। সি সঁচাই প্ৰেমত পৰিছেনে তাইৰ, নে প্ৰেমৰ অভিনয়হে কৰিছে। নে তাইক পুতৌ কৰিব বিচাৰিছে। তাই ধৰিব পৰা নাই। কিন্তু ঠিক তাই নিজেও ক'ব পৰা নাই ৰূপেশক বেয়া লগা বুলি। দেবু হ'ব নোৱাৰিলেও ৰূপেশেও ক্ৰমে তাইৰ হৃদয় বৃন্ত মুকুলিত কৰিব ধৰিছে। তাৰ কথা-বাৰ্তা, তাৰ চকুৰ ভাষা, তাৰ আবদাৰ, তাৰ অধিকাৰ সাব্যস্ত কৰাৰ প্ৰচেষ্টা আৰু কেতিয়াবা হঠাৎ অভিমানী হৈ পৰা— এইবোৰতো দেখিও তাই এবাৰো প্ৰতিবাদ কৰা নাই। বৰং তাৰ অৱস্থাটো উপভোগহে কৰিছে মনে মনে।

নীতাৰ ভিতৰৰ মানুহজনীয়ে মাজে মাজে তাইক জোকাৰি দিয়ে।

"ক, নীতা, কৈ দে। ৰূপেশ তোমাৰ আবেদন মই বিনাবাক্যে গ্ৰহণ কৰিম।"

"জীৱনত কম্প্ৰমাইজ কৰিবলৈ শিক।"

"নাই, নাই তাই নোৱাৰে। তাই বন্ধন মানিব নোৱাৰে।"

"বিয়া মানেইতো বন্ধন।"

"জীৱনত তই বহু খলা-বমা দেখিছ, কোনে জানে আৰু কিহে বাট চাই আছে। ৰূপেশ তোৰ ৰূপৰ জুইত জাহ যাব খুজিছে। তাক তোৰ কৰি ল।"

"নাই, নাই ৰূপেশ মোৰ প্ৰেমৰ পূজাৰী হৈ থাকক। প্ৰেমবিহীন জীৱন মই কেতিয়াও মানি ল'ব নোৱাৰোঁ। কিন্তু সংসাৰ বন্ধন— ই মোৰ বাবে অসম্ভৱ।" "তোৰ ইমান স্পৰ্ধা। তোৰ কি লৈ ইমান অহংকাৰ। যি ৰূপৰ বাবে তই ইমান গৰ্বী হৈ পৰিছ সি সদায় নাথাকে। দুদিনীয়া এই অহংকাৰ। বয়সে সকলো মোহাৰি লৈ যাব। যৌৱন জয় কৰি আহিব।"

মনৰ লগত যুঁজি যুঁজি তাই কেতিয়াবা ভাগৰি পৰে।

আঠ

চৰাইৰ সুঁহুৰিৰ দৰে তাইৰ ম'বাইল বিছনাতে বাজি উঠিল। নীতা খক্‌মকাই সাৰ পাই উঠিল।

"হেল্লো"

"মেনি হেপি ৰিটার্নছ্ নীতা।"

"থেংক্‌চ্।"

"দুৱাৰত তোমাৰ বাবে বৈ আছে ৰঙা গোলাপৰ থোপা।"

তাই ফোনটো লৈয়েই দুৱাৰ খুলি চালে। হয়, ৰূপেশৰ ঘৰত লগ পোৱা মৰমলগা ল'ৰাটোৱে ৰঙাগোলাপৰ থোপা লৈ বৈ আছে। তাই তাৰ হাতৰ পৰা ফুলৰ থোপাটো ল'লে।

"একেবাৰেচোন ফিল্মি কায়দা।"

"আৰে, সোণজনী ডাঙৰ চিনেমাৰ নায়িকা হ'বলৈ গৈ আছা। 'গ্লেডৰেগ'ৰ দৰে প্ৰতিযোগিতাত নামিব ওলাইছা— তোমাৰ জন্মদিন এইবাৰ বৰ ধুমধামেৰে পাতি আছোঁ চাই থাকা।"

"হয় নেকি? মোৰ জন্মদিনৰ ইমান খবৰ ৰাখিছা। তাতকৈ আৰু কি লাগিছে হা?"

"না না না। এইবাৰ সকলোৱে চাই ৰ'ব। তুমিও যে এগৰাকী ভাল ডান্সাৰ।"

"আও। আজিচোন বেছ ৰোমাণ্টিক কথা-বতৰা।"

"বাই দি বাই— আবেলি ওলাই থাকিবা। সন্ধিয়া হোটেল 'অম্বৰীশ'ত এটা সৰু পাৰ্টী...।"

"কি বাৰ্থেডে চেলিব্ৰেচন।"

"তেনে বুলিয়ে ধৰা। পিচে তাৰ আগতে তোমাৰ ড্ৰেছ ডিজাইনাৰৰ হতুৱাই মই এযোৰ ড্ৰেছৰ অৰ্ডাৰ দিছোঁ— সেইযোৰা পিন্ধি আহিবা। আবেলিতে গাড়ী গৈ উপস্থিত হ'বগৈ।"

এইফালৰ পৰা তাই ক'লে— "এজ ইউ উইচ।"

নীতাই নীৰৱ হৈ পৰা ম'বাইলটো বিছনাৰ কাষতে থৈ বহুসময় টিক্‌টিকীয়া ৰঙা গোলাপৰ পাপৰিবোৰ লিৰিকি-বিদাৰি থাকিল। কেইদিনৰ আগতে দেৱাশীষেও এনেদৰেই এথোপা ৰঙা গোলাপেৰে তাইৰ জন্মদিনৰ শুভেচ্ছা জনাইছিলহি। দুয়োজনেই তাইৰ প্ৰেমিক। কিন্তু দুয়োজনৰ মাজত আকাশ-পাতাল পাৰ্থক্য। দেৱাশীষৰ মাজত আছিল শান্ত, সৌম্য, নম্ৰ এক শীতল অথচ আন্তৰিক আবেদন। কিন্তু ৰূপেশ— ধুমুহাৰ দৰে

উগ্ৰ, হুলস্থূলীয়া, প্ৰগল্‌ভ। ৰূপেশৰ আন্তৰিকতাক তাইৰ মাজে মাজে সন্দেহ কৰিবৰ মন যায়। যি নহওক 'গ্ৰেডৰেগ'ৰ দৰে প্ৰতিযোগিতা বাবেই তাই ৰূপেশক লগ দিব লাগিব। তাইৰ এই বিলাসী জীৱনটোৰ বাবে প্ৰয়োজনীয় সকলো সুবিধা সিয়েইতো কৰি দিছে। তাৰ বাবেইতো তাই ডাঙৰ অফাৰ পাব পৰা হৈছে। কিন্তু মডেলিঙক এতিয়াও ভাল চকুৰে মানুহে চাব পৰা নাই কিয়? তাইৰ চৌপাশৰ মানুহবোৰৰ কথা-বতৰাৰ পৰা এনে ভাব হয় যে সকলোৱে যেন তাইৰ পৰা নিৰ্দিষ্ট দূৰত্ব বজাই ৰখাৰ চেষ্টা কৰে। নিজৰ উঠি অহা ছোৱালীহঁতক তাইৰ সংগ লোৱাৰ পৰা বিৰত কৰে। ক'তা তাইতো এনে কোনো কাম কৰা নাই— যাক অপৰাধ বুলিব পাৰি। বহুজাতিক কোম্পানীত কাম কৰা আন মানুহবোৰৰতো ৰ'বলৈ আজৰি নাই। তাইৰ দৰে নিশা বহু পলমকৈ চাকৰিৰ পৰা ওভতা মানুহৰ অভাৱ নাই। তেনে তাইৰ প্ৰতি এনে মনোভাব কিয়? তাই অকলশৰীয়া বুলিয়েই নে? নে তাই বন্ধু-বান্ধৱ বেছি হোৱাৰ বাবেই?

"যাহ এইবোৰ নাভাবোঁ। অন্ততঃ আজিৰ দিনটোত মই কেৱল স্ফূৰ্তি কৰিম।" আলনাৰ পৰা টাৱেলখন টান মাৰি লৈ তাই বাথৰূমত সোমাল শ্বাৱাৰটো খুলি গুণগুণাই গা ধুব ধৰিলে।

ন

যোৱাকেইটা দিনত তাই বহু ঠাই চালে। মুম্বাই মহানগৰীৰ বহু অলিয়ে-গলিয়ে ঘূৰিলে। আৰব সাগৰেৰে এলিফেণ্টা কেভ পালেগৈ। মেৰিন ড্ৰাইভৰ জোনাকৰ দীপাৱলীত স্বৰ্গীয় অনুভূতিৰে তাই পুলকিত হৈ পৰিল। ইণ্ডিয়া গে'টৰ পৰা উভতি আহোঁতে ৰূপেশে তাইক জোকালে—

'চোৱা, সৌৱা তাজ ইণ্টাৰনেচনেল।"

"হু।" কিবা এটা ভাবত বিভোৰ তাই।

"কেইদিনমানৰ পিছত ইয়াতেই হ'ব মিছ ইণ্ডিয়াৰ ৰিহাৰ্চেল।"

"হয় নেকি?" সকলো জানিও তাই প্ৰশ্ন কৰিলে।

"তেতিয়াৰ পৰা আৰু এতিয়াৰ দৰে ফ্ৰী ষ্টাৰত থাকিব নালাগে। আমিতো তেতিয়া পাৰমিশ্বন লৈহে সোমাব লাগিব তোমাক লগ পাবলৈ।"

"যাহ এইটো।" নীতাই অলসভাৱে ৰূপেশৰ গাত আউজি দিলে।

যোৱা এটা মাহে ৰূপেশ তাইৰ লগে লগে আছে। তাইৰো জগতখন ৰূপেশময়

হৈ পৰিছে। ৰূপেশে যিদৰেই বিচাৰিছে তেনেদৰেই তাই নিজকে উজাৰি দিছে। বহু সময়ত আত্মসমৰ্পণ কৰা বুলিবও পাৰি। তাই স্বাধীনতা ভাল পায়। সেই বুলি তাই তাৰ অপপ্ৰয়োগ কৰিব নোখোজে। অৱশ্যে ৰূপেশ আৰু তাইৰ মাজৰ এই সম্পৰ্কক তাই স্বাধীনতাৰ অপপ্ৰয়োগ বুলি ক'ব নোখোজে।

নীতাৰ প্ৰতিযোগিতাৰ যাৱতীয় যা-যোগাৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে। অহা এমাহ 'মিছ্ ইণ্ডিয়া' প্ৰতিযোগীসকলৰ ট্ৰেইনিং পিৰিয়ড। তায়ো যিহেতু চিলেক্ট হৈছে সেয়ে তাই অহা মাহটো সম্পূৰ্ণ ব্যস্ত থাকিব 'মিছ্ ইণ্ডিয়া'ৰ প্ৰস্তুতিত। ৰূপেশ দুই-এদিনতে গুৱাহাটীলৈ উভতি যাব। যোৱাৰ আগতে এদিন আবেলি সিহঁত দুটা জাহাংগীৰ আৰ্ট গেলাৰীলৈ গ'ল। গুৱাহাটীৰ কেইবাজনো উদীয়মান যুৱকে এইবাৰ তেওঁলোকৰ আৰ্টৰ প্ৰদৰ্শনী পাতিছে। নীতাৰ ভালেই লাগিল। আৰ্ট গেলাৰীৰ বাহিৰত কিছুমান আৰ্টিষ্টে থিতাতেই কিছুমানৰ ছবি আঁকি আছে। ৰূপেশে তাইৰ এখন ছবি অঁকাব খুজিলে। তই টুল এখনত বহিলে আৰু আৰ্টিষ্টজনে তাইৰ মুখাবয়ব আঁকিবলৈ আৰম্ভ কৰিলে। কিছু আঁতৰত ৰূপেশে কোনোবা এজনৰ লগত কিবা বিশেষ কথাত ব্যস্ত হৈ পৰিল।

ৰূপেশ গ'লগৈ যদিও ফোনৰ যোগাযোগ চলি আছিল। নীতাই বহু ঠাইত বহুধৰণৰ ফটো ছেশ্বন কৰিছে। এইবাৰ আন এগৰাকী মডেল ছানিয়াৰ লগ হৈ গোৱালৈ ৰাওনা হ'ল। সাগৰৰ পাৰত, চুইমিং পুলত আৰু গোৱাৰ মনোৰম লোকেশ্বনত ফটো তুলিবলৈ। কিয়নো এতিয়াও কিছুদিন বাকী আছে 'মিছ্ ইণ্ডিয়া'ৰ ৰিহাৰ্চেললৈ। ছানিয়াক প্ৰথম লগ পাওঁতেই নীতাই বুজিছিল এইজনী ছোৱালী অলপবেলেগ ধাতুৰে গঢ়া। তদুপৰি তাইৰ বেপৰোৱা ব্যৱসায়িক স্বভাব। গোৱাত উপস্থিত হৈ তাই দেখা পালে উত্তৰ ভাৰতৰ ছোৱালী হ'লেও তাই ইংৰাজী, হিন্দীৰ লগতে দক্ষিণৰো কোংকনী, কন্নড়, তামিল আদি বহুকেইটা ভাষা সল্‌সলীয়াকৈ ক'ব পাৰে। ফলত তাইৰ বন্ধুমহল বিশাল। যি নহওক, তাইৰ ভাল লাগিছে। জুয়োজনীয়েই মন খুলি কথা পাতিছে, হাঁহিছে, স্ফূৰ্তি কৰিছে গোৱাৰ সাগৰ আৰু বালিৰ সৌন্দৰ্য উপভোগ কৰিছে। তাৰ ফাঁকে ফাঁকে নিজৰ ফটো ছেশ্বন সম্পূৰ্ণ কৰিছে।

কিন্তু হঠাৎ সকলো খেলিমেলি হৈ গ'ল। এদিন সিহঁত থকা হোটেললৈ পুলিচ আহিল। গোৱাৰ পুলিচৰ লগত ছানিয়াই কোংকনী ভাষাতে কি কথা পতিলে তাই ঠিক ধৰিব নোৱাৰিলে। কথা-বতৰাবোৰৰ ভাব-ভংগীত এনে লাগে যে কিছু বিতৰ্ক হৈছে। মাজে মাজে তাইৰ ম'বাইল ফোন বাজি উঠিছে। তাই ফোনটো কাটি দিছে। শেষত কিছুমান অভিযোগৰ বাবে নীতাক পুলিচ থানালৈ পুলিচে লৈ আহিল আৰু ছানিয়া; তাইক দূৰৰ পৰা নীতাই দেখা পালে মুম্বাইমুখী এখন গাড়ীত উঠিছে কোনোবা এজন যুৱকৰ লগত। যাবৰ সময়ত তাইক মাত এবাৰ দিয়াৰো সৌজন্যবোধ

নকৰিলে তাই।

নীতাই ঘটনাৰ আকস্মিকতাত এনেদৰে বজ্রাহত হ'ল যে হাতত থকা ম'বাইলটোও ব্যৱহাৰ কৰিবলৈ পাহৰিলে। তাই পুলিচক তাইৰ গ্রেপ্তাৰৰ আচল কাৰণ সোধাত সিহঁতে যি ভাষ্য দিলে তাৰ মৰ্ম এনেকুৱা— "গুৱাহাটীৰ অপৰাধশাখাৰ পুলিচৰ পৰা অহা জৰুৰী বাৰ্তা অনুযায়ী তাইক গ্রেপ্তাৰ কৰা হৈছে। কিয়নো তাইৰ দ্বাৰা বহু অপৰাধমূলক কাৰ্য সংঘটিত কৰা হৈছে— লগতে তাই থকা বহু ব্লুফিল্মৰ প্রিণ্ট, চি ডি পুলিচৰ হাতত পৰিছে। তেওঁৰ বন্ধু ৰূপেশ সিঙকো গুৱাহাটীত সোধা-পোছা চলি আছে। তাই সৰগ পৰা মানুহৰ দৰে হ'ল। অতদিনৰ মান-সন্মান, আদৰ-যত্ন সকলো তেনে মাটিত মিলি গ'ল। ৰূপেশৰ নাম পুলিচৰ মুখত শুনিহে তাইৰ সম্বিৎ আহিল। তাই হাতত থকা ম'বাইলৰ নাম্বাৰ টিপিলে—

হেল্ল', হেল্ল'— ফোন কাটি যায়। বহু চেষ্টাৰ মূৰত ৰূপেশক পায়। তাই কান্দোনত ভাগি পৰে।

"হেল্ল' ৰূপেশ মোক লৈ যোৱাহি। মই পুলিচ কাষ্টদিত। ইহঁতবোৰে কি অপৰাধৰ কথা কৈছে মই ধৰিব পৰা নাই।"

"ধৈৰ্য ধৰা ডাৰ্লিং। মই সোনকালে গৈ আছোঁ।"

"ধুৰ চালা ৰেণ্ডী, পুলিচ এটাই ফোনটো তাইৰ হাতৰ পৰা কাঢ়ি নিলে।"

"তমিজচে বাত কৰোঁ। মেৰে ম'বাইল ৱাপচ কৰো।"

"বৰী তমিজ চিখানে আয়ী। চালি!" এইবুলি খঙেৰে পুলিচজনে তাইৰ ম'বাইলৰ 'চিমকাৰ্ড' হস্তগত কৰিলে।

দহ

কথাবোৰ দিনৰ পোহৰৰ দৰেই স্পষ্ট হৈ উঠিল। যিবোৰ ফটো ব্লুফিল্মৰ নামত চলিবলৈ ধৰিলে— গুৱাহাটীৰ পুলিচৰ হস্তগত হ'ল, এইবোৰতো তাইৰেই ফটো। কি এক ষড়যন্ত্ৰ, যেন তাইৰ স্পষ্ট হৈ আহিল। তাৰ মাজত জাহাংগীৰ আৰ্ট গেলাৰীৰ সন্মুখত ৰূপেশে জোৰ কৰি থিতাতে ছবি আঁকা আৰ্টিষ্ট এজনৰ হতুৱাই তাইৰ যি মুখাবয়ব আঁকাইছিল সেইখন এখন 'ন্যূড ছবি' কৰি তুলিছে। অ' ৰূপেশেই তেনে আচল 'কালপ্রিট'। তাইৰ গা জ্বলি উঠিল। অন্তদিনে প্রেমৰ অভিনয় কৰি তাইৰ পৰা সৰকোৱা সকলো ফটো তাই বিকৃত ৰূপত দেখা পালে। তাৰ মাজত তাইৰ বাৰ্থডেত ৰূপেশে দিয়া সেই সাজযোৰৰো বিভিন্ন ছবি।

"উস্ ! চাব নোৱাৰি। চাব নোৱাৰি।" তাই মুখ ঢাকি বহি পৰে। তাই কাক কিদৰে

বুজাব। এই ছবি দেখি তাইক কোনে বিশ্বাস কৰিব। আজিলৈকে কম্পিউটাৰে যে বিভিন্ন ৰূপত বিকৃত ছবি তৈয়াৰ কৰিব পাৰে তাই ক'ৰবাত শুনিছিলহে। কিন্তু এয়া যে তাইৰ ছবি নি ৰূপেশেই তাইক 'ব্লেকমেইল' কৰি তলে তলে ব্লুফিল্মৰ ব্যৱসায় কৰিছিল, তাই কিদৰে জানিব।

উস্ কি অভিনয় ! প্ৰেমৰ কি প্ৰতিদান। তাই নিজকে ক'ত লুকুৱাব। বসুমতীয়ে যদি ফাট দিয়ে তাই লুকাব পাৰিলেহেঁতেন। নাই তাই ইয়াৰ পোতক তুলিহে এৰিব। নাৰী যিদৰে সহনশীলা বসুমতী হ'ব পাৰে, ঠিক তেনেদৰে ৰণচণ্ডীও হ'ব পাৰে। পৃথিৱী চাৰখাৰ কৰিব পাৰে। তাই ৰূপেশক সেয়ে এনেয়ে এৰি যাব নোৱাৰে। তাইক যি নৰক যন্ত্ৰণাৰ ফালে ঠেলি দিলে, সেয়া তাই আনৰ ক্ষেত্ৰত হ'বলৈ দিব নোৱাৰে।

তাই স্বীকাৰ কৰিছে তাই উচ্চাভিলাসী আছিল, তাই স্বীকাৰ কৰিছে তাই বিলাসী জীৱন আকাংক্ষী আছিল, তাই স্বীকাৰ কৰিছে 'মিছ্ ইণ্ডিয়া', 'মিছ্ ইউনিভাৰ্ছ'ৰ দৰে খিতাপৰ দ্বাৰা তাইৰ দেহ আৰু মনৰ সৌন্দৰ্য স্বীকৃত হওক— কিন্তু তাইতো তাৰবাবে কষ্ট কৰিছিল; জীৱনত নিজক প্ৰতিষ্ঠাৰ চেষ্টা কৰিছিল। কিন্তু তাইতো কেতিয়াও স্বজ্ঞানে অপৰাধ কৰা নাছিল। অথচ তাই যোৱা এমাহে অপৰাধী বুলি উপযুক্ত প্ৰমাণৰ অভাৱত কাৰাগাৰত নৰক যন্ত্ৰণা ভোগ কৰিছিল। চুইপাৰৰ সকলো কাম তাই কৰিব লগা হৈছিল। শাৰীৰিক নিৰ্যাতন, মানসিক নিৰ্যাতনত তাই ভিতৰে ভিতৰে বিধ্বস্ত হৈ পৰিছিল। তাই জীয়াই থকাৰ শক্তি হেৰুৱাই পেলাইছিল।

এঘাৰ

পিছদিনাৰ বাতৰিকাকতৰ গৰম খবৰ 'নগৰৰ বিখ্যাত ব্যৱসায়ী গুলীয়াই হত্যা।' ৰূপেশ আৰু তাৰ বন্ধুজনৰ ডাঙৰ ফটো গুলীবিদ্ধ হৈ পৰি আছে। ইনছেটত নীতাৰ ফটো। অপৰাধ জগতৰ নায়িকা সুনীতা ভৰদ্বাজ। তলত খবৰৰ সম্পূৰ্ণ বিৱৰণ।

কাৰাগাৰৰ চেলত বহি তাই উভতি গৈছে সুদূৰ অতীতলৈ। দেউতাকৰ হাতত ধৰি এজনী কণমানি ছোৱালী গাঁৱৰ মাজে মাজে স্কুললৈ গৈছে। দেউতাকে নানা কথা কৈ গৈছে। তাইৰ সেইবোৰলৈ মন-কাণ নাই। বাটৰ দুয়োকাষে ঢেৰ ফুটকলাৰ গছ। তাইৰ এটা ছিঙিবৰ মন গৈছে।

"দেউতা, এটা ছিঙোনে?"

"নাই মাজনী, নালাগে। মুখ লেতেৰা হ'ব। চোলা লেতেৰা হ'ব। ধুনীয়া

ছোৱালীজনীক সকলোৱে লেতেৰী ছোৱালী বুলিব।"

আবেলি মুখ-হাত ক'লা কৰি তাই আহি ঘৰ পাইছেহি। মাকে তাইৰ অৱস্থা দেখি গালি-শপনি পৰা নাই। ভিতৰলৈ গৈ গজালৰ পৰা কণমানি আয়নাখন নমাই আনি তাইৰ সন্মুখত দাণ্ডি ধৰিছে—

"চা, ভালকৈ চা, এইজনী মোৰ ছোৱালী হয়নে? মুখখনচোন একেবাৰে ক'লা কৰি আনিলি।"

নীতাৰ দুটোপাল চকুলো বাগৰি আহিল। ❐

❐❐❐